


প্ৰান্তিক
৬ষ্ঠ বছৰ ১৮শ সংখ্যা আগষ্ট '৮৭
অসমৰ ৰেচম উদ্যোগ আৰু ৰেচম বিধেয়ক
নাৰী অধিকাৰ
আৰু
নাৰী প্ৰগতি
গ্ৰাহক সুৰক্ষা অভিযান

# দাঁতৰ ডাক্তৰে লং তেলৰ শপত খায়!




আয়ুৰ্বেদেই হওক বা এলোপেথী, দুয়োতে লং তেলৰ ভূমিকা মহত্বপূৰ্ণ। দন্ত চিকিৎসকৰ ঔষধালয়তো ইয়াৰ স্থান আগশাৰীত।

এনে এটা সময়ো আছিল যেতিয়া দাঁতৰ বিষ হলেই মনলৈ আহিছিল লং তেলৰ কথা। জুখি-মাখি লোৱা সম মাত্ৰাৰ লং তেল আজিও আপুনি পায় প্ৰমিছ টুথপেষ্টত। সেয়ে যেতিয়াই আপুনি প্ৰমিছ টুথপেষ্টেৰে দাঁত ব্ৰাছ কৰে, তেতিয়া সেই তেল দাঁতৰ চুকে-কোণে থকা ছিদ্ৰত প্ৰবেশ কৰি দাঁতৰ গুৰিৰ অনিষ্ট সাধন কৰা সকলোবোৰ জীৱাণু বোধ কৰে। জীৱাণুৰ পৰা মুক্তি লাভ কৰি আপোনাৰ দাঁত হৈ পৰে সদায় সুস্থ, মজবুত আৰু জকমকীয়া... কিন্তু ই হ'ল লং তেলৰ মাথো এটা দিশ।

প্ৰমিছৰ অনন্য ফৰ্মূলাৰ ফলত লঙৰ এই তেলে মুখৰ দুৰ্গন্ধ বিয়পোৱা জীৱাণু প্ৰতিৰোধ কৰে আৰু আপোনাৰ শ্বাস স্নিগ্ধ সজীৱতাৰে ভৰাই দিয়ে।

আপোনাৰ দাঁত হৈ পৰে সুস্থ। জকমকীয়া। মুখলৈ আনে অনন্য সজীৱতা
--- সেয়ে ব্যৱহাৰ কৰক প্ৰমিছ টুথপেষ্ট।




**Promise**

লং তেলৰ এক অসাধাৰণ উৎপাদন প্ৰমিছ টুথপেষ্ট

বালচাৰা—
টুথপেষ্ট বিশেষজ্ঞ

CHAITRA-BLS-861 ASM



# প্ৰান্তিক

৬ষ্ঠ বছৰ ১৮শ সংখ্যা ১৬—৩১ আগষ্ট '৮৭ | মূল্য চাৰি টকা

যোগাযোগৰ ঠিকনা : পোঃ শিলপুখুৰী, গুৱাহাটী-৭৮১০০৩


## অহা সংখ্যাত

লক্ষীমপুৰ জিলাৰ কেইখনমান গাঁৱত খামতিসকলে বাস কৰে। জ্ঞান-বিদ্যা, কলা-সংস্কৃতি তথা সভ্যতাৰ দিশত এই বৌদ্ধ ধৰ্মাৱলম্বী **খামতিসকল** পূৰ্বৰেপৰা অন্যান্য জনগোষ্ঠীয় লোকতকৈ বহুগুণে আগবঢ়া। এখেতসকলৰ বিষয়ে এটি তথ্যসমৃদ্ধ প্ৰবন্ধ লিখিছে **প্ৰবীণ শইকীয়াই।**

ভালেমান ৰোগৰ ক্ষেত্ৰত ছিটা বা টিকাই অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। বিজ্ঞানৰ শেহতীয়া গৱেষণা-অধ্যয়নৰ ফলস্বৰূপে চিকিৎসা-বিজ্ঞান এনে এটা অৱস্থাত উপনীত হৈছে যে হয়তো অদূৰ-ভৱিষ্যতে এবিধ ছিটাৰেই মানব-শৰীৰৰ ভালেমান ৰোগ নিয়ন্ত্ৰণ কৰিব পৰা যাব।

**ডঃ দীনেশ চন্দ্ৰ গোস্বামীৰ** প্ৰবন্ধ : **ছিটা : সকলোৰে বাবে? সকলোৰোগৰ বাবে?**

**আমাক কম্পিউটাৰেই বিধি-বদ্ধ কৰিছে নেকি?** এখন পুথিৰ আলোচনা প্ৰসংগত **ডঃ দিলীপ কুমাৰ দত্তৰ** টোকা।

**ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ** "বাটৰ বাৰমিহলি"ৰ চতুৰ্থ ৰচনা **বিশ্বকবি বাচো : হাইকুৰ স্ৰষ্টা**

**ৰবীন্দ্ৰ নাথ ঠাকুৰৰ শান্তি-নিকেতন আৰু বিশ্বভাৰতী** সম্পৰ্কে লিখিছে **সুনীস কুমাৰ দত্তই**

বাইজৰ পৰা টকা গোটোৱা **ব্যক্তিগত সঞ্চয়-প্ৰতিষ্ঠানসমূহ বিশ্বাসযোগ্য নে?**
**ৰাণু বৰুৱাৰ** পৰ্যালোচনা

## এই সংখ্যাত

দূৰদৰ্শনে ইমান ঘনে-ঘনে আৰু ইমান বেছি সময়ৰ বাবে ৰাজীৱ গান্ধীক পৰ্দাত দেখুৱাই তেওঁৰ যথেষ্ট ক্ষতি কৰিছে। তেওঁক চোৱা লাখ লাখ লোকে এটাই কথা সোধে : এই মানুহজনক বিশ্বাস কৰিব পাৰিনে? আৰু এইটোৱেই আমাৰ সময়ৰ অতি দুখদায়ক ঘটনা হৈ পৰিছে।

কংগ্ৰেছদলৰ মাজৰ কন্দল আৰু দেশৰ বৰ্তমানৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত


**কুলদীপ নায়াৰৰ** প্ৰবন্ধ : **সেই মানুহজনক বিশ্বাস কৰিব পাৰিনে?** ।৯।


ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলত উৎপাদিত পত্ৰোৰ্ণা (পাট) বস্ত্ৰৰ ভিতৰত পুৰণি কামৰূপৰ সুবৰ্ণকুদ্যৰ বস্ত্ৰ শ্ৰেষ্ঠ বুলি কৌটিল্যই কৈ গৈছে। ...আজি কিন্তু সেই গৌৰৱ নাই। বছৰৰ পাছত বছৰ ধৰি অসমৰ ৰেচম উদ্যোগলৈ ক্ৰমান্বয়ে আন্ধাৰ নামি আহিছে।


**ডঃ প্ৰবীণ বৈশ্যৰ** প্ৰবন্ধ :
**অসমৰ ৰেচম উদ্যোগ আৰু ৰেচম বিধেয়ক** ।১৪।


এগৰাকী মহিলা হাড়ভঙা খাটনিৰে ঘৰুৱা জঞ্জাল, সন্তানৰ লালন-পালন, চাকৰি ইত্যাদি সকলো সামৰিব লগা হলেই তেওঁক আমি নিৰ্যাতিতা বুলি ক'ব নোৱাৰোঁ। সেইদৰে অন্য এগৰাকীক দুই-তিনিটা সোণৰ ছে'ট দি বিয়া কৰাই আনি শাহুৱেক-শহুৰেকে সাংঘাতিক মৰমত কুটা এগছ কৰিবলৈ নিদিয়াকৈ ৰাখিলেও আমি তেওঁক সামাজিক বিচাৰৰ উৰ্ধ্বত বুলি ক'ব নোৱাৰোঁ।


**নাৰী অধিকাৰ আৰু নাৰী প্ৰগতি : কুমাৰী কাব্যশ্ৰী মহন্ত** ।৪৩।

পত্ৰালাপ ।৪। ঘটনা-প্ৰবাহ ।৭। কুলদীপ নায়াৰৰ প্ৰবন্ধ ।৯। বিশ্ব পৰিক্ৰমা ।১১। ৰেচম উদ্যোগ আৰু ৰেচম বিধেয়ক ।১৪। গোপীনাথ জয়ন্তী ।১৮। গ্ৰাহক সুৰক্ষা আইন ।১৯। সুদূৰ সংবেদন ।২৩। অসমীয়া ভাষা কোৱা আৰু লিখা ।২৭। দৈনন্দিন ।২৯। অতীতক নাযাবা পাহৰি ।৩০। গল্প ।৩১। কবিতা ।৩৭। উপন্যাস ।৩৮। নাৰী অধিকাৰ ।৪৩। ঘৰুৱা ।৪৫। কলা-সংস্কৃতি ।৪৬। ক্ৰীড়াংগন ।৪৮। শেষ পৃষ্ঠা ।৫০।



**মুখ্য সম্পাদক : ডঃ ভবেন্দ্ৰনাথ শইকীয়া**

**নিবন্ধকাৰ :** কুলদীপ নায়াৰ * বদন বৰুৱা * ডঃ নিৰোদ কুমাৰ বৰুৱা * পুলক লাহিড়ী * ডঃ দিলীপ কুমাৰ দত্ত * পূৰ্ণ বৰা * ডঃ কৃষ্ণগোপাল ভট্টাচাৰ্য * ডঃ সুনীল পৱন বৰুৱা * ডঃ কুলেন্দু পাঠক * গণেশ দাস * পৰাগ কুমাৰ দাস * দিলীপ কুমাৰ মহন্ত * ধীৰেন বেজবৰুৱা * সমুদ্ৰ গুপ্ত কাশ্যপ

**সহকাৰী সম্পাদক : ইমৰান হুছেইন**

**অংগ সজ্জা :** দেবানন্দ উলুপ, সীমান্তজ্যোতি বৰুৱা **আলোকচিত্ৰ :** দীপক বেজবৰুৱা

**মুদ্ৰাংকন :** ট্ৰিবিউন প্ৰেছ আৰু শৰাইঘাট অফছেট প্ৰেছ

**প্ৰদীপ বৰুৱাৰ** দ্বাৰা মুদ্ৰিত, প্ৰকাশিত আৰু সম্পাদিত





OKDISCD

## ডি. ডি. টি. সম্পৰ্কে

আজিকালি মেলেৰিয়া-আক্ৰান্ত অঞ্চলবোৰত পূৰ্ণোদ্যমে ডি. ডি. টি, ছটিওৱা হৈছে। ইয়াৰ ফলত মেলেৰিয়াৰ উপশম হৈছে, কিন্তু ই মানৱ জীৱনলৈ আন এক বিপদ মাতি আনিছে। অত্যধিকভাৱে আৰু জধেমধে ব্যৱহাৰ কৰাৰ ফলত ই খাদ্যশৃংখলৰ যোগেদি মানুহ আৰু জীৱজন্তুৰ শৰীৰত প্ৰৱেশ কৰিছে। গৰু ম'হ আদি জীৱ-জন্তুৰ শৰীৰত প্ৰৱেশ কৰা ডি. ডি. টি, ভাগো (সিহঁতৰ গাখীৰ খোৱাৰ ফলত) পুনৰ মানুহৰ শৰীৰতে প্ৰৱেশ কৰিছে। ডি. ডি. টি, পানীত অতি কম পৰিমাণে দ্ৰৱণীয়, আৰু স্নেহপদাৰ্থত ভালকৈ দ্ৰৱণীয়। গতিকে অইন দূষিত পদাৰ্থৰ দৰে ই প্ৰাণীৰ শৰীৰৰ পানীভাগৰ লগত মিহলি নহৈ স্নেহপদাৰ্থত সহজে মিহলি হৈ পৰে। অবিৰতভাৱে মানৱ শৰীৰত প্ৰৱেশ কৰাৰ ফলত ডি. ডি. টি. শৰীৰৰ স্নেহপদাৰ্থত স্থায়ীভাৱে জমা হৈ পৰে। ডি. ডি. টিয়ে মানৱ শৰীৰৰ নানা ধৰণে অনিষ্ট সাধন কৰে। ই কেন্দ্ৰীয় স্নায়ুতন্ত্ৰক আক্ৰমণ কৰে। শ্বাস-প্ৰশ্বাসত সহায় কৰা কিছুমান এনজাইমৰ উৎপাদন বন্ধ কৰে আৰু যকৃত, কিডনি আদি শৰীৰৰ গুৰুত্বপূৰ্ণ অংশৰ অনিষ্ঠ কৰে। ডি.ডি.টিৰ সৈতে বেছি সম্পৰ্ক থকা লোকৰ চকুৰ পোৰণি ৰোগ, চকুৰ দৃষ্টি লোপ পোৱা, মূৰ ঘূৰণি আদি বেছিকৈ হোৱা দেখা যায়। ডি.ডি.টিৰ অপকাৰিতা সম্পৰ্কে ১৯৪৫ চনতেই বৃটিছ বিজ্ঞানী ভি. বি. উইগ্লেছৱৰ্থে সতৰ্ক কৰি দিছিল। আমেৰিকা, ছোভিয়েট ৰুছিয়া, পশ্চিম জাৰ্মানি, ছুইডেন, নৰৱে, ডেনমাৰ্ক আদি উন্নত দেশবোৰে ডি. ডি. টিৰ উৎপাদন আৰু ব্যৱহাৰ সম্পূৰ্ণৰূপে নিষিদ্ধ কৰিছে। আনহাতে যোৱা দহ বছৰত ভাৰতত ডি. ডি. টিৰ ব্যৱহাৰ প্ৰায় চাৰিগুণে বৃদ্ধি পাইছে। ফলত ভাৰতীয় মানুহৰ শৰীৰত ইয়াৰ পৰিমাণ হৈছে ১২.৮ পি. পি. এমৰ পৰা ৩১ পি. পি. এম.। আনহাতে মানুহৰ শৰীৰত বিষক্ৰিয়া নোহোৱাকৈ সহিবপৰা ডি. ডি. টিৰ সৰ্বাধিক পৰিমাণ হ'ল ১ পি. পি. এম.।

—ৰবীনজ্যোতি তালুকদাৰ, টিহু

## "অসমীয়া হোৱাটো বিশেষ যোগ্যতা নহয়"

উক্ত শিৰোনামাৰ চিঠিৰ (১।৬।৮৭) সন্দৰ্ভত আমাৰ নিজা অভিজ্ঞতাৰপৰা ক'ব পাৰোঁ। যে ডঃ শৰ্মাই কলিকাতাত অনুষ্ঠিত কেনছাৰ সম্বন্ধীয় ৰৰ্কশ্বপত অসমৰ চিকিৎসকৰপৰা কিন্তু শুনিবলৈ আশা কৰি হতাশ হোৱাত আচৰিত হ'বলগীয়া একো নাই। ছাত্ৰাৱস্থাৰপৰা এতিয়ালৈকে কেইবাখনো সৰ্বভাৰতীয় ছাৰ্জিকেল কনফাৰেন্সত যোগদান কৰি হোৱা আমাৰ ব্যক্তিগত অভিজ্ঞতাৰ পৰা এনে মত পোষণ কৰিবলৈ বাধ্য হৈছোঁ। দেশ-বিদেশৰ ডেৰ-দুই হাজাৰ চিকিৎসক প্ৰতিনিধিয়ে যোগদান কৰা এই সন্মিলনবোৰত অসমৰ চিকিৎসক-প্ৰতিনিধি বিচাৰি নোপোৱাৰ নিচিনা; পালেও দুই-চাৰিজনৰ বেছি নহয় (তিনিখন স্নাতকোত্তৰ পাঠ্যক্ৰম থকা চিকিৎসা মহাবিদ্যালয় থকা সত্বেও)। অথচ ভাৰতৰ কিছুমান অখ্যাত, ভিতৰুৱা ঠাইৰপৰা অহা প্ৰতিনিধিয়ে এই সৰ্ব-ভাৰতীয় মঞ্চত তেওঁলোকৰ সমস্যা, কৃতিত্বৰ-কথা সগৌৰৱে দাঙি ধৰেহি। বহুতো কলেজৰ স্নাতকোত্তৰ মহলাৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা তেওঁলোকৰ শিক্ষকসকলে যেনেকৈ অধ্যয়ন-পত্ৰ (study paper) পৰিবেশন কৰায়, আৰু লগত থাকি উৎসাহ দিয়াৰ উপৰিও অসুবিধাত পৰিলে নিজে মঞ্চলৈ গৈ দৰ্শকৰ প্ৰশ্নৰ উত্তৰ দি তেওঁলোকৰ মনোবল বঢ়ায়, সেয়া দেখি আমাৰ মনত দুখ আৰু ঈৰ্ষাৰ উদ্ৰেক হয়। এইবোৰত যোগদান কৰা অধ্যয়ন-পত্ৰ-পাঠ কৰাসকল যে অকল চৰকাৰী কলেজৰহে চিকিৎসক এনে নহয়, বহুতো আনকি ছিভিল হস্পিটেল তথা নিজৰ নাৰ্ছিং হোমত প্ৰাইভেট প্ৰেকটিছ কৰা চিকিৎসকো থাকে। এনে সৰ্বভাৰতীয় মঞ্চত অসমৰ প্ৰতিনিধিত্ব প্ৰায় শূন্যই বুলিব পাৰি। ফলত এনে মঞ্চত অসম এটা অচিনাকি নাম। অৱশ্যে মেডিছিন, গাইন'কলজি, ৰেডিঅ'লজি আদিৰ সৰ্বভাৰতীয় সন্মিলনত অৱস্থা কিছু উন্নত যেন লাগে। এই খিনিতে প্ৰাসংগিতাৰ খাতিৰত শেহতীয়াকৈ হোৱা আমাৰ এটি অভিজ্ঞতাৰ কথা মনত পৰিছে। যোৱা বছৰৰ সৰ্ব-ভাৰতীয় ছাৰ্জিকেল কনফাৰেন্সত আমাৰ দুটি অধ্যয়ন-পত্ৰ এখন পঢ়িবলৈ গৈ আমাৰ প্ৰাক্তন শিক্ষাগুৰু কেইগৰাকীমানক লগ পাই মনত বৰ আনন্দ আৰু সাহ পালো; কিন্তু পত্ৰ-পাঠৰ সময়ত অধিবেশন থলীত তেখেত সকলক হ'লে দেখা নাপালো। অথচ সেই একেখন মঞ্চতে আমাৰ অলপ পাছতে পত্ৰ-পাঠ কৰা এজনৰ প্ৰতি পৰিচালক মণ্ডলীয়ে অলপ লঘু তথা ধেমেলীয়া মন্তব্য কৰাত তেওঁৰ প্ৰফেছাৰজনে দৰ্শকৰ মাজৰপৰা থিয় হৈ প্ৰবল আপত্তি জনোৱাত তেওঁলোকে মন্তব্য উঠাই ল'বলগীয়া হ'ল। আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ এনে সৌভাগ্য কেতিয়াবা হ'ব নে? সন্মিলনবোৰত যোগ দিয়া প্ৰতিনিধি চিকিৎসকসকলৰ কোনোজনৰেই ব্যস্ততা নথকা নহয়। এইবোৰত যোগ দিবলৈ মন, ক্ষণ আৰু ধনৰ আৱশ্যক। আমাৰ চিকিৎসকলৰ ইয়াৰে কোনটোৰ অভাৱ নকলেও নিশ্চয় আপোনালোকে বুজিব পাৰিছে। কিমধিকমিতি?

—ডঃ ৰবীন মজুমদাৰ, পানীতোলা

## ঘনিষ্ঠ শত্ৰু

প্ৰান্তিকৰ শেষপৃষ্ঠাৰ চিন্তা-চৰ্চা সময়োপযোগী। শেহতীয়া "ঘনিষ্ঠ শত্ৰু"ত সন্নিবিষ্ট কথাখিনিৰ প্ৰসংগতে কৈছোঁ। মই এগৰাকী সমাজ সেৱিকা। দিনটোৰ আজৰি সময়খিনি সামাজিক সংগঠনমূলক কাম-কাজতে লাগি থকা আজি পোন্ধৰ বছৰবো অধিক হ'ল। এনেবোৰ কাম-কাজত আমি সময়ে-সময়ে জিলা প্ৰশাসনক ধৰি বিভিন্ন চৰকাৰী বিষয়া আদিৰ ওচৰ চাপিব লগীয়া হয়,—কিছুমান সা-সুবিধাৰ কাৰণে। সামাজিক কামৰ স্বাৰ্থতেই প্ৰায়বিলাক বৰমূৰীয়া বিষয়াই আমালৈ পৰাখিনি সহায়-সহযোগিতা আগ বঢ়াই আহিছে।

কিন্তু বৰ্তমান কিছুমান কথা-কাণ্ড আৰু শাসকীয়দলৰ পালিনেতা কেতবোৰৰ আচৰণে আমাৰ মনবিলাকো সংকুচিত কৰি তুলিছে। প্ৰশাসনীয় বিষয়া-বৰমূৰীয়াসকলক দেখিছোঁ,—কিবা দ্বিধা, সংকোচ আৰু আশংকাই নিষ্ঠা, সততা আৰু নিৰ্ভয়ভাৱে কাম কৰাৰ পৰা তেখেতসকলক বিৰত কৰিছে। ধৰক কিছুমান জনকল্যাণমূলক আঁচনি হাতত লৈছোঁ। সৰু সুৰা দুই-এটা কথাত জিলা প্ৰশাসনে আমালৈ সহায়-সহযোগিতা আগবঢ়াইছে; এইখিনি সহায় কৰাটো তেখেতসকলে এটা কৰ্তব্য বুলিয়েই ধৰিছে। কিন্তু এনে ৰাজহুৱা স্বাৰ্থই কোনোবা পালিনেতাৰ স্বাৰ্থত যদি এধানমানো আঁচোৰ মাৰিলে, তেন্তে কথা নাই; —এইজন বিষয়াক আঁতৰাব লাগে; মন্ত্ৰীৰ মেজত তেওঁৰ বিৰুদ্ধে অসংখ্য অভিযোগ গোট খালে।

এনেকুৱাও দেখিছোঁ, —নিম্নবৰ্গৰ সহায়কৰ চাকৰিয়াল এজনক বৰমূৰীয়া বিষয়াই বহুতো সময়ত চলাব নোৱাৰে; কাৰণ তেওঁ নেতাৰ বন্ধু। বৰঞ্চ বিষয়াই কি কৰিব লাগিব—নালাগিব সেই বিষয়ে তেওঁহে দিহা দিব। নেতাৰ বন্ধুজন অফিছলৈ অহা নহাটো নিজৰ খেয়াল-খুচিৰ ওপৰতে নিৰ্ভৰ কৰে। এই ক্ষেত্ৰত বৰমূৰীয়া বিষয়াজন যদি সাহসী বা স্পষ্টবাদী হয়, তেনেহলে তেখেতৰ আসনো থৰক-বৰক হয়।

এনে এচাম বিষয়াও ওলাইছে যিসকলে কামৰ সময়ত এনেধৰণৰ পালিনেতাসকলক দপ্তৰত বহুৱাই চাহ-মিঠাই-ছিগাৰেট তামোলেৰে আপ্যায়িত কৰে। এইসকলৰ দিহা-পৰামৰ্শ আখৰে-আখৰে কামত লগোৱা হয়। এইচাম বিষয়াৰ গুণ-গৰিমাই মন্ত্ৰীসকলৰ কক্ষত বেছিকৈ প্ৰচাৰ পায়। আচলতে কামৰ মানুহ ওপৰলৈ উধালেহে ভাল হয়।

—দেৱযানী বৰবৰা,
খলিহামাৰী, ডিব্ৰুগড়

## বিশল্যকৰণী

শ্ৰীবিৰিঞ্চি কুমাৰ মেধি দেৱে 'বিশল্যকৰণী' বোলা গল্পটোত (১৬।৬।৮৭) "দেৱদূতে যিছুৰ বুকু ফালি ক্লেদ কলুষ নিকা কৰাদি" বুলি লিখি মাৰাত্মক ভুল কৰিছে। অৱশ্যে শ্ৰীমেধি দেৱৰ 'যিছু' যদি বাইবেলখনৰ প্ৰভু 'যীচু' নহয়, বৰং কোনো কাল্পনিক লিখনিৰ কোনো এক চৰিত্ৰ মাথোন, তেন্তে মোৰ ক্ৰোধ-বেদনা-অপমান অবান্তৰ বুলি প্ৰমাণিত হ'ব। কিন্তু শ্ৰীমেধি দেৱে যদি বাইবেলৰ 'যীচু'ৰ ক্ষেত্ৰতেই এই কথা কৈছে, তেন্তে মই কওঁ: পুৰাতন আৰু নব বিধান দুয়োখনকে লৈ বাইবেলত মুঠ ৬৬ খন পুস্তক আছে। এই আটাইকেইখনৰ কোনো খনতে কোনো ঠাইতে, "দেৱদূতে যিছুৰ বুকু ফালি ক্লেদ কলুষ নিকা" কৰা কথা লিখা নাই। তেন্তে শ্ৰীমেধি দেৱে কথাষাৰ ক'ৰপৰা পালে? এগৰাকী খৃষ্ট ভক্তৰূপে মই ক্ৰোধ বেদনা অপমানত জৰ্জৰিত হৈছোঁ।

—যোচেফ বসুমতাৰী,
পাণবজাৰ, গুৱাহাটী

## বুদ্ধৰ বুদ্ধত্ব আৰু মোৰ কৈশোৰৰ মৃত্যু

প্ৰকৃত অৱস্থাটো নেদেখিবৰ বাবে আমাৰ দেশৰ ডাঙৰ নেতা যোৱা পথৰপৰা অবাঞ্চিত বস্তুবোৰ আঁতৰাই যেনেকৈ পৰিষ্কাৰ কৰি ৰখা হয়, বুদ্ধদেৱকো তেনেকৈ বুদ্ধদেৱ হোৱাৰ আগতে কিছুমান কুৎসিত অবাঞ্চিত বস্তু নেদেখাৰ ব্যৱস্থা কৰি ৰখা হৈছিল। পৃথিৱীৰ বেয়াবোৰ চাবলৈ নিদিয়াৰ নামত বুদ্ধদেৱক জীৱন আৰু জগতৰ প্ৰকৃত সত্যবোৰ নেদেখিবলৈহে যেন সকলো প্ৰকাৰ ব্যৱস্থা কৰি দিয়া হৈছিল। তথাপিও, এনে কটকটীয়া ব্যৱস্থাৰ মাজতো বুদ্ধদেৱে ৰোগ, শোক, বাৰ্ধক্য আৰু মৃত্যু দেখিছিল। দেখি অত্যন্ত চিন্তিত, বিচলিত আৰু শংকিত হৈছিল। —মানৱ জীৱনক এনেবোৰ দুৰৱস্থাৰপৰা মুক্ত কৰাৰ উপায় বিচাৰি তেওঁ ঘৰ-সংসাৰ-পত্নী-পুত্ৰ ত্যাগ কৰি ওলাই গৈছিল। শেষত তেওঁ এজোপা গছৰ তলত বহি ধ্যানত মগ্ন হৈছিল। মোৰ কৈশোৰত বুদ্ধদেৱৰ বিষয়ে পাঠ্যপুথিত পঢ়োঁতে ঠিক এইখিনিলৈকে ঠিকেই বুজিছিলো। কিন্তু ইয়াৰ পাছতেই যেন সকলোবোৰ ধুৱঁলী কুঁৱলী হৈ পৰিছিল। মই একো বুজিব নোৱাৰিছিলো।

স্বল্পবস্ত্ৰা নায়িকাই গা ধুই উঠি বাকী কাপোৰডোখৰো খুলি সলাবলৈ ধৰোঁতেই এখন ৰেলগাড়ী আহি দৃশ্যটো আঁৰ কৰি ধৰিলে। ৰেলখন এদিন নহয় এদিন পলমকৈ আহিবই, এই আশাৰে এজন দৰ্শকে বাৰে বাৰে একেখন ছিনেমাকে, মাত্ৰ সেই বিশেষ দৃশ্যটোৰ বাবেই চাবলৈ গৈ থকাৰ দৰে ময়ো মোৰ কৈশোৰত বুদ্ধদেৱৰ বিষয়ে পঢ়োঁতে ওপৰত বৰ্ণোৱা অংশটোৰ পিছৰ বুদ্ধই বুদ্ধত্ব পোৱা অংশটো বাৰে বাৰে পঢ়িছিলো। ক'ৰবাত নিশ্চয় এটামান বাক্য মই এৰি থৈ গৈছোঁ, যিটো কাৰণত মই অৰ্থ বুজিব পৰা নাই, আৰু এবাৰ পঢ়িলেই হয়তো অৰ্থটো মোৰ সন্মুখত স্পষ্টকৈ ধৰা দিবহি,— এনে আশাৰেই ময়ো বাৰে বাৰে একেটা অংশকে বিভিন্ন সময়ত পঢ়ি চাইছিলো। আৰু বাৰে বাৰে নিৰাশ হৈছিলো। —"অৱশেষত বুদ্ধৰ সাধনা সিদ্ধি হ'ল, তেওঁ মানুহৰ মুক্তিৰ উপায় বিচাৰি পালে" —মোৰ সমগ্ৰ হৃদয় মন যেন হঠাতে এটা আনন্দৰ চমকে পোহৰাই পেলালে। মই নমৰোঁ, মোৰ জীৱনলৈ আৰু কোনোদিন বাৰ্ধক্য নাহে, আমি সকলোৱে দুখ, শোক, জৰা, মৃত্যুৰপৰা বাচি অজৰ-অমৰ হৈ অনন্ত কাল সুন্দৰ পৃথিৱীৰ সুখ উপভোগ কৰি থাকিব পাৰিম! কিন্তু— কিন্তু তাৰ পিছৰ বাক্যকেইটাই যেন মোক পুনৰ নিৰাশাৰ অটল গহ্বৰত নি পেলাই দিলেগৈ! —বুদ্ধই বুদ্ধত্ব লাভ কৰিলে— ঠিক আছে। কিন্তু তাৰ পাছতে তেওঁ দেখোন অন্য কথাহে কবলৈ আৰম্ভ কৰিলে।— মিছা কথা নকবা, চুৰ নকৰিবা, হিংসা নকৰিবা···। এইবোৰ পালন কৰিলেই মই কি ৰোগৰপৰা, বাৰ্ধক্যৰপৰা, মৃত্যুৰপৰা বাচিব পাৰিম? তেওঁ বাৰু মৃত্যুৰপৰা বাচি থকাৰ উপায়টো কলে ক'ত? —কিয়, বুদ্ধই ৰোগ-শোক-জৰা-মৃত্যুৰপৰা মানুহক মুক্ত কৰাৰ উপায় বিচাৰিহে জানো ঘৰ-সংসাৰ পত্নী-পুত্ৰ ত্যাগ কৰি গছৰ তলত বহি সাধনা কৰা নাছিল? তেন্তে বুদ্ধত্ব প্ৰাপ্তিৰ পাছত তেওঁ এইবোৰ কি পোৱা বুলি ঘোষণা কৰিলে? তেওঁ বিচাৰিছিল কি আৰু পালে কি? বিচৰাটো নোপোৱা সত্ত্বেও তেওঁৰ "সাধনা সিদ্ধি হ'ল" বুলি কোৱা হ'ল কিয়?— মোৰ মনৰ ভিতৰত ৰহস্যৰ ডাঠ কুঁৱলীয়ে এআঙুল আঁতৰতো একো নেদেখা, একো নুবুজা কৰি পেলালে। —ক'তা, ক'তো দেখোন স্পষ্টকৈ এই কথা লিখা নাই যে বুদ্ধদেৱে যি বিচাৰি সাধনা কৰিছিল সেইটো তেওঁ বিচাৰি নাপালে! মানুহে জীৱনত ৰোগ শোক জৰা মৃত্যুৰপৰা যে কোনোমতেই হাত সাৰিব নোৱাৰে, এইবোৰ কুৎসিত অবাঞ্চিত হ'লেও যে জীৱনৰেই অবিচ্ছেদ্য অংগ, এই কথাটোহে তেন্তে তেওঁ কঠোৰ তপস্যাৰ শেষত বুজিলে! মুক্ত হোৱাৰ উপায় বিচাৰি মুক্ত হ'ব পৰাৰ উপায় নাই বুলি বুজিয়েই সন্তুষ্ট থাকিব লগা হ'ল!

যেতিয়া মই স্পষ্টকৈ এই কথা বুজি উঠিছিলো যে— ৰোগ, শোক, জৰা মৃত্যুৰপৰা পৰিত্ৰাণ পাব নোৱাৰি বুলি চিৰন্তন সত্যটো বুজি উঠাটোৱেই হৈছে এজনৰ বুদ্ধত্ব প্ৰাপ্তি (বোধ প্ৰাপ্তি) তেতিয়া মোৰ কৈশোৰৰ পৰা বিদায় লবলৈ বেছি দিন নাছিল।

—দেৱকান্ত সন্দিকৈ,
বিমানবন্দৰ, গুৱাহাটী

## প্ৰীতি সোঁৱৰণী

শ্ৰীগোবিন্দ চন্দ্ৰ পৈৰাৰ 'এই বিহুৰ বতৰতে' (১।৬।৮৭) পঢ়িবলৈ পাই মন উৰা মাৰিলে ২৩।২৪ বছৰৰ আগৰ কেতবোৰ দিনলৈ। ফেকত বিহু সন্মিলনৰ উদ্যোক্তা খুতুবী ছেমা নামৰ দেৰগাঁও হাইস্কুলৰ সুন্দৰ-সুঠাম, তেজ-ফুটো-ফুটো গাল-মুখৰ ছাত্ৰজন ১৯৬৩-৬৪ চনৰ যোৰহাটত অনুষ্ঠিত হোৱা তেতিয়াৰ উজনি অসম স্কুল টুৰ্নামেণ্টত দস্তুৰমত 'হিৰো'। লগত আছিল আন এজন নগাছাত্ৰ ইমো আও (?)। উজনি অসমৰ স্কুল টুৰ্নামেণ্ট আছিল সেই সময়ৰ অলেখ স্কুলীয়া ছাত্ৰছাত্ৰীৰ মিলনৰ থলী। পৰিসৰ আছিল তেতিয়াৰ অবিভক্ত লক্ষীমপুৰ আৰু শিৱসাগৰ জিলা। ডিছেম্বৰ-জানুৱাৰী মাহৰ ঠেটুৱৈধৰা কুঁৱলীৰ মাজত যোৰহাটৰ কাছাৰী ময়দানত অনুষ্ঠিত হোৱা সেই টুৰ্নামেণ্টৰ মধুৰ সোঁৱৰণী নিশ্চয় বহুতৰ মনত আজিও সেউজীয়া হৈ আছে।

শান্ত-সমাহিত খুতুবী আৰু ইমো আছিল দেৰগাঁও হাইস্কুলৰ দুজন উজ্জ্বল খেলুৱৈ। এথলেটিকছৰ কেইবাটাও শাখাত এই দুজন খেলুৱৈৰ নিজা স্থান কোনেও কাঢ়ি নিব নোৱাৰিছিল আৰু দুয়োজন দেৰগাঁও হাইস্কুলৰ মুখ উজলাইছিল। সুন্দৰ-সুদেহী খুতুবীৰ তাহানিৰ হপ-ষ্টেপ-এণ্ড জাম্প মৰাৰ আকৰ্ষণীয় ভংগিমা চালে চকুৰোৱা আছিল। এওঁলোক দুয়োজনৰ গাৰ ৰং আৰু সুন্দৰ স্বাস্থ্য সেইসময়ৰ বহু ছাত্ৰ-ছাত্ৰীৰ বাবে ঈৰ্ষাৰ বস্তু আছিল। তদুপৰি দুয়ো আছিল ভাল ফুটবল খেলুৱৈ।

শ্ৰীপৈৰাৰ লেখাৰ জৰিয়তে খুতুবীৰ বিহুৱলীয়া ডেকা মনটো আজিও সুদুৰ

ফেকৰ দুৰ্গম পাহাৰৰ মাজতো যে উথল-মাথল লাগি থাকে. সেয়া জানিবলৈ পাই ধন্য হলো।

'প্ৰান্তিক'ৰ জৰিয়তে খুতুৰী আৰু ইমোলৈ এজন পুৰণি স্কুলীয়া বন্ধুৰ সাদৰ-সম্ভাষণ জনালো। ইমো বৰ্তমান ক'ত আছে নাজানো, যদিও নাথাকক লাগে, তেওঁলোক যেন পাহাৰ-ভৈয়ামৰ মিলনৰ এনাজৰী হৈ থাকক। লগতে খুতুৰীৰ সহোদৰা শ্ৰীমতী ছেমালৈও আন্তৰিক অভি-নন্দন; তেখেতৰ অসমীয়া-প্ৰীতি তথা ভাষাপ্ৰেমৰ স্ফূৰ্তিটো যেন অনন্ত কাললৈ বৈ থাকক।

—সত্যেন গগৈ,
চৌকিডিঙি, ডিব্ৰুগড়

## জে ছি মুৰৰ দিনপঞ্জী ঃ নিশিকান্তৰ বিপদ

"আমেৰিকান মহিলা জে. ছি. মুৰৰ দিন-পঞ্জীৰ পৰা" অনুবাদ কৰা লিখনিটো (১৬।৫।৮৭) পঢ়িলো আৰু লগতে শ্ৰীকমেলেশ্বৰ বৰাক ধন্যবাদ জনালো। পিট মুৰ (সম্পূৰ্ণ নাম Pit Holland Moore) নগাঁৱত ১৮৮০ চনৰ পৰা ১৯১৬ চনলৈকে আমে-ৰিকান বেপ্টিষ্ট মিছনৰ পাত্ৰী আছিল। নগাঁও টাউন বেপ্টিষ্ট গীৰ্জাৰ বেৰত মাৰ্বল পাথৰৰ ফলকত তেওঁৰ নাম আজিও জিলিকি আছে। জেছি মুৰৰ লিখনিত উল্লিখিত নিশিকান্ত মোৰ ককাদেউতা। সম্পূৰ্ণ নাম নিশিকান্ত দে। শান্তিনাথ শইকীয়া তেওঁৰ পৰিবাৰ। তেওঁলোকৰ সাতোটি সতি সন্ততি আছিল। নগাঁও চৰকাৰী বালিকা উচ্চ মাধ্য-মিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী শ্ৰীযুতা লিলি বৰঠাকুৰ বৰ্তমান জীৱিত তেওঁলোকৰ একমাত্ৰ সন্তান। ককাদেউতাই খৃষ্টিয়ান হৈ বেপ্টিষ্ট মিছনৰ কাম কৰিছিল। তেওঁ কেইবা বছৰো নগাঁও টাউন বেপ্টিষ্ট গীৰ্জাৰ পালক (Pastor) আছিল। ১৯৫৮ চনৰ ২০ জানুৱাৰীত তেওঁৰ মৃত্যু হয়।

—প্ৰমথ কুমাৰ দে,
খৃষ্টিয়ান পট্টি, নগাঁও

## ভুল

ঘড়িৰ সময়ৰ কথা বুজাবলৈ বহুতে আজিকালি সেই সময়ৰ পিছত 'টা' ব্যৱহাৰ কৰা দেখা যায়। যেনে—'কেইটা বাজিছে' 'বাৰটা পোন্ধৰ' 'দুটা বাজিবলৈ পোন্ধৰ মিনিট বাকী' ইত্যাদি। কিন্তু 'টা' হ'ল এটা নিৰ্দেশক বা নিৰ্দেশাত্মক প্ৰত্যয় (Enclitic Definitive)। ইয়াক গোটা বস্তুৰ ক্ষেত্ৰত সংখ্যাবাচক শব্দৰ পিছতহে ব্যৱহাৰ কৰা হয়। 'বজা'তো গোটা আকৃতিৰ বস্তু নহয়! ইয়াৰতো কোনো আকৃতি নাই! তেনেহ'লে কি যুক্তিত বাৰু এই ক্ষেত্ৰত 'টা' ব্যৱহাৰ কৰা হয়? আচলতে হ'ব লাগে 'কিমান বাজিছে' 'বাৰ বাজি পোন্ধৰ মিনিট', 'দুই বাজিবলৈ পোন্ধৰ মিনিট বাকী' ইত্যাদি।

বহুতে আৰু এটা ভুল কৰি কয় বা লিখে—'পঞ্চমমান শ্ৰেণী,' 'দশমমান শ্ৰেণী' ইত্যাদি। মান আৰু 'শ্ৰেণী' দুয়োটা একে অৰ্থসূচক শব্দ। গতিকে এই ক্ষেত্ৰত দুয়োটা শব্দ একেলগে ব্যৱহাৰ কৰাটো অবান্তৰ। যদিহে 'পঞ্চমমান শ্ৰেণী' 'দশমমান শ্ৰেণী' বুলি ব্যৱহাৰ কৰিব পাৰি তেন্তে 'পঞ্চম মান মান' বা 'দশম শ্ৰেণী শ্ৰেণী' বুলিও নিশ্চয় ব্যৱহাৰ কৰিব পাৰি! আচলতে 'পঞ্চম শ্ৰেণী' বা 'পঞ্চমমান' 'দশম শ্ৰেণী' বা 'দশমমান' বুলি ব্যৱহাৰ কৰাটোহে শুদ্ধ।

—শৈলেন্দ্ৰ কুমাৰ নাথ,
বৰছলা, শোণিতপুৰ

## শক্তি মেলা

শ্ৰীপূৰ্ণ বৰাই "অসম শক্তি মেলা: গোলাঘাট: ১৯৮৭" শীৰ্ষক (১।৬।৮৭) লেখা-টিত কিছুমান ভুল-তথ্যপাতি দাঙি ধৰিছে। প্ৰথমতে, ১৯৪০ চনত ডিব্ৰুগড়ত শক্তিমেলা অনুষ্ঠিত হোৱা নাছিল; ১৯৩৭ চনতহে হৈছিল। দ্বিতীয়তে, সেই শক্তিমেলাৰ (১৯৩৭) সভাপতি আছিল ৰায়বাহাদুৰ স্বৰ্গীয় সদানন্দ দুৱৰাহে; শ্ৰীবৰাই লিখাৰ দৰে স্বৰ্গীয় ৰাধাগোবিন্দ বৰুৱা নহয়। ১৯৩৭ চনত ডিব্ৰুগড়ত অনুষ্ঠিত হোৱা শক্তিমেলাত স্বৰ্গীয় লক্ষ্মীকান্ত দত্ত আৰু স্বৰ্গীয় ৰাধাগোবিন্দ বৰুৱা খেলবিভাগৰহে যুটীয়া সম্পাদক আছিল। (আৱাহন, ১৮৫৯ শক, বহাগ, পৃষ্ঠা ৫৭২)।

১৯৩৭ চনৰ শক্তি মেলা সম্পৰ্কে সবি-শেষ জনাৰ ইচ্ছা থাকিলে শ্ৰী বৰাই বা আন কোনো লোকে স্বৰ্গীয় লক্ষ্মীকান্ত দত্তৰ পুত্ৰ শ্ৰীৰবীন্দ্ৰ নাথ দত্তৰ লগত যোগাযোগ কৰিব পাৰে।

ঠিকনা: শ্ৰীৰবীন্দ্ৰ নাথ দত্ত, লক্ষ্মীকান্ত ভৱন, চিবিং-চাপৰি, ডিব্ৰুগড়।

দীপেন্দ্ৰ নাথ কাকতী,

### দুই

প্ৰকাশিত দুটিমান নাম আমি জনাত এনেদৰে হব লাগিছিল (প্ৰথমটো ছপা হৈছে, দ্বিতীয়টো হ'ব লাগিছিল): মৃণাল শইকীয়া—মীনা শইকীয়া, চন্দনা দত্ত—চন্দ্ৰমা দত্ত, দেবী বৰদলৈ—ৰেবী বৰদলৈ, গতিমাই থাপা—বুধিমাই থাপা, ৰীণা ডিহিংগীয়া—ৰীণা ৰাইডঙিয়া, দিলীপ ডেকা—গিৰীশ ডেকা, এলভিচ হাজৰিকা—এলভিচ আলি হাজৰিকা, দীপজ্যোতি বৰুৱা—নিপজ্যোতি বৰুৱা, মানৱ ডেকা—মানস ডেকা, অনিন্দিতা গগৈ—অনুস্মিতা গগৈ, জ্যোতি তৰা বৰঠাকুৰ—জুপি বৰঠাকুৰ, ঈপ্সিতা ৰাজখোৱা—ঈপ্সিতা ৰাজখোৱা আৰু জ্যোতি শৰ্মা—সঞ্চয়িতা শৰ্মা।

—জিতেন গগৈ, গুৱাহাটী-৩

## "সহায়িকা"ৰ লেখকৰ সম্পূৰ্ণ নাম

"সহায়িকাৰ লেখকৰ সম্পূৰ্ণ নাম" নামৰ চিঠিখনৰ (১।১।৮৭) প্ৰতি বিশেষভাৱে আকৰ্ষিত হৈছো। সহায়িকাবোৰত ভুলে শুদ্ধই বহুতো প্ৰশ্নৰ উত্তৰ দিয়া থাকে। সেইবোৰ পঢ়ি ছাত্ৰ-ছাত্ৰীৰ মগজুত বেমেজালিৰ সৃষ্টি হয়। যিসকলে সহায়িকা প্ৰণয়ন কৰে, তেখেতসকলে নিজৰ পৰিচয় লুকুৱাই নাৰাখি উচ্চমানবিশিষ্ট সহায়িকা প্ৰণয়নত গুৰুত্ব আৰোপ কৰিব লাগে। তেতিয়া নিশ্চয় ছাত্ৰ-ছাত্ৰীসকলে পাঠ্যপুথিৰ অভাৱ কিছু কম অনুভৱ কৰিব।

—দুলেন ভৰালী
তেজপুৰ

## স্বৰ্গীয় তিলক গগৈৰ দেউতাক

"আলাঙ্কু" শিতানত শ্ৰীসুধীৰ চন্দ্ৰ বৰুৱাদেৱে লিখাৰ দৰে (১।৬।৮৭) তাৰা গগৈ মাষ্টৰ মুক্তি যুঁজাৰু প্ৰাক্তন মন্ত্ৰী তিলক গগৈৰ দেউতাক নাছিল। তিলক গগৈৰ দেউতাকৰ নাম আছিল শ্ৰীযুত খৰ্গেশ্বৰ গগৈ। তেখেত শিক্ষক নাছিল। তেখেতৰ ঘৰ আছিল লাহিং মৌজাৰ বৰনগঞা গাঁৱত।

—নন্দিৰা গগৈ, দেৱীচৰণ

### দুই

প্ৰয়াত মন্ত্ৰী তিলক গগৈৰ দেউতাকৰ নাম খৰ্গেশ্বৰ গগৈহে। তেখেত চেলেংহাটৰ বাসিন্দা। খৰ্গেশ্বৰ গগৈ এজন মুক্তি যোদ্ধা আছিল। তেখেতৰ পঢ়াশলীয়া শিক্ষা বিশেষ নাছিল। তেখেতে আজীৱন খেতি-বাতি, সামাজিক আৰু ৰাজনৈতিক কামতে দিন অতিবাহিত কৰিছিল।

—পুনাৰাম গগৈ,
নামচেচু, চেলেংহাট

## সঠিক শব্দ

'ডিৰ্মা জাখিলীৰ চোতালত' শীৰ্ষক মোৰ কবিতাটিত (১৬।৫।৮৭) 'কাথুং' শব্দৰ ঠাইত 'কাঠং' আৰু 'মাঞ্চালেঙ্কাৰ'ৰ ঠাইত 'মাঞ্চালেঙ্কা' ছপা হৈছে।

—কৌস্তুভমণি শইকীয়া,
ৰবীন্দ্ৰ ভৱন, গুৱাহাটী





# ১৯৭৬ চনৰ পাছত অসমৰ বাহিৰত কৰা ভূমি-হস্তান্তৰৰ দলিল অবৈধ

অসমৰ আইনমন্ত্ৰী সুৰেন্দ্ৰ নাথ মেধিয়ে কয় যে ১৯৭৬ চনৰ দুই জুনৰ পাছত অসমৰ বাহিৰত পঞ্জীয়ন কৰা সকলোবোৰ ভূমি-হস্তান্তৰ দলিলেই আইনমতে অবৈধ। গণ পৰিষদৰ দলীয় মুখপত্ৰ গণ বাতৰিৰ সৈতে হোৱা এক সাক্ষাৎকাৰত শ্ৰীমেধিয়ে কয় যে পঞ্জীয়ন আইনৰ সুৰুঙা লৈ এচাম ধনী ব্যৱসায়ীয়ে অসমৰ বাহিৰত মাটিৰ পঞ্জীয়ন কৰাই ৰাজ্য চৰকাৰৰ উদ্দেশ্যত আঘাত হানিছে বোলা কথাষাৰ প্ৰকৃততে শুদ্ধ নহয়। কাৰণ ১৯৭০ চনতে তেতিয়াৰ চৰকাৰে, 'সম্পত্তি হস্তান্তৰ, অসম সংশোধনী বিধেয়ক' গ্ৰহণ কৰিছিল। এই বিধেয়কখনত ৰাষ্ট্ৰপতিয়ে ১৯৭৬ চনৰ ২ জুনৰ দিনা স্বাক্ষৰ কৰে আৰু সেই দিনাৰ পৰাই এই আইন বলবৎ হৈছে। এই আইনৰ দ্বাৰা ভূমি পঞ্জীয়ন আইনৰ ৩০ নম্বৰ ধাৰাটো অসমৰ ক্ষেত্ৰত ৰদ কৰা হৈছে। এই ধাৰা মতে কলিকাতা, মাদ্ৰাজ, বোম্বাই আৰু দিল্লীৰ দৰে মেট্ৰোপলিটান চহৰত যিকোনো ৰাজ্যৰ মাটি বৈধভাৱে পঞ্জীয়ন কৰিব পাৰি। গতিকে সংশোধনী আইখনৰ পৰিপ্ৰেক্ষিতত ১৯৭৬ চনৰ ২ জুনৰ পাছত অসমৰ বাহিৰত পঞ্জীয়ন কৰা সকলোবোৰ ভূমি-হস্তান্তৰৰ দলিল আইনমতে অবৈধ। এই সম্পৰ্কত অসম চৰকাৰে অলপতে এখন ছাৰ্কু-লাৰো প্ৰকাশ কৰিছে বুলি তেওঁ কয়।

* অসম চৰকাৰৰ অৰ্থনৈতিক অপৰাধ ব্যুৰ'ৱে চলিত বছৰৰ প্ৰথম ছমাহত ৫৬.৭৯ লাখ টকাৰ কৰ ফাকি দিয়াৰ ঘটনা ধৰা পেলায়। এই কাল-ছোৱাত ব্যুৰ'ৱে অৰ্থনৈতিক অপৰাধীৰ বিৰুদ্ধে ৬৭টা অনুসন্ধান চলায় আৰু চাৰিটা গোচৰ তৰে।

অসম পুলিছৰ মহানিৰ্দেশকৰ অধীনত কাৰ্যনিবাহ কৰা ব্যুৰ'ৱে ৫৩.৩৬ লাখ টকাৰ ছটা বিক্ৰি কৰ আৰু অসম বিত্তীয় কৰ ফাকি দিয়াৰ ঘটনা ধৰা পেলায়। ইয়াৰ লগতে ৬৯,০০০ টকাৰ কেন্দ্ৰীয় বিক্ৰি কৰ, ১.৯১ লাখ টকাৰ ক্ৰয় কৰ আৰু ৮০,০০০ টকাৰ অন্যান্য কৰ ফাকি দিয়াৰ ঘটনাও ব্যুৰ'ৱে ধৰা পেলায়।

অনুসন্ধানসমূহৰপৰা জানিব পৰা গৈছে যে ৰালফ'ৰ্ড প্ৰাইভেট লিমিটেড, অসম বীজ নিগম, এজন হাইস্কুলৰ প্ৰধান শিক্ষক আৰু নিৰ্মাণ সম্পৰ্কীয় কেইজনমান ঠিকাদাৰে অসম চৰকাৰক ৫০ লাখৰো অধিক টকাৰ প্ৰতাৰণা কৰে।

* দেশৰ ১৬টা বিমান বন্দৰত কোনো টেলিফোন সংযোগ নাই বুলি কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহন দপ্তৰৰ ৰাজ্যমন্ত্ৰী জগদীশ টাইটলাৰে লোকসভাত কয়। এই বিমান বন্দৰ কেইটা হ'ল— যোৰহাট, ৰূপসী, পাছিঘাট, জিৰো, ডাপ'ৰিজো, আলং, তেজু, আইজল, কোচবিহাৰ, বিকানিৰ, জয়ছালমিৰ, গোৰখপুৰ, কমলপুৰ, ৰত্নগিৰি, চুৰাট আৰু নন্দেড়।

* মধ্য প্ৰদেশৰ বাস্তাৰৰ জন-জাতীয় মহিলাসকল অঞ্চলটোৰ বনাঞ্চল-সমূহৰ ৰক্ষা কৰাৰ অৰ্থে বন বিভাগৰ কৰ্মীসকলৰ সৈতে বিবাদত লিপ্ত হৈ পৰিছে! বন বিভাগৰ কৰ্মীসকলে অঞ্চলটোৰ গছ-গছনিসমূহ কাটি বনাঞ্চল পৰিষ্কাৰ কৰিবলৈ লোৱাত বন বিভাগৰ বিষয়াসকলৰ সৈতে মহিলাসকলৰ এই কাজিয়াৰ সূত্ৰপাত হয়। আনহাতে বনবিভাগৰ মতে বনাঞ্চলৰ সংৰক্ষণ আৰু উন্নয়নৰ বাবে বাস্তাৰ অঞ্চলত হাতত লোৱা ব্যাপক বৃক্ষৰোপণৰ কাৰ্যসূচীৰ অধীনতে পুৰণি গছবোৰ কাটি নতুনকৈ গছপুলি ৰোৱাৰ ব্যৱস্থা কৰা হৈছে। অলপতে অঞ্চল-টোৰ যথেষ্ট সংখ্যক জনজাতীয় মহিলাই গছ কটা ঠাইত গোট খাই বনকৰ্মীসকলক তেওঁলোকৰ কাৰ্যসূচী ৰূপায়ণত বাধা প্ৰদান কৰে।

কেইমাহমানৰ আগেয়ে আচনা আৰু বাস্তাৰৰ শ-শ জনজাতীয় মহিলাই জিলা সদৰলৈ গৈ তেওঁলোকৰ অঞ্চলত অবৈধভাৱে গছকটা আৰু বেআইনী মদ তৈয়াৰ কৰাৰ বিৰুদ্ধে প্ৰতিবাদ জনায়। তেওঁলোকে অভিযোগ কৰে যে বন-বিষয়া আৰু ঠিকাদাৰ-সকলেই বনাঞ্চলত ব্যাপকহাৰত গছ কটাৰ বাবে দায়ী।

* যৌতুক-মৃত্যু সংক্ৰান্তত গ্ৰেপ্তাৰ হোৱা বা এনে ঘটনাত জড়িত চৰকাৰী কৰ্মচাৰীসকলক তৎক্ষণাত চাকৰিৰপৰা নিলম্বিত কৰা হ'ব। কেন্দ্ৰীয় কৰ্মচাৰী প্ৰশাসন, ৰাজহুৱা অভিযোগ আৰু পেনছন বিভাগে ইতিমধ্যে এই সম্পৰ্কীয় এটা নিৰ্দেশ জাৰী কৰিছে। নিৰ্দেশটোত কোৱা হৈছে যে চৰকাৰী চাকৰিয়াল-জনক এনে ঘটনাৰ বাবে গ্ৰেপ্তাৰ নকৰিলেও, পুলিছে তেওঁৰ বিৰুদ্ধে প্ৰাথমিক অভিযোগৰ ভিত্তিত দণ্ডাধীশৰ ওচৰত প্ৰতিবেদন দাখিল কৰাৰ লগে লগে তেওঁক নিলম্বিত কৰা হ'ব।

* গুজৰাটত মানুহৰ তেজৰ ওপৰতো কৰ লগাবলৈ লোৱা হৈছে। ৰাজ্যখনৰ কৃষি উৎপাদন কমিটি ফেডাৰেশ্যনৰ অধ্যক্ষ আত্মাৰাম পেটেলে এই কথা প্ৰকাশ কৰি কয় যে চৰকাৰে তেজৰ ওপৰত শতকৰা ১০ ভাগ প্ৰবেশ কৰ লগোৱাৰ প্ৰস্তাৱ কৰিছে।

* ১৯৮৬-৮৭ চনৰ শিক্ষা বছৰৰ বাবে নিৰ্বাচিত কৰা মাৰ্কিন যুক্তৰাষ্ট্ৰৰ ছজন শ্ৰেষ্ঠ বিজ্ঞানৰ ছাত্ৰৰ ভিতৰত ভাৰ্জিনিয়াৰ মেকলিন হাইস্কুলৰ কেশনী ভূষণ নামৰ এগৰাকী একাদশ শ্ৰেণীৰ ছাত্ৰীও আছে। কেশনী হ'ল ৱাশ্বিং-টনত থকা ভাৰতীয় দূতাবাসৰ প্ৰথম সচিবৰ ছোৱালী।

১৯৮৮ চনৰ ২১ মাৰ্চৰ দিনা হোৱাইট হাউছত আয়োজন কৰিব-লগীয়া এক অনুষ্ঠানত ৰাষ্ট্ৰপতি ৰোনাল্ড ৰেগনে পোন্ধৰ বছৰীয়া কেশনীক এখন ছাৰ্টিফিকেট প্ৰদান কৰিব। ইয়াৰ উপৰিও কেশনীয়ে ১৯৮৭ চনৰ জীৱ-ৰসায়নৰ কলেজ পৰ্যায়ৰ কেপচুল



OKDISCD

পাঠ্যক্ৰমত অংশ গ্ৰহণ কৰাৰ অৰ্থে মেৰি বল্ডউইন কলেজৰ বৃত্তি প্ৰদান ব'ৰ্ডে আগবঢ়োৱা ১০০০ ডলাৰৰ এটা অনুদানো লাভ কৰিছে।

নিৰ্বাচিত আন পাঁচজন বিজ্ঞানৰ ছাত্ৰৰ চাৰিজন হ'ল আমেৰিকাৰ আৰু এজন দক্ষিণ কোৰিয়াৰ।

### ভাৰতীয় বংশোদ্ভূত ডাক্তৰলৈ সন্মানিত মাৰ্কিন গৱেষণা বটা

চিকাগোৰ মাইকেল ৰিজ হস্পিটেল আৰু স্বাস্থ্য কেন্দ্ৰৰ গৱেষণা বিজ্ঞানী ড° সঞ্জীৱ শ্ৰফলৈ অলপতে আমেৰিকাৰ সন্মানিত পাঁচ-বছৰীয়া ষ্টাব্লিছড ইনভেষ্টিগেটৰশ্বিপ বটা আগবঢ়োৱা হৈছে। শ্ৰফে হৃদযন্ত্ৰৰ কাম-কাজ সম্পৰ্কত চলোৱা তেওঁৰ গৱেষণাৰ বাবে আমেৰিকান হৃদযন্ত্ৰ সন্থাৰপৰা এই বটা লাভ কৰিছে। শ্ৰফে হৃদয়ৰ ৰোগসমূহ তৎক্ষণাৎ চিনাক্ত কৰাৰ উপায় উলিওৱাৰ অৰ্থে সাধাৰণ আৰু ৰুগ্ন অৱস্থাৰ হৃদযন্ত্ৰৰ যান্ত্ৰিক গুণসমূহৰ বিষয়ে সাত বছৰ ধৰি গৱেষণা চলাই আছে।

* প্ৰতিবছৰে ভাৰতীয় লেখকৰ দ্বাৰা লিখিত ২৫ অৰ পৰা ৩০ খন কিতাপ ছোভিয়েট দেশত প্ৰকাশ কৰা হয়। এই কিতাপসমূহ ৰুছ আৰু সেই দেশত প্ৰচলিত বিভিন্ন ভাষাত উলিওৱা হয়। ভাৰত স্বাধীন হোৱাৰে পৰা এতিয়ালৈকে ১,১৩৫ খন ভাৰতীয় কিতাপ আৰু পুস্তিকা ছোভিয়েট দেশত প্ৰকাশ কৰা হৈছে। এই কিতাপসমূহৰ মুঠ ছপা সংখ্যা হ'ল ৪৩ নিযুত। এই ক্ষেত্ৰত ৰবীন্দ্ৰ নাথ ঠাকুৰৰ লিখনিসমূহ ১৭৪ বাৰ ছপা হৈছে আৰু ইয়াৰ ছপা সংখ্যা হ'ল ৬,৩৪০,০০০।

* জেনেভাত অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰসংঘৰ বাণিজ্য আৰু উন্নয়ন সম্পৰ্কীয় সন্মিলনৰ সপ্তম অধিবেশন উপলক্ষ্যে ছোভিয়েট বাতৰিকাকত প্ৰাভদাই কয় যে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰত কৃতিত্ব, সামাজিক প্ৰগতি, ৰাষ্ট্ৰীয় মুক্তি-সংগ্ৰাম আদিত সফলতা সত্ত্বেও মানৱজাতিয়ে নিজৰ গৃহভূমিত এতিয়াও এক উপযুক্ত অৰ্থনৈতিক ব্যৱস্থা প্ৰতিষ্ঠা কৰিব পৰা নাই। বৰ্তমানৰ চহকী দেশসমূহে অতীতত দৰিদ্ৰ দেশসমূহৰ অনুন্নত অৱস্থাৰ সুবিধা লৈ এই দেশসমূহৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰি আছিল। জনসাধাৰণে আজি বুজি উঠিছে যে অৰ্থনৈতিক নিৰাপত্তাৰ অবিহনে আন্তঃৰাষ্ট্ৰীয় নিৰাপত্তা পাব নোৱাৰি।

কাকতখনৰ মতে এই অধিবেশনত মানৱজাতিক জুৰুলা কৰা গুৰুতৰ অৰ্থনৈতিক সংকটৰ সমাধানৰ উপায় উদ্ভাৱনৰ বিষয়ে আলোচনা কৰা হ'ব। এই সমস্যাসমূহৰ ভিতৰত ঋণ, কেঁচা-মালৰ মূল্য পৰিযোৱা আৰু তৃতীয় বিশ্বৰ দুৰ্দশাপূৰ্ণ অৱস্থা আদিয়েই প্ৰধান।

* চীনত চৰকাৰী বিষয়াসকলৰ মাজত ঘোচ লোৱাৰ মাত্ৰা বৃদ্ধি পাই গৈছে বুলি এটা বাতৰিত প্ৰকাশ। চীনৰ সৈতে বাণিজ্যিক লেনদেন কৰিবলৈ লোৱা বিদেশী প্ৰতিষ্ঠানসমূহৰ পৰাই সাধাৰণতে এনে ঘোচ আৰু উপঢৌকন আদি লোৱা হয়। ডেং ঝিয়াওপিঙে বজাৰ-ভিত্তিক অৰ্থনৈতিক ব্যৱস্থা প্ৰবৰ্তন কৰাৰ ফলত সত্তৰৰ দশকৰ শেষ ভাগৰ পৰা জাপান আৰু পশ্চিমৰ ভালেমান দেশৰ সৈতে চীনৰ বাণিজ্যিক লেনদেন আৰম্ভ হয়। চীনা কৰ্তৃপক্ষই যোৱা কেইবছৰমানত তাৰ বিষয়া-কৰ্মচাৰীসকলৰ মাজত ঘোচ লোৱাৰ পৰিমাণ বৃদ্ধি পোৱাৰ কথা স্বীকাৰ কৰিছে। ইয়াৰ বিৰুদ্ধে দৃঢ় ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলিও তেওঁলোকে লগতে যুক্তি দিয়ে। চৰকাৰী গুৱাংসিং ডেইলি নামৰ বাতৰিকাকতখনৰ মতে চাৰি বছৰৰো অধিক কাল ধৰি অজ্ঞাত উৎসৰপৰা ৬৪,০০০ ডলাৰৰো অধিক পৰিমাণৰ আ-অলংকাৰ আৰু নগদ ধন ঘোচ হিচাপে লোৱাৰ অপৰাধত দক্ষিণ গুৱানডং প্ৰদেশৰ এজন পুলিছ বিষয়াক মৃত্যুদণ্ড বিহা হয়। ইয়াৰ উপৰিও হংকং আৰু বিদেশৰ ব্যৱসায়ীক চীনৰ মটৰগাড়ী আমদানি সম্পৰ্কীয় গোপন নথিপত্ৰ যোগান ধৰাৰ অপৰাধত কমিউনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ এজন সদস্যৰ জীয়েকক ১৭ বছৰৰ সশ্ৰম কাৰাদণ্ড বিহা হয়। শাস্তি বিহাৰ এই ঘটনাসমূহৰ কথা ব্যাপক হাৰত প্ৰচাৰ হোৱা সত্ত্বেও এনে অপৰাধৰ সৈতে জড়িত ভালেমান চৰকাৰী বিষয়া শাস্তি নোপোৱাকৈ সাৰি গৈছে বুলি চীনৰ অনেক লোকে ভিতৰুৱাকৈ কোৱামেলা কৰিবলৈ লৈছে।

* তেল, কয়লা, কাঠ আদিৰ দহনৰ বাবে হোৱা ব্যাপক প্ৰদূষণৰ ফলত প্ৰায় এশ কোটি লোক ক্ষতিগ্ৰস্ত হৈছে বুলি বিশ্ব স্বাস্থ্য সংস্থাৰ (WHO) এখন বিজ্ঞপ্তিত প্ৰকাশ। অলপতে বিশ্ব স্বাস্থ্য সংস্থা আৰু ৰাষ্ট্ৰসংঘৰ পৰিবেশ আঁচনিৰ (UNEP) প্ৰতিবেদনৰ উদ্ধৃতি দি ইয়াত কোৱা হৈছে যে ৬০০ নিযুত লোকে এনে কিছুমান অঞ্চলত বাস কৰে য'ত ছালফাৰ ডাই-অক্সাইডৰ পৰিমাণ স্বাস্থ্যগত দিশৰপৰা শৰীৰৰ পক্ষে একেবাৰে গ্ৰহণযোগ্য নহয়।

বায়ু, পানী, খাদ্যৰ গুণাগুণ, মানৱ শৰীৰৰ তেজ আৰু কলাসমূহত পোৱা সংদোষক পদাৰ্থসমূহৰ বিশ্লেষণৰ ভিত্তিত এই প্ৰতিবেদনখন যুগুতোৱা হৈছে। ইয়াত আঙুলিয়াই দিয়া হৈছে যে ইউৰোপ আৰু উত্তৰ আমেৰিকাৰ অনেক চহৰত বায়ুৰ গুণাগুণ যথেষ্ট উন্নত হৈছে যদিও উন্নয়নশীল, বিশেষকৈ এছীয় দেশসমূহত অৱস্থাৰ পৰিবৰ্তন ঘটা নাই।

পানীৰ গুণাগুণ অধ্যয়ন কৰি প্ৰতিবেদনখনত কোৱা হৈছে যে ২০০০ চনৰ ভিতৰত তৃতীয় বিশ্ব দেশসমূহত ব্যৱহাৰৰ উপযোগী পানীৰ জনমূৰি পৰিমাণ বৰ্তমানৰ আধা হৈ পৰিব।



## কুলদীপ নায়াৰ

### তেওঁ নিজৰ, তেওঁৰ দলটোৰ আৰু দেশখনৰ স্বাৰ্থতে তেওঁৰ নামটো পৰিষ্কাৰ কৰি লোৱা উচিত নহয় নে ?

দূৰদৰ্শনে ইমান ঘনে-ঘনে আৰু ইমান বেছি সময়ৰ বাবে ৰাজীৱ গান্ধীক পৰ্দাত দেখুৱাই তেওঁৰ যথেষ্ট ক্ষতি কৰিছে। কাৰণ যেতিয়াই তেওঁ ওলায়, তেতিয়াই তেওঁক চোৱা লাখ লাখ লোকে সোধে : এই মানুহজনক বিশ্বাস কৰিব পাৰিনে ?

আৰু এইটোৱেই আমাৰ সময়ৰ অতি দুখদায়ক ঘটনা হৈ পৰিছে : আমাৰ প্ৰধান মন্ত্ৰীয়ে তেওঁৰ বিশ্বাস-যোগ্যতা হেৰুৱাই পেলাইছে।

স্বাধীনতা লাভৰ পাছৰ ৪০ বছৰীয়া কালছোৱাত দেশখনে এতিয়াৰ দৰে এজন বিশ্বাসযোগ্যতা হেৰুউৱা প্ৰধান মন্ত্ৰী পোৱাৰ সমস্যাৰ সন্মুখীন হোৱা নাছিল। ৰাজীৱ গান্ধীক আঁতৰাবলৈ বিৰোধী পক্ষই কৰা দাবীক অনেকে সুবিধাবাদ বুলি উৰুৱাই দিব খুজিলেও এনে এজন লোক পদবীত থকাটো কেনেকৈ গ্ৰহণ কৰিব পাৰি ? অৰাজনৈতিক লোক বুলি জনাজাত তেওঁৰ অন্তৰংগ বন্ধু অৰুণ সিঙেও পদত্যাগ কৰিছে ; কাৰণ প্ৰতিৰক্ষা লেনদেনৰ ক্ষেত্ৰত চৰকাৰ জড়িত থকাৰ বিষয়ে অধিক তথ্য পোৱাৰ পাছতো চৰকাৰখনে নিষ্ক্ৰিয় ভূমিকা লোৱা বাবে তেওঁ আচৰিত হৈছে। তেওঁ হেনো মন্তব্য কৰিছে যে তেওঁ "প্ৰধান মন্ত্ৰীৰ কামক প্ৰতিৰক্ষা" দিব নোৱাৰে।

ৰাজহুৱা ব্যক্তি সম্পৰ্কত ৰায় ঘোষণা কৰা বৃহত্তম অনুষ্ঠান সংসদলৈ বিষয়টো এৰি দিয়াৰ সপক্ষেও যুক্তি দিব পাৰি ; কিন্তু বিষয়টো ইমান সহজ নহয় ; কাৰণ সংসদত ই-কংগ্ৰেছৰ দুই-তৃতীয়াংশ সংখ্যাগৰিষ্ঠতা আছে আৰু বিষয়টো সংসদলৈ এৰি দিয়া মানেই ই-কংগ্ৰেছক সিদ্ধান্ত লবলৈ এৰি দিয়া। আৰু ৰাজীৱ গান্ধীৰ নেতৃত্বৰ প্ৰতি ই-কংগ্ৰেছে পুনৰ আস্থা প্ৰকাশ কৰা কথাটোকো কোনেও তেওঁৰ নিৰ্দোষিতাৰ প্ৰমাণ স্বৰূপে ল'ব নোৱাৰে।

ই-কংগ্ৰেছে ৰাজীৱ গান্ধীক ভোটৰ সহায়েৰে আঁতৰোৱাৰ সম্ভাৱনাও কম। সাধাৰণ ই-কংগ্ৰেছী সংসদ সদস্যসকল অসন্তুষ্ট আৰু হাৰিয়ানাৰ পৰাজয়ৰ পাছত ৰাজীৱ গান্ধী ভোট গোটোৱা লোক হৈ আছেনে নাই সেই সম্পৰ্কেও তেওঁলোক সন্দিহান। পিছে এতিয়ালৈকে যি দেখা গৈছে, দলটোৱে তেওঁৰ বিশ্বাসযোগ্যতা সম্পৰ্কেহে সন্দেহৰ মনোভাব লৈছে, কিন্তু মোহভংগৰ মনোভাব লোৱা নাই। ই-কংগ্ৰেছৰ বিভাজনৰো কোনো লক্ষণ দেখা পোৱা হোৱা নাই। দলটোৰ ভিতৰত হেঁচা, টনা-টনি আছে, কিন্তু ১৯৬৯ চনত বিভাজনৰ বাবে যেনে হেঁচা পৰিছিল তেনে হেঁচা এতিয়া নাই। কবলৈ গলে সেই সময়ত শ্ৰীমতী গান্ধীয়ে বিভাজনটো জোৰকৈ ঘটাই-

**কওকচোন, সেই মানুহজনক বিশ্বাস কৰিব পাৰিনে ?**

ছিল ; কাৰণ 'প্ৰবীণ' সকলৰ মাজত সীমিত হৈ পৰা দলটো তেওঁ নিজৰ নিয়ন্ত্ৰণলৈ আনিব খুজিছিল। আনহাতে বৰ্তমানে ৰাজীৱ গান্ধীয়ে সম্পূৰ্ণ নিয়ন্ত্ৰণ লাভ কৰি আছে। অলপতে দলৰপৰা কেইবাজনকো বহিষ্কাৰ কৰাৰ পাছত তেওঁৰ মুখামুখি হবলৈ কোনো সাজু নহয়।

যোৱাবাৰৰ বিভাজনৰ সময়ত বেংক ৰাষ্ট্ৰীয়কৰণৰ পৰিপ্ৰেক্ষিতত জনমত শ্ৰীমতী গান্ধীৰ সপক্ষে আছিল। তাৰ তুলনাত "বিদেশী শক্তিৰ দ্বাৰা অস্থিৰতাৰ সৃষ্টি কৰা হৈছে" বোলা ৰাজীৱ গান্ধীৰ সূত্ৰটো সেমেকা ফুলজাৰি বুলি প্ৰমাণিত হৈছে আৰু এইছ, কে. এল. ভগতে নতুন দিল্লীত ভাৰা কৰি গোটোৱা সমৰ্থনৰ ফলো প্ৰতিকূল হৈছে। কিন্তু তেওঁ (ৰাজীৱ গান্ধী) আৰু তেওঁৰ দলটো ইমানেই কল্পনাশক্তিহীন, সংকীৰ্ণচেতা আৰু ইমানেই অসংবেদী হৈ পৰিছে যে তেওঁলোকে জনসাধাৰণৰ মতামতকো পৰোৱাই কৰা নাই। তেওঁলোকে ৰাইজৰ স্মৃতিশক্তি ইমানেই খন্তেকীয়া বুলি আশা কৰিছে যে ১৯৮৯ চনৰ শেষত হ'বলগীয়া সাধাৰণ নিৰ্বাচনৰ সময়লৈকে দুৰ্নীতিৰ অভিযোগসমূহ তেওঁলোকে (ৰাইজে) যেন পাহৰিয়েই যাব।

ৰাজীৱ গান্ধীয়ে এই কথা মানি লোৱা যেন লাগে। (যদিও তেওঁ অনুভৱ কৰে যে দুৰ্গম গাঁওসমূহতো ৰাইজে প্ৰচাৰ মাধ্যম অথবা মুখে মুখে পোৱা খবৰৰ ভিত্তিত এতিয়া তেওঁৰ সততা সম্পৰ্কে সন্দেহ কৰিবলৈ লৈছে।) আৰু তেওঁ যিদৰে জন সংযোগৰ অভিযান (সংসদ সদস্য, সাংবাদিক আৰু দলীয় কৰ্মকৰ্তাসকলক লগ ধৰি) চলাইছে তাৰপৰা বুজিব পাৰি যে তেওঁ যোগাযোগৰ অভাৱৰ বাবেই সমস্যাটোৰ সৃষ্টি হৈছে বুলি ভাবিছে ; আৰু নিজে টিকি থাকিবলৈ হলে কেৱল প্ৰচাৰ মাধ্যম আৰু সংসদ সদস্যসকলক সন্তুষ্ট কৰি ৰাখিব পাৰিলেই হ'ল বুলি ভাবিছে। দুৰ্নীতি একো কথায়েই নহয় বুলি বিবেচনা কৰা হৈছে।

তেওঁ আৰু তেওঁৰ পৰামৰ্শদাতাসকলে এইখিনিতে ভুল কৰিছে। সমগ্ৰ প্ৰচাৰ মাধ্যম আৰু আটাইখিনি সংসদ সদস্য ৰাজীৱ গান্ধীৰ সপক্ষে থাকিলেও তেওঁৰ বিৰুদ্ধে উঠা অভিযোগবোৰ সঁচা নহয় বুলি তেওঁ দেশবাসীক কেনেকৈ পতিয়ন নিয়াব ? "মাজৰ মানুহ" বা "কুটাঘাতকাৰী"ৰ কথা কওঁতে তেওঁ এটা প্ৰশ্ন এৰাই চলিবলৈ চেষ্টা কৰে। সহজ-সৰল ভাষাত প্ৰশ্নটো হ'ল,— তেওঁ নিজে কিমান দলৈকে জড়িত ? তেওঁৰ অনুগ্ৰহত বৰ্তি থকা ই-কংগ্ৰেছ কমিটিসমূহ বা মুখ্যমন্ত্ৰীসকলে ব্যাপক



OKDISCD

সমৰ্থন প্ৰকাশ কৰি তেওঁৰ বিৰুদ্ধে উঠা অভিযোগবোৰৰ পৰিমাণ কিমান কমাব ?

এটা সময়ত ৰাজীব গান্ধীয়ে বিদ্যাচৰণ শুক্লা, অৰুণ নেহৰু আৰু আৰিফ মহম্মদ খানৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব খোজা নাছিল ; কাৰণ তেওঁ দুৰ্নীতিৰ বিষয়টো সম্মুখলৈ অহাটো বিচৰা নাছিল। কিন্তু তেওঁলোকে বিভিন্ন লেনদেন, ঘোচ আৰু কমিশ্যন আদিৰ বিষয়ত সন্দেহ প্ৰকাশ কৰিবলৈ লোৱাৰ লগে লগে তেওঁ (ৰাজীব গান্ধীয়ে) তেনে কৰিবলগীয়া হ'ল। ভি. পি. সিঙকো দলৰপৰা বহিষ্কাৰ কৰিব লগীয়া হ'ল ; কাৰণ ৰাজীব গান্ধীয়ে অনুভৱ কৰিলে যে তেনে নকৰিলে কথাবোৰ প্ৰকাশ হৈ যোৱাৰ ভয়তে একো কৰা হোৱা নাই বোলা ধাৰণা এটাৰ সৃষ্টি হ'ব। ই-কংগ্ৰেছত থকা মোচাহেবসকলে যিয়েই নকওক, জনসাধাৰণ কিন্তু এতিয়া ভি. পি. সিঙৰ সততা সম্পৰ্কেহে পতিয়ন গৈছে ; ৰাজীব গান্ধীৰ সততা সম্বন্ধে নাই যোৱা।

প্ৰধান মন্ত্ৰীৰ সততাৰ ওপৰত কেনেকৈ পুনৰ বিশ্বাস স্থাপন কৰিব পাৰি এই সম্পৰ্কীয় মূল সমস্যাটোৰ পৰা দেশখন, ই-কংগ্ৰেছ অথবা ৰাজীব গান্ধী নিজেও আঁতৰি আহিব নোৱাৰে। বিৰোধী পক্ষ বা সমালোচকসকলৰ বদনাম গালে, ৰাজীব গান্ধীৰ সমৰ্থনত সমাবেশৰ আয়োজন কৰিলে আৰু চৰকাৰী প্ৰচাৰ মাধ্যমৰ জৰিয়তে প্ৰশংসা কৰিলেই সেই বিশ্বাস ঘূৰাই আনিব নোৱাৰি। ভি. পি. সিঙে কৈছেই, —গংগোত্ৰী (গংগাৰ উৎস) নিজেই দূষিত হৈ থকা অৱস্থাত বাৰানসী বা এলাহাবাদত গংগাখন পৰিষ্কাৰ কৰি কোনো লাভ নাই।

আধাৰো বেছি সদস্য ই-কংগ্ৰেছৰ বাহিৰে আনদলৰপৰা লৈ, মধু দণ্ডাৱটেৰ দৰে লোকৰ নেতৃত্বত গঠিত সংসদী কমিটিয়ে চলোৱা অনুসন্ধানৰ দ্বাৰাহে বোধকৰোঁ ৰাজীব গান্ধীৰ লুকুৱাব লগীয়া একো নাই বুলি জনসাধাৰণক পতিয়ন নিয়াব পৰা হ'ব। এই কমিটিখনত ভাৰতৰ এজন ভূতপূৰ্ব মুখ্যন্যায়াধীশ আৰু এজন ভূতপূৰ্ব সেনাধ্যক্ষক অন্তৰ্ভুক্ত কৰা উচিত। সকলো অভিযোগ এই কমিটিখনলৈ পঠোৱা উচিত। যিকোনো কাকত-পত্ৰ বা তথ্য বিচৰাৰ, সত্য উদঘাটনৰ প্ৰচেষ্টাত যিকোনো সংস্থা বা ব্যক্তিক জড়িত কৰিব পৰাৰ, আৰু যিকোনো লোকক মাতি অনাৰ সম্পূৰ্ণ ক্ষমতা এই কমিটিখনৰ থকা উচিত।

অৱশ্যে কিমান তথ্য-পাতি কমিটিয়ে পাব সেইকথা মই নাজানো ; কাৰণ বহুতো তথ্য-পাতি নষ্ট কৰি পেলোৱা হৈছে। তদন্তৰ নিৰ্দেশ দিলে প্ৰশ্নসমূহৰ সম্মুখীন হ'ব পৰাকৈ প্ৰধানমন্ত্ৰীৰ সচিবালয়ত ভালেমান অনুশীলন চলোৱা হৈছে আৰু উত্তৰ-

## কংগ্ৰেছ দলটো জাতিগত ৰাজনীতিৰ উৰ্ধ্বলৈ কেতিয়াও উঠা নাই

সমূহ পোৱাটো কঠিন কৰি তোলাৰ বাবেও ব্যৱস্থা গ্ৰহণ কৰা হৈছে। গতিকে এই কমিটিখনে দেশৰ ভিতৰ আৰু বাহিৰৰ ভৱিষ্যতৰ চৰকাৰী লেন-দেনসমূহৰ বাবে নীতি-নিৰ্দেশনা আৰোপ কৰা উচিত আৰু পশ্চিমৰ দেশসমূহত থকাৰ দৰে স্থায়ী নিৰীক্ষণ সমিতি গঠন কৰা উচিত।

এতিয়া সাৰমৰ্মলৈ অহাৰ সময়। বিৰোধী দলসমূহে দেশব্যাপী আন্দোলনৰ প্ৰস্তুতি চলাইছে। সমস্যাটোৱে অৱশ্যে কংগ্ৰেছ দলৰ কিছু ভাল কৰিছে। নিখিল ভাৰত ই-কংগ্ৰেছ কমিটিৰ কাৰ্যালয়ৰ আগৰ উদ্ধত মনোভাব প্ৰায় নোহোৱা হৈছে আৰু কাৰ্যালয়টোলৈ যোৱা বা তালৈ চিঠি-পত্ৰ লিখা সদস্যসকলৰ প্ৰতি এতিয়া এক আগ্ৰহৰ মনোভাব প্ৰকাশ কৰা হৈছে। ৰাজীব গান্ধীয়ে নিজেও এই-ক্ষেত্ৰত ভালদৰে খোজ দিছে। বিসম্বাদী-সকলৰ বহিষ্কাৰৰ প্ৰতি অনুমোদন জনোৱা সিদিনাৰ ই-কংগ্ৰেছৰ কাৰ্যকৰী কমিটিৰ বৈঠকত বিসম্বাদীসকলৰ বিৰুদ্ধে এনে ব্যৱস্থা গ্ৰহণ কৰিবলৈ তেওঁ কিয় বাধ্য হ'ল, সেইবিষয়ে ব্যাখ্যা কৰিয়েই তেওঁ এঘণ্টাৰো অধিক সময় কটালে। এইবাৰৰ দৰে তেওঁ আগেয়ে কেতিয়াও ইমান কষ্ট কৰা নাছিল বা কোনো এটা কামৰ সমৰ্থনত ইমানবোৰ যুক্তি প্ৰদৰ্শন কৰা নাছিল।

ইয়াৰ এটা ফল হ'ল ই-কংগ্ৰেছৰ ভূতপূৰ্ব উপসভাপতি অৰ্জুন সিং আৰু দলৰ ভূতপূৰ্ব ধনভঁৰালী সীতাৰাম কেশৰীৰ পুনৰসংস্থাপন। দুয়োজনেই দুৰ্দশাগ্ৰস্ত অৱস্থাত আছিল। অৰ্জুন সিঙক আন এজন ৰাজপুত নেতা ভি. পি. সিঙৰ বিৰুদ্ধে অভিযান চলাবলৈ (কংগ্ৰেছ দলটো জাতিগত ৰাজনীতিৰ উৰ্ধ্বলৈ কেতিয়াও উঠা নাই) বিশেষভাৱে বছা হৈছে। এসময়ৰ অৰুণ নেহৰুৰ মানুহ সীতাৰাম কেশৰীক অৰুণ নেহৰুৰ বিৰুদ্ধে প্ৰচাৰ অভিযান চলোৱাৰ দায়িত্ব দিয়া হৈছে।

কংগ্ৰেছ দলটো এতিয়াও কিমান সংসদ সদস্য ইয়াৰ প্ৰতি অনুগত সেই সংখ্যাটো লৈয়েই চিন্তিত ; মৌলিক বিষয়সমূহৰ সন্দৰ্ভত ক'তো আলোচনা হোৱা নাই। সংখ্যাগৰিষ্ঠ লোক দলটোৰ লগত আছেই যেতিয়া কোনো বিষয় লৈয়েই দুশ্চিন্তা কৰিব লগা নাই বুলি এটা ধাৰণাৰ সৃষ্টি হৈছে। গতিকে সংসদৰ চলিত অধিবেশনত দুৰ্নীতিৰ বিৰুদ্ধে মাত মতা বিৰোধী পক্ষক সন্তৰ চিএৰ-বাখৰ কৰি নিৰস্ত কৰাৰ কৌশল অৱলম্বন কৰা হ'ব। কেতবোৰ বিসম্বাদীৰ বিৰুদ্ধে সততাৰ প্ৰশ্ন তোলা কাহিনী কিছুমানো বাতৰি কাকতত প্ৰকাশ কৰা হ'ব পাৰে। চোৰাংচোৱা বুৰ' আৰু কেন্দ্ৰীয় চোৰাংচোৱা বুৰ' উভয়কে কামত লগোৱা হৈছে। এই

১৩ পৃষ্ঠাত চাওক





### ভাৰত-শ্ৰীলংকা চুক্তি

# চমকপ্ৰদ বিপদসংকুল যাত্ৰা

ডঃ সুনীল পৱন বৰুৱা

তামিল এলেম লিবাৰেশ্যন টাইগাৰৰ প্ৰধান নেতা শ্ৰীভি· প্ৰভাকৰণে ৰাজহুৱাভাৱে অস্ত্ৰ সমৰ্পণৰ কথা ঘোষণা কৰাৰ লগে লগে বহুবিতৰ্কিত ভাৰত-শ্ৰীলংকা চুক্তি ৰূপায়ণৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। যোৱা চাৰি বছৰে গৃহযুদ্ধত জৰ্জৰিত শ্ৰীলংকাত শান্তি স্থাপনৰ বাবে ভাৰত আৰু শ্ৰীলংকা চৰকাৰে হাতত লোৱা আঁচনিৰ এই কাৰ্যক এক উল্লেখযোগ্য পদক্ষেপ ৰূপে অভিহিত কৰিব পাৰি। যোৱা ২৯ জুলাই তাৰিখে বিয়লি কলম্বোত ভাৰতৰ প্ৰধানমন্ত্ৰী শ্ৰীৰাজীব গান্ধী আৰু শ্ৰীলংকাৰ প্ৰেছিডেণ্ট জে·আৰ· জয়বৰ্ধনেই এক অনাড়ম্বৰ চৰকাৰী অনুষ্ঠানত শ্ৰীলংকা চৰকাৰ আৰু দেশৰ তামিলসকলৰ বাবে এক পৃথক ৰাষ্ট্ৰৰ দাবী কৰা তামিল মুক্তিযোদ্ধাসকলৰ মাজত যুদ্ধ অৱসানৰ বাবে চুক্তিখনত চহী কৰে। সেই সময়ছোৱাত সান্ধ্য আইন, লুটপাট, অগ্নিসংযোগ আৰু গণহত্যাৰ ঘটনাই ৰাজধানী কলম্বো আৰু দেশৰ দক্ষিণ অঞ্চলত এক ভয়াবহ পৰিস্থিতিৰ সৃষ্টি কৰে। ভাৰত-শ্ৰীলংকা চুক্তিৰ বিৰোধিতা কৰা সংখ্যাগৰিষ্ঠ সিংহলী জাতীয়তাবাদৰ উগ্ৰপন্থী-সমৰ্থকসকলে প্ৰায় দুদিন ধৰি চলোৱা ধ্বংসলীলাক অভূতপূৰ্ব বুলি আখ্যা দিয়া হৈছে। কঠোৰ নিৰাপত্তাৰ মাজত চুক্তিত চহী কৰি নতুন দিল্লীলৈ উভতিবৰ সময়ত প্ৰেছিডেণ্টৰ প্ৰাসাদৰ সম্মুখত গাৰ্ড অৱ অনাৰ পৰিদৰ্শন কৰোঁতে, সেই অনুষ্ঠানত ভাগ লোৱা শ্ৰীলংকা নৌবাহিনীৰ নৌসেনা এজনে অতৰ্কিতে প্ৰধানমন্ত্ৰী শ্ৰীগান্ধীক আক্ৰমণ কৰা ঘটনাই পৰিস্থিতিৰ গভীৰতাৰ আভাস দিয়ে। সিংহলী উগ্ৰপন্থীসকলৰ বিৰোধিতাৰ কথা বাদেই, আনকি তামিল মুক্তিযোদ্ধা-সকলৰ প্ৰভাৱশালী সংগঠন লিবাৰেশ্যন টাইগাৰে অস্ত্ৰ সমৰ্পণৰ বিষয়ত শেষ-মুহূৰ্তলৈকে খাটাং প্ৰতিশ্ৰুতি নিদিয়াত ভাৰত-শ্ৰীলংকা চুক্তিৰ সফল ৰূপায়ণৰ ক্ষেত্ৰত সন্দেহেই প্ৰকাশ কৰা হৈছিল। এনে অৱস্থাত অস্ত্ৰ সমৰ্পণৰ সিদ্ধান্ত চুক্তিখনৰ ৰূপায়ণৰ ক্ষেত্ৰত প্ৰথম উল্লেখযোগ্য ঘটনা।

তামিল সমস্যাৰ শান্তিপূৰ্ণ সমাধানৰ অৰ্থে যোৱা ১৯ ডিছেম্বৰত ভাৰতে আগবঢ়োৱা প্ৰস্তাৱৰ প্ৰধান বিষয়বস্তু হ'ল দেশখনৰ সংহতি আৰু ঐতিহ্যক পোনপটীয়াভাৱে আঘাত নকৰাকৈ, শ্ৰীলংকাৰ চলিত সংবিধানৰ মাজত, উত্তৰ আৰু পূবৰ তামিল অধ্যুষিত অঞ্চল দুটাক লৈ এখন স্বকীয় তামিল প্ৰদেশ গঠন কৰা। ইয়াৰ দ্বাৰা প্ৰত্যক্ষভাৱে পৃথক তামিল ৰাষ্ট্ৰৰ দাবী অগ্ৰাহ্য কৰা হৈছিল। বাস্তৱিকতে সদ্য-সম্পাদিত ভাৰত-শ্ৰীলংকা চুক্তি উক্ত প্ৰস্তাৱৰে সম্প্ৰসাৰিত ৰূপ। সেইফালৰ পৰা চালে এই চুক্তিত নতুনত্ব একো নাই ; কিন্তু চুক্তি আৰু ইয়াৰ পৰিশিষ্টত সংযোগ কৰা কেইটামান দফা, চুক্তি সম্পাদিত হোৱাৰ সময়, পটভূমি আৰু পৰিস্থিতিয়ে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে। সংখ্যাগৰিষ্ঠ সিংহলী উগ্ৰপন্থী-সকলৰ সবল প্ৰত্যাহ্বানৰ সম্মুখীন হৈ প্ৰেছিডেণ্ট জয়বৰ্ধনেক এনে এখন বিতৰ্কিত চুক্তিত খৰখেদাকৈ চহী কৰিবলৈ প্ৰকৃততে কিহে প্ৰৰোচিত কৰিলে, সেইটো অনেকৰ বাবে এতিয়াও ৰহস্য হৈয়েই আছে। ভাৰত-শ্ৰীলংকা চুক্তিৰ প্ৰধান চৰ্তসমূহৰ ভিতৰত আছে : তামিল অধ্যুষিত উত্তৰ খণ্ডৰ জাফনাত ৪৮ ঘণ্টাৰ ভিতৰত যুদ্ধ বিৰতি, তামিল উগ্ৰপন্থীৰ দ্বাৰা ৭২ ঘণ্টাৰ ভিতৰত অস্ত্ৰ সমৰ্পণ, শান্তি ঘূৰাই অনাৰ বাবে যুটীয়া বাহিনী গঠন, উত্তৰ আৰু পূবৰ তামিল সংখ্যাগৰিষ্ঠ অঞ্চল দুটাক একত্ৰিত কৰি তাৰ বাবে এখন নিৰ্বাচিত বিধান পৰিষদ, এজন গৱৰ্ণৰ, এজন নিৰ্বাচিত মুখ্যমন্ত্ৰী আৰু মন্ত্ৰীমণ্ডলী গঠন, আৰু প্ৰস্তাৱিত চামিলকৰণৰ প্ৰস্তাৱ অনুমোদনৰ অৰ্থে পূব অঞ্চলৰ অধিবাসী-সকলৰ বাবে গণভোটৰ ব্যৱস্থা। ইয়াৰ বাদেও চুক্তি ৰূপায়ণৰ সময়ছোৱাত ভাৰত আৰু শ্ৰীলংকাৰ প্ৰয়োজনীয় কৰ্তব্য তথা ভূমিকাৰ বিষয়ে চুক্তিখনত কেইবাটাও গুৰুত্বপূৰ্ণ দফা সংযোগ কৰা হৈছে। চুক্তি সম্পাদন হোৱাৰ কেইঘণ্টামানৰ ভিতৰতে ভাৰতীয় সৈন্য বাহিনীয়ে শান্তি প্ৰতিষ্ঠাৰ বাবে পৰিস্থিতি নিয়ন্ত্ৰণত ৰাখিবলৈ শ্ৰীলংকাত প্ৰৱেশ কৰে। প্ৰায় একে সময়তে ভাৰতীয় নৌ বাহিনীৰ দুখন যুদ্ধ জাহাজো কলম্বো বন্দৰৰ ওচৰ চাপে। সাধাৰণভাৱে যি দেখা গৈছে, প্ৰভাৱশালী সিংহলী-সকলৰ তীব্ৰ বিৰোধিতাৰ সম্মুখীন হৈ চুক্তি ৰূপায়ণৰ বাবে প্ৰেছিডেণ্ট জয়বৰ্ধনেই এতিয়া ঘাইকৈ ভাৰতৰ ওপৰতে নিৰ্ভৰ কৰিবলগীয়া হ'ব। এই কথা স্মৰণযোগ্য যে চুক্তিৰ সাধাৰণ বিৰোধীসকলৰ কথা বাদেই, চুক্তি স্বাক্ষৰিত অনুষ্ঠানত প্ৰধানমন্ত্ৰী শ্ৰীআৰ প্ৰেমাদাসাকে ধৰি কেইবাগৰাকীও প্ৰভাৱশালী মন্ত্ৰী অনুপস্থিত থাকে। পূৰ্বৰে পৰা ভাৰতবিৰোধী বুলি জনাজাত শ্ৰীপ্ৰেমাদাসাই অভিযোগ কৰিছে যে তেওঁক চল কৰি বিদেশ ভ্ৰমণলৈ পঠিয়াই, তেওঁৰ অনুপস্থিতিত তামিল উগ্ৰপন্থীসকলৰ ওচৰত আত্মসমৰ্পণসদৃশ এই চুক্তিৰ প্ৰস্তুতি চলোৱা হৈছিল। এনে অৱস্থাত চুক্তি সম্পাদনৰ লগে লগে শান্তি ৰক্ষাৰ নামত প্ৰৱেশ কৰা ভাৰতীয় সৈন্যৰ প্ৰকৃতপক্ষে প্ৰেছিডেণ্ট জয়বৰ্ধনেক সম্ভাব্য বিপদৰপৰা ৰক্ষা কৰাৰ বাবেহে অধিক প্ৰয়োজন আছিল বুলি অনেকে কবলৈ প্ৰয়াস পাইছে। অৱশ্যে চুক্তিৰ এজন দৃঢ় সমৰ্থক প্ৰেছিডেণ্টৰ প্ৰিয়ভাজন বিত্তদপ্তৰৰ মন্ত্ৰী ৰনি·ডি·মেলে



OKDISCD

হৈছে যে সংকটৰ সময়ত শক্তিশালী দেশৰ চৰকাৰেও বিদেশী সৈন্যৰ সাহায্য লোৱাত আপত্তি নাথাকে। আনকি পৃথিৱীৰ দুয়োটা প্ৰধান শক্তি-গোষ্ঠীৰ অন্তৰ্ভুক্ত দেশেও এনে সাহায্য লোৱাৰ উদাহৰণ আছে। এতেকে শান্তি প্ৰতিষ্ঠাত সহায় কৰিবলৈ ভাৰতীয় সৈন্যই শ্ৰীলংকাত প্ৰবেশ কৰাত আচৰিত হব নালাগে। কিন্তু প্ৰেছিডেণ্ট জয়বৰ্ধনেৰ চৰকাৰৰ যিসকল মন্ত্ৰী অথবা সংসদী সদস্য চুক্তি-বিৰোধী-সকলৰ ৰোষৰ বলি হব লগা হৈছে, তাৰ ভিতৰত ৰনি-ডি মেলো প্ৰধান।

ভাৰত শ্ৰীলংকা চুক্তি সম্পাদিত হোৱাৰ লগে লগে এই ক্ষেত্ৰত দেখা দিয়া কিছুমান পৰস্পৰ বিৰোধী কথাই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে। উদাহৰণ স্বৰূপে, চুক্তিৰ চৰ্ত মতে শ্ৰীলংকা চৰকাৰে ভাৰতৰ স্বাৰ্থক বিপন্ন কৰিব পৰা কোনো ধৰণৰ কাৰ্য অথবা সিদ্ধান্ত গ্ৰহণ কৰিব নালাগে। এই ক্ষেত্ৰত বৰ্তমান শ্ৰীলংকাত অৱস্থান কৰা বিদেশী চোৰাংচোৱা আৰু সামৰিক প্ৰশিক্ষকৰ কথা কোৱা হৈছে। কিন্তু চুক্তি স্বাক্ষৰিত হোৱাৰ ঠিক পাছতে প্ৰেছিডেণ্ট জয়বৰ্ধনেই ৰয়টাৰৰ সংবাদ দাতাক এক আচুতীয়া সাক্ষাৎকাৰত কয় যে ভাৰতৰ প্ৰধানমন্ত্ৰীৰ লগত সম্পাদিত চুক্তিৰ বিৰুদ্ধে দেখা দিয়া বিদ্ৰোহ দমন কৰিবলৈ তেওঁ মাৰ্কিন যুক্তৰাষ্ট্ৰ, গ্ৰেট বৃটেইন, পাকিস্তান আৰু চীনৰপৰা সামৰিক সাহায্য বিচাৰিছে। আনহাতে আলোচিত চুক্তিখনত বিদেশী শক্তিৰ উপস্থিতিৰ ক্ষেত্ৰত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ নাম উল্লেখ থকা সত্ত্বেও, চুক্তিখনক আদৰণি জনোৱা সম্ভৱ প্ৰথম মানুহজনেই আছিল মাৰ্কিন প্ৰেছিডেণ্ট ৰেগান। এই প্ৰসংগত কলম্বোত থকা অৱস্থাতে প্ৰধানমন্ত্ৰী শ্ৰীৰাজীৱ গান্ধীয়ে তেওঁৰপৰা এই মৰ্মে এক বাৰ্তা পায়। উল্লেখযোগ্য যে চুক্তিৰ বিৰোধিতাৰ নামত শ্ৰীলংকাত ব্যাপক অশান্তিৰ সৃষ্টি কৰাৰ বাবে প্ৰেছিডেণ্ট জয়বৰ্ধনেই শ্ৰীলংকাত বৰ্তমান নিষিদ্ধ জনতা বিমুক্তি পেৰামুনা (J. V. P.) নামৰ উগ্ৰ বাওঁপন্থী সংগঠন এটাক দায়ীকৈ দোষাৰোপ কৰিছে। তেওঁলোকৰ লগত প্ৰভাৱশালী বৌদ্ধ সন্ন্যাসীৰ দল এটাও আছে। চুক্তিৰ বিৰোধিতা কৰি বিৰোধী শ্ৰীলংকা ফ্ৰিডম পাৰ্টিয়ে ঘোষণা কৰা অহিংস আন্দোলনৰ সুযোগ গ্ৰহণ কৰি উক্ত সংগঠনে দুদিন ধৰি ব্যাপক ধ্বংস যজ্ঞৰ সূচনা কৰে। ১৯৭১ চনত প্ৰধানমন্ত্ৰী শ্ৰীমতী চিৰিমাভো বন্দৰনায়কৰ আমোলত এই উগ্ৰপন্থী বাঁওপন্থী সংগঠনটোৱেই নিৰ্বাচিত চৰকাৰক উচ্ছেদ কৰিবলৈ দেশত এক সন্ত্ৰাসৰ ৰাজত্ব আৰম্ভ কৰিছিল। সেই সময়ত এই বিদ্ৰোহ দমন কৰিবলৈ শ্ৰীলংকা চৰকাৰৰ অনুৰোধক্ৰমে ভাৰতেও সামৰিক সাহায্য আগবঢ়াইছিল। শেহতীয়াভাৱে প্ৰেছিডেণ্ট জয়বৰ্ধনেৰ কাৰণে তামিল সমস্যাটো অতি সোনকালে সমাধান কৰাটো জৰুৰী হৈ পৰিছিল। মহাত্মা গান্ধীৰ অনুগামী তথা সততে ভাৰতৰ বন্ধু বুলি কবলৈ ভালপোৱা এই বৃদ্ধ, অভিজ্ঞ ৰাজনীতিজ্ঞ নেতাগৰাকী সমস্যাটোৰ এটা শান্তিপুৰ্ণ সমাধানৰ প্ৰতি আগ্ৰহী হ'লেও সংখ্যাগৰিষ্ঠ সিংহলী উগ্ৰপন্থীসকলৰ বিৰোধিতাৰ কাৰণে ইমানদিনে তেওঁ কোনো ধৰণৰ বাস্তৱ কাৰ্যপন্থা হাতত লব পৰা নাছিল। সিংহলীসকলৰ প্ৰভাৱশালী মহল এটাই বিশ্বাস কৰে যে ৰাজনৈতিকভাৱে আলাপ-আলোচনাৰে নহয়, তামিল বিদ্ৰোহীসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থাৰ দ্বাৰাহে এই সমস্যা দূৰ কৰিব পৰা যাব। তাৰ ফলস্বৰূপেই যোৱা মে' মাহত তামিল মুক্তি যোদ্ধাসকলৰ বিৰুদ্ধে বিদ্ৰোহীসকলৰ প্ৰধান ঘাটি জাফনাত এক ব্যাপক সামৰিক অভিযান আৰম্ভ কৰা হয়। কিন্তু ইয়াৰ লগতে এই কথাও প্ৰেছিডেণ্ট জয়বৰ্ধনেই উপলব্ধি কৰে যে শ্ৰীলংকা সৈন্য বাহিনীয়ে অকলে তামিল বিদ্ৰোহী-সকলক সেও মনাব নোৱাৰে। ঠিক তেনে অৱস্থাতে এই সমস্যা সমাধানত ভাৰতৰ ভুমিকাৰ বিষয়ে নতুনকৈ চিন্তা কৰা হল। অৱশ্যে তামিল উগ্ৰপন্থী, বিশেষকৈ লিবাৰেশ্যন টাইগাৰৰ অসহযোগিতাৰ বাবে ভাৰত চৰকাৰে কোনো ধৰণৰ আঁচনি কামত খটুৱাব পৰা নাছিল। চাৰি বছৰীয়া গৃহযুদ্ধৰ সময় ছোৱাত ৫০ নিযুত তামিল বাসিন্দাৰে বৃহৎ চুবুৰীয়া ভাৰতৰ ভুমিকাক সিংহলীসকলে সন্দেহৰ চকুৰে চোৱাটো স্বাভাৱিক। ৫০ নিযুত তামিলৰ স্বাৰ্থত ভাৰত চৰকাৰে শ্ৰীলংকাৰ ২·৫ নিযুত তামিলৰ স্বাৰ্থক বিপন্ন কৰিব পৰা কোনো পন্থা হাতত লব নোৱাৰে। ৰাজীৱ গান্ধীৰ নেতৃত্বৰ প্ৰাথমিক সময়ছোৱাত সেই সন্দেহ কিছু পৰিমাণে আঁতৰিলেও, যোৱা ৪ জুন তাৰিখে সংঘৰ্ষ জৰ্জৰিত তামিল অধ্যুষিত জাফনাত ভাৰতীয় বিমান বাহিনীয়ে আন্তঃৰাষ্ট্ৰীয় সকলো নীতি-নিয়ম উলংঘা কৰি একপক্ষীয়ভাৱে তামিলসকললৈ আকাশমাৰ্গৰ পৰা সাহায্য বিতৰণ কৰা কাৰ্যই শ্ৰীলংকাত ভাৰতবিৰোধী মনোভাব নতুনকৈ দুগুণে বৃদ্ধি কৰিলে। কিন্তু এতিয়া নাটকীয়ভাৱে শ্ৰীলংকাত পৰিস্থিতিয়ে মোৰ সলাইছে। তথাপি, সাহায্য বিতৰণ সম্পৰ্কীয় অপ্ৰীতিকৰ ঘটনাটো ঘটা দুমাহ নৌহওঁতেই বিতৰ্কিত ভাৰত-শ্ৰীলংকা চুক্তিৰ আলমত গৃহযুদ্ধত দেশখনত ভাৰতীয় সৈন্যই শান্তিসৈন্যৰ ভুমিকা লৈ প্ৰবেশ কৰা ঘটনাটোৱে দেশৰ শতকৰা ৭০ ভাগ সিংহলী অধিবাসীৰ আত্মসন্মানক কেনেদৰে আঘাত কৰিব সেইটো সহজে অনুমেয়। বিশেষকৈ চুক্তিৰ চৰ্ত মতে কেৱল ভাৰতীয় সৈন্য বাহিনীৰ উপস্থিতিতহে তামিল বিদ্ৰোহীৰ অস্ত্ৰ সমৰ্পণৰ সিদ্ধান্তকো দুয়োপক্ষৰ মাজত চলি থকা অবিশ্বাসৰ প্ৰতিফলন বুলি কব পাৰি।

ভাৰত-শ্ৰীলংকা চুক্তিক প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীয়ে এই শতিকাৰ সকলোতকৈ গুৰুত্বপূৰ্ণ ঘটনা বুলি অভিহিত কৰিছে। প্ৰাক্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ আমোলত সৃষ্টি হোৱা ভালেমান অভ্যন্তৰীণ সমস্যা সমাধানৰ বাবে ৰাজীৱ গান্ধীয়ে কেইবাটাও চুক্তিত চহী কৰিছে। উক্ত চুক্তিসমূহে কেনেদৰে কাম কৰিছে সেই কথা দোহাৰিবৰ প্ৰয়োজন নাই। কিন্তু চুবুৰীয়া ৰাষ্ট্ৰ এখনৰ লগত জড়িত স্পৰ্শকাতৰ জটিল সমস্যা এটা সমাধান কৰিবলৈ বৈদেশিক পৰ্যায়ত সম্পাদিত এইখন হৈছে প্ৰথম চুক্তি। এই ক্ষেত্ৰত প্ৰশংসাৰ থল যিমান নিন্দাৰ আশংকাও সিমানেই। ইতিমধ্যে চুক্তিৰ সফল ৰূপায়ণৰ ক্ষেত্ৰত সন্দেহ প্ৰকাশ কৰা পৰ্যবেক্ষকসকলৰ অভিমত হৈছে যে চুক্তিখনে সাধাৰণভাৱে দুয়োখন দেশৰ ইচ্ছা অথবা জাতীয় স্বাৰ্থক প্ৰতিফলিত কৰা নাই। এইটো হৈছে দুজন ৰাজনৈতিক নেতাৰ মাজত সম্পাদিত এটা চুক্তি। দুয়োজনৰে নিস্তেজ ভাবমূৰ্তিক উজ্জ্বল কৰিবৰ বাবে তৎকালিনভাৱে কিছু চমকপ্ৰদ কাৰ্যৰ প্ৰয়োজন হৈছিল। এই কথা ঠিক যে উক্ত চুক্তিয়ে ৰাজীৱ গান্ধীৰ চৰকাৰৰ ভাবমূৰ্তিক উজ্জ্বল কৰাত সাময়িকভাৱে কিছু সহায় কৰিব। বিশেষকৈ দক্ষিণ ভাৰতত এই কথা অধিক প্ৰযোজ্য হ'ব। তাৰ উপৰিও, সম্পূৰ্ণ ব্যৱহাৰিক দিশৰপৰা চালে সমস্যাটোৰ সমাধানৰ এতিয়া এইটোৱেই একমাত্ৰ উপায় হিচাপে পৰিগণিত হ'ব পাৰে; কিন্তু চুক্তি আৰু ইয়াৰ পৰিশিষ্টত গৃহীত চৰ্তবোৰত এনে কিছুমান বিষয় জড়িত হৈ আছে, যিবোৰে অদূৰ ভৱিষ্যতে দুয়োখন দেশৰ স্বাভাৱিক সম্পৰ্কত জটিলতাৰ সৃষ্টি কৰিব পাৰে। সাধাৰণ সিংহলী ৰাইজৰ মাজত এনে এটা ধাৰণা জন্মিছে যে এই চুক্তিৰ জৰিয়তে, ভাৰতৰ জৰিয়তে শ্ৰীলংকাৰ ভিতৰতে এখন তামিল গৃহভূমিৰ সৃষ্টি হ'ল; আৰু ই হ'ল পৃথক স্বাধীন তামিল এলেম জন্মৰ প্ৰথম পদক্ষেপ। চুক্তি সম্পাদিত হোৱাৰেপৰা এনে এটা পৰিৱেশ গঢ়ি উঠিছে যে প্ৰেছিডেণ্ট জয়বৰ্ধনে চৰকাৰৰ নেতৃত্বত শ্ৰীলংকাৰ বৈদেশিক নীতি, প্ৰতিৰক্ষা, আনকি অভ্যন্তৰীণ নীতিও এনেদৰে পৰিচালিত হ'ব যাৰ লগত সততে ভাৰতৰ নিৰাপত্তাৰ প্ৰশ্নটো জড়িত হৈ থাকিব। তেনেহ'লে এক সাৰ্বভৌম স্বাধীন ৰাষ্ট্ৰ হিচাপে ভাৰত-শ্ৰীলংকা চুক্তিয়ে শ্ৰীলংকাৰ মৰ্যাদা হ্ৰাস কৰিলে নেকি? সম্প্ৰতি চুক্তি সম্পাদনৰ পাছত এইটোৱেই হ'ল আটাইতকৈ বিবদমান প্ৰশ্ন। এনে এখন চুক্তিত চহী কৰি ৮২ বছৰীয়া প্ৰেছিডেণ্ট জয়বৰ্ধনেৰ নেতৃত্ব কিমান দিন তিষ্ঠি থাকিব পাৰিব? বাস্তৱিকতে সেই বিষয়টোৱেই চুক্তিৰ সফল ৰূপায়ণৰ দিশটোও সামগ্ৰিকভাৱে থিৰাং কৰিব।

১০ পৃষ্ঠাৰ পিছৰ পৰা

কামে ৰাজীৱ গান্ধীৰ ভাবমূৰ্তি কেনেকৈনো উজ্জ্বল কৰিব সেইকথা কোনেও নাজানে।

প্ৰধান মন্ত্ৰীৰ পদত্যাগ দাবী কৰি তেওঁক ব্যাপকভাৱে আক্ৰমণ কৰাৰ সময়ত কমিউনিষ্টসকলে কেনে আচৰণ কৰিব সেই বিষয়ে বিৰোধীপক্ষ এতিয়াও নিশ্চিত নহয়। এতিয়ালৈকে দুয়োটা কমিউনিষ্ট দলেই প্ৰধান মন্ত্ৰীৰ অপসাৰণৰ বাবে চলোৱা অভিযানত আন্তৰিকতাৰে সৈতে বিৰোধীপক্ষৰ লগ লগাৰপৰা বিৰত আছে। তেওঁলোকে যুক্তি দৰ্শায় যে তেওঁৰ অপসাৰণে মূল সমস্যাসমূহৰ সমাধান নকৰে আৰু নিবনুৱা সমস্যা আৰু দাৰিদ্ৰ নিবাৰণৰ দৰে বিষয়কো এনে অভিযানৰ অন্তৰ্ভুক্ত কৰা উচিত।

ইয়াৰ ফলত বি· জে· পিৰেই লাভ হৈছে, কাৰণ বিৰোধী দলসমূহে এতিয়ালৈকে কমিউনিষ্টসকলক (এওঁলোকে বি· জে· পিৰ সৈতে কোনো সম্পৰ্ক ৰাখিব নোখোজে)। অধিক গুৰুত্ব দি এওঁলোকক (বি· জে· পিক) এৰাই চলি আহিছিল। প্ৰকৃততে, কমিউনিষ্ট-সকলে নিজ মতেৰে আগবাঢ়িব যেন লাগিছে; আৰু ৰাজীৱ গান্ধীক সমৰ্থন কৰা ছোভিয়েট নীতিয়ে যে তেওঁলোকক প্ৰভাৱান্বিত কৰিব, সেই বিষয়েও কোনো সন্দেহ নাই।

এটা নতুন দলৰ কথাও কোৱা মেলা কৰা হৈছে। কৰ্ণাটকৰ মুখ্যমন্ত্ৰী ৰামকৃষ্ণ হেগড়ে আৰু ভি· পি· সিং উভয়েই ইয়াৰ সপক্ষে আছে। বহুগুণাৰ নেতৃত্বৰ লোকদল আৰু জনতাৰ চামিলকৰণৰ ক্ষেত্ৰত পুনৰ কুটাঘাত কৰা জনতা দলৰ নেতা চন্দ্ৰশেখৰ নতুন দলটোৰ সম্পৰ্কত বেছি আগ্ৰহী নহয়; কাৰণ ইয়াৰ ফলত তেওঁৰ নিজৰ স্থিতি অৱনমিত হ'ব। কিন্তু হেগড়েই হেনো ভি· পি· সিঙক আশ্বাস দিছে যে নতুন দলটো গঠিত হলে চন্দ্ৰশেখৰো কাষ চাপি আহিব।

ই·কংগ্ৰেছৰ "জন যোগাযোগ" ধৰণৰ এক প্ৰতিৰোধমূলক কাৰ্যসূচী আছে। যুব ই-কংগ্ৰেছে আৰিফখান আৰু অৰুণ নেহৰুৰ বিৰুদ্ধে যিখিনি কৰিলে তাৰপৰাই ইয়াৰ ধৰণটো বুজিব পাৰি। ইয়াৰ ফলত অতি সহজে হিংসাত্মক ঘটনাৰ সৃষ্টি হ'ব। আৰু ৰাজীৱ গান্ধী শক্তি প্ৰয়োগ কৰিবলৈ, আৰু আনকি "ৰাষ্ট্ৰ-বিৰোধী শক্তি"ৰ সন্মুখীন হ'বলৈ সংসদে চৰকাৰক দিয়া অপৰিমেয় ক্ষমতা ব্যৱহাৰ কৰিও দেশ শাসন কৰিবলৈ প্ৰলোভিত হ'ব পাৰে। এটা কামে আন এটা কামলৈ আগবঢ়াই লৈ যায়। শ্ৰীমতী গান্ধীয়ে জৰুৰী অৱস্থা জাৰী কৰিছিল, কাৰণ তেওঁ তেওঁক ছবছৰৰ বাবে আসনচ্যুত কৰা এলাহাবাদ উচ্চন্যায়ালয়ৰ ৰায়টোৰ পৰিপ্ৰেক্ষিতত উঠা সমালোচনাৰ জোৱাৰৰ সন্মুখীন হ'ব পৰা নাছিল। ৰাজীৱ গান্ধীয়ে সেই ঘটনাবোৰক অনুসৰণ কৰিব পৰা পূৰ্বৰ নজীৰ বুলি ভাবিব পাৰে।

বিষয়টোৰ মূলকথা নৈতিকহে। সংসদত দুই-তৃতীয়াংশ সংখ্যা গৰিষ্ঠতা থাকিলেও সততাৰ বিষয়ত সন্দেহ প্ৰকাশ কৰা এজন প্ৰধান মন্ত্ৰীয়ে কাৰ্যনিৰ্বাহ কৰি থকা উচিত নে? আৰু, তেওঁ নিজৰ, তেওঁৰ দলটোৰ আৰু দেশখনৰ স্বাৰ্থতে তেওঁৰ নামটো পৰিষ্কাৰ কৰি লোৱা উচিত নহয় নে?

# অসমৰ ৰেচম উদ্যোগ আৰু ৰেচম বিধেয়ক

ড° প্ৰবীণ বৈশ্য

ৰেচম উদ্যোগত অসমৰ এক গৌৰৱপূৰ্ণ ঐতিহ্য আছিল। পুৰণি কামৰূপ দেশত ৰেচম পলু পোহা, সূতা কটা আৰু কাপোৰ বোৱা উদ্যোগ খৃষ্টপূৰ্ব চতুৰ্থ শতিকাৰ পৰা প্ৰচলিত থকাৰ ঐতিহাসিক প্ৰমাণ পোৱা যায়। ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলত উৎপাদিত 'পত্ৰোৰ্ণা' (পাট) বস্ত্ৰৰ ভিতৰত পুৰণি কামৰূপৰ স্বুৰ্বণকুড্যৰ বস্ত্ৰ শ্ৰেষ্ঠ বুলি কৌটিল্যই কৈ গৈছে। বুৰঞ্জীবিদ কনক লাল বৰুৱাৰ মতে কৌটিল্যৰ কেইবা শতিকা আগৰপৰা অসমত মুগা আৰু এৰী পলু পোহা হৈছিল। ঊনবিংশ শতিকাৰ তৃতীয় দশকলৈকে অসমৰ এই উদ্যোগটো বিশেষভাৱে লাভজনক আছিল। যোৱা শতিকাৰ প্ৰথম দশকত অসমৰ পৰা অকল বংগদেশলৈ ৰপ্তানি কৰা "মুগা ৰেচম আৰু মুগা কাপোৰ"ৰ মূল্য মুঠ ৰপ্তানি মূল্যৰ শতকৰা ২২ ভাগতকৈ অধিক আছিল। কেপ্টেইন পেম্বাৰটনে অসম ভ্ৰমণ কৰা সময়ত তেওঁ ৰাস্তাৰ দাঁতিয়ে দাঁতিয়ে 'মুগা গছ'ৰ শাৰী দেখিছিল। অসমৰ প্ৰতিঘৰ খেতিয়কৰ বাৰীত বা খেতি পথাৰৰ এচুকত এৰী পলুক খুৱাবৰ কাৰণে এৰী/এৰা গছৰ খেতি আছিল বুলি উইলিয়াম ৰবিনচনে কৈ গৈছে; অৱশ্যে পাট পলুক খুৱাবৰ কাৰণে ঋুনি গছৰ খেতি খুব কম আছিল বুলিও তেওঁ কৈছে।

আজি কিন্তু সেই গৌৰৱ নাই। বছৰৰ পাছত বছৰ ধৰি অসমৰ ৰেচম উদ্যোগৰ আকাশলৈ ক্ৰমান্বয়ে বেছি আন্ধাৰ নামি আহিছে। ১৯৭৫-৭৬ চনত অসমত ৮৬৬৯ খন গাঁও ৰেচম উদ্যোগৰ লগত জড়িত আছিল, কিন্তু ১৯৮১-৮২ চনত ইয়াৰ সংখ্যা শতকৰা ২০.২৯ ভাগ হ্ৰাস হৈ ৬৯১০ খন হ'ল। সেইদৰে এই ছোৱাত ৰেচম উদ্যোগৰ লগত জড়িত পৰিয়ালৰ সংখ্যাও শতকৰা ৫৩ ভাগ কমি আহি ১৬১১৩২ ঘৰৰ ঠাইত ৭৫৭৬০ ঘৰ হ'ল। ৰেচম উৎপাদনৰ তুলনামূলক তথ্য পোৱা নাযায়; কিন্তু ১৯৮১-৮২ চনৰ পৰিয়াল আৰু উৎপাদনৰ তথ্যৰপৰা দেখা যায় যে প্ৰতিটো পৰিয়ালে গড়ে মাত্ৰ ৩.৪৫ কেজি. এৰী, ২.৭ হাজাৰ মুগা (মুগা লেটাবোৰ হাজাৰ হিচাপত গণনা কৰা হয়) অথবা ৪.৩১ কেজি. পাট পলুৰ লেটা উৎপাদন কৰিছিল। লেটা উৎপাদনৰ এই হিচাপে অসমৰ ৰেচম উদ্যোগৰ দুৰাৱস্থাৰ কথাকে সঁকিয়াই দিয়ে।



ছোম গছ

অসমৰ এই পুৰণি উদ্যোগটো উন্নত কৰাৰ কাৰণে অসম চৰকাৰে অলপ মনোযোগ দিয়া যেন দেখা গৈছে। এই উদ্দেশ্যে যোৱা বিধান সভাত এখন বিধেয়ক ইংৰাজী ভাষাত উত্থাপন কৰিছিল; বিধেয়কখনৰ নাম হ'ল (আমি কৰা ভাঙনি) "অসম ৰেচম উদ্যোগ (ৰেচম পলুৰ সঁচ লেটা আৰু ৰেচম সূতা নিয়ন্ত্ৰণ) বিধেয়ক ১৯৮৭ চন।" এই বিধেয়কৰ দ্বাৰা ৰেচম উদ্যোগৰ উন্নতিৰ অৰ্থে ৰেচম পলুৰ সঁচ, লেটা আৰু সূতা'ৰ উৎপাদন, ইবোৰৰ ক্ৰয়-বিক্ৰয় আৰু বিতৰণ নিয়মিত আৰু নিয়ন্ত্ৰণ কৰিব খোজা বুলি প্ৰস্তাৱনাত কোৱা হৈছে।


প্ৰস্তাৱিত বিধেয়কখনত অন্যান্য কথাৰ উপৰিও কোৱা হৈছে যে অনুজ্ঞাপত্ৰ (লাইচেঞ্চ) বিনে কোনো ব্যক্তিয়ে ৰেচম পলুৰ সঁচৰ উৎপাদন, মজুত, অনা-নিয়া, বিক্ৰি অথবা বিতৰণ কৰিব নোৱাৰিব; অনুজ্ঞাপত্ৰ নথকা কোনো ব্যক্তিৰপৰা সঁচ আনি অন্য কোনো ব্যক্তিয়ে পলু পুহিব নোৱাৰিব; অনুজ্ঞাপত্ৰ নথকা কোনো ব্যক্তিয়ে ৰেচম লেটা ক্ৰয়-বিক্ৰয় বা অনা-নিয়া কৰিব নোৱাৰিব আৰু নিয়ন্ত্ৰিত বজাৰত নিলাম কৰিহে লেটা কিম্বা সূতা ক্ৰয়-বিক্ৰয় কৰিব পাৰিব (অনুচ্ছেদ ৩, ৪, ৫, ৬ আৰু ৯.২)।

বিধেয়কখনত সন্নিবিষ্ট কৰা চৰ্তবোৰৰ সন্দৰ্ভত ৰেচম পলুৰ সঁচ, ৰেচম লেটাৰ উৎপাদন আৰু বিতৰণ বৰ্তমানে কেনেদৰে চলি আছে চোৱা যাওক। পলুৰ সঁচৰ ক্ষেত্ৰত অসম চৰকাৰৰ পৰিচালনাত থকা ৰেচম পাম কেইখনে অসমৰ জিলা কেইখনত সিচঁৰতি হৈ থকা ৰেচম উদ্যোগৰ লগত জড়িত প্ৰায় ৭ হাজাৰখন গাঁৱত উন্নতধৰণৰ সঁচ যোগান ধৰাত সম্পূৰ্ণ ব্যৰ্থ হৈছে। গতিকে একোটা অঞ্চলত কোনো কোনো পলু-পালকে যত্নেৰে সঁচ ৰাখে আৰু ওচৰ-পাজৰৰ গাঁৱৰ মানুহে এই সঁচ কিনি অথবা ধাৰলৈ নি পলুৰ খেতি কৰে। এনেকৈ উৎপাদন কৰা লেটাবোৰৰ পৰা তেওঁলোকে ঘৰতে সূতা কাটি এখন-দুখন কাপোৰ বয় আৰু অতিৰিক্তখিনি ওচৰৰ হাট-বজাৰত বিক্ৰি কৰে। বিক্ৰি কৰা লেটাবোৰৰ এটা ভাগ অন্যলোকে সূতা কাটি কাপোৰ ব'বলৈ খুচুৰাভাৱে কিনি নিয়ে আৰু আন ভাগটো সৰু-সৰু বেপাৰীসকলে কিনি নি অন্য বজাৰত সূতা কটা বা কাপোৰ বোৱা শিপিনীক খুচুৰাভাৱে বিক্ৰি কৰে। এৰী লেটাৰ ক্ষেত্ৰত বিশেষকৈ এনেধৰণৰ কিনা-বেচা দেখা যায়। অসমৰ এৰী কাপোৰৰ ভাণ্ডাৰ বুলি জনাজাত পলাশবাৰী, ৰামপুৰ অঞ্চলতো শিপিনীসকলে হাট-বজাৰত সৰু-সৰু বেপাৰীৰ পৰা এনেদৰে এক-দুই "পোৱা" (২৫০/৫০০ গ্ৰাম) লেটা কিনি সূতা কাটি কাপোৰ বয়। উল্লেখযোগ্য যে এই অঞ্চলত থকা খাদী উৎপাদন কেন্দ্ৰবোৰেও এই বেপাৰীসকলৰ পৰা এৰী লেটা কিনে। এই অঞ্চলত এৰী লেটাৰ উৎপাদন তেনেই কম; গতিকে বেপাৰীসকলে গাৰো পাহাৰৰপৰা কষ্ট কৰি লেটা আনি বজাৰবোৰত বিক্ৰি কৰে।


মুগা লেটাবোৰৰ সামান্য এটা অংশহে ঘৰতে কাটি সূতা কৰা আৰু কাপোৰ বোৱা হয়; গতিকে ইয়াৰ বেছি খিনিয়েই বজাৰত বিক্ৰি কৰা হয়। এইটো সকলোৱে জনা কথা যে অসমত বিক্ৰিৰ কাৰণে উৎপাদিত মুগা লেটাৰ প্ৰায় আটাইখিনিয়েই শুৱালকুছিত ব্যৱহাৰ কৰা হয়। কিন্তু শুৱালকুছিৰ শালবোৰৰ কাৰণে অসমৰ মুগা লেটা যথেষ্ট নহয়; গতিকে প্ৰয়োজনীয় লেটাখিনিৰ প্ৰায় একতৃতীয়াংশ গাৰোপাহাৰৰ পৰা আহে। পলাশবাৰী অঞ্চলৰ সাধাৰণ বেপাৰীসকলে এইবোৰ সংগ্ৰহ কৰি আনি ইয়াত বিক্ৰি কৰে। কেইবছৰমান আগলৈকে শুৱালকুছিৰ মুগা কটা আৰু কাপোৰ বোৱা লোকসকলে উজনি অসমৰ মুগা পোহা গাঁওবোৰলৈ গৈ সেটা কিনি আনিছিল। ঘৰে ঘৰে গৈ এনেদৰে মুগা লেটা কিনা কামটো বৰ কষ্টকৰ; সেয়ে আজি-কালি খুব কম সংখ্যক লোকহে লেটা কিনিবলৈ যায়। গতিকে পলাশবাৰী অঞ্চলৰ আৰু উজনি অসমৰ (শিৱসাগৰ লক্ষীমপুৰ আৰু ডিব্ৰুগড় জিলাৰ) সাধাৰণ বেপাৰীসকলে কান্ধত বস্তাৰ ভাৰলৈ লেটা সংগ্ৰহ কৰি আনি শুৱালকুছিত বিক্ৰি কৰে। কিন্তু মন কৰিবলগীয়া যে মুগা লেটাৰ দাম অতিপাত বৃদ্ধি হোৱা সত্ত্বেও যোৱা বছৰ উৎপাদন হোৱা ঠাইতে প্ৰতি হাজাৰ লেটাৰ দাম প্ৰায় ২৫০ টকা আছিল। ইয়াৰ উৎপাদন বৃদ্ধি হোৱা নাই, বৰং হ্ৰাসহে হৈছে। ফলস্বৰূপে শুৱালকুছিত মুগা-শালৰ সংখ্যাও কমিছে। পাট পলুৰ কথা কোৱাৰ প্ৰয়োজন নাই; অসমত অকল শুৱালকুছিতহে পাট কাপোৰ ব্যৱসায়িক ভিত্তিত উৎপাদন হয় আৰু ইয়াৰ শালবোৰৰ কাৰণে প্ৰয়োজনীয় আটাইখিনি পাট সূতা (বছৰত প্ৰায় ১৭.২৫ নিযুত টকা মূল্যৰ প্ৰায় ৫০,০০০ কেজি. সূতা) বাংগালোৰৰ পৰা অনা হয়।

উল্লিখিত ৰেচম উৎপাদন আৰু ইয়াৰ বিতৰণ ব্যৱস্থাৰ সন্দৰ্ভত প্ৰস্তাৱিত ৰেচম আইনখনৰ সম্ভাব্য প্ৰতিফল কি হ'ব তাক সহজে অনুমান কৰিব পাৰি। এই আইনৰ পাছত পলুপালকসকলে অনুজ্ঞাপত্ৰলৈ পলুৰ সঁচ বিক্ৰি কৰা ব্যৱসায়ী বিচাৰি উলিয়াইহে সঁচ কিনি পলুৰ খেতি কৰিব পাৰিব; অনুজ্ঞাপত্ৰৰ বলত সঁচ বিক্ৰেতাই সঁচৰ অধিক মূল্য লোৱাৰ সুবিধা পাব আৰু ফলস্বৰূপে ঘৰত প্ৰয়োজনীয় লেটা উৎপাদনৰ পৰিমাণো কমিব। লেটা কিনাৰ কাৰণেও যিহেতু অনুজ্ঞাপত্ৰ ল'ব লাগিব, গতিকে শিপিনীসকলে সূতা কটাৰ কাৰণে প্ৰয়োজনীয় লেটা কিনাতো অসুবিধা হ'ব, আৰু শিপিনীৰ সংখ্যা হ্ৰাস হ'ব। সময়ে-সময়ে জাননী যোগে নিৰ্ধাৰণ কৰা "অনুজ্ঞাপত্ৰ মাচুল" (মাচুলৰ পৰিমাণ এটকা হ'ব বুলি গুজব ওলাইছে যদিও আইনখনৰ ক'তো সেই বিষয়ে উল্লেখ নাই) আৰু অনুজ্ঞাপত্ৰ দিয়া ব্যৱস্থাটোৱে ৰেচমৰ উৎপাদন আৰু বিতৰণত হেঙাৰৰ সৃষ্টি কৰিব; কিয়নো,— ৰেচম আইন ভংগকাৰীয়ে তিনিমাহ পৰ্যন্ত জেইল খাটিব অথবা

অতিক্ৰমেও পাঁচশ টকা জৰিমনা ভৰিব লাগিব। (অনুচ্ছেদ ১১)। তাৰ উপৰিও নিয়ন্ত্ৰিত বজাৰত লেটা আৰু সূতা বিক্ৰেতা আৰু ক্ৰেতা উভয়ে বস্তুৰ মূল্যৰ শতকৰা (অতি বেছি) দুভাগ 'বজাৰ মাচুল' দিব লাগিব (অনুচ্ছেদ ১৮·২, ক আৰু চ); অৰ্থাৎ মাচুলৰ সম পৰিমাণে লেটা আৰু সূতাৰ মূল্য বিক্ৰেতাৰ কাৰণে কমিব আৰু ক্ৰেতাৰ কাৰণে বাঢ়িব। ইয়াৰ উপৰিও অনুজ্ঞাপত্ৰ প্ৰদান কৰা আৰু পৰিদৰ্শন কৰা কৰ্তৃপক্ষক সঁচ, লেটা বা সূতা ৰখা যি কোনো মানুহৰ মাটি, ঘৰ, গাড়ী বা অন্য ঠাই এই আইনৰ বলত (অনুচ্ছেদ ১০, গ আৰু ঘ) পৰিদৰ্শন কৰাৰ ক্ষমতা দিয়া হৈছে; গতিকে এই ক্ষমতাই অশিক্ষিত আৰু অজ্ঞ পলুপালক তথা শিপিনীসকলক হাৰাশাস্তি কৰাৰ আৰু ভীতি প্ৰদৰ্শন কৰি তেওঁলোকৰ পৰা ধন আদায় কৰাৰ সুবিধা দিব।



পলু পালনৰ মানসিকতা গঢ়ি তোলাৰ কাৰণে এখন বহল আঁচনি যুগুত কৰা প্ৰয়োজন।



বিধেয়কথনৰ উদ্দেশ্য আৰু প্ৰয়োজন সম্পৰ্কে কোৱা হৈছে— ৰেচম লেটা আৰু সূতা উৎপাদনকাৰীসকলক বেপাৰীসকলে শোষণ কৰি আছে। গতিকে ৰেচমৰ উৎপাদন নিয়মিত আৰু নিয়ন্ত্ৰণ কৰাৰ উদ্দেশ্যে "নিয়ন্ত্ৰিত বজাৰ" স্থাপন কৰা হ'ব আৰু "ৰেচম পলুৰ সঁচ, লেটা আৰু সূতা বিক্ৰেতা আৰু উৎপাদনকাৰী সকলক" অনুজ্ঞাপত্ৰ দিয়াৰ ব্যৱস্থা কৰা হ'ব। এই দিশৰ পৰা চালে আইনখনৰ উদ্দেশ্য ভাল। পিছে বেপাৰীসকলক কেনেকৈ "নিয়ন্ত্ৰণ" কৰিব বা তেওঁলোকৰ শোষণ কেনেকৈ বন্ধ কৰিব? তেওঁলোকক অনুজ্ঞাপত্ৰ প্ৰদান কৰি? অনুজ্ঞাপত্ৰই তেওঁলোকক নিয়ন্ত্ৰণো কৰিব নোৱাৰে আৰু তেওঁলোকৰ শোষণো বন্ধ কৰিব নোৱাৰে; বৰং বেপাৰীসকলক আইনৰ চকুত নিকাহে কৰিব আৰু এই অনুজ্ঞাপত্ৰই দিয়া একচেটিয়া কৰ্তৃত্বৰ বলত তেওঁলোকে উৎপাদিত বস্তুৰ মূল্য নিজ খুচি মতে নিৰ্ধাৰণ কৰি লেটা উৎপাদনকাৰী আৰু শিপিনীসকলক বেছিকৈহে শোষণ কৰাৰ সুবিধা পাব। অৰ্থকৰী শস্য, যেনে— মৰাপাট বা সৰিয়হ উৎপাদনকাৰী আৰু ব্যৱসায়ীসকলক যেতিয়া কোনো অনুজ্ঞাপত্ৰৰ প্ৰয়োজন নহয়, ৰেচম পলু আৰু লেটা তথা সূতা উৎপাদনকাৰী আৰু সৰু সৰু বেপাৰীসকলক অনুজ্ঞাপত্ৰ লবলৈ কিয় বাধ্য কৰা হয়? নিয়ন্ত্ৰিত বজাৰৰ ক্ষেত্ৰত, উদাহৰণ স্বৰূপে, হাউলিৰ (বৰপেটাৰ ওচৰৰ) মৰাপাটৰ নিয়ন্ত্ৰিত বজাৰৰ অভিজ্ঞতা কেনে বাৰু? দূৰৈৰ গাঁওবোৰৰ পৰা প্ৰকৃত মৰাপাট উৎপাদনকাৰীসকল মৰাপাট বিক্ৰিৰ কাৰণে বজাৰলৈ যায়



নে? শিৱসাগৰ অথবা ঢকুৱাখানাত মুগাৰ নিয়ন্ত্ৰিত বজাৰ খুলিলে দূৰৈৰ গাঁওবোৰৰ পৰা ৫-১০ হাজাৰ লেটা বা এপোৰা সূতা নিয়ন্ত্ৰিত বজাৰত নিলাম কৰি বিক্ৰি কৰিবলৈ মানুহ আহিব বুলি আশা কৰিব পাৰিনে? শিৱসাগৰত থকা মুগা লেটা বেংকলৈ দূৰৈৰ গাঁওবিলাকৰ পৰা কিমানজন প্ৰকৃত মুগা লেটা উৎপাদনকাৰী আহে বাৰু? ওপৰত উত্থাপন কৰা প্ৰশ্নবোৰ বাস্তৱ প্ৰশ্ন; আৰু অনুদ্বিগ্নভাৱে এইবোৰ বিচাৰ কৰা প্ৰয়োজন।

আমি ভাবোঁ যে নিয়ন্ত্ৰিত বজাৰ আৰু পলুপালক, সূতা কটা শিপিনী আৰু বেপাৰীসকলক অনুজ্ঞাপত্ৰ দিয়া ব্যৱস্থাৰে অসমৰ ৰেচম উদ্যোগৰ উন্নতি সাধিব নোৱাৰি। ৰেচম উদ্যোগৰ ক্ষেত্ৰত অসমক কৰ্ণাটকৰ লগতো তুলনা কৰিব নোৱাৰি। কৰ্ণাটকত ডাঙৰ ব্যৱসায়ীসকলে পাট পলুৰ লেটাবোৰ কম মূল্যত সংগ্ৰহ কৰাৰ উদ্দেশ্যে পলু উৎপাদনকাৰীসকলক আগধন দি তেওঁলোকক শোষণ কৰে (১৯৭২ চনৰ ১ আগষ্টৰ "যোজনা"ত প্ৰকাশিত আমাৰ প্ৰবন্ধ); অসমত এনে ব্যৱস্থাই এতিয়ালৈকে গঢ় লৈ উঠা নাই; কিয়নো,— ইয়াত লেটাৰ উৎপাদন তথা ইয়াৰ বজাৰ তেনেই সীমিত। অসমৰ ৰেচম শিল্পৰ সমস্যাৰ বিষয়ে আমি বিভিন্ন সময়ত আলোচনা কৰিছোঁ (অলপতে "আছাম ইনফৰমেশ্যন"ৰ নৱেম্বৰ-ডিচেম্বৰ, ১৯৮৬ সংখ্যাতো প্ৰকাশ হৈছিল)। এই উদ্যোগটো ক্ৰমাৎ মৃত্যুৰ মুখলৈ আগবাঢ়ি গৈছে (শুৱালকুছিৰ বয়ন উদ্যোগৰ বাহিৰে); আৰু ইয়াৰ মূল কাৰণ হ'ল ৰেচম পলু পোহাৰ কাৰণে প্ৰয়োজনীয় খাদ্য-গছৰ অভাৱ।

পলুৰ কাৰণে প্ৰয়োজনীয় খাদ্য-গছৰ ক্ষেত্ৰত দেখা যায় যে মুগা পলুৰ কাৰণে আগতে থকা ছোমনি বা ছোমতলিবোৰৰ ছোম গছবোৰ কাটি পথাৰবোৰ অন্য খেতিৰ কাৰণে মুকলি কৰা হ'ল; কিয়নো,— ঘৰৰ বাহিৰত ছোম গছত মুগা মেলা খৰ কষ্টকৰ আৰু ইয়াৰ খেতি বতৰৰ ওপৰত নিৰ্ভৰশীল। এৰী পলু ঘৰত পোহা হয় যদিও সেই পলুক খুৱাবলৈ বুলি এৰী গছৰ খেতি কৰা নহয়; বাৰীত নিজে নিজে গজা এৰী গছৰ পাত-কেইটায়েই এৰী পলুৰ উৎপাদনৰ পৰিমাণ নিৰ্ধাৰণ কৰে। পাট পলু পালন কৰা লোকৰ মুনি গছৰ সংখ্যা-বোৰ পথাৰতকৈ কাগজতহে বেছি আছে। এইবোৰৰ উপৰিও ৰেচম উদ্যোগটো আৰ্থিক আৰু সামাজিকভাৱে পিছ পৰা লোকসকলৰ এটা আনুষংগিক ব্যৱসায়হে। ইয়াৰ ওপৰত তেওঁলোকৰ জীৱিকা নিৰ্ভৰ নকৰে কাৰণে ইয়াৰ ওপৰত তেওঁলোকে গুৰুত্বও আৰোপ নকৰে। তাতোকৈও ডাঙৰ কথা, ঘৰৰ ভিতৰত পোহা আৰু জমা কৰি ৰখা পলুবোৰৰ পৰা এটা বেয়া গোন্ধ ওলায়; গতিকে বহু পৰিয়ালে পলু পুহিব নোখোজে।

ওপৰত মাত্ৰ কেইটামান সমস্যাৰ কথাহে উল্লেখ কৰা হ'ল। এই কেইটাৰ সন্দৰ্ভত ৰেচম উদ্যোগৰ উন্নতিৰ কাৰণে প্ৰয়োজনীয় খাদ্য-গছ ৰোপণ আৰু পলু পালনৰ মানসিকতা গঢ়ি তোলাৰ কাৰণে এখন বহল আঁচনি যুগুত কৰা প্ৰয়োজন। নানান ধৰণৰ উদগনিমূলক ব্যৱস্থাৰে অসমৰ উপান্ত খেতিয়ক আৰু কৃষি বনুৱাসকলৰ এটা অংশক এই ৰেচম উদ্যোগটো মূল ব্যৱসায় হিচাপে গ্ৰহণ কৰিবলৈ আগ্ৰহান্বিত কৰাব লাগিব। পলু পালনৰ কাৰণে আৰু পলুবোৰ মাখি আদি শত্ৰুৰ পৰা ৰক্ষা কৰিব পৰাকৈ বৈজ্ঞানিক ধৰণে 'পলু ঘৰ' সাজিবলৈ পলুপালকসকলক আৰ্থিক সা-সুবিধা দিয়া প্ৰয়োজন। লগতে সূতা কটা আৰু কাপোৰ বোৱাৰ কাৰণে উন্নত আহিলা-পাতিও যোগান ধৰা দৰকাৰ। এই ক্ষেত্ৰত ৰেচম সূতাৰ আঁহৰ লগত ৰাসায়নিক সূতাৰ আঁহ মিহলাই সূতা কটা আৰু কাপোৰ বোৱা উদ্যোগ দুটাক বৈজ্ঞানিক ভেটিত প্ৰতিষ্ঠিত কৰাৰ প্ৰয়োজন আছে। ইয়াৰ উপৰিও উন্নত ধৰণৰ ৰেচম সঁচ, বিশেষকৈ এৰীৰ উন্নত সঁচ আৰু ঘৰৰ ভিতৰতে পালন কৰিব পৰা মুগা পলুৰ সঁচ উদ্ভাৱন কৰিবলৈ বৈজ্ঞানিক গৱেষণাৰ ব্যৱস্থা কৰিব লাগিব।

ৰেচম উৎপাদকসকলক উচিত মূল্য দিয়াৰ উদ্দেশ্যে গণ্য কিছুমান কৃষিজাত শস্যৰ ক্ষেত্ৰত কৰাৰ নিচিনাকৈ চৰকাৰে প্ৰতি বছৰে লেটা আৰু সূতাৰ কাৰণে এটা নিম্নতম "সহায়ক মূল্য" ঘোষণা কৰিব পাৰে। কিন্তু অকল সহায়ক মূল্য ঘোষণাই সমস্যাৰ সমাধান কৰিব নোৱাৰে। এই মূল্যত লেটা আৰু সূতা কিনাৰ কাৰণে চৰকাৰী প্ৰতিষ্ঠান আৰু উৎপাদকসকলৰ সমবায় প্ৰতিষ্ঠান গঢ়ি তুলিব লাগিব; লগতে ব্যৱসায়ৰ কাৰণে এইবোৰক যথেষ্ঠ পৰিমাণৰ অৰ্থ যোগানো ধৰিব লাগিব। সূতা কটা আৰু কাপোৰ বোৱা শিপিনীসকলৰ মাজতো এনে ব্যৱস্থাৰে নিৰ্ধাৰিত মূল্যত লেটা আৰু সূতা যোগান ধৰিব লাগিব। কেৱল এনে এটা বিকল্প ব্যৱস্থাৰ জৰিয়তেহে বেপাৰীসকলৰ শোষণ বন্ধ কৰি উৎপাদক আৰু শিপিনীসকলক সহায় কৰিব পৰা হ'ব বুলি আমাৰ বিশ্বাস। গতিকে দেখা যায় অসমৰ যাউতিযুগীয়া ৰেচম উদ্যোগটো উৎপাদকসকলৰ হাতে-ভৰিয়ে শিকলি লগাই উন্নত কৰিব নোৱাৰি; ইয়াৰ কাৰণে প্ৰয়োজন উৎসাহ আৰু উদগণিমূলক এলানি দূৰদৰ্শী, সুচিন্তিত, কাৰ্যকৰী আঁচনিৰ।

অসমৰ পৰা ৰেচম লেটা "অনুমতি পত্ৰ" বিনে ৰপ্তানি কৰিব নোৱাৰি বুলিও বিধেয়কথনত কোৱা হৈছে। আমাৰ মতে অসমৰ পৰা ৰেচম লেটা আৰু সূতাৰ ৰপ্তানি সম্পূৰ্ণ বন্ধ কৰিব লাগে; তেতিয়াহে অসমৰ শিপিনীসকলে লেটা আৰু সূতা পোৱাত অলপ সুবিধা হ'ব।

আলোকচিত্ৰ: দীপক বেজবৰুৱা



OKDISCD

# গোপীনাথ জয়ন্তী

ডং নিৰোদ কুমাৰ বৰুৱা

ভাৰতীয় স্বাধীনতা সংগ্ৰামৰ শেষ আঢ়ৈ দশকৰ এগৰাকী সুপ্ৰসিদ্ধ সংগ্ৰামী আৰু সংগঠক, উত্তৰ-পূব ভাৰতৰ বিভিন্ন-জাতি-গোষ্ঠীৰ মাজত মিলন-সম্প্ৰীতিৰ সেতু বান্ধিবলৈ সক্ষম হোৱা অসমৰ একমাত্ৰ সৰ্বজনপ্ৰিয় ৰাজনৈতিক ব্যক্তি, স্বাধীনতা-উত্তৰ অসমৰ সবাতোকৈ সৎ, গাম্ভীৰ্যপূৰ্ণ, নিষ্ঠাবান মুখ্যমন্ত্ৰী আৰু বলিষ্ঠ গঠন-শিল্পী স্বৰ্গীয় গোপীনাথ বৰদলৈদেৱৰ জন্মশতবাৰ্ষিকী পৰিছে ১৯৯০ চনৰ জুন মাহৰ পহিলা ভাগত। এই 'গোপীনাথ জয়ন্তী' তাৎপৰ্যপূৰ্ণভাৱে পালন কৰিবলৈ অসম চৰকাৰৰ উপৰিও অসম সাহিত্য সভা, অসম প্ৰকাশন পৰিষদ, ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতি, গুৱাহাটী বিশ্ববিদ্যালয়, গুৱাহাটী অনাতাঁৰ কেন্দ্ৰ, গুৱাহাটী দূৰদৰ্শন আদি অনুষ্ঠানসমূহে নিশ্চয় বিশেষ কাৰ্যসূচীৰে কিবা ইতিমধ্যে আলচিছে। কিন্তু, যিহেতু আমি 'প্ৰান্তিক' বা 'প্ৰকাশ'ৰ পাতত এই বিষয়ে আজি পৰ্যন্ত একোকে পঢ়িবলৈ--জানিবলৈ পোৱা নাই, গতিকে আমাৰ আশংকাও লাহে লাহে বাঢ়ি যাবলৈ এৰা নাই: কিজানিবা এই বিষয়ে এতিয়ালৈকে কোনো প্ৰস্তুতি হোৱাই নাই! কোৱা-বাহুল্য, এই শতবাৰ্ষিকী আমি যথোচিতভাৱে পালন কৰিব নোৱাৰিলে ভৱিষ্যই আমাক বৰকৈ হাঁহিব। 'গোপীনাথ জয়ন্তী'ৰ বিষয়ে ভাবি থাকোঁতেই আজি হঠাতে ভিতৰুৱাভাৱে এটা কথা জানিব পাৰিলোঁ: বৰদলৈ সম্বন্ধে হেনো এখন কথাছবি নিৰ্মাণ কৰাৰ গুণা-গঁথা চলিছে। যদি কথাটো সঁচা হয়, তেনেহলে ই অন্য এটা কাৰণেও বেচ তাৎপৰ্যপূৰ্ণ হ'ব। কথাটো কওঁ:

১৯৪৮ চনৰ মে'মাহৰ দুই তাৰিখ। বৰদলৈ ডাঙৰীয়া তেনেই দোকমোকালিতে গুৱাহাটী বহাৰ পৰা বনিহাটলৈ গৈছিল। ৮ মান বজাত চাহ-পানী খাই বনি ডাকবঙলা এৰিবলৈ ওলাওঁতেই দুজন লোক দেখা কৰিবলৈ আহিল। প্ৰবীণ ফুকন আৰু



ভূপেন হাজৰিকা। এওঁলোক দুজনে হেনো সেইসময়ত কথাছবি এখন নিৰ্মাণ কৰিবৰ কাৰণে নাটক এখন লিখাত ব্যস্ত আছিল। কথাটো শুনি বৰদলৈদেৱে এওঁলোক দুজনক এটা প্ৰস্তাৱ দিলে: গান্ধীজীৰ আদৰ্শৰে প্ৰভাৱিত নায়কক কেন্দ্ৰ কৰি, তেওঁৰ জীৱনটোৰ মাধ্যমেদি গান্ধীজীৰ আদৰ্শৰাজি আৰু ১৯২০ চনৰ পৰা ১৯৪৭ চনৰ ১৫ আগষ্টলৈকে ভাৰতীয় স্বাধীনতা সংগ্ৰামৰ বিশেষ গুৰুত্বপূৰ্ণ ঘটনাখিনি দাঙি ধৰিব নোৱাৰিনে? এই বিষয়ত সকলো প্ৰকাৰে দিহা-পৰামৰ্শ দি সহায় কৰিবলৈকো বৰদলৈদেৱে আগ্ৰহ দেখুৱালে। এই প্ৰস্তাৱ দিওঁতে তেখেতে নিশ্চয় নিজৰ জীৱনটোৰ কথা ভবা নাছিল; তেনে আত্মস্তুতি এইজনা ব্যক্তিৰ চৰিত্ৰত পাবলৈ নাই। কিন্তু আজি যদি কোনোৱে বৰদলৈদেৱে সেইদিনা ফুকন আৰু হাজৰিকাক (তাৰ চাৰিদিনৰ পাছত সেই ফুকন আৰু তিলক দাসেৰে বহু কথা হওঁতে নিশ্চয় সেই কথাছবিৰ কথাও ওলাইছিল) দিয়া উপদেশ বাস্তৱত ৰূপ দিব খোজে, তেনেহলে সেই বিষয়ত গোপীনাথৰ চৰিত্ৰতকৈ জানো অন্য এটি সাবলীল চৰিত্ৰ ওলাব? লগতে কব পাৰি যে গান্ধীজীয়ে বৰদলৈক দিয়া সবলতা আৰু নিৰ্ভীকতা পাছলৈ অসম আন্দোলনৰো প্ৰাণস্বৰূপ হ'লগৈ।

এই সুযোগতে আমি আৰু এটা কথা সংশ্লিষ্ট মহলৰ কাণ চোৱাই থব খুজিছোঁ। চল্লিছৰ দশকত বৰদলৈকে আদি কৰি, তেওঁৰে সংলগ্ন অসমৰ কেইজনমান ৰাজনৈতিক ব্যক্তিৰ (যেনে ফকৰুদ্দিন আলি আহমদ) ধ্যান ধাৰণাৰ বুজ থকা এখন ইংৰাজী পুথি আমি সদ্যহতে লিখি উলিয়াইছোঁ। লগতে বৰদলৈ পৰিয়ালেও এই জন্ম শতবাৰ্ষিকী উপলক্ষে বৰদলৈ দেৱৰ কিছু ভিতৰুৱা কাকত-পত্ৰ সম্পাদনা কৰি উলিয়াবলৈ দিহা কৰিছে। এইবিলাক প্ৰকাশ কৰিবৰ কাৰণে যদি কোনো প্ৰকাশক/অনুষ্ঠানে আগ্ৰহ দেখুৱায়, তেনেহলে আমি তেখেতসকলক আমাৰে বা ডং শ্ৰীমতী লিলি মজিন্দাৰ বৰুৱাৰে যোগাযোগ কৰিবলৈ আহ্বান জনালোঁ। ডং মজিন্দাৰ বৰুৱাৰ ঠিকনা হ'ল: উদ্ভিদ বিদ্যা বিভাগ, বি· বৰুৱা কলেজ, গুৱাহাটী ৭৮১০০৭।

১৫ জুলাই ১৯৮৭
ক'ল'ন

[ড. নিৰোদ কুমাৰ বৰুৱাৰ ঠিকনা: স. প্ৰা.]

Dr. Nirod Kumar Barooah
Pflasterhofweg 11B
5000 Köln 50 (Weiß)
West Germany



# গ্ৰাহক সুৰক্ষা অভিযান

## দৃষ্টিপাত

ৰোহিনী কুমাৰ বৰুৱা, আই. এ. এছ.

আধুনিক সমাজখনৰ বিভিন্ন স্তৰত দেখা দিয়া বিশৃংখলতাই দৈনন্দিন জীৱন-প্ৰবাহত যি জটিলতাৰ সৃষ্টি কৰিছে, সেই জটিলতাৰ মাজত বোধকৰোঁ আটাইতকৈ দুৰ্দশাগ্ৰস্ত ভুক্তভোগী হ'ল উপভোক্তা বা গ্ৰাহক শ্ৰেণী। সাধাৰণ অৰ্থত গ্ৰাহক বুলিলে আমি কোনো পণ্য সামগ্ৰী বা সেৱাৰ ক্ৰেতাকে বুজোঁ।

ভাৰতীয় আৰ্থসামাজিক মঞ্চৰ বিভিন্ন ক্ৰিয়া-প্ৰক্ৰিয়াৰ ফল হিচাপে অত্যাৱশ্যকীয় সামগ্ৰীকে ধৰি সকলো পণ্য সামগ্ৰীৰ নাটনি, মূল্যৰেখাৰ নিৰৱচ্ছিন্ন উৰ্ধ্বগতি, পণ্য সামগ্ৰী আৰু সেৱাসমূহৰ নিম্নগামী মান ইত্যাদি এশ এবুৰি সমস্যাই ভাৰতীয় জনমানসত এক বিভীষিকাৰ সৃষ্টি কৰিছে। সমগ্ৰ ভাৰতবৰ্ষতে গ্ৰাহক সমাজ কিছু সংখ্যক স্বাৰ্থান্বেষী, অসাধু উদ্যোগপতি আৰু ব্যৱসায়ীৰ কবলত পৰি জুৰুলা হৈছে। এই বৃহৎ প্ৰৱঞ্চিত শ্ৰেণীয়ে বাতৰি-কাকত, সভা-সমিতি আদিৰ জৰিয়তে সময়বিশেষে ক্ষোভ প্ৰকাশ কৰিছে যদিও সংঘবদ্ধ প্ৰচেষ্টাৰ অভাৱত সকলো প্ৰৱঞ্চনা, দুৰ্দশা আৰু দুৰ্ভাগ্য মূৰপাতি লব লগীয়াত পৰিছে। এনে অবাঞ্চনীয় পৰিস্থিতিয়ে পূৰ্বাঞ্চল তথা অসমত কিন্তু ভয়ংকৰ মূৰ্তি ধাৰণ কৰিছে। অসমৰ বানপানীক এক সচৰাচৰ বাৰ্ষিক ঘটনা বুলি কব পাৰি। অত্যাৱশ্যকীয় সামগ্ৰীকে ধৰি প্ৰায়বোৰ পণ্য সামগ্ৰীকে অসমৰ বাহিৰৰ পৰা আনি অসমৰ দৈনন্দিন প্ৰয়োজন পূৰোৱা হয়। বানপানীয়ে ৰেল বা পথ সংযোগ বিচ্ছিন্ন কৰিলে অসমৰ ৰাইজলৈ নামি আহে দুখ-দুৰ্গতি আৰু বিপৰ্যয়। সেই একে পৰিস্থিতিয়ে কিন্তু কিছুমান অসাধু সমাজবিৰোধী ব্যক্তি আৰু অনুষ্ঠানৰ বাবে আনি দিয়ে এক সোণালী সুযোগ; —ৰাইজৰ দুৰ্গতিৰ বেহা কৰি ধনী হোৱাৰ সুবিধা। এই নিঃসহায় পৰিস্থিতিয়ে ৰাইজৰ মাজলৈ আনে হতাশা। সেয়ে উপভোক্তাৰ মনত প্ৰশ্ন হয়— এই দুখ-দুৰ্গতিৰ নিৰাময় জানো আছে? নিৰাময় নিশ্চয় আছে, কিন্তু ইয়াক বিচাৰি উলিয়াবলৈ হলে এই আউল লগা পৰিস্থিতিৰ আঁতডাল উলিয়াব লাগিব।

এইটো অনস্বীকাৰ্য যে ভাৰতবৰ্ষত জনসংখ্যাৰ বৃদ্ধিয়ে অৰ্থনৈতিক উন্নয়নক বহুদূৰ চেৰ পেলাই গৈছে। খাদ্য সামগ্ৰী বা অন্যান্য পণ্য সামগ্ৰীৰ উৎপাদন আৰু চাহিদাৰ ব্যৱধানকে মূলধন বা আলম কৰি লৈ এক শ্ৰেণীৰ অসাধু ব্যৱসায়ী আৰু উদ্যোগগোষ্ঠীয়ে সময়বিশেষে কৃত্ৰিম নাটনিৰ সৃষ্টি কৰি সৰ্বসাধাৰণ ৰাইজক আৰ্থিকভাৱে শোষণ কৰাৰ পথ সুচল কৰি ৰাখিছে। অসমৰ ক্ষেত্ৰত এই দুৰ্যোগে সৰ্বনাশীৰূপ ধাৰণ কৰিছে। চাউল, দাইল, চেনি, মিঠাতেল, আটা, ময়দা আদিৰ বাবে অসম বাহিৰৰ ৰাজ্যৰ ওপৰত নিৰ্ভৰশীল। প্ৰকৃতিৰ বৰ জীয়ৰী আখ্যা লৈ আত্মতুষ্টি লাভ কৰা অসমৰ অসমীয়াই নিজৰ প্ৰয়োজনীয় অন্ততঃ কৃষিজাত সামগ্ৰীখিনিও উৎপাদন কৰি স্বাৱলম্বী হোৱাৰ প্ৰয়াস নকৰাত অসাধু শ্ৰেণীৰ বাবে শোষণ আৰু প্ৰৱঞ্চনাৰ পথ সুচল হৈ উঠিছে। বানপানীত পৰিবহন ব্যৱস্থাৰ সাময়িক অচলাৱস্থা, পঞ্জাৱত অশান্তি, উত্তৰ প্ৰদেশত শ্ৰমিকৰ ধৰ্মঘট আদি এশ কাৰণ দৰ্শাই সামগ্ৰীৰ কৃত্ৰিম নাটনিৰ সৃষ্টি কৰাত পটু ব্যৱসায়ীয়ে সামগ্ৰীৰ নাটনি, মূল্যবৃদ্ধিৰ ভেজাল আদি নৈতিকতা-বিহীন কাৰ্যত লিপ্ত হৈ সম্পূৰ্ণ মুনাফা আদায় কৰে, আৰু উপভোক্তা ৰাইজ এক নিঃসহায় পৰিস্থিতিৰ সন্মুখীন হৈ এনে অসাধু আচৰণৰ বলি হব লগীয়া হয়। কেতিয়াবা হয়তো উৎপাদন স্থলীতেই সামগ্ৰীৰ মূল্য বৃদ্ধি হৈছে বুলি অধিক মূল্য আদায় কৰা হয়, অথচ ইয়াৰ সত্যাসত্য নিৰূপণ কৰাৰো সুনিশ্চিন্ত পন্থা নাই। সামগ্ৰীৰ মানো প্ৰায় ক্ষেত্ৰতেই নিম্নস্তৰৰ। চাউল, দাইল, মিঠাতেল, চেনি আদিতো ভেজাল। তাতে আকৌ কটা ঘাত নিমথ সনাৰ দৰে নিম্নমানৰ ভেজাল সামগ্ৰী ওপৰঞ্চি দামত কিনাৰ পাছতো ওজনতো প্ৰৱঞ্চনা। তুলাচনীৰ এফালে আঙুলিৰে টিপি ধৰি অথবা ফেৰ থকা পাল্লা ব্যৱহাৰ কৰি ঘাটি ওজনৰ বস্তু দি গ্ৰাহকক প্ৰৱঞ্চনা কৰাৰো দৃষ্টান্ত অলেখ। কোনো কোনোৱে আকৌ পাল্লাৰ তলত চুম্বক দিও সামগ্ৰীৰ ওজন বৃদ্ধি কৰাৰ উদাহৰণ আছে। এইদৰে গ্ৰাহকক শোষণ কৰাৰ নিত্যনব সুপৰিকল্পিত কৌশল উদ্ভাৱনৰ বাবে গবেষণা চলিব ধৰিছে। কানি-কাপোৰকে ধৰি অসমৰ বাহিৰৰপৰা অনা নিত্য-ব্যৱহাৰ্য সামগ্ৰীৰ ক্ষেত্ৰতো দুগুণ পৰ্যন্ত দাম বৃদ্ধি হোৱাৰ উদাহৰণ নথকা নহয়। বিশেষকৈ তৈয়াৰী পোছাক-পৰিচ্ছদৰ ক্ষেত্ৰত মূল্যবৃদ্ধিৰ প্ৰকোপ বেছি। কিছুমান ঔষধ পাতিৰ ক্ষেত্ৰতো অত্যধিক মূল্য লোৱা হয়। তদুপৰি ম্যাদ উকলি যোৱা দৰব বা ভেজাল দৰব বিক্ৰি কৰিও কিছুমান অসাধু ব্যক্তি বা প্ৰতিষ্ঠানে নাগৰিক জীৱনৰ সতে হেতালি খেলে। ৰন্ধন গেছ ব্যৱহাৰৰ ক্ষেত্ৰতো গ্ৰাহক বিভিন্ন অসুবিধা-আসোঁৱাহৰ সন্মুখীন হ'ব-লগীয়া হৈছে। সময়মতে ছিলিণ্ডাৰ নোপোৱাই নহয়, ঘাটি ওজনৰ ছিলিণ্ডাৰ বিক্ৰি কৰাটোও নিত্যনৈমিত্তিক ঘটনা হৈছে বুলি অভিযোগ পোৱা যায়। অলপতে গুৱাহাটীত হেনো



OKDISCD

এজন বিশিষ্ট গ্ৰাহকে নতুন ছিলিণ্ডাৰ কিনাৰ তিনিদিনৰ পাছতেই গেছ শেষ হোৱাৰ ঘটনা এটা ঘটাৰ পাছত এতিয়া গুৱাহাটীত ছিলিণ্ডাৰ জোখাৰ বাবে তজু ৰখাৰ নিৰ্দেশ দিয়া হৈছে।

সেৱাসমূহৰ ক্ষেত্ৰতো গ্ৰাহকৰ অৱস্থা অতিশয় বেদনাদায়ক। টেলিফোন সেৱাৰ বিজুতি সম্পৰ্কে গ্ৰাহকৰ দুৰ্গতিৰ বৰ্ণনা নিষ্প্ৰয়োজন। টেলিফোন সেৱা অতীব প্ৰয়োজনীয় যদিও এই সেৱাৰ সঘনে বিজুতি ঘটে। সৰ্ব-সাধাৰণ গ্ৰাহকৰ তিক্ত অভিজ্ঞতাৰ ভিত্তিত এই কথা কব পাৰি যে দিনৰ পাছত দিন ধৰি মৃত্যুৰ কোলাত শুই থকা টেলিফোন যন্ত্ৰটো মাথোঁ ঘৰ-শুৱনি কৰা এবিধ অলংকাৰ স্বৰূপহে হৈছে। গ্ৰাহকে যেতিয়া কৰ্তৃপক্ষৰ ওচৰত অনুযোগ-অভিযোগ কৰিও কোনো সহাৰি নাপায়, তেতিয়া টেলিফোন এটা বিড়ম্বনাহে হৈ পৰে। কেতিয়াবা হয়তো গ্ৰাহকৰ অজ্ঞাতে মাচুল নিদিয়া বুলি সংযোগ বিচ্ছিন্ন কৰা হৈছে, আৰু গ্ৰাহকে অনুযোগ-অভিযোগ কৰাৰ পাছতহে সেই কথাটো জানিব পাৰে। সংযোগ বিচ্ছিন্নৰ সময়ছোৱাত অৱশ্যে মাচুল ৰেহাই দিয়া নহয়। ক্ষোভ আৰু হতাশাই হেঁচি ধৰা গ্ৰাহকৰ বাৰু এনে অসহায় অৱস্থাত কি কৰিব লগীয়া থাকে? বিজুলী সেৱাৰ ক্ষেত্ৰতো গ্ৰাহকে অসুবিধা ভোগ কৰিব লগীয়া হয় আৰু দুৰ্বল নিঠৰুৱা গ্ৰাহকে নিজৰ খং নিজতে মাৰ নিয়াই জীৱনযাত্ৰাৰ ঘানি ঘূৰাই যাব লগীয়া হয়।

এনে অসহায় অৱস্থাৰো অৱসান ঘটিব পাৰে। ইয়াৰ বাবে লাগিব সকলোৰে সমূহীয়া প্ৰচেষ্টা, সচেতনতা, নিজস্ব অধিকাৰ সাব্যস্ত কৰাৰ দৃঢ়তা আৰু ঐকান্তিকতা। এই ক্ষেত্ৰত অকল চৰকাৰৰে নহয়, স্বেচ্ছাসেৱী অনুষ্ঠান, ব্যৱসায়ী আৰু সবাতোকৈ ওপৰত গ্ৰাহকৰ একোটাহঁত বিশিষ্ট ভূমিকা আছে।

প্ৰাকস্বাধীনতাৰ কালৰ পৰাই গ্ৰাহকৰ স্বাৰ্থ সুৰক্ষাৰ বাবে বহুতো আইন প্ৰণয়ন কৰা হৈছে। এনেবোৰ আইনৰপৰা যে একেবাৰে সুফল পোৱা হোৱা নাই এনে নহয়। কিন্তু তথাপি কব লাগিব এই আইনৰ ব্যৱস্থাই গ্ৰাহকক শতকৰা এশভাগ ৰক্ষণাবেক্ষণ দিব পৰা নাই। এইটো সৰ্বজনবিদিত যে আইন প্ৰণয়ন যিমানেই নকৰক কিয়, চতুৰ ব্যৱসায়ীয়ে আইনৰ মেৰপাকেৰে সুৰুঙা উলিয়াই শোষণ ব্যৱস্থা অব্যাহত ৰখাত সিদ্ধহস্ত। উদাহৰণ স্বৰূপে অত্যাৱশ্যকীয় সামগ্ৰী আইনতো গ্ৰাহক-সুৰক্ষাৰ ব্যৱস্থা আছে, কিন্তু এই আইনৰ সুৰুঙাৰে কিছু সংখ্যক ব্যৱসায়ীয়ে অত্যধিক দাম, সামগ্ৰী লুকুউৱা আদি দুষ্কাৰ্য চলাই আছে। সেয়ে আইন প্ৰণয়ন গ্ৰাহক-সুৰক্ষাৰ সূচনা মাথোন; এই আইন বলবৎ কৰি গ্ৰাহকৰ স্বাৰ্থ ৰক্ষা কৰাটো প্ৰশাসনিক দায়িত্ব। এই দায়িত্ব কিমান নিয়াৰিকৈ বহন কৰিব পৰা হয় সেইটোৰ ওপৰতো গ্ৰাহকৰ সুৰক্ষা নিৰ্ভৰ কৰে।


**আইনৰ প্ৰাচুৰ্যই একশ্ৰেণীৰ স্বাৰ্থান্ধ আৰু নৈতিকতাবিহীন লোকক আইনৰ মেৰপাকৰ সুৰঙাৰে অন্যায় আচৰণৰ সোণালী সুযোগ দিছে।**

আইনৰ দিশ বিশ্লেষণ কৰি চালে দেখা যায়— আন দুখন কেন্দ্ৰীয় আইনৰ ভূমিকা গুৰুত্বপূৰ্ণ। এখন হ'ল একচেটিয়া ব্যৱসায় নিয়ন্ত্ৰণ সম্পৰ্কীয় আইন আৰু আনখন হ'ল ১৯৮৬ চনৰ গ্ৰাহক-সুৰক্ষা আইন। প্ৰথমখন আইনৰ জৰিয়তে ভ্ৰান্তিমূলক বিজ্ঞাপন, দামদৰ আদি কাৰ্যৰ দ্বাৰা গ্ৰাহকক প্ৰবঞ্চনা কৰিলে বা লোকচান ভৰালে গ্ৰাহকক ক্ষতিপূৰণ দিয়া আৰু আইন অমান্য কৰা প্ৰতিষ্ঠান বা ব্যক্তিক কাৰাদণ্ড বিহাৰ ব্যৱস্থা ৰখা হৈছে। একচেটিয়া ব্যৱসায়ীয়ে লাভৰ পৰিমাণ বৃদ্ধিৰ উদ্দেশ্যে নিম্নমানৰ সামগ্ৰী অধিক মূল্যত বেচিব পাৰে। সেয়ে একচেটিয়া ব্যৱসায়ীয়ে যাতে সামগ্ৰীৰ গুণগত মান হ্ৰাস কৰি ভ্ৰান্তিমূলক অথচ আকৰ্ষণীয় বিজ্ঞাপনৰ জৰিয়তে গ্ৰাহকক প্ৰলোভিত কৰি প্ৰবঞ্চনা কৰিব নোৱাৰে তাৰ বাবে আইনৰ ৰক্ষণাবেক্ষণ দিয়া হৈছে। কিন্তু ১৯৮৬ চনৰ ২৪ ডিচেম্বৰত যিখন গ্ৰাহক-সুৰক্ষা আইন প্ৰণয়ন কৰা হ'ল, সেইখন আইনক গ্ৰাহক-সুৰক্ষা অভিযানৰ ক্ষেত্ৰত এক অপূৰ্ব নিবেদন বুলি ক'ব পাৰি। এই আইন অনুসৰি কেন্দ্ৰীয় চৰকাৰ পৰ্যায়ত এখন কেন্দ্ৰীয় উপভোক্তা সুৰক্ষা সমিতি গঠিত হ'ব। সেইদৰে প্ৰত্যেক ৰাজ্যৰ ক্ষেত্ৰতো একোখন ৰাজ্যিক উপভোক্তা সুৰক্ষা সমিতি গঠন কৰাৰ ব্যৱস্থা আছে। এই সমিতিসমূহৰ উদ্দেশ্য হ'ব উপভোক্তাৰ স্বাৰ্থ সুৰক্ষা আৰু উন্নীত কৰা, ঠগ প্ৰবঞ্চনা প্ৰতিহত কৰা ইত্যাদি। অনিষ্টসাধনকাৰী দ্ৰব্যৰ দ্বাৰা যাতে উপভোক্তাৰ জীৱন বিপন্ন হ'ব নোৱাৰে সেইটোলৈও চকু ৰখা হৈছে। সামগ্ৰীৰ গুণগত মান, বিশুদ্ধতা, কাৰ্যকাৰিতা, মূল্য আদিৰ ক্ষেত্ৰতো উপভোক্তাৰ স্বাৰ্থ অক্ষুণ্ণ ৰখাৰ দিহা হৈছে। কেন্দ্ৰীয় সমিতিখন এজন মন্ত্ৰীক সভাপতি হিচাপে লৈ চৰকাৰী আৰু বেচৰকাৰী সদস্যৰে গঠিত হ'ব। ৰাজ্যিক সমিতি গঠনৰ বিষয়টো চৰকাৰৰ হাতত ন্যস্ত কৰা হৈছে।

উপভোক্তাৰ অভিযোগ খণ্ডনৰ বাবে তিনিতৰপীয়া প্ৰতিষ্ঠানৰ ব্যৱস্থা কৰা হৈছে। জিলা পৰ্যায়ত এখন জিলা মঞ্চ (District Forum) গঠিত হ'ব। এই মঞ্চ বা সমিতিৰ মুৰব্বী হ'ব জিলা ন্যায়াধীশ বা তেনে পদবীৰ বাবে অৰ্হতা থকা ব্যক্তি। এই মুৰব্বীজন বেতনভোগী নিয়মীয়া বিষয়া হ'ব আৰু সেয়ে সমিতিয়ে পোৱা অভিযোগসমূহ পূৰ্ণ মনোযোগিতাৰে খৰতকীয়াভাৱে নিষ্পত্তি কৰাত সুবিধা হ'ব। সভাপতিৰ বাহিৰেও সমিতিখনত দুজন সদস্য থাকিব; তাৰে এজন শিক্ষা বা ব্যৱসায়ৰ ক্ষেত্ৰত প্ৰথিতযশা ব্যক্তি হ'ব লাগিব আৰু আনগৰাকী হ'ব মহিলা। এই সমিতিয়ে একলাখ টকা মূল্যৰ সীমাৰেখাত থকা ওজৰ-আপত্তি তদন্ত কৰিব পাৰিব। জিলা সমিতিখন ১৯০৮ চনৰ দেৱানী কাৰ্যবিধি আইনত সন্নিবিষ্ট সকলো ক্ষমতাতে অধিষ্ঠ হ'ব। সমিতিৰ বিচাৰ্য গোচৰসমূহ ন্যায়িক বিচাৰ বুলি পৰিগণিত হ'ব। জিলা মঞ্চই সামগ্ৰীৰ গুণগত ত্ৰুটি, গ্ৰাহকক দোষমুক্ত সামগ্ৰীৰ সলনি দোষযুক্ত সামগ্ৰী দিয়া, প্ৰয়োজন অনুসৰি মূল্য ঘূৰাই দিয়া ইত্যাদি ক্ষেত্ৰত ব্যৱস্থা ল'ব পাৰিব। আনকি উপভোক্তাক ক্ষতিপূৰণ দিয়াৰো ক্ষমতা থাকিব। এই মঞ্চৰ আদেশ অমান্য কৰিলে মঞ্চৰ অপৰাধীক এমাহৰপৰা তিনিবছৰলৈকে কাৰাদণ্ড, অথবা দুহাজাৰৰপৰা দহ হাজাৰ টকালৈকে জৰিমনা কৰাৰ ক্ষমতা থাকিব। জিলা মঞ্চৰ ৰায়ৰ বিৰুদ্ধে ৰাজ্যিক সমিতিত আপীল কৰাৰ দিহা আছে। ৰাজ্যিক সমিতিৰ সভাপতি হ'ব হাইক'ৰ্টৰ বিচাৰপতি বা তেনে পদবী পোৱাৰ অৰ্হতাসম্পন্ন ব্যক্তি। ৰাজ্যিক সমিতিত এগৰাকী মহিলাকে ধৰি দুজন অৰ্হতাসম্পন্ন সদস্য থাকিব। আপীল শুনাৰ উপৰিও ৰাজ্যিক সমিতিৰ মূল অভিযোগ শুনাৰো কৰ্তৃত্ব থাকিব। ৰাজ্যিক সমিতিৰ ৰায়ৰ বিৰুদ্ধে কেন্দ্ৰীয় সমিতিত আপীল কৰিবপৰা হ'ব। কেন্দ্ৰীয় সমিতিৰ সভাপতিজন উচ্চতম ন্যায়ালয়ৰ বিচাৰপতি বা অনুৰূপ অৰ্হতাসম্পন্ন ব্যক্তি হ'ব লাগিব। কেন্দ্ৰীয় সমিতিত সভাপতিৰ বাহিৰেও আন চাৰিজন সদস্য থাকিব। ইয়াৰ ভিতৰত এগৰাকী মহিলা সদস্যাও থাকিব।

এইদৰে দেখা যায়, চৰকাৰৰ তৰফৰপৰা গ্ৰাহকৰ দুখ-দুৰ্গতিৰ উপশম ঘটোৱাৰ বাবে এক শক্তিশালী অভিযানৰ সূচনা কৰা হৈছে। কিন্তু অতীতৰ তিক্ত অভিজ্ঞতাই সকিয়ায় যে সমাজত প্ৰবৰ্তিত অন্যায়, শোষণ আৰু নৈতিকতাবিহীন কাৰ্যকলাপৰ কাৰণ আইনৰ অভাৱ নহয়। যথাৰ্থতে এই ভাৰত ভূমিতেই আইনৰ প্ৰাচুৰ্যই একশ্ৰেণীৰ স্বাৰ্থান্ধ আৰু নৈতিকতাবিহীন লোকক আইনৰ মেৰপাকৰ

কানি-কাপোৰকে ধৰি অসমৰ বাহিৰৰপৰা অনা নিত্য-ব্যৱহাৰ্য সামগ্ৰীৰ ক্ষেত্ৰতো দুগুণ পৰ্যন্ত দাম বৃদ্ধি হোৱাৰ উদাহৰণ নপকা নহয়।



OKDISCD

সুৰঙাৰে অন্যায় আচৰণৰ সোণালী সুযোগ দিছে। আইনৰ দোহাই দি উপভোক্তাসকলে হাত সাৰটি বহি থকাৰ অৱকাশ নাই।

সেয়ে গ্ৰাহক-সুৰক্ষা অভিযানত গ্ৰাহক বা উপভোক্তাই অগ্ৰণী ভূমিকা গ্ৰহণ কৰিব লাগিব। কোৱা বাহুল্য যে আমাৰ সমাজৰ নিম্ন শ্ৰেণীৰ শৈক্ষিক আৰু আৰ্থিক দৈন্যৰ বাবেই এই শ্ৰেণীৰ লোক শোষণ আৰু প্ৰবঞ্চনাৰ বলি হ'ব লগাত পৰিছে। সাধাৰণ উপভোক্তাই ক্ষোভ আৰু হতাশাৰে আৰ্তনাদ কৰিছে, কিন্তু এনে অন্যায় প্ৰতিৰোধ বা প্ৰতিহত কৰিবলৈ যি সাহসিকতা বা মানসিকতাৰ প্ৰয়োজন তাক আহৰণ কৰিবপৰা নাই। সেয়ে এতিয়া আইনৰ বলেৰে বলীয়ান হৈ নিজৰ অধিকাৰ সাব্যস্ত কৰাৰ প্ৰয়াসেৰে দৰকাৰ হ'লে শোষণকাৰীৰ বিৰুদ্ধে যুঁজ দিবলৈও তেওঁলোক্ আগবাঢ়ি আহিব লাগিব। এনে আন্দোলন সংঘবদ্ধভাৱে গঢ়ি তুলি নিজৰ স্বাৰ্থ সুৰক্ষাৰ বাবে নিজেই যত্নপৰ হ'ব লাগিব। একোজন সচেতন নাগৰিক হিচাপে এনে দায়িত্ব বহন কৰাটো অতীব প্ৰয়োজনীয়। এই ক্ষেত্ৰত উপভোক্তাৰ সংযমৰো প্ৰয়োজন। কিছুমান অপ্ৰয়োজনীয় সামগ্ৰী অনায়াসে বৰ্জন কৰিবপৰা যায়। কিন্তু স্বাৰ্থজৰিত মহলে প্ৰতিযোগিতাৰ যুদ্ধত অৱতীৰ্ণ হৈ প্ৰচাৰ কৰা ভ্ৰান্তিমূলক বিজ্ঞাপনৰ জালত পৰি বহুতো উপভোক্তাই সামগ্ৰীৰ গুণাগুণ বা প্ৰয়োজনীয়তাৰ দিশটো পাহৰি, প্ৰতিবেশীৰ লগত ফেৰ মাৰিবলৈ, তেনে বস্তু কিনিবলৈ হেতাওপৰা লগায়, আৰু এইদৰে অজ্ঞাতসাৰেই দুষ্কৃতিকাৰীৰ অপকৰ্মত ইন্ধন যোগায়। এনেবোৰ বিপদৰপৰা মুক্তি পাব পৰা হয় উপভোক্তাৰ উপযুক্ত শিক্ষা আৰু সংযমৰ জৰিয়তে।

▼


গ্ৰাহক-সুৰক্ষা আন্দোলন এটা গঢ়ি তুলি গ্ৰাহক বা উপভোক্তাৰ সচেতনতা জগাই তোলাত স্বেচ্ছাসেৱী অনুষ্ঠান-প্ৰতিষ্ঠানসমূহেও এক বিশিষ্ট ভূমিকা ল'ব পাৰে। সেইবোৰে বিভিন্ন সামগ্ৰীৰ মূল্য, পৰিবহন, বিতৰণ পদ্ধতি, বিভিন্ন সামগ্ৰীৰ উপকাৰিতা বা অপকাৰিতা, আইনগত ব্যৱস্থা ইত্যাদি সম্পৰ্কে উপভোক্তাৰ বাবে শিক্ষামূলক কাৰ্যসূচী হাতত ল'ব পাৰে। বিদেশ আৰু স্বদেশত এনে স্বেচ্ছাসেৱী প্ৰতিষ্ঠানে প্ৰসংশনীয় সেৱা আগবঢ়াই বিভিন্ন দিশত সমাজৰ কল্যাণ সাধিছে। অসমত এনে প্ৰতিষ্ঠানৰ সংখ্যা আঙুলিৰ মূৰত লেখিব পৰা। সমাজত চলি থকা শোষণ আৰু ঠগ-প্ৰবঞ্চনাৰ ওৰ পেলাব লাগিলে সকলো সচেতন আৰু চিন্তাশীল ব্যক্তিয়ে গ্ৰাহকক সংঘবদ্ধ কৰি তেওঁলোকৰ ন্যায্য অধিকাৰ সাব্যস্ত কৰাৰ প্ৰতি অৰিহণা যোগাব লাগিব। এনে স্বেচ্ছাসেৱী প্ৰতিষ্ঠানবোৰে মেল-মিটিং পাতি ৰাজহুৱা বিতৰণ ব্যৱস্থা, সামগ্ৰীৰ মূল্য নিয়ন্ত্ৰণ, শুদ্ধ ওজন, ভেজালকৰণ আদি দিশত গ্ৰাহকক সচেতন কৰি তুলিব পাৰে।

এই ক্ষেত্ৰত ব্যৱসায়ীসকলৰো কৰ্তব্য নথকা নহয়। সামগ্ৰীৰ অযথা মূল্য বৃদ্ধি, ভেজাল বস্তু বিক্ৰি, কম ওজনত বস্তু বিক্ৰি আদি সমাজবিৰোধী কাম। সমাজত সুস্থ নাগৰিক হিচাপে বাস কৰিব লাগিলে সমাজৰ বিভিন্ন শ্ৰেণীৰ সতে সমন্বয় আৰু সম্প্ৰীতি ৰক্ষা কৰাটোও ব্যৱসায়ীসকলৰ নিজৰ স্বাৰ্থৰ অনুকূলেহে। ঠগ প্ৰবঞ্চনাৰে ঘটা ধন ক্ষণস্থায়ী। এনে ধনে মানসিক অশান্তিৰ সৃষ্টি কৰে। আইনৰ ধ্বজা ভাঙি-মোহাৰি পেলাই সমাজৰ চকুত সন্মানিত ব্যক্তিৰ ছিল-মোহৰ মাৰিব লাগিলে ইষ্ট দেৱতাক পূজা কৰোঁতে ধনৰ ভৰণি হয়। শুদ্ধ পথেৰে চলি স্বল্প পৰিমাণৰ লাভেৰেও সুখ আৰু শান্তিৰ জীৱন যাপন কৰিব পাৰি। ৰাইজেই ৰজা,—এই ফাকি কথা ৰাজনৈতিক মঞ্চতেহে নহয়, ব্যৱসায় বাণিজ্যৰ জগততো সমানে প্ৰযোজ্য; কিয়নো ৰাইজে কোনো সামগ্ৰী বৰ্জন কৰিলে ব্যৱসায়ী বা উৎপাদনকাৰী আৰ্থিক ক্ষতিৰ সন্মুখীন হ'ব লাগিব। এই সত্য উপলব্ধি যিমান সোনকালে হয়, সিমানেই সকলোৰে বাবে মংগল।

গ্ৰাহক বা উপভোক্তাক উপযুক্তভাৱে শিক্ষা দি তেওঁলোকক সজাগ আৰু সচেতন কৰি তুলিব লাগিলে এক শক্তিশালী প্ৰচাৰ অভিযানৰ প্ৰয়োজন। গ্ৰাহকৰ ন্যায্য অধিকাৰ সাব্যস্তকৰণত এই প্ৰচাৰ অভিযানে যথেষ্ট বৰঙণি যোগাব। ৰেডিঅ', টেলিভিশ্যন, বাতৰি-কাকত, আলোচনী, সভা-সমিতি আদিৰ জৰিয়তে এই প্ৰচাৰ অভিযান পুৰ্ণোদ্যমে চলাই গ্ৰাহকক সজাগ, সচেতন আৰু সংঘবদ্ধ কৰি তুলিব পাৰিলে অসাধু ব্যৱসায়ীয়ে এনে অবাধগতিৰে কৰা অন্যায়ৰ অৱসান ঘটিব বুলি আশা কৰিব পাৰি। এনে অভিযানত চৰকাৰৰ স'তে সহায়-সহযোগিতা আগবঢ়াবলৈ সকলো অনুষ্ঠান-প্ৰতিষ্ঠান আৰু বিভিন্ন স্তৰৰ ব্যক্তি দ্বিধাহীনভাৱে আগবাঢ়ি অহা উচিত।

আজি এই সত্য উপলব্ধি কৰিয়েই চৰকাৰে এনে আন্দোলনৰ গুৰি ধৰিছে। সমাজৰ আবৰ্জনা ধুই-মচি এখন নিকা সমাজ গঠনৰ প্ৰতি প্ৰতিজন চিন্তাশীল আৰু সচেতন ব্যক্তি তথা দায়িত্বশীল প্ৰতিষ্ঠানে সঁহাৰি জনালে গ্ৰাহকৰ স্বাৰ্থ সুৰক্ষাৰ ক্ষেত্ৰত এক অভিনৱ অধ্যায়ৰ সূচনা হ'ব বুলি আশা কৰা যায়।

[এই প্ৰবন্ধটোৰ লেখক বৰ্তমানে যোৰহাট জিলাৰ উপায়ুক্ত। প্ৰবন্ধটোত প্ৰকাশ কৰা মতামত তেখেতৰ নিজৰ, চৰকাৰৰ নহয় বুলি তেখেতে জনাইছে। —স. প্ৰা]








# সুদূৰ সংবেদন

## ভাৰত তথা উত্তৰ পূৰ্বাঞ্চল

ডঃ যোগেন শৰ্মা

[যোৱা সংখ্যাৰ পিছৰ পৰা]

ভাৰতীয় উপগ্ৰহ ঃ পৃথিৱীৰ আগবঢ়া দেশবোৰৰ লগতে ভাৰতেও সুদূৰ সংবেদনৰ উপযোগী উপগ্ৰহ নিৰ্মাণ আৰু ব্যৱস্থাপনাৰ দিশত ভালেমান দূৰ আগ বাঢ়িছে। ভাৰতীয় মহাকাশ গৱেষণা সংস্থাই (ISRO) যোৱা কেইবা দশকো ধৰি মহাকাশৰ গৱেষণা চলাই আছে। সুদূৰ সংবেদনৰ বাবে ব্যৱহাৰ কৰা প্ৰথমটো ভাৰতীয় পৰীক্ষামূলক উপগ্ৰহৰ নাম আছিল ভাস্কৰ—১। ইয়াক ১৯৭৯ চনতে ছোভিয়েট ৰুছিয়াৰ কছমড্ৰমৰ পৰা নিক্ষেপ কৰা হৈছিল। ইয়াৰ পাছত ভাস্কৰ—২ নামৰ উপগ্ৰহটো ১৯৮১ চনত মহাকাশলৈ পঠিওৱা হয়। ইহঁতক ৫২৫ কি· মি· উচ্চতাৰ কক্ষপথত স্থাপন কৰা হৈছিল। এই দুই উপগ্ৰহৰ লগত সংবেদক হিচাপে দুটা টেলিভিশ্যন কেমেৰা আৰু তিনিটা মাইক্ৰ'ৱেভ ৰেডিঅ'মিটাৰ আছিল। এই উপগ্ৰহ দুটাৰ লগতেই, ১৯৮১ আৰু ১৯৮৩ চনত থলুৱা কাৰিকৰী বিদ্যাৰে নিৰ্মিত ৰোহিনী ডি-১ আৰু ডি-২ নামৰ পৰীক্ষামূলক উপগ্ৰহ মহাকাশলৈ পঠোৱা হয়। এনেবোৰ পৰীক্ষামূলক উপগ্ৰহৰ পৰা লাভ কৰা অভিজ্ঞতাই ভাৰতীয় মহাকাশ গৱেষণা সংস্থাক ব্যৱহাৰিক দিশৰ আৰু উন্নত মানৰ আই. আৰ. এছ (Indian Remote Sensing Satellite) নামেৰে এলানি উপগ্ৰহ তৈয়াৰ কৰিবলৈ উদগনি দিছে। ইহঁতৰ ভিতৰৰ প্ৰথমটো আই· আৰ· এছ·১ উপগ্ৰহৰ লগত দুটা মধ্যম বিভেদন ক্ষমতাৰ (৩৬·৫ মিটাৰ) আৰু এটা নিম্ন বিভেদন ক্ষমতাৰ (৭৩ মিটাৰ) "লিচ" শ্ৰেণীৰ সংবেদক থাকিব। এই সংবেদকবোৰে তথ্যবোৰ চাৰিটা বেণ্ডত সংগ্ৰহ কৰিব। বেণ্ডকেইটাৰ তৰংগ অংশৰ দৈৰ্ঘ্য ফৰাছী দেশৰ স্পট উপগ্ৰহৰ সংবেদকৰ বেণ্ডকেইটাৰ লগত প্ৰায় একে। আই· আৰ· এছ·১ উপগ্ৰহটোৱে ভূপৃষ্ঠৰ পৰা প্ৰায় ১০০ কি· মি. উচ্চতাত থাকি একেখন ঠাইৰ তথ্য প্ৰতি ২২ দিনৰ অন্তত দিনৰ ১০ বজাত সংগ্ৰহ কৰি পৃথিৱীৰ গ্ৰাহক কেন্দ্ৰলৈ প্ৰেৰণ কৰিব। গ্লেভকছমছ নামৰ ছোভিয়েট মহাকাশ প্ৰতিষ্ঠান এটাৰ সহায়ত ভাৰত চৰকাৰৰ নিজা খৰচত ১০০০ কিল'গ্ৰাম ওজনৰ আই· আৰ· এছ-১ উপগ্ৰহটোক অহা ছেপ্টেম্বৰ মাহত (১৯৮৭) ছোভিয়েট ৰুছিয়াৰ বৈকানুৰ কছমড্ৰমৰ পৰা নিক্ষেপ কৰাৰ আয়োজন কৰা হৈছে। এই উপগ্ৰহটোৱেই হ'ব ভৱিষ্যতে প্ৰত্যেক ২—২½ বছৰৰ অন্তৰত মহাকাশলৈ পঠিয়াব লগা উন্নত শ্ৰেণীৰ সুদূৰ সংবেদন উপগ্ৰহসমূহৰ বাটকটীয়া।

### সুদূৰ সংবেদনৰ ব্যৱহাৰিক দিশ

সুদূৰ সংবেদনৰ দ্বাৰা সংগ্ৰহ কৰা তথ্যবোৰ প্ৰতিবিম্বৰূপত ছবি হিচাপে আৰু সংখ্যাৰূপত চুম্বকীয় টেপত পোৱা যায়। সেইবোৰক যথাক্ৰমে চকুৰ সহায়ত আৰু কম্পিউটাৰৰ সহায়ত ব্যাখ্যা কৰা হয়। অৱশ্যে এনেকৈ ব্যাখ্যা কৰাৰ পূৰ্বে বিভিন্ন প্ৰকাৰৰ চৰিত্ৰই সুদূৰ সংবেদনৰ তথ্যত কেনেকুৱা চানেকি বা ৰূপ দেখুৱায়, সেয়া জনাটো আৱশ্যক হয়। এনেবোৰ চানেকিকে সূচক (key) বোলা হয়। উদাহৰণ স্বৰূপে, এক শস্যক্ষেত্ৰত একোবিধ নিৰ্দিষ্ট শস্যৰ ৰং কেনেকুৱা হ'ব, অথবা চ্যুতি এটাৰ ওপৰেদি বৈ যোৱা নৈ এখনে কি চানেকি দেখুৱাব, —তেনেবোৰ ৰঙৰ ছবি বা তথ্যকে প্ৰথমে একোবিধ সূচক হিচাপে লোৱা হয়। এইদৰে বিভিন্ন ধৰণৰ সূচকৰ পৰা উপলব্ধ অভিজ্ঞতাৰে যিকোনো নতুন ঠাইৰ তথ্যপাতিৰ বৈজ্ঞানিক ব্যাখ্যা দাঙি ধৰা হয়। অতি কম সময়ৰ ভিতৰতে পাব পৰা আৰু বিশ্লেষণ কৰিব পৰা এনেবোৰ তথ্যৰ প্ৰয়োগৰ সম্ভাৱনা সম্পৰ্কে কিছু আলোচনা কৰা হ'ল।

ভূতাত্ত্বিক জৰীপৰ দ্বাৰা একোখন ঠাইৰ ভূতাত্ত্বিক মানচিত্ৰ আৰু ৱিবৰ্তনিক মানচিত্ৰ প্ৰস্তুত কৰা হয়। এনে জৰীপ কাৰ্য যথেষ্ট সময়বহুল আৰু দুৰ্গম অঞ্চলত সম্পাদন কৰিবলৈকো বৰ কঠিন। সুদূৰ সংবেদনৰ তথ্যৰ সহায়ত, বিশেষকৈ দুৰ্গম অঞ্চলৰ মানচিত্ৰ প্ৰস্তুতি, ভূতাত্ত্বিক মানচিত্ৰ প্ৰস্তুতি, পূৰ্বৰ মানচিত্ৰৰ পৰিশোধন আৰু খনিজ সম্পদ অৱস্থিত স্থানৰ সম্পৰ্কে নিৰ্ভুল তথ্য আহৰণ আদি কাৰ্য বহুদিনৰ পৰা কৰা হৈছে। এনেকৈ ভূ-আকৃতিক মানচিত্ৰও তৈয়াৰ কৰা হয়। ভূ-আকৃতিক মানচিত্ৰৰ পৰা উপকূল আৰু নদীৰ পাৰত হোৱা খহনীয়া, মৰুভূমিত শুকান বালি অঞ্চলৰ কোনো দিশত অগ্ৰগতি, নদীৰ গতিপথৰ সালসলনি আদিৰ অধ্যয়ন কৰা হয়। তদুপৰি জলসিঞ্চন আৰু বাট-পথৰ পৰিকল্পনা, শক্তি আৰু শিল্প যোজনাৰ স্থান বাছি উলিওৱা আদি কাৰ্য্যও সুচাৰুৰূপে সম্পাদন কৰিব পাৰি।

ভূপৃষ্ঠৰ ওপৰ ভাগটো আবৰি থকা অতি মূল্যবান পদাৰ্থবিধ হ'ল মাটি। মাটি গঠিত হবৰ বাবে, মূল পদাৰ্থসমূহ, ভূ আকৃতি আৰু জলবায়ুৱে বিশেষ ভূমিকা লয়। সুদূৰ সংবেদনৰ দ্বাৰা মাটিৰ গুণাগুণ অধ্যয়ন কৰি, মাটিক বিভিন্ন শ্ৰেণীত ভগাই, এঠাইৰ বিভিন্ন মাটিৰ মানচিত্ৰ তৈয়াৰ কৰিব পাৰি। এইবোৰ তথ্যৰ জৰিয়তে ভূমিক্ষয়ৰ মাত্ৰা, মাটিৰ ক্ষাৰত্বা বা লৱণতা আৰু জলাক্ৰান্ত (water logged) ঠাইৰ অৱস্থান আদিৰ বিষয়ে সঠিককৈ জানিব পাৰি।

ভূ-পৃষ্ঠৰ নানাবিধ জলাশয় আৰু নৈ নলাৰ মানচিত্ৰ তৈয়াৰ কৰা



OKDISCD

কামেৰেহে জল সম্পদৰাজিৰ প্ৰকৃত মূল্য নিৰ্ণয় কৰা হয়। এই ক্ষেত্ৰত সুদূৰ সংবেদনৰ অৰিহণা অভূতপূৰ্ব। বানপানীৰ পূৰ্বে আৰু পৰবৰ্তী কালত নদীৰ অৱস্থা অধ্যয়ন কৰি ক্ষয়-ক্ষতিৰ পৰিমাণ নিৰ্ণয় কৰা, ওখ পাৰ্বত্য অঞ্চলত তুষাৰ পাতৰ মাত্ৰা অধ্যয়ন কৰি বৰফ-গলা পানীৰ পৰিমাণ উলিয়াই, সেই বৰফৰ মাজেৰে বৈ অহা নৈয়েদি কিমান পানী বব তাক আগতীয়াকৈ পৰিমাপ কৰা, ভূতল-জল (ground water) পৰিবেষ্টিত অঞ্চল চিনাক্ত কৰি ভূতল-জলৰ পৰিমাণ নিৰ্ণয় কৰা আদি কাম সাময়িকভাৱে সংগ্ৰহ কৰা সুদূৰ সংবেদন তথ্যৰ দ্বাৰা সম্পাদন কৰিবলৈ অতি সহজ আৰু আটাইতকৈ নিৰ্ভৰযোগ্য।

কৃষি কাৰ্যতো সুদূৰ সংবেদন পদ্ধতিৰ ব্যাপক ব্যৱহাৰ হৈছে। বিভিন্ন শস্যৰ গছৰ পৰা বিকিৰণ হোৱা শক্তি অনুযায়ী শস্যবোৰক পৃথককৈ চিনিব পাৰি; সেইবাবে শস্যক্ষেত্ৰৰ মাটিকালি নিৰ্ণয় কৰি উৎপাদন হ'ব লগা বিভিন্ন শস্যৰ পৰিমাণ আগতীয়াকৈয়ে উলিয়াব পাৰি। বতৰ সম্পৰ্কীয় উপগ্ৰহৰ সহায়ত বতৰৰ আগলি বতৰা দি খেতিয়কসকলক সহায় কৰা হৈছে। শস্যৰ নিচিনাকৈয়ে বিভিন্ন উদ্ভিদ আৰু বনাঞ্চলৰ মানচিত্ৰও তৈয়াৰ কৰা হয়। তদুপৰি ৰোগাক্ৰান্ত বনাঞ্চল চিনাক্তকৰা, গছ কটাৰ মাত্ৰা বা বনাঞ্চল সংকোচনৰ হাৰ আৰু পাৰ্বত্য অঞ্চলত ঝুমখেতিৰ মাত্ৰা আদি নিৰ্ণয় কৰা কাৰ্যত এনেবিধ তথ্যই যথেষ্ট সহায় কৰে। এখন ঠাইৰ জলাশয়, বনাঞ্চল, তৃণভূমি, শস্যক্ষেত্ৰ আৰু চন পৰা মাটিৰ পৰিমাণ নিৰ্ণয় কৰি ভূমিৰ সঠিক ব্যৱহাৰ কৰিবলৈ যুগুতোৱা পৰিকল্পনাতো সুদূৰ সংবেদনৰ তথ্য প্ৰয়োগ কৰা হৈছে।

নগৰ পৰিকল্পনা কাৰ্যত, বিশেষকৈ বস্তি অঞ্চল চিনাক্ত কৰণ কৰা কাৰ্যত এই প্ৰযুক্তি বিদ্যাই বিশেষ ভূমিকা লব পাৰে। এখন নগৰত বস্তি অঞ্চলৰ ক্ৰমবৰ্ধমান হাৰে দৰিদ্ৰতাৰ হাৰ উৰ্ধমুখী হোৱাটোকে বুজায়। চোৰাংচোৱা কাৰ্যৰ বাবেও এই পদ্ধতিৰ ব্যাপক ব্যৱহাৰ হৈছে। বিভিন্ন দেশে শত্ৰুদেশৰ অস্ত্ৰ শস্ত্ৰৰ ঘাটি আৰু সন্দেহজনক বা অস্বাভাৱিক কাৰ্যকলাপৰ বিৰুদ্ধে চোকা দৃষ্টি ৰাখিবলৈ বিশেষ উপগ্ৰহৰ সহায় লোৱাটো পৰিলক্ষিত হৈছে।

### ভাৰতত সুদূৰ সংবেদন

ভাৰতত প্ৰথমে সুদূৰ সংবেদন কাৰ্যক ভাৰতীয় ভূতাত্ত্বিক জৰীপ বিভাগে খনিজ সম্পদ অনুসন্ধান কাৰ্যত ব্যৱহাৰ কৰে। ভাৰতীয় মহাকাশ গৱেষণা পৰিষদেও ১৯৬৯ চনৰে পৰা এনেকুৱা বহুত জীৰপ কাৰ্য কৃতকাৰ্যতাৰে সম্পাদন কৰিছে। উদাহৰণ স্বৰূপে ১৯৭০ চনত যুক্তৰাষ্ট্ৰৰ নাছাৰ সহযোগত কেৰালাত নাৰিকল গছ মৰহি যোৱা ৰোগৰ অধ্যয়ন, অন্ধ্ৰৰ অনন্তপুৰত আৰু পাঞ্জাবৰ পাতিয়ালাত কৃষিজাত সম্পদৰ অধ্যয়ন, আৰু তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ খনিজ তেল বাগৰি পৰি কৰা ক্ষয়-ক্ষতিৰ পৰিমাণ নিৰ্ণয় ইত্যাদিৰ কথা উল্লেখ কৰিব পাৰি।

১৯৭৪ চনত চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা বিভাগৰ অধীনত ৰাষ্ট্ৰীয় সুদূৰ সংবেদন সংস্থা (NRSA) গঠন কৰা হয়। ইয়াৰ মুখ্য কাৰ্যালয় হায়দৰাবাদত। এই সংস্থাটো সুদূৰ সংবেদনৰ বাবে ব্যৱহাৰ কৰিবলৈ উৰাজাহাজ, জখলা, কেমেৰা এম·এছ· এছ· আৰু বিবিধ ভু-পদাৰ্থ বিজ্ঞানৰ সঁজুলিৰে সুসজ্জিত। এই প্ৰতিষ্ঠানত তথ্যপাতি বিশ্লেষণ কৰাৰ বাবে আধুনিক কমপিউটাৰৰ ব্যৱস্থা আছে আৰু ইয়াৰ তথ্যকেন্দ্ৰৰ (NDC) পৰা সুদূৰ সংবেদনৰ সকলো ৰকমৰ তথ্য পাতি আৱশ্যক মতে যোগান ধৰা হয়। ৰাষ্ট্ৰীয় সুদূৰ সংবেদন সংস্থাই, প্ৰতিষ্ঠা হোৱা দিনৰে পৰা, উৰাজাহাজেৰে আকাশৰ পৰা লোৱা ছবিৰে ভাৰতীয় জৰীপ বিভাগক ভৌগোলিক মানচিত্ৰ তৈয়াৰ কৰা কামত সহায় কৰি আহিছে। ডেৰাডুনত থকা Indian Photointerpretation Institute নামৰ শিক্ষানুষ্ঠানটো সমগ্ৰ দক্ষিণ-পূব এছিয়াৰ ভিতৰতে সুদূৰ সংবেদন শিক্ষাৰ প্ৰথম অনুষ্ঠান আছিল। নেদাৰলেণ্ড চৰকাৰৰ সহযোগিতাত ইয়াক স্থাপন কৰা হৈছিল। এই অনুষ্ঠানটোক ১৯৭৬ চনত ৰাষ্ট্ৰীয় সুদূৰ সংবেদন সংস্থাৰ অধীনলৈ অনা হয় আৰু বৰ্তমান ইয়াক Indian Institute of Remote Sensing নামেৰে জনা যায়। প্ৰতি বছৰে এক বুজন সংখ্যক লোকক এই অনুষ্ঠানত নিয়মিতভাৱে নানা ম্যাদৰ প্ৰশিক্ষণ দিয়া হয়। ইয়াৰ উপৰিও বোম্বেৰ আই· আই· টি, আৰু মাদ্ৰাজৰ আন্না বিশ্ববিদ্যালয়ত সুদূৰ সংবেদনৰ হ্ৰস্বম্যাদী প্ৰশিক্ষণ আৰু ডিগ্ৰি পাঠ্যক্ৰমৰ ব্যৱস্থা আছে।

সুদূৰ সংবেদনৰ ব্যৱহাৰিক দিশলৈ লক্ষ্য ৰাখি ভাৰত চৰকাৰে দেশৰ কৃষিজ আৰু খনিজ সম্পদৰ ব্যাপক অধ্যয়নৰ বাবে মহাকাশ বিভাগতে ১৯৮১ চনত ৰাষ্ট্ৰীয় প্ৰাকৃতিক সম্পদ জৰীপ আৰু ব্যৱস্থাপনা পদ্ধতি (NNRMS) নাম দি এটা শাখা মুকলি কৰিছে। এই শাখাৰ মুখ্য উদ্দেশ্য হ'ব সুদূৰ সংবেদনৰ তথ্যৰ দ্বাৰা দেশৰ কৃষি, বন, ভূমি, জল, খনিজ সম্পদ, সাগৰ আৰু ভূমি উপযোগ (land use) আদি বিভিন্ন ক্ষেত্ৰৰ অধ্যয়ন কৰা। তদুপৰি বিশেষজ্ঞ প্ৰশিক্ষণ, যন্ত্ৰপাতি আদিৰ যোগাৰ আৰু পাইলট পৰীক্ষা আদিৰ দ্বাৰা সুদূৰ সংবেদনৰ প্ৰয়োগক কাৰ্যকৰী কৰিবলৈ উক্ত শাখাই নানা আঁচনি হাতত লৈছে। সদ্যহতে বাংগালোৰ, নাগপুৰ, খৰগপুৰ, যোধপুৰ আৰু ডেৰাডুনত একোটা আঞ্চলিক সুদূৰ সংবেদন সেৱা কেন্দ্ৰ খোলাৰ প্ৰস্তুতি চলিছে। ভাৰতীয় ভূতাত্ত্বিক জৰীপ বিভাগ, ৰাষ্ট্ৰীয় ভূমি জৰীপ আৰু ভূমি উপযোগ পৰিকল্পনা বিভাগ, কেন্দ্ৰীয় ভূতল-জল পৰিষদ, ভাৰতীয় বন জৰীপ বিভাগ, তেল আৰু প্ৰাকৃতিক গেছ আয়োগ, বন গৱেষণা বিদ্যালয় আদি কেন্দ্ৰীয় চৰকাৰৰ নানা প্ৰতিষ্ঠানে আৰু ৰাজ্যচৰকাৰৰ বহুতো ভূতত্ত্ব বিভাগ আৰু বিশ্ববিদ্যালয়ে কৰ্মচাৰী প্ৰশিক্ষণৰ কাৰ্যসূচী ভালেমান বছৰৰ আগৰে পৰা হাতত লৈছে।

সুদূৰ সংবেদন পদ্ধতিৰ ব্যৱহাৰিক সুবিধাসমূহলৈ লক্ষ্য ৰাখি উত্তৰ প্ৰদেশ, তামিলনাডু, উৰিষ্যা আৰু মধ্যপ্ৰদেশ চৰকাৰে নিজা ধৰীয়াকৈ একোটা প্ৰাদেশিক সুদূৰ সংবেদন কেন্দ্ৰ প্ৰতিষ্ঠা কৰিছে। ৰাজস্থান আৰু কেৰালা চৰকাৰে আন অনুষ্ঠানৰ গাত আউজি হ'লেও সুদূৰ সংবেদনৰ সুবিধা গ্ৰহণ কৰিছে। হাৰিয়ানা, কৰ্ণাটক, জম্মু আৰু কাশ্মীৰ, মণিপুৰ, বিহাৰ চিক্কিম আৰু মেঘালয় আদিৰ ৰাজ্যচৰকাৰসমূহে নিজাকৈ একোটা কেন্দ্ৰ স্থাপন কৰাৰ বাবে বিশেষজ্ঞ প্ৰশিক্ষণ আৰু যন্ত্ৰ পাতিৰ যা-যোগাৰ কৰা কামত আগবঢ়া দেখা গৈছে।

### উত্তৰ-পূব ভাৰত

যোৱা দশকৰ পৰা উত্তৰ-পূব ভাৰতত সুদূৰ সংবেদন পদ্ধতিক বিভিন্ন ক্ষেত্ৰত প্ৰয়োগ কৰা হৈছে। ৰাষ্ট্ৰীয় সুদূৰ সংবেদন সংস্থাই ১৯৭৭ চনৰ পৰাই উত্তৰ-পূব অঞ্চলত জল বৈজ্ঞানিক দিশৰ তথ্য আহৰণৰ বাবে জৰীপ চলাই আহিছে। মিজোৰাম, ত্ৰিপুৰা আৰু বৰাক নৈৰ উপত্যকাৰ নৈ-নলাৰ প্ৰণালী অধ্যয়ন আৰু মানচিত্ৰ তৈয়াৰ কৰাই এই অঞ্চলত হাতত লোৱা প্ৰথম সুদূৰ সংবেদন কাৰ্যাৱলী আছিল।

১৯৭৮ চনত ব্ৰহ্মপুত্ৰ নদীৰ অৱবাহ প্ৰণালী আৰু নদী উপত্যকাৰ বিষয়ে অধ্যয়ন কৰিবলৈ এম· এছ· এছৰ তথ্য ব্যৱহাৰ কৰা হয়। মৰিয়াহোলা, মোকালমুৱা আৰু দক্ষিণ শালমৰাৰ বানপীড়িত আৰু খহনীয়া গ্ৰস্ত অঞ্চলতবোৰ এনে তথ্যৰ সহায়ত পৰীক্ষা কৰি খহনীয়াৰ মাত্ৰাকে ধৰি বান-আক্ৰান্ত অঞ্চলৰ নানা বিষয়ৰ অধ্যয়ন কৰা হৈছে। ব্ৰহ্মপুত্ৰ আৰু উপনৈসমূহৰ বানপানীত সচৰাচৰ ডুব যোৱা অঞ্চলবোৰ বাছি উলিয়াই সেই ঠাইবোৰৰ উন্নয়নৰ বাবে পৰিকল্পনা যুগুত কৰাত সুদূৰ সংবেদনৰ তথ্য অতি সহায়ক হ'ব। হিমালয়ত হোৱা বাৰ্ষিক তুষাৰপাতৰ পৰিমাণৰ লগত সেই বছৰত ব্ৰহ্মপুত্ৰ নদীয়েদি বোৱা পানীৰ পৰিমাণৰ পোনপটীয়া সম্বন্ধ থকাটো উপগ্ৰহৰ পৰা পোৱা ছবিৰ দ্বাৰা প্ৰমাণিত হৈছে। গতিকে ব্ৰহ্মপুত্ৰ উপত্যকাত হ'ব লগা প্ৰবল বানপানীৰ আগজাননী হিমালয়ৰ তুষাৰপাত অধ্যয়ন কৰিয়েই দিব পৰাৰ থল থাকিব। ব্ৰহ্মপুত্ৰ নৈৰ ওপৰত দলং সজা বা সাজিবলৈ পৰিকল্পনা কৰা সকলো অংশৰে ভূ-আকৃতিক মানচিত্ৰ লেণ্ডছেট ইমেজেৰিৰ পৰা ১ঃ১০০,০০০ স্কেলত প্ৰস্তুত কৰা হৈছে। কাৰবি আংলং আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলাত আকাশীযানেৰে তোলা ফটো আৰু লেণ্ডছেট ইমেজেৰি ব্যৱহাৰ কৰি ভূতল-জলৰ জৰীপ কাৰ্য সমাপন কৰা হৈছে।

উত্তৰ-পূব অঞ্চলৰ ভালেমান ঠাইৰ ভূতাত্ত্বিক মানচিত্ৰ তৈয়াৰ কৰাৰ ক্ষেত্ৰত সুদূৰ সংবেদনৰ তথ্য ব্যৱহাৰ কৰি অতি সুফল পোৱা গৈছে। ৰাষ্ট্ৰীয় সুদূৰ সংবেদন সংস্থাই ইতিমধ্যে মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু বৰাক উপত্যকাৰ ভূতাত্ত্বিক আৰু ভূআকৃতিক মানচিত্ৰ প্ৰস্তুত কৰিছে। ভূতাত্ত্বিক মানচিত্ৰত এইবোৰ অঞ্চলৰ প্ৰধান শিলা সংঘবোৰ যেনে, দিচাং, বৰাইল, চুৰমা, টিপাম, ডুপিটিলা আদিক সিহঁতৰ প্ৰতিবিম্বৰ ওপৰত ভিত্তি কৰিয়েই পৃথক গোটৰূপে চিনাক্তকৰণ কৰিব পৰা গৈছে। তদুপৰি এই অংশৰ মুখ্য সংৰচনাবোৰৰ প্ৰকৃত অৱস্থান সম্পৰ্কে নিৰ্ভৰযোগ্য তথ্য পোৱা গৈছে। এনেবোৰ শিলাস্তৰ আৰু সংৰচনা অধ্যয়ন কৰি ভৱিষ্যতে ত্ৰিপুৰা অঞ্চলত তেলকূপ খনাৰ বাবে স্থান সঠিকভাৱে নিৰূপণ কৰিব পৰা যাব বুলিও আশা কৰা হৈছে।


উত্তৰ পূৰ্বাঞ্চলৰ নগা, পাটকাই আৰু অৰুণাচল— হিমালয়ৰ সৰহভাগ ঠায়েই দুৰ্গম হোৱা বাবে তেনেবোৰ ঠাইত যিকোনো জৰীপ কাৰ্য চলোৱাটো সহজ নহয়। সেইবাবে এই ঠাইবোৰৰ ভূতাত্ত্বিক অধ্যয়নো আজিকোপতি সম্পূৰ্ণ হৈ উঠা নাই। নগা-পাটকাই অঞ্চলত কেইবাটাও চ্যুতিৰ ফলত প্ৰায় ২০০ কি· মি· মান অঞ্চল সংকুচিত হৈ নিচিহ্ন হৈ গৈছে বুলি ভূতত্ত্ববিদসকলে মন্তব্য কৰে। দুৰ্গম অঞ্চলত অৱস্থিত হোৱা বাবে এই চ্যুতিবোৰৰ অধ্যয়ন এতিয়ালৈকে সম্পূৰ্ণ হৈছে বুলি ক'ব নোৱাৰি। এই কামটো সুদূৰ সংবেদন তথ্যৰ সহায়ত কৰিবলৈ আপেক্ষিকভাৱে সহজ হ'ব বুলি ভবাৰ থল আছে।

ব্ৰহ্মপুত্ৰ উপত্যকাটো নৈ-নলাৰে ভৰপূৰ ঠাই; এই অঞ্চলটো বিশেষকৈ চতুৰ্থ মহাকল্পত (Quaternary era) নিক্ষেপিত পলসেৰে গঠিত আৰু নৱবিবৰ্তনিক ক্ৰিয়া কলাপৰ দ্বাৰা প্ৰভাৱান্বিত। এই উপত্যকাৰ চতুৰ্থ মহাকল্পৰ ভূতাত্ত্বিক মানচিত্ৰ তৈয়াৰ কৰা কাৰ্যত সুদূৰ সংবেদনৰ তথ্য অশেষ সহায়ক হব। ব্ৰহ্মপুত্ৰ উপত্যকা আৰু পাহাৰৰ পাদদেশ অঞ্চলৰ ভুআকৃতি আৰু অৱবাহ প্ৰণালীৰ অধ্যয়নে এইবোৰ ঠাইত তেলকূপৰ স্থান নিৰ্ণয় কৰাত আৰু কিছু অৰিহণা যোগাব বুলি আশা কৰিব পাৰি; কাৰণ এখন ঠাইৰ ভূআকৃতি আৰু অৱবাহ প্ৰণালী সেই ঠাইৰ ভূতলৰ সক্ৰিয় সংৰচনাৰ লগত প্ৰত্যক্ষভাৱে নিৰ্ভৰশীল। উদাহৰণ স্বৰূপে উজনি অসমৰ দিখৌ আৰু জাঁজি নৈয়ে মিলি সৃষ্টি কৰা বলয়াকাৰ চানেকিৰ (Annular pattern) ঠিক তলতে আছে উত্তল সংৰচনাৰ ৰুদ্ৰসাগৰ, চাৰালি আদি তৈলক্ষেত্ৰসমূহ। (চিত্ৰ)

এই অঞ্চলৰ ভূমিৰ মানচিত্ৰ প্ৰস্তুত কৰিবলৈ আৰু পাহাৰ অঞ্চলৰ ভূআকৃতিক অধ্যয়নৰ দ্বাৰা ঢাপখেতিৰ (terrace cultivation) বাবে উপ-



OKDISCD




এটা সক্ৰিয়, বৃত্তাকাৰ আৰু উত্তল সংৰচনাৰ বাবে দিখৌ আৰু জাঁজী নৈয়ে নিজৰ গতিপথক সংৰচনাটোৰ চাৰিওকাষে আবদ্ধ ৰাখিব লগা হৈছে ; ফলত নৈ উপত্যকাই প্ৰায় অৰ্ধবৃত্তাকাৰ আকৃতি লৈছে। দুয়ো নৈৰ গতিপথক কাল্পনিকভাৱে লগ লগালে বলয়াকাৰ চানেকি পৰিস্ফুট হৈ পৰে। (লেণ্ডছেট ইমেজেৰিৰ পৰা অঁকা চিত্ৰ)

যোগী ভূমি নিৰ্বাচন কৰিবলৈ, বা প্ৰচলিত ঝুম খেতিৰ বাবে উন্মুক্ত হৈ পৰা মাটিত ভূমিক্ষয়ৰ বিষয়ে জানিবলৈ এম. এছ. এছ. বা থিমেটিক মেপাৰৰ তথ্য ব্যৱহাৰ কৰিব পৰা যাব।

পুনেৰ বিজ্ঞানী অৰুণ বাপটৰ আলোড়নকাৰী "ধেমাজী ভূমিকম্প"ৰ আগজাননী বিষয়ক গৱেষণা-পত্ৰখনৰ বহুতো তথ্যৰ ভেটি আছিল সুদূৰ সংবেদনৰ দ্বাৰা বিভিন্ন সময়ত গ্ৰহণ কৰা ধেমাজী অঞ্চলৰ নৈ-নলাৰ অৱস্থানৰ ছবিসমূহ। এনেকুৱা নব-বিবৰ্তনিক বিধৰ সক্ৰিয় সংৰচনাসমূহ অধ্যয়ন কৰাৰ বাট সুদূৰ সংবেদনৰ তথ্যই মুকলি কৰিব বুলি আশা কৰিব পাৰি।

যোৱা বছৰত ৰাষ্ট্ৰীয় সুদূৰ সংবেদন সংস্থাৰ সহযোগত গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা এখন ৰাষ্ট্ৰীয় আলোচনা চক্ৰত অসম চৰকাৰে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিভাগৰ অধীনত সুদূৰ সংবেদনৰ বাবে এটা ৰাজ্যিক কেন্দ্ৰ খোলাৰ কথা বিবেচনা কৰি থকা বুলি মন্তব্য প্ৰকাশ কৰিছিল। এনে এটা কেন্দ্ৰৰ সেৱা এই অঞ্চলৰ নানা আঁচনিৰ বাবে সহায়ক হ'ব আৰু প্ৰকৃতি-বিজ্ঞানীসকলৰ বাবে আশীৰ্বাদ স্বৰূপ হ'ব বুলি আশা কৰিব পাৰোঁহক।

প্ৰবন্ধটো যুগুতাওঁতে কেইবাখনো বিজ্ঞান আলোচনী আৰু গুৱাহাটী বিশ্ববিদ্যালয়ত হোৱা সুদূৰ সংবেদন সম্পৰ্কীয় আলোচনা-সভাৰ প্ৰবন্ধসমূহৰ সহায় লোৱা হৈছে। যোৱা সংখ্যাত প্ৰকাশ হোৱা চিত্ৰখন Science Today ত প্ৰকাশ হোৱা চিত্ৰ এখনৰ আলমত অঁকা হৈছে।
—লেখক



# অসমীয়া ভাষা পৰিষ্কাৰকৈ লিখা আৰু কোৱা (তিনি)

ড° মহেশ্বৰ নেওগ

## *ব্যঞ্জনবৰ্ণৰ উচ্চাৰণ*

(যোৱা সংখ্যাৰ পিছৰপৰা)

ব/ৱ উচ্চাৰণত কেতিয়াবা ব-ৱৰ খেলিমেলি হয়। চিন্তা বুজাবলৈ ভাব, ভাবনা, ভাবনা-চিন্তা আৰু প্ৰকাৰ আৰু অভিনয় বুজাবলৈ ভাৱ (এইভাৱে, সেইভাৱে) / ভাও, ভাৱনা/ভাওনা হয়। উচ্চাৰণ তদনুৰূপ। পুব, সাবট্ গুচাই পুৱ, সাৱট্ লিখাৰ অৰ্থ নাই। আন উদাহৰণ :

ব/ৱ ব তোমাৰ ভাব বুজা মোৰ কঠিন। ভাবনা-চিন্তা কৰি নাথাকিবাঁ। পুৱাৰ বেলিটি/পুব আকাশত/নিতউ দিয়েহি দেখা। বুবুলক মাকে বুকুত সাবটি ল'লে।

ৱ = ও তেওঁ কৃষ্ণ গোসাঁইৰ ভাৱ/ভাও লৈছিল। কালিদমন ভাৱনা/ভাওনা ভাল হৈছিল।

ৱ = ওঅ তুমি সেইভাৱে কিয় ভাবিছা? মোৰ দৰে এইভাৱে চিন্তা কৰাঁচোন।

ব/প আৰবী-ফাৰ্চীৰপৰা অহা কেইটামান শব্দৰ শেহৰ ব-টো প হয়— কিতাপ, গোলাপ, হিছাপ, খাৰাপ, চেৰাপ ; দুটা শব্দৰ কিন্তু এই ব ব হৈয়ে থাকে— চাহাব, খুব। চাহাপ, খুপ নহয়। সেইদৰে দৰব (ঔষধ) দৰপ নহয়। এইবোৰ উচ্চাৰণত ভুল কৰিব নালাগে। কোনো অঞ্চলত আদ্যৰ বা মধ্যৰ ব-টোও প উচ্চাৰণ কৰি কয়— বিহু > পিহু। কেইটামান উদাহৰণ লওঁ : তাই কিতাপ পঢ়িছে। গোলাপ ফুল ফুলিছে। খৰচৰ হিছাপ ৰাখিবাঁ। কথাটো বৰ খাৰাপ হ'ল। সি চেৰাপ খাই চেৰাবলিয়ালি কৰিছে। ব্ৰনছন চাহাবে অভিধান লিখিছিল। বেমাৰ গুচাবলৈ দৰব খাব লাগে। তোমাৰ ছবিখন খুব ভাল হৈছে। 'বিহুৱা চৰায়ে / কৰে বিহু বিহু/ আমাৰ বিহু-কাপোৰ নাই।' (বিহুনাম)

ইয়াৰ কেইবাবৰণৰো উচ্চাৰণ হয়। তাৰ ভিতৰত কম্পিত দন্তমূলীয় উচ্চাৰণেই আহি উচ্চাৰণ। কণ্ঠ্য উচ্চাৰণ জতুৱা যেন নালাগে। কোনো লোকে ৰ উচ্চাৰণ কৰিব নোৱাৰি অ-হে কয়। কবি যতীন্দ্ৰনাথ দুৱৰাও বোলে তেনে আছিল। লক্ষ্মীনাথ বেজবৰুৱাই জোকাই থাকে বাবে কবিয়ে কৈছিল, 'মই ৰ নোহোৱা এখন দেশলৈ গুচি যাব লাগিব।' মোৰ জন্ম-স্থানৰ ওচৰৰ এখন গাঁৱত এইভাৱে ৰ নাছিল। তাৰ ল'ৰাবোৰক সবাহৰ পকামিঠৈৰ খবৰ সুধিলে কৈছিল, 'বুআবোএ অঙা অঙা কই খালে, আমি পালো ঝ'ঝইআ।' (বুঢ়াবোৰে ৰঙা ৰঙা কৰি খালে, আমি পালো জৰ্ জৰীয়া শুকান।) দুটামান পটন্তৰ অনুশীলন কৰোঁ : 'বৈ বৈ ধেমালি / কৰ সমনীয়া / বৈ বৈ ধেমালি কৰ ; গাৰে কাপোৰে / জিৰিলি-জিপিৰি / তেওচোঁ ধেমালি নেৰ !' (বনগীত) বুঢ়াবোৰে ৰঙা ৰঙা কৰি খালে, আমি পালো জৰ্ জৰীয়া।

ৰ/ল কোনোৱে আকৌ ৰ-ক ল আৰু ল-ক ৰ কৰি উচ্চাৰণ কৰে— 'নলৰে, নলৰিল' নকৈ কয়— 'নৰলে, নৰৰিল।' আমি ল'ৰাকালত এইবোৰ শাৰী লৈ ধেমালি কৰিছিলো : 'তামোল পুলি লৰাই ৰুলোঁ।' 'ভেকুৰি-গছত / মেকুৰী উঠিল / গুচ মেকুৰী, ভেকুৰী খাওঁ।' (ধেমালি কবিতা।) ভাল মানুহৰ কথা নলৰে / তেওঁৰ নলৰিল / তোমাৰ লৰিল কিয় ?

শষস/হ/খ আমি জানো শ, ষ, স, তিনিওটাৰে একে পশ্চ-তালব্য উচ্চাৰণ স (x)। তাকে আকৌ এক অঞ্চলৰ লোকে হ বোলে। তেওঁলোক জানিবাঁ অহমীয়া। আন এক অঞ্চলৰ লোকে খ বোলে। সেইসকল অখমীয়া। সৰুতে মই ক-খ পঢ়া কমাৰ ফদীয়া স্কুলত সেইদৰে এখন গাঁৱৰ শিক্ষকে পঢ়ুৱাইছিল— খ খ খ হ, আন এখন গাঁৱৰ ল'ৰাবোৰে গাইছিল— তালব্য হ, মূধণীয়া হ, দন্তিয়া হ, আৰু এনেই হ ! অকলে স-ক ছ কৰিও উচ্চাৰণ হয়। —সব (ছব), সত্যেন (ছত্যেন)। কিন্তু সবাওটি, সত্যনাথ। হ-ক স কৰি, হুকুম-ক সুকুম, হিমালয়-ক সিমালয়, আন কি ইংৰাজী husband-অক সাছ্‌বেণ্ড কৰি উচ্চাৰণ কৰা লোকো আছে। এইবোৰ শাৰীত শ-ষ-স'ৰ শুদ্ধ উচ্চাৰণ কৰি চাওঁ : সিমান শীতল/ শিশিৰৰ নিশা / শীতল শিশিৰ-সিক্ত। বাৰিষাৰ নিশা / বৰষুণ সিঁচে / বৰষুণ দিয়া মেঘে। 'শত বৰষক / শত হৰষৰ / শত পুৰশেৰে সৰস কৰি, সৰগত নাই / সেই অমিয়াৰ / কোনো নন্দনে শ্বৰী।' (শাপমুক্তা) সি আহি হাকিমৰ হুকুম শুনাই দিলে। হিমালয় হ'ল হিমৰ আলয়। তালব্য শ। মূৰ্ধণ্য ষ। দন্ত্য স। হ। ক্ষ।

ংহ/ঙ্ঘ 'সিংহ' ক'বলৈ গৈ আমাৰ প্ৰায় মানুহে কয় 'সিঙ্ঘ'। পুৰণি সাঁচিপতীয়া পুথিত 'সিংহৰ' ঠাইত সৰহভাগ 'সিঙ্ঘ'কে পোৱা যায়— পঞ্জাবৰ শিখসকলে লিখা দৰে। এই দুটা বাক্য ডাঙৰ ডাঙৰকৈ কৈ চাওঁচোন : 'সিংহই ক'লে, / নিগনি পোৱালি / সংহাৰ কৰোঁনে তোক ?' লক্ষ্মীসিংহ স্বৰ্গদেৱৰ দিনতেহে সত্ৰবোৰৰ সংহতি-বিভাগ হৈছে, এনে লাগে।



OKDISCD

ঃস/সৃস নিঃশেষ, দুঃশাসন আদিৰ উচ্চাৰণ নিস্শেষ, দুস্শাসন হৈ যায়। কিন্তু নিহ্শেষ, দুহ্শাসন বুলিলেও শুদ্ধ অসমীয়া উচ্চাৰণ হ'ব। এইকেইটা শাৰী পঢ়ি চাওঁচোন : 'নিঃশেষ পাপৰ / প্ৰলয়ৰ হেতু / যাহাৰ পদ-স্মৰণ।' (দশম) ভীমে দুঃশাসনৰ ৰক্ত-পান কৰিছিল বুলি মহাভাৰতত আছে। 'মোৰে ভাৰতৰে / মোৰে অসমৰে / চিৰসুন্দৰ সংস্কৃতি' (জ্যোতিপ্ৰসাদ)। তেওঁৰ গ্লানি শুনি যেন আকাশ ম্লান হ'ল, তেওঁৰ মুখো মোলান পৰিল।

অসমীয়া জিভাই যুক্তাক্ষৰ, বিশেষকৈ তিনিটা ব্যঞ্জনৰ যুক্ত ৰূপ উচ্চাৰণ কৰিবলৈ টান পায়; ক'তো ক'তো দুটা ব্যঞ্জনৰ মাজত এটা স্বৰ সুমুৱাই লৈ উচ্চাৰণ কৰে। —সঙস্কৃতি, মোলান, গেলানি, সন্ধিয়া (সংস্কৃতি, ম্লান, গ্লানি, সন্ধ্যা)। মোলান, সন্ধিয়া আদিক স্বকীয়া অসমীয়া ৰূপ বুলিয়ে জ্ঞান কৰা হয়। কেতিয়াবা যুক্ত অক্ষৰক বিযুক্ত কৰি উচ্চাৰণ কৰা হয়— বৎসৰ মৎসৰ ঠিকেই কওঁ; কিন্তু উৎসৱ, উৎসাহৰ লগতে উৎ-সৱ, উৎ-সাহ কৰিও উচ্চাৰণ কৰোঁ; সৎসঙ্গ কেতিয়াও নকওঁ, কওঁ সৎ-সঙ্গ। এইবোৰ চলতি বুলি মানি লোৱা হয়। সেইদৰে হৰ্ষ, বৰ্ষ, দৰ্শন-ত ষ, শৰ ছ উচ্চাৰণ নহ'ল। এইবোৰ বাক্য দোহাৰি চাওঁ : বৎসৰ মানে বছৰ; বাৎসৰিক উৎসৱ হ'ল বছৰেকীয়া উছৱ। উৎসাহ হ'ল কামত উছাহ; কামত উৎসাহীজনকে উদ্যোগী পুৰুষ-সিংহ বোলে। সৎসঙ্গ হ'ল সতৰ সঙ্গ, সাধুলোকৰ সঙ্গ। নৱবৰ্ষৰ দিনা মহাত্মাৰ দৰ্শন পাই জনতাৰ বিপুল হৰ্ষ হ'ল।

ষ্ণ/ষ্ট বিষ্ণু, বৈষ্ণৱ আদি শব্দ বিষ্টু, বৈষ্টও বুলি কোনোৱে উচ্চাৰণ কৰে। যোৰহাটত বিষ্টুৰাম বৰুৱা হল বুলি এক ৰাজহুৱা গৃহই আছে। কিন্তু বিষ্ণু, বৈষ্ণৱ, বিষ্ণুৰাম লিখা আৰু কোৱাই ভাল। সেইদৰে এইকেইটা বাক্যৰ ষ্ণ-লৈ মন কৰিব লগীয়া। —বিষ্ণু দেৱতাৰ উপাসকসকলেই বৈষ্ণৱ। তেওঁৰ এনে অবৈষ্ণৱ কাৰ্য দেখি বৈষ্ণৱসকলে বিষ্ণু শ্ৰীবিষ্ণু স্মৰিলে। বিষ্ণুৰাম মেধি প্ৰখ্যাত জননেতা।

স্/ইস্ স্কাউট, স্তম্ভ, স্পষ্ট আদি কওঁতে নিশকতীয়া জিভাই আগফালে ই এটা লগাই লয়— ইস্কাউট, ইস্তম্ভ, ইস্পষ্ট ইত্যাদি। কেইটামান বাক্য লওক—'ইস্কুল পঢ়িলে নীচকুল পায়, সেই দেখি বহুতে ল'ৰা নপঢ়ায়।' স্পষ্ট কৰি কথা উচ্চাৰণ কৰিবাঁ। স্ফটিক স্তম্ভৰপৰা নৃসিংহ বাজ হ'ল। স্কুলত স্কাউট আৰু গাৰ্লছ গাইড শিকা ল'ৰা-ছোৱালীবিলাক কেনেকৈ সকলো কামতে তৎপৰ!

অ+ম্/অঁ আগত এটা ব্যঞ্জন লৈ যুক্ত হোৱা ম্-কাৰো মাতত অঁ হয় আৰু আগৰ ব্যঞ্জনটোৰ দ্বিত্ব হয় বা ৱ যোগ হয় —পদ্মৰ ঠাইত পদ্দঁ/পদ্বঁ 'ভীষ্ম'ৰ ঠাইত 'ভীস্সঁ/ভীস্বঁ', 'আত্মা'ৰ ঠাইত 'আত্তাঁ/আত্বঁা'। এইকেইটা বাক্য শুদ্ধকৈ উচ্চাৰণ কৰিবৰ যত্ন কৰোঁহঁক— ভীষ্ম শান্তনু ৰজা আৰু গঙ্গাদেৱীৰ পুত্ৰ। পদুম ফুলকে পদ্ম বোলে। দৰ্শনত আত্মা আৰু পৰমাত্মাৰ কথাকে আলোচনা কৰা হয়। লক্ষ্মীনাথ বেজবৰুৱা আমাৰ শ্ৰেষ্ঠ সাহিত্যিক। আধ্যাত্মিক বিকাশ।

ব্যঞ্জন+ৰ/ব্যঞ্জন শব্দৰ আদিৰ ব্যঞ্জনৰ লগত যুক্ত ৰ কোনোৱে উচ্চাৰণ কৰিব নোৱাৰে— 'স্বৰ' নহৈ 'চৰ' 'স্বৰ্গ' নহৈ 'চৰ্গ' হয় [চ=স]। কোনোৰ উচ্চাৰণত শব্দৰ মধ্যৰ ব্যঞ্জনৰ লগত যুক্ত ৰ লোপ পায় আৰু আগৰ ব্যঞ্জনটোৰ বিকল্পে দ্বিত্ব হয় : 'ঈশ্বৰ'ৰ ঠাইত 'ইস্সৰ' বা 'ইচৰ', 'গোস্বামী'ৰ ঠাইত 'গোস্সামি' বা 'গোচামি' [চ=শ/স]। এয়া পঢ়কচোন : বেজবৰুৱাৰ 'তত্ত্বকথা' কিতাপত ঈশ্বৰ-তত্ত্বৰ কথা আছে। স্বৰ্গ বুলিবৰ এখন দেশ আছেনে? স্বদেশ আমাৰ নিজস্ব ভূমি। আহোম ৰজাসকলক স্বৰ্গদেৱ বোলা হৈছিল। স্বৰ্গ অৰ্থাৎ আকাশৰপৰা বজ্ৰপাত হ'লেই তাকে চৰগ পৰা বোলে। আমাৰ সত্ৰৰ গোস্বামী-মহন্তসকলৰ কথা কওঁতে গোসাঁই ঈশ্বৰ বোলা হয়। সম্বোধনত আকৌ বোলা হয় প্ৰভু ঈশ্বৰ।

২ ব্যঞ্জন+ৰ/ ২ ব্যঞ্জন কোনো জিভাত তিনিটীয়া ব্যঞ্জনৰ যুক্তাক্ষৰ নুফুটে আৰু তৃতীয়টো ব্যঞ্জন যদি ৰ, সি নিমাত হয়— 'উজ্জ্বল' নহৈ হয় 'উজ্জল', 'তত্ত্ব' নহৈ 'তত্ত', আৰু 'ঊৰ্ধ্ব' নহৈ 'উৰ্ধ'। [ৰবি ঠাকুৰৰ 'শুভ্ৰ সমুজ্জ্বল / এ তাজমহল', 'ঊৰ্ধ্ব গগনে বাজে মাদল।'] এই বাক্য কেইটাত তিনি ব্যঞ্জনৰ জোঁট মন কৰিব লগীয়াঃ উজ্জ্বল সূৰ্য্য। উজ্জ্বল আকাশ। উজ্জ্বল মুখ। উজ্জ্বল জ্যোতি। চিৰ-সমুজ্জ্বল মোৰ দেশ-মাতৃকাৰ ৰূপ। তত্ত্ব আৰু তথ্য। আমাৰ উৰ্দ্ধত আকাশ। আমাৰ ঊৰ্ধ্বত আকাশ।

দ্ব/দ্দ, দ দ-ত যুক্ত ৱ গুচি কেতিয়াবা দ'টোৰ ডবল উচ্চাৰণ হয়; হৰিদ্দাৰ, দ্দাৰকা। হ'ব লাগিছিল হৰিদ্বাৰ, দ্বাৰকা। কেতিয়াবা দ-ৰ দ্বিত্ব নহয় —দ্বীপ>দিপ। উদাহৰণ লওকঃ হৰিদ্বাৰ, দ্বাৰকা, বৃন্দাবন আদি তীৰ্থস্থান। মন্দিৰৰ দ্বাৰে দ্বাৰে থাকে দ্বাৰীসকল। কোনো মন্দিৰৰ দ্বাৰত তীৰ্থযাত্ৰীক এডালি বেতেৰে কোবোৱাৰ প্ৰথা আছে। 'হৰিৰ গৃহৰ দ্বাৰে / বেত্ৰৰ প্ৰহাৰ যোগ্য / হোৱে ইন্দ্ৰ আদি দেৱজাক' (নামঘোষা)। মন্দিৰত দীপ জ্বলে, সাগৰত আছে কত দ্বীপ-দ্বীপান্তৰ।

ক্ব/ক্ক পক্ব, পৰিপক্ব শব্দৰ শেহৰ আখৰটো কই ৱই ক্ব (উচ্চাৰণ প্ৰায় কোঅ)। বহুতে তাক ক্ক (আক্ক) বুলি ভুল কৰি উচ্চাৰণ কৰে। সংস্কৃতৰ পচ্ ধাতুত ক্ত প্ৰত্যয় হৈ এই ক্ব হৈছে। পক্ব ফল। পৰিপক্ব বুদ্ধি।





# মুকলি চিঠি

ৰাতুল ভূঞা

শ্ৰদ্ধেয় সম্পাদক ডাঙৰীয়া,

নমস্কাৰ জানিব। এই চিঠিখনৰ জৰিয়তে মই মোৰ গোপন কথা কিছুমান সদৰি কৰি দিব খুজিছো আৰু লগতে আপোনাক সতৰ্ক কৰি দিব খুজিছোঁ।

ছপা আখৰত নিজৰ নামটোৰ জলমলনি চাবলৈ কাৰ নো বাৰু মন নাযায়? মোৰো তেনে হৈছিল। বগা কাগজ ক'লা কৰি মনৰ অনুভূতিবোৰক গল্প আৰু কবিতাৰ ৰূপ দিছিলো,— আৰু সেইবোৰক খ্যাত-অখ্যাত বহুতো পত্ৰিকালৈ চালান দিছিলো। কিন্তু মোৰেই দুৰ্ভাগ্য, যথেষ্ট শ্ৰমযুক্ত সেই ৰচনাবোৰে মোক সাহিত্যিক কৰি নুতুলিলে।

প্ৰথম আঘাতত মই বিতত নহলো। নতুন উদ্যমেৰে বেলেগ পদ্ধতিত সাহিত্য-চৰ্চা কৰিবলৈ ধৰিলো। বিভিন্ন পত্ৰিকাৰ প্ৰশ্নোত্তৰ শিতানত মোৰ প্ৰশ্নবানে সম্পাদকসকলক বিতত কৰিলে। যিয়েই নহওক, মোৰ সাহিত্য-সৃষ্টিৰ কঠিয়াতলী হ'ল— সেই আলোচনীসমূহৰ প্ৰশ্নোত্তৰ শিতান।

লাহে লাহে মোৰ উত্তৰণ হ'ল। এইবাৰ মই 'বাৰ্তা' জাতীয় সাহিত্য-সৃষ্টিত ব্ৰতী হ'লোঁ। ইচিত্ৰ-বিচিত্ৰ কথা অলপ লিখি দি তলত সংগ্ৰাহক বুলি মোৰ নামটো দি দিলো। এই বাৰ্তাৰ জৰিয়তে মই নিতান্ত অসম্ভৱ কাণ্ডকো সম্ভৱ কৰি তুলিলোঁ। ডেনমাৰ্কৰ দুজন যুবকৰ মাজত বিবাহ হোৱা দেখুৱায়েই মই ক্ষান্ত নহলো, তেওঁলোকক এটা সন্তানৰ পিতৃ-পিতৃও বনাই দিলো। এইবিলাক বাৰ্তাই মোক ইতিমধ্যে কিছু কিছু মহলত পৰিচিত আৰু জনপ্ৰিয়ও কৰি তুলিলে। মুঠতে সাহিত্যিক হোৱাৰ প্ৰথম ঢাপটো মই হেলাৰঙে উত্তীৰ্ণ হ'লো।

"অনুবাদ কৰা" আৰু "ছাঁ লৈ লিখা"— এই বিষয়ে আপুনি নিশ্চয় ভালদৰে জানে। মই কিন্তু সম্পূৰ্ণ নিজস্ব ধৰণেৰে নিজে আৱিষ্কাৰ কৰা পথেৰে এইবিধ সাহিত্য সৃষ্টিত একাণপতীয়াকৈ ব্ৰতী হ'বলৈ ধৰিলোঁ। অন্য কুৰিজন লেখকে লোৱা ছাঁ আৰু মই লোৱা ছাঁৰ মাজত বিস্তৰ ব্যৱধান থাকি গ'ল।

মই লাহে লাহে বাৰ্তা-সাহিত্য এৰি দি ছাঁ ল'বলৈ আৰম্ভ কৰিলো। মই আগতে লিখা ৰচনাসমূহৰ কিছুমান ভাল ৰচনাক "ছাঁ লৈ" বুলি বিভিন্ন আলোচনী-পত্ৰিকালৈ পঠাবলৈ ধৰিলো। সেইবোৰে আলোচনীৰ পৃষ্ঠা জলমলাবলৈ ধৰিলে। প্ৰায় একে পদ্ধতিৰেই মই অনুবাদো কৰিবলৈ ল'লো। গল্পৰ চৰিত্ৰসমূহৰ নামকৰণত কিছু সাৱধান হ'লো। অনুস্বৰ (ং) থকা নামৰ প্ৰতি মোৰ অনুৰাগ বৃদ্ধি পালে। চেং হুৱা, লী পেং, পুং লু ইত্যাদি নামবোৰে মোৰ গল্পবোৰত সাবলীলভাৱে বিচৰণ কৰিবলৈ ধৰিলে। অনুবাদ-সাহিত্যত মোৰ বাবে এখন স্বকীয়া আসন স্থাপিত হ'ল। প্ৰথমতে মোৰ নাম বৈ বৈ বৈ যাবলৈ ধৰিলে; কিন্তু পাছলৈ বৈ বৈ যাবলৈ ধৰিলে।

এই নব্যধাৰাৰ মই কবিতা ৰচনাতো হাত দিলো। মূল লেখকৰ কাল্পনিক নামত দুটামান অনুস্বৰ-বিসৰ্গ বহুৱাই দি মই অনুবাদ কৰা (?) এটা কবিতাৰ নমুনা তলত দিলো :

লিয়াং পিকিয়াঙলৈ আৰু কিমান দূৰ?
থুঁতৰিত হাত থৈ, আঁঠুকাঢ়ি
উদাসীন এক বৃদ্ধৰ হুমুনিয়া।
কেনি উটি গ'ল নৈ পাৰৰ
কণমানি পঁজা?
লী পঙৰ সেই ৰঙৰ উৰুলি?
ৰূপহী লীং মিনৰ
ওঁঠৰ হাঁহি—?
হেৰাই গ'ল নেকি
লিয়াং পিকিয়াঙৰ আঠুৱনীয়া পানীত?

অনুবাদ কবিতা হিচাপে ইয়াৰ যোগ্যতা আপুনিয়েই বাৰু থুই কৰিব পাৰিবনে? এনেকুৱা ভালেমান কবিতাই আলোচনী পত্ৰিকাৰ পৃষ্ঠা শুৱনি কৰিবলৈ ধৰিলে। আপোনাৰ জনপ্ৰিয় আলোচনীতো মই এনেদৰে নাম কিনিলো। আপুনি জানো ধৰিব পাৰিলে? প্ৰগতিশীল আৰু সাহসী কবি বুলি মোৰ খ্যাতিও হ'ল। ভিয়েৎনাম— আফ্ৰিকাৰ বহু অৰণ্য আৰু আৰণ্যক কাহিনীয়ে মোৰ গল্প-কবিতাত স্থান পালে। (দৰাচলতে ভিয়েৎনামখন মই ভূচিত্ৰাৱলীতো দেখা নাই।) কিছু গুণমুগ্ধই মোক সংকলন এটা প্ৰকাশ কৰাৰ কথাও কৈছিল; মইহে সাহ নকৰিলো। ইতিমধ্যে মোৰ মৌলিক ৰচনাও অন্যান্য ভাৰতীয় ভাষালৈ অনূদিত হৈছে।

আপুনি মোক ভুল নুবুজিব। আচলতে মই চোৰ লেখক নহওঁ। মইতো অন্য কিছুমানৰ দৰে লোকৰ ৰচনাক নিজৰ বুলি ইফাল-সিফাল কৰা নাই; দস্তুৰদমতে নিজৰ সৃষ্টিক্ৰেই ভাজ দিছোঁ।

মই এতিয়া অনুবাদ নকৰিলেও চলি থাকিব পৰা সাহিত্যিক হৈ গৈছোঁ। বৰঞ্চ মোৰ অৱস্থা এতিয়া ভালেই বুলিব পাৰি। সাহিত্য সংস্কৃতিৰ নানা অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত মই বৰ্তমানে ওতপ্ৰোতভাৱে জড়িত। সেয়েহে চিঠিখন লিখিবলৈ সাহ কৰিলোঁ। এনেয়ে হাতৰ কুঠাৰ ভৰিত মৰা মানুহ মই নহওঁ।

চিঠিখনেৰে আপোনাক সতৰ্ক কৰি দিয়াৰ কাৰণ হ'ল— ভৱিষ্যতে মোতকৈও ওস্তাদ অনুবাদক ওলাই অনুবাদ সাহিত্যক হয়তো মহাকাশত ওলোমাই দিবগৈ পাৰে। গতিকে এতিয়াৰ পৰাই সতৰ্ক হৈ দৃষ্টি ৰাখিলে হয়তো কিছু সুফল পাব।

পুনৰ নমস্কাৰেৰে
ইতি—
...............

## সম্পাদকৰ কোঠালিত

বন্ধু : এনেয়েতো তেল-পানী সম্পৰ্ক বুলিলে কি বুজা যায় সেইটো জানাই। কিন্তু মন কৰিবা,— ৱাটাৰ কালাৰ আৰু অয়ল পেইণ্টিং কৰা চিত্ৰশিল্পীসকলৰ মাজত কোনো বিৰোধ নাই। ৱাটাৰ আৰু অয়ল একাকাৰ। সেই কাৰণেই চিত্ৰশিল্পীসকলৰ জগতখন বৰ মহান বুইছা?



OKDISCD

# অতীতক নাযাবা পাহৰি

যজ্ঞেশ্বৰ শৰ্মা

কুৰিবছৰৰো ওপৰ হ'ল। বাৰিষা কালৰ কোনোবা এটা আবেলি সুদীৰ্ঘ-কাল প্ৰবাসত কটোৱা কবি দুৰ্গাৰ দিখৌপাৰৰ পৈতৃক ঘৰত আহি শেষ নিশ্বাস পেলালে। তেখেতৰ চমু জীৱনী এখন মাজতে ওলাল যদিও আমি তেখেতক প্ৰায় পাহৰিয়েই পেলাইছোঁ। পাঠ্যপুথিত থকা এটা বা দুটা কবিতা শিক্ষক-ছাত্ৰই পঢ়িছে অথবা তাৰ note পঢ়িছে। ইমান সোনকালে তেওঁক পাহৰিব নালাগিছিল।

দুৰ্গাৰ কবিতা দুটা ভাগত ভগাব পাৰি: অনুবাদ কবিতা আৰু মূল কবিতা। সম্ভৱতঃ ইংৰাজী কবিতাৰ অনুবাদ কৰিয়েই তেখেতে কবিকৰ্মৰ পাতনি মেলিছিল। আধুনিক যুগত অসমীয়া আৰু আন ভাৰতীয় ভাষাৰ প্ৰায় সকলো কবিয়েই ইংৰাজীৰ গুৰিত ধৰুৱা। চাপৰিলে মেঘ নাযায়। দোষৰ বা লাজৰ কথা নহয়। দুৰ্গাৰ আপোন সুৰ আৰু মৰমৰ সুৰ এই দুয়ো সং-গ্ৰহতে অনুবাদ কবিতা আছে আৰু একাডেমি বঁটা পোৱা বনফুলতো আছে। টেনিছনৰ Crossing the Bar, Locksly Hall, Tears idle tears, Ring out the old; শ্বেলিৰ Indian Serenade বাৰ্ণছৰ My love is like a red red rose; গ্ৰেৰ Elegy; অছাউ নেচীৰ Music Makers আদি প্ৰখ্যাত ইংৰাজী কবিতাৰ অনুবাদ তেখেতৰ কবিতা সংগ্ৰহত আছে আৰু ইংৰাজী কবিতাৰ প্ৰভাৱ বহুত কবিতাতো দেখা যায়।

অনুবাদ কৰ্মই দুৰ্গাৰ গুৰুত্ব কমোৱা নাই। তেখেতৰ অনুবাদ প্ৰাণহীন নহয়। শুৱলা। অনুবাদ নুবুলি অনুসৃষ্টিও বুলিব পাৰি। অনু-বাদ সজীৱ কৰিবলৈ প্ৰতিভাও লাগে। এটা ভাষাৰপৰা আন এটা ভাষালৈ অনুবাদ জীয়া সাহিত্যৰ লক্ষণ।

দুৰ্গাই কৰা ফিট্জাৰেলডৰ শুৱলা ভাঙনী ওমৰতীৰ্থ আৰু টুৰ্গে-নিভৰ ছাঁলৈ লিখা কথাকবিতাও এই প্ৰসংগত উল্লেখ কৰিব পাৰি। দুৰ্গাই কেৱল এই দুখন পুথিকে থৈ যোৱা হ'লেও তেওঁৰ নাম অসমৰ আধুনিক সাহিত্যবুৰঞ্জীত জিলিকি থাকিলহেঁতেন। তেওঁৰ অনুবাদখিনিৰ মাজেদিও নিজৰ জীৱনৰ আভাস পোৱা যায়।

বিষাদ আৰু নিৰাশা দুৰ্গাৰ কবিতাৰ প্ৰধান সুৰ। ৰোমাণ্টিক কবিসকলৰ দৰেই দুৰ্গায়ো নিজৰ জীৱন বুৰঞ্জী কবিতাৰ মাজেদি ব্যক্ত কৰিছে। দুৰ্গা অসমৰ একমাত্ৰ ৰোমাণ্টিক কবি বুলি ক'ব পাৰি, যদিহে বিষাদকেই ৰোমাণ্টিক কাব্যৰ মূল সুৰ বুলি গণ্য কৰা হয়।

পশ্চিমীয়া ৰোমাণ্টিক কাব্যত মানুহৰ অপৰিহাৰ্য নশ্বৰতা, আত্মাৰ পাৰলৌকিক মুক্তিত সন্দেহ, ইহলোকত আশাভংগ আৰু ব্যৰ্থতা আদি নানা ৰৰণীয়া বিষাদৰ মূৰ্তি দেখা যায়। ভাৰতীয় সাহিত্যত করুণ ৰস হে আছে, বিষাদ নাই। আশাবাদ ভাৰতীয় সাহিত্যৰ মূল বস্তু। বিষাদযোগ ভাৰতীয়ৰ পক্ষে ক্ষণস্থায়ী।

দুৰ্গাৰ বিষাদৰ উদাহৰণ স্বৰূপে তলৰ উদ্ধৃতি কেইটাই যথেষ্ট হ'ব যেন লাগে।

কি এটি হেৰাল মোৰ বিচাৰিছো
অকাতৰে
পৰ্বতে ভৈয়ামে নামি মানুহৰ ঘৰে
ঘৰে। (পাহৰা সুৰ)
সংগীহীন বিহগীৰ আকুল সুৰত
আকাশত ভাহি উঠে তান।
(আপোন সুৰ)
চকুলো দুখাৰি মোৰ জীৱন সমল,
আছে আৰু ভগা বীণখনি;
আকুল সুৰেৰে তাত উঠে ঘনে ঘনে
আধা ফুটা বিষাদ-বিননি।
(আদি আৰু অন্ত)
জীৱনৰ দুখৰ ৰাশিৰ/এটি এটি
কণা তুলি লৈ,
ৰচো মই অন্তৰৰ গান/শুনো তাকে
বহি অকলৈ;
অকলৈ ওমলোঁ-জামলোঁ/অকলৈ
পাতিছোঁ সংসাৰ;
অকলৈ শূন্য মন্দিৰত/যাচোঁ মোৰ
হৃদয় সম্ভাৰ। (জীৱনৰ সুৰ)
বিচাৰি ফুৰিছোঁ সেই হেৰোৱা
সপোন অকলৈ জগত মাজত।
(হেৰোৱা সপোন)

"প্ৰকৃত পক্ষে দুৰ্গাৰ সৰহভাগ কবিতাই হেৰোৱা সুৰৰ সোঁৱৰণৰ ঝংকাৰ। সেই হেৰোৱা সুন্দৰ মুহূৰ্তটো যি গ'ল গ'লেই, ঘূৰি আৰু নাহিল। সেই হেৰোৱা আৰু ঘুৰাই নোপোৱাৰ কথাকেই তেওঁ বাৰে বাৰে গাব লাগিছে। সেই কাৰণে দুৰ্গাৰ কবিতাত একেটা সুৰ, একেটা কাহিনী। বৈচিত্ৰ-তাৰ অভাৱ, কিন্তু ভাষাৰ কোমলতাই হে পাঠকক আমনি নলগাকৈ ৰাখিব পাৰে।" (তীৰ্থনাথ শৰ্মা)।

ইংৰাজ কবি শ্বেলিক মাজে মাজে বিষাদ দুৰ্বলতাই হেঁচা মাৰি ধৰে; কিন্তু তেওঁ অত্যাচাৰী-শোষণকাৰীৰ মূৰত অভিশাপ দিছিল, ভণ্ড ধৰ্মধ্বজীৰ মুখা সোলোকাইছিল, দেৱবিদ্ৰোহী বীৰৰ চৰিত্ৰ আঁকিছিল, এখন নতুন পবিত্ৰ সমাজৰ কল্পনা কৰিছিল (World's great age begins anew.)

দুৰ্গাৰ কবিতাত তেওঁৰ নিজৰ দুখৰ বাহিৰে আন কথাই ঠাই পোৱা নাই। আন কবিসকলৰ দেশপ্ৰেম, আশা, প্ৰেৰণা উৎসাহ-উদ্দীপনা তেওঁৰ কবিতাত আশা কৰিব নালাগে। দীৰ্ঘকাল কলিকাতাত থকা সত্ত্বেও দুৰ্গাৰ ওপৰত ৰবীন্দ্ৰনাথৰ প্ৰভাৱ নপৰিল।

জগতৰ আহ্বান কাণত পৰিছে শুনা
কাচিপাৰি সকলোৱে দিহাদিহি
যোৱা;
কবি তেন্তে উঠি আহা, হাতত
বাঁহীটি লৈ
নতুন সুৰেৰে তুমি জগত
জগোৱা।

৩৬ পৃষ্ঠাত চাওক







বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য

মানুহবোৰৰ হ'ল কি? দুলীয়াজানৰ পৰা বাৰাউনিলৈ সদায় তেল গৈ থকা পাইপলাইনডাল হঠাতে বন্ধ কৰি দিলে।

"সিহঁতৰ গাত দেওধনি লাগিছে।" অভিজ্ঞ ৰাজনীতিজ্ঞ ৰূপনাথ বসু-মতাৰীয়ে বিচনাত শুই থকা আলৰ বৃদ্ধ একালৰ সৰ্বজনপ্ৰিয় স্বাধীনতা আন্দোলনৰ কৰ্মী ৰূপনাৰায়ণক ক'লে। "তীক্ষ্ণ খড়গৰ ওপৰত সিহঁতে নাচিছে। কিন্তু কেইদিনলৈ? দেওধনি দুদিন হয়, বছৰৰ বাকী কেইদিন সেই নৰমনিচৰ ধ্বনি। বানপানী আহে, শুকাই যায়। দি থৈ যায় মাৰিমৰক। দুঃখ নিকাবৰ বাবে ৰাজকোষৰ ধন-ভগন। আপুনি পিতামহৰ দৰে শৰশয্যাত পৰি আছে, এটা কথা ভাবক। এতিয়া জানো কুৰুক্ষেত্ৰৰ কাল? এ[illegible] দাৰিদ্ৰমেধ যজ্ঞৰ কাল। তাত বিঘিনি কৰিলে শৰ ধৰিবই লাগিব।"

ৰূপনাৰায়ণৰ স্মৃতি এই বয়সতো সজীৱ হৈ আছে। মুকুতি-মেধ যজ্ঞৰ সেই হোতাবোৰৰ দুই-এজনহে আছেগৈ, বাকীবোৰ ভূত হ'ল। তেওঁ ক্ৰিকল হৈ মেডিকেল হাস্পতালত পৰি আছেহি। কথা ভালকৈ নুফুটে। হাতো বিকল। তেওঁ ৰূপনাথক আকাৰে-ইংগিতে ক'লে,— তেওঁৰ কথাত পতিয়ন যোৱা নাই।

ৰূপনাথ অলপপৰৰ পাছতে গুচি গ'ল। ৰূপনাৰায়ণ বিতুষ্ট হ'ল। মুখত মাত ফুটা হ'লে তেওঁ কলেহেঁতেন দেওধনি এনেয়ে নুঠে, বানপানী এনেয়ে নাহে, পাইপ লাইনডালো এনেয়ে বন্ধ নহয়। স্বাধীনতা আমি চলাই খাব পৰা নাই; অসমীয়া মানুহৰ প্ৰাণত ক'ৰবাত আঘাত লাগিছে, নহ'লে মানুহবোৰ লাখে লাখে ওলাই আহি কিয় স্কুল-কলেজ, কাছাৰী, অফিছ, সদৰ আলি, ৰেলৰ লাইন, দৈনিক জীৱন, কাৰখানা, পাইপলাইন বন্ধ কৰি দিব? ৰূপ-নাৰায়ণে মনত গুণি-গাথি গমো পাইছে আঘাত পোৱাৰ কাৰণ কি? অকল পেটৰ ভোকেই নহয় মনৰ ভোকো পূৰণ হোৱা নাই ৰাইজৰ। এক নতুন ধৰণৰ অসাম্যই তেওঁলোকক খুলি খুলি খাইছে। পুৰণিবোৰতো যোৱাই নাই।

অসমত উদ্যোগ হৈছে, ব্যৱসায় বাঢ়িছে, সেইবোৰত কাম ওলাইছে; কিন্তু বিজ্ঞান, টেকনলজি, উদ্যোগ আৰু পুঁজিত আগবঢ়া জাতিৰ নাগৰিক-সকলেই এইবোৰৰ সুবিধা ভোগ কৰিছে। খুব কম অসমীয়াই এইবোৰ সুবিধা পায়। তেওঁলোক পিছপৰা। অসমীয়া মানুহৰ সংখ্যা ডাঙৰ জাতি-বোৰৰ তুলনাত কমো। এশ বছৰ ধৰি ইয়ালৈ মাটি, ব্যৱসায় চাকৰি, উদ্যোগ, বিভিন্ন বৃত্তিমূলক কাম বিচৰা মানুহৰ সোঁত এটা বৈ আহিছে। যোৱা এশ বছৰত অহা বহিৰাগতৰ সংখ্যা ইমান বেছি যে অসমখনত থলুৱা লোকৰ সত্তা আৰু গৰিষ্ঠতা ৰক্ষা এটা সমস্যা হৈ পৰিছে। পাইপলাইনৰ তেলৰ সোঁত বন্ধ কৰিব

পাৰিলেও এই সোঁত বন্ধ কৰিব নোৱাৰি। ইপিনে অসমৰ অৰ্থনীতিয়ে ইমান জনসংখ্যাৰ হেঁচা ব'ব নোৱৰাত নিবনুৱাৰ সংখ্যা বাঢ়িছে।

বিদেশী খেদা আন্দোলনৰ উদ্দেশ্য এই সোঁত বলী কৰা এটা ধাৰা ভেটা দিবলৈ যত্ন কৰা। স্বাধীনতা পাছত কংগ্ৰেছী শাসকসকলে এই সোঁত বন্ধ কৰিবলৈ নিকপকপীয়া ব্যৱস্থা একো নললে। সংবিধানত আন ৰাজ্যৰ নাগৰিক আহি অসমত বহাৰ অধিকাৰ আছে। কিন্তু তেওঁলোকৰ কৰ্তব্যও আছে। থলুৱা মানুহক তেওঁলোকে পতা উদ্যোগ-ব্যৱসায়ৰ সুবিধাৰ ভাগ দিয়া। এই সুবিধাৰ পৰা তেওঁলোক বঞ্চিত। চৰকাৰে বিদেশৰ পৰা মানুহ অহা অন্ততঃ বন্ধ কৰিব পাৰিলেহেঁতেন। এই কৰ্তব্য তেওঁলোকে সম্পাদন নকৰিলে।

এই কথাকে তেওঁ ৰূপনাথ বসুমতাৰীক ক'ব খুজিছিল, কিন্তু ক'ব নোৱাৰিলে। সংবিধানে তেওঁক ক'বলৈ অধিকাৰ দিছে, কিন্তু প্ৰকৃতিয়ে দিয়া নাই। পক্ষাঘাত ৰোগত ভুগি তেওঁ আজি বোবা।

তেওঁ এতিয়াও পঢ়িব পাৰে বুজিব পাৰে, অনুভৱ কৰিব পাৰে। স্মৃতিয়ে তেওঁক সোঁৱৰাই দিয়ে তেওঁলোকৰ সময়ৰ কৰ্মীবোৰৰ সপোন, ত্ৰিছ দশকৰ কৰ্মীবোৰৰ সপোন, তাৰ আগৰ পুৰুষৰ সপোন। তিনি পুৰুষৰ আশা-আকাংক্ষাৰ লগত আগৰ হাজাৰ পুৰুষৰ মনৰ ঢাকি থোৱা আশা-আকাংক্ষাৰ সাৰখিনি নিহিত হৈ আছে। এই আশা-আকাংক্ষাবোৰেই আশ্ৰয় স্থল বিচাৰি ক'তো নাপাই জন-হৃদয়ত গূঢ় ৰূপে প্ৰকাশিত হৈ থিত দিছেহি। সেই কাৰণেই জন-বিক্ষোভ ইমান বিশাল, প্ৰবল আৰু সৰ্বব্যাপক হৈ পৰিছে।

ৰূপনাৰায়ণে এই আশা-আকাংক্ষাৰ বলত বলীয়ান হোৱা বাবে সাম্ৰাজ্যবাদৰ বিৰুদ্ধে কৰা শেষ সংগ্ৰামত সৰ্বস্ব পণ কৰি জপিয়াই পৰিছিল। স্বাধীনতাৰ কালতো এইবোৰ আশা-আকাংক্ষাক ৰূপ দিয়াৰৰ বাবেই তেওঁ সংগ্ৰাম কৰি আহিছে, কোনো দিনে পিছ হুঁহকি অহা নাই। অনন্ত এই সংগ্ৰাম। বয়সৰ লগে লগে তেওঁ এই কথা ভালকৈ বুজিব পাৰিছে।

একালৰ সংগ্ৰামীসকল একালত অন্যায় আৰু অসাম্যৰ হোতা কিয় হৈ পৰে? তেৱোঁ তেনে হ'লহেঁতেন কিন্তু সকলো পুৰুষৰ মৌলিক আশা আকাংক্ষাৰ গৰাকী হোৱা বাবে তেওঁ সংগ্ৰামৰ পৰা অব্যাহতি নাপালে। বৃটিছ চৰকাৰৰ দিনতো তেওঁ সংগ্ৰাম কৰিলে, কংগ্ৰেছ ৰাজত্বতো কৰিছে। এতিয়া শয্যাশায়ী হৈয়ো তেওঁ শান্তিৰে থাকিব পৰা নাই। মনে সংগ্ৰাম কৰিয়েই আছে।

কিন্তু বাকশক্তি নহ'লে মনৰ ভাব মানুহক জনাব নোৱাৰে। মেডিকেল কলেজৰ এজন ডেকা ডাক্তৰে আশা দিছিল তেওঁৰ বাকশক্তি ঘূৰি আহিবই আহিব। কিন্তু সেই ডাক্তৰজনক আজি কেইবাদিনো দেখা পোৱা নাই। সেই ডাক্তৰজন ক'লৈ গ'ল সেই প্ৰশ্নও তেওঁ সুধিব নোৱাৰে। সিজন নতুন ডাক্তৰে এতিয়া তেওঁক চাইছে তেওঁ চায় আৰু যায়, কথা নকয়। ঘৰত যিদৰে বুঢ়া-মেথাক অদৰকাৰী আৰু অলংকাৰ-স্বৰূপ বুলি মানুহে ভাবে, হাস্পতালতো ডাক্তৰ নাৰ্ছ-সকলে সেই ভাৱেই গণ্য কৰে। বুঢ়া হোৱা মানেই বিকলদেহ আৰু কৰ্ম-চাঞ্চল্যৰহিত হোৱা। সেইবাবেই বোধ হয় প্ৰাচীন শাস্ত্ৰকাৰসকলে তেওঁলোকৰ বাবে বানপ্ৰস্থাশ্ৰমৰ ব্যৱস্থা কৰিছিল। ৰূপনাৰায়ণ তাতে বাকহীন হৈ পৰিছে। কাজেই মানুহে তেওঁক অলপ নিলগত ৰাখিবলৈ বা এলাগী কৰিবলৈ চেষ্টা কৰাটো স্বাভাৱিক। তেওঁ এতিয়া বাৰ্ধক্য আৰু পক্ষাঘাতৰ বিৰুদ্ধে যুঁজিছে। এইখন মানুহৰ বিৰুদ্ধে কৰা সংগ্ৰাম নহয়, প্ৰকৃতিৰ বিৰুদ্ধে কৰা সংগ্ৰাম। এই যুদ্ধত পৰাজয় নিশ্চিত। কিন্তু এদিনলৈও যদি তেওঁ বাকশক্তি ঘূৰাই পায়, তেন্তে এই সংগ্ৰামৰ বিষয়ে তেওঁ দুআষাৰ কথা আন্দোলনকাৰীসকলক কৈ যাব খোজে।

বাণী নহয়, উপদেশ নহয়, জন সংগ্ৰামৰ ঐতিহ্যৰ কথা।

তেওঁ এতিয়া বাওঁহাতেৰে লিখিবৰ বাবে অভ্যাস কৰিছে। সোনকালে ভাল কৰি দিয়াৰ আশা দিয়া ডাক্তৰ-জন কেইবা দিনো ধৰি নহা দেখি তেওঁ ভাল হোৱাৰ আশা এৰি দিছে। সেই কাৰণে তেওঁ এতিয়া লেখাৰ চেষ্টা কৰিছে। তেওঁ আধা ফুটা মাততো অলপ-অচৰপ বুজা এজনী তেওঁৰ নাতিনী ছোৱালী আছে। তাই মাজে মাজে ইয়ালৈ আহে। তাই তেওঁৰ ইচ্ছাৰ কথা বুজি এটা ফাউন-ণ্টেন পেন আৰু এসোপা কাকত কিনি দিছে।

এতিয়াও তেওঁ লিখিবপৰা হোৱা নাই। হোৱাৰ আশাও নাই। লিখিব পৰাহেঁতেন তেওঁ লিখিলেহেঁতেন: "তোমালোকৰ সংগ্ৰাম হাজাৰ পুৰুষৰ আশা-আকাংক্ষাৰ মূল ধাৰাটোৰ লগত মিলাই দিয়া. তোমালোকৰ সংগ্ৰামৰ লগত মানুহৰ ক্ৰমবিকাশৰ সংগ্ৰামখনৰ যোগসূত্ৰ বিচাৰি উলিওৱা। তোমালোকৰ সংগ্ৰামৰ চুটি লক্ষ্যৰ লগত মানব বিকাশৰ বহল লক্ষ্যৰ সম্পৰ্ক বিচাৰি উলিওৱা, তেহে উপনৈৰ সোঁতৰ লগত মহানদৰ সোঁত মিলিব। তোমালোকৰ পদ্ধতিত মানব সংস্কৃতিৰ শুদ্ধ পথ প্ৰতিফলিত হওক। তোমালোকৰ পথত মানবৰ মহত্তম লক্ষ্যৰ অংশস্বৰূপ চুটি লক্ষ্য মহিমাময় ৰূপত ফুটি ওলাওক।"

কিন্তু তেওঁৰ মনৰ কথা এতিয়া মনতেই গুজৰি-গুমৰি আছে। অকথিত বাণী, অলিখিত কথা,— অৰ্থাৎ নিৰৱতাৰ জানো কিবা প্ৰভাৱ পৰিব আন্দোলনকাৰী ডেকাশক্তিৰ ওপৰত?

তেওঁ শয্যাশায়ী হৈ সেইদৰে পৰি থাকোঁতেই বেলি লহিয়াই বেলি-মাৰৰ জাননী দিলে। খিৰিকিয়েদি পৰ্বত এটাৰ বাহিৰে একো দেখা নাযায়। কেউফালে এটা উকা ভাব। এটা দেহবিচাৰৰ গীতলৈ মনত পৰিল—

আৰু এক নদী আছে
বয় তীক্ষ্ণধাৰে
কাল-বিকাল দুই পক্ষী
ইপাৰে-সিপাৰে।

হেঙুলীয়া পখী দুটি
কাজলীয়া পাখি
জনমে জনমে তাৰ
নাহি দেখাদেখি
উৰি গ'ল ৰাজহংস
পৰি গ'ল পাখি
কিন্তু দেহা পৰি ৰৈলা
যমুনাৰ বালি।

ওৰে জীৱন অন্যায়-অসাম্যৰ সংগ্ৰাম কৰিও আজৰি পৰত তেওঁ জীৱনৰহস্য বুজিবৰ বাবে যত্ন কৰিছিল। মৰণেই জীৱনৰ দৃশ্য সীমা। তাৰ সিপাৰে কি আছে তাক জানিবৰ বাবে বিজ্ঞানৰো সাধ্য নাই। কল্পনাই সৃষ্টি কৰিছে কাজলীয়া পাখিৰ দুটি হেঙুলীয়া চৰাই। দেহাটো পেলাই থৈ ভিতৰৰ অদৃশ্য পখীটিয়ে বিশ্ব-পক্ষীৰ লগত গৈ লগ লাগেগৈ। সুন্দৰ কল্পনা! এই কল্পনাৰ বলত সাধাৰণ মানুহটোৱেও জীৱনৰ বিশাল ৰহস্যৰ অনুভূতি উপলব্ধি কৰিলে নিজৰ দেহ-মনৰ বিচ্ছিন্ন গোটৰ লগত সমগ্ৰ বিশ্ব প্ৰকৃতিৰ সমন্বয়ৰ বিশাল ৰূপ! আইনষ্টাইনৰ দৰে তেওঁ বিশ্ব-ব্ৰহ্মাণ্ডৰ গাণিতিক সমন্বয়ৰ ধাৰণা কৰিব নোৱাৰে, কাৰণ এই ধাৰণাৰ বাবে আৱশ্যক পদাৰ্থ বিজ্ঞানৰ সূক্ষ্ম জ্ঞান। জ্ঞান মাৰ্গ তেওঁৰ দৰে সাধাৰণ কৰ্মীৰ বাবে নহয়। তেওঁৰ জ্ঞান ঘাইকৈ ৰাজনীতি, অৰ্থনীতি, ইতিহাস আৰু লোক সংস্কৃতিতে সীমাবদ্ধ। বিবিধ বিজ্ঞানৰ তথ্য আয়ত্ত কৰিবই পৰা নাই। সীমিত জ্ঞানৰ বলত যি ৰাজনৈতিক আৰু অৰ্থনৈতিক বিকাশৰ কাম কৰিছে, সেই কামো জীৱন ৰহস্যৰ ভেদ ভাঙিবৰ বাবে যথেষ্ট নহয়। এই জগতৰ কাৰণ ঈশ্বৰ বা ব্ৰহ্ম বুলি ভাবিবৰ বাবেও তেওঁ কোনো যুক্তি বিচাৰি পোৱা নাই। এইবোৰ সৃষ্টিতত্ত্ব আৰু জ্ঞানতত্ত্ব অনুমানমূলক নহয়। এইবোৰ হৈছে ধ্যানৰত মানুহৰ অন্তৰতম উপলব্ধিৰ চৰম মূৰ্তি। শ্ৰেণীভেদে, জ্ঞানভেদে বিভিন্ন মানুহে বিভিন্নভাৱে এই উপলব্ধি লাভ কৰে। তেঁৱো জীৱন ৰহস্য নিজৰভাৱে উপলব্ধি কৰিছে। তেওঁ জানে জাতীয়তাবাদ, সমাজবাদ, গণতন্ত্ৰ এইবোৰ ইহ জীৱনৰ সাধনা। তেওঁৰ লগত বহুত কৰ্মীয়ে এইবোৰ সাধনাতে জীৱন নিপাত কৰিলে, জীৱন-ৰহস্যৰ গভীৰলৈ সোমাব নোৱাৰিলে। তেওঁ সোমাবলৈ যত্ন কৰিও সেই ৰহস্যৰ গূঢ় স্বৰূপ ধৰিব পৰা নাই। সেইবাবে তেওঁ যি পাইছে তাতে খামোচ মাৰি ধৰিছে।

বিশ্বৰ দৰ্শনবোৰ যেতিয়া ব্যক্তিগত জীৱনত প্ৰয়োগ কৰা হয়, তেতিয়াই দৰ্শনবোৰে পাত্ৰৰ মনৰ গঢ়ৰ লগত নিজৰ গঢ় মিলাই লয়। কৰ্মীৰ বাবে এই পাত্ৰানুৰূপ দৰ্শনেই যথেষ্ট। খালী কোনো গুৰু, অধিকাৰ বা ক্ষমতাবানক অজ্ঞেয় বস্তুৰ জ্ঞান লাভৰ একমাত্ৰ উপায় বুলি তেওঁ মানি নলয়। তেওঁলোকো মানুহ আৰু মানুহ মাত্ৰেই অসম্পূৰ্ণ। তেওঁলোকৰ অভিজ্ঞতাবোৰ প্ৰাক্তন আৰু পৰোক্ষ। সংস্কৃতি আৰু পৰম্পৰাৰূপে যথেষ্ট লাগতিয়াল; কিন্তু নিজ অভিজ্ঞতাৰ পোহৰত সেইবোৰ গ্ৰহণ কৰি নিজৰ সৃষ্টিশক্তিক জাগ্ৰত কৰিব পাৰিলেহে মানুহে নিজক আৰু সমাজক সলনি কৰিব পাৰে।

এন্ধাৰে পৃথিৱী ঢাকি ধৰাৰ পাছত ৰূপনাৰায়ণৰ কোঠালৈ এজন মানুহ সোমাই আহি লাইটকেইটা জ্বলাই দিলে। পোহৰত মানুহজনক দেখি তেওঁ চিনি পালে। মানুহজনে খদ্দৰ ধুতি-পঞ্জাবী পিন্ধি আহিছিল। মূৰৰ চুলি পকিছে। মানুহজন সাংবাদিক আছিল। এতিয়া অৱসৰ লৈ ঘৰতে আছে। স্বাধীনতা আন্দোলনত তেওঁ জেলো খাটিছিল।

মানুহজনক বহিবলৈ ইংগিত দিলত তেওঁ এখন চকীত বহিল। ৰূপনাৰায়ণে যে কথা ক'ব নোৱাৰে, সেই কথা অভ্যাগতে ধৰিব পাৰিলে। অলপ ৰৈ তেওঁ মূৰত হাত থৈ ক'লে,

"আপোনাৰ অৱস্থাৰ কথা গম পাইছোঁ। মই শৈলধৰ বৰুৱা। বোধহয় চিনি পাইছে এই আন্দোলনটো কংগ্ৰেছ আৰু কমিউনিষ্ট কোনো দলেই মানি ল'ব পৰা নাই। তেওঁ-লোকে আশংকা কৰিছে ভোটাৰ তালিকাৰ পৰা বিদেশীৰ নাম খেদাবলৈ গ'লে নিৰ্দোষী নাগৰিকৰ নাম কটা যাব। বিদেশী কোন এই প্ৰশ্নও সুধিছে তেওঁলোকে। সাতে—পাঁচে মিলি বাৰ হৈছেগৈ। আইনমতে বিদেশী চিনাক্ত কৰা আৰু তেওঁলোকৰ নাম কটাত কি অসুবিধা আছে তাক ফঁহিয়াই দেখুউৱা নাই। ইয়াৰ ফলত মানুহে তেওঁলোকক ভুল বুজিছে। অন্য স্বাধীন দেশত হোৱা হ'লে বিদেশী চিনাক্ত-কৰণৰ কামত সকলোৱে সমৰ্থন দিলেহেঁতেন। আমাৰ ইয়াত কোৱা হৈছে,—আন্দোলনকাৰী ল'ৰাবোৰে বাঙালী আৰু মুছলমান খেদা আন্দোলন কৰিছে। অনা অসমীয়াকো খেদিব খুজিছে বুলি ঠায়ে ঠায়ে উৰা-বাতৰি ওলাইছে। ল'ৰাবোৰৰ মাজত যে সকলোবোৰ আবেগমুক্ত তাক নকওঁ। অতপালি কৰা মানুহো সমাজত ঢেৰ। চৰকাৰ আৰু দলবোৰে আন্দোলন শাম কটাবৰ বাবে ব্যৱস্থা ল'ব লাগিছিল। নললে। এতিয়া শুনিছোঁ দমন নীতি চলাব। সন্ধিক্ষণ। আমি—মুক্তি যুঁজৰ যুঁজাৰু-বোৰে লগলাগি বিষয়টোৰ ব্যাখ্যা কৰি যুক্তি সংগত সমাধান এটা উলিয়াবৰ বাবে জনমত গঠন কৰোঁ বুলি ভাবিছোঁ। তাকে আপোনাক জনাবলৈ আহিলোঁ।"

ৰূপনাৰায়ণে কিবা ক'ব খুজিও একো ক'ব নোৱাৰিলে। তেওঁ ক'ব খুজিছিল মীমাংসাৰ চেষ্টা কৰা বেয়া নহয়। বিদেশী মানুহৰ অনুপ্ৰবেশ বন্ধ কৰিবৰ হ'ল আৰু নতুন ধৰণৰ অসমতাৰ ক্ষেত্ৰ সংকুচিত কৰিবৰ বাবে আন্তঃৰাজ্যিক প্ৰব্ৰজনো কিছু পৰিমাণে নিয়ন্ত্ৰিত কৰা উচিত হ'ব।

কিন্তু ক'ব নোৱাৰিলে।

শৈলধৰ বৰুৱা গুচি গ'লগৈ।



OKDISCD

তাৰ পাছত ডাক্তৰ কেইজনমান আহিল।

তেওঁলোকে তেওঁৰ মুখ বুকু চকু হাত পৰীক্ষা কৰিলে। এজনে ক'লে, "মাত ওলাব পাৰে।" আন এজনে ক'লে "মাত উলিওৱা বৰ টান হ'ব। হাৰ্টৰ অৱস্থা কেনে দেখিছে?" তৃতীয়জনে ক'লে, "মোটামুটি ভাল।" প্ৰথমজনে উত্তৰ দিলে "মেডিকেল ছায়েন্সে ধৰিব নোৱৰা এটা বস্তু এখেতৰ অন্তৰত আছে। আধ্যাত্মিক শক্তি।" তৃতীয়জনে মন্তব্য কৰিলে, "আধ্যাত্মিক শক্তি বস্তুটো কি? কোনো শক্তিয়েই বিদেহী হ'ব নোৱাৰে।"

তৰ্কলৈ নগৈ তিনিও এইবাৰ স্বৰ নমাই প্ৰায় ফুচফুচাই নিজৰ ভিতৰতে কিছু সময় কিবা আলোচনা কৰিবলৈ ধৰিলে। তাৰ পাছত তিনিও ওলাই গ'ল।

প্ৰয়োজনতকৈ সৰহদিন বাচি থাকিলে নিজেও শান্তিত থাকিব নোৱাৰে আৰু লোকৰো শান্তি ভংগ হয়। ডাক্তৰ কেইজনে ফুচফুচাই পতা কথাবোৰ তেওঁ স্পষ্ট ধৰিব পাৰিছে। তেওঁলোকে এতিয়ালৈকে কোনো স্পষ্ট সিদ্ধান্তলৈ আহিব পৰা নাই। চিকিৎসাৰ আলোচনা কৰোঁতে তাৰে ভিতৰৰ এজনে টেগুন স্থানান্তৰ কৰাৰ কথা কৈছে। আন এজনে কৈছে— ইলেকট্ৰিক শ্বক দিয়াৰ কথা। তৃতীয়জন আধ্যাত্মিক শক্তিত বিশ্বাসী।

ৰূপনাৰায়ণক কথা কোৱাৰ শক্তি ঘুৰাই দিলেই যথেষ্ট। তেওঁ আন সকলো কৰিব পাৰে, কিন্তু কথা নোকোৱাকৈ থাকিব নোৱাৰে। কথা কোৱাৰ আৱশ্যকতা আজি সকলোতকৈ বেছি।

কিন্তু ডাক্তৰসকলৰ মুখলৈ চায়ো তেওঁ বহি থাকিব নোৱাৰে। তেওঁ বিচনাৰ কাষৰ সৰু মেজখনত পৰি থকা কাগজৰ ওপৰত বাওঁহাতেৰে ফাউনণ্টেন পেন লৈ আখৰ লিখিবলৈ আৰম্ভ কৰিলে। অতি মনোযোগেৰে লিখা আৰম্ভ কৰি তেওঁ কোনোৰকমে 'অহিংসা' শব্দটো লিখিলে। কিন্তু 'অ'টোৱে পূবে, 'হি'টোৱে উত্তৰে, 'ং'টোৱে দক্ষিণে আৰু 'সা'টোৱে পশ্চিমে গতি কৰিলে। প্ৰায় এখিলা পাত জুৰিলে শব্দটোৱে। দ্বিতীয়টো শব্দ লিখিবলৈ লওঁতে হাতত কষ্ট অনুভৱ হ'ল। ৰূপনাৰায়ণ আচৰিত হ'ল। এই শব্দটো আপোনা-আপুনি ওলাইছে মনৰ বৰঘৰৰপৰা। কিয় ওলাল এই শব্দটো? কি ক'ব খুজিছে তেওঁ আন্দোলনকাৰীসকলক,— সমাজক? নে অনাগত কালক? আন্দোলনকাৰীসকলেও তেনেকুৱা কিবা এটাকে বিচাৰিছে নেকি? নে বিচাৰিছে মানুহ, শোভাযাত্ৰা, সত্যাগ্ৰহ, পিকেটিং সভা কৰা মানুহ? এটা কথা সঁচা। তেওঁলোকে অহিংস অসহযোগ বিচাৰিছে।

এইবোৰ মানুহ হ'ব লাগিব অহিংসাত বিশ্বাসী।

কিয়,— হিংসাত বিশ্বাস কৰিলে কি হয়? তেৱেঁতো বিয়াল্লিছৰ সংগ্ৰামত ৰেল বগৰাইছিল, গুলী চলাইছিল!

ধনপুৰৰ কথা মনত পৰিল। সিটো শেষ ক্ষণলৈকে হিংসাত বিশ্বাস কৰি গ'ল। তাৰ দৰে মানুহ এই আন্দোলনতো আছে। স্বাধীন দেশৰ চৰকাৰেও ৰাষ্ট্ৰীয় হিংসাত বিশ্বাস কৰিবলৈ এৰা নাই। বৃটিছ চৰকাৰৰ প্ৰশাসনৰ দৰেই স্বাধীন ভাৰতৰ প্ৰশাসন। বিষয়াবোৰে ৰঙা ফিটাৰ পুজা কৰে, ৰঙা ফিটা মানেই আওপাক, ওভোতা শাসন, অযথা পলম, অপব্যয় আৰু ভেটি খোৱা। ভেটি খোৱা আজিকালি মানুহে পাপ বুলি নাভাবে। মন্ত্ৰীয়ে ৰাষ্ট্ৰধন আত্মসাৎ কৰিবলৈ ভয় নকৰে, মানুহেও ভেটি দিবলৈ লাজ নাপায়। ভেটি খোৱা বিষয়া আৰু যেনে তেনে ভোট গোটোৱা ৰাজনীতিজ্ঞই অসমত লাখে লাখে মানুহক বেআইনীভাৱে বহিবলৈ সুবিধা কৰি দিলে। এই কথা সত্য। কিন্তু যিবোৰ আহি বহিল, সেইবোৰে বসতি লাভৰ কামটোত তেওঁলোকে কোনো দোষ দেখা নাপায়। তেওঁলোকে ভাবে তেওঁলোক আহি বহিল যেতিয়া আৰু উঠি নাযায়। সংবিধানমতে তেওঁলোক নাগৰিক হওক বা নহওক, সেই কথা তেওঁলোকৰ বাবে ডাঙৰ কথা নহয়; ডাঙৰ কথা হৈছে দখল কৰি বহা আৰু নিজৰ অধিকাৰ প্ৰতিপন্ন কৰা। কি সেইবোৰ অধিকাৰ? অধিকাৰ অকল এটা নহয়, মাটি, ঘৰ, ভোট, ভাষা, ধৰ্ম, কাম সকলোৰে অধিকাৰ। এই অধিকাৰ নিজ নিজ জাতীয় অধিকাৰ। অসমীয়াৰো জাতীয় অধিকাৰ আছে। এই অধিকাৰ তেওঁলোকে প্ৰতিপন্ন কৰিবলৈ যত্ন কৰি আহিছে। তেওঁলোকৰ সকলোতকৈ ডাঙৰ যুক্তি অসমেই তেওঁলোকৰ একমাত্ৰ গৃহভূমি। এই টুকুৰা যিকোনো প্ৰকাৰে তেওঁলোকে ৰাখিব খোজে। আৰু যিবোৰ মানুহ বিদেশৰপৰা আহিছে, বা বাহিৰৰপৰা আহিছে,— বিশেষকৈ যিসকলে ইয়াত তেওঁলোকে লৈ অহা বিভিন্ন অধিকাৰৰ ভাব সাব্যস্ত কৰিবলৈ বিচাৰিছে,— তেওঁলোকে অসমখনত অসমীয়াৰ অগ্ৰাধিকাৰৰ কথা মানি ল'বলৈ প্ৰস্তুত নহয়। এই দুই মনোভাবৰ যি সংঘৰ্ষ, সেই সংঘৰ্ষ শান্তিপূৰ্ণ হৈ থকা জানো সম্ভৱ?

সম্ভৱ।

কিছু সময়ৰ মূৰত এটা ভাত অনা টিফিন কেৰিয়াৰ হাতত লৈ মৃদুল সোমাই আহিল। সি আহিয়েই ক'লে, "মহাদেউ, আজি আহোঁতে পলম হৈ গ'ল। পিকেটিঙলৈ গৈছিলো। তাৰ পৰা আহি ঘৰত দেখিছোঁ মাই ভাত ৰান্ধি বৈ আছে। মই টিফিন কেৰিয়াৰত ভাত ভৰাই ইয়ালৈ আহিবলৈ ওলালো। মাও লগত আহিল। ভাত নিৰামিষীয়া।"

মৃদুলে পাত্ৰটো কাগজ থকা মেজখনতে থলে। তাৰ কেঁকোৰা চুলিবোৰৰ তলত জোঙানকীয়া মুখখন আৰু পতুমপতীয়া চকুহালিত চকুপৰাৰ লগে লগে ৰূপনাৰায়ণৰ মনত পৰিল মহদা গোঁসাইলৈ। তেওঁ শেষ মুহূৰ্তৰ মুখখনেই মনত পৰিছে। সেই মুখখন তেওঁ পাহৰা নাই। কি অন্তৰ্দ্বন্দ সেই সময়ত গোঁসাইৰ মনত। হিংসা-অহিংসাৰ দ্বন্দ! কিমান তৰ্ক কৰিছিল সেই সময়ত ৰূপনাৰায়ণে তেওঁ লগত। ইতিহাসৰ দোহাই দি তেওঁ গোঁসাইক গৰিলা যুজত সমৰ্থন দিবলৈ উদগাইছিল। গোঁসায়ে কিন্তু অহিংসা যুজহে শ্ৰেষ্ঠ বুলি কৈ গ'ল। মৃদুলৰ তলৰ পোছাক চাহাৰী, তাত মহদা গোঁসাইৰ কোনো চিনচাবেই নাই।

"মহা, মাক মাতিম নে?"

তবধ লাগি মৃদুললৈ চাই ৰ'ল ৰূপনাৰায়ণে। তেওঁৰ চকুপানী ওলাল।

মৃদুলে বুজি পালে মহাৰ মনৰ কথা। সি বাহিৰলৈ গৈ মাকক লৈ আহিলগৈ। মানুহ গৰাকী অকণো পোটোকাপৰা নাই। চুলি দুই-এডাল পকিছে, কিন্তু মুখখন চালে সুমথিৰাৰ দৰে তেজাল ন-বোৱাৰীৰ মুখ যেন লাগে। পোছাক বগলী পাখিৰ দৰে বগা। ভৰিত এজোৰ বগা প্লাষ্টিকৰ ছেণ্ডেল। অনুপমাৰ ঘৰত অন্তৰ্দ্বন্দত জৰ্জৰিত গোঁসানীৰ কোলাত দেখা শিশুটোৰ কথা মনত পৰিল। সেই শিশুটি এতিয়া আৰ্কিটেক্ট হ'লহি। আৰ্কিটেক্ট যদিও সি চাকৰি কৰা নাই। নিজা এখন ফাৰ্ম খুলিছে।

গোঁসানীয়ে নিজ হাতে মেজখন চাফা কৰিলে। তাৰ পাছত মৃদুলক কাঁহী-বাটিৰ কথা সুধিলে। মৃদুলে বিচনাৰ ওচৰৰ মিটছেফৰপৰা এখন কাঁহৰ কাঁহী আৰু এটা বাটি উলিয়ালে। সেই কেইখন ধুই মেজখনত পাৰি দিলে। মাকে জহা চাউলৰ ভাত, ৰহৰ দাইলৰ থপথপীয়া আঞ্জা, বিবিধ শাক-পাছলিৰ ভজা, পদিনা, বৰঠেকেৰাৰ পিটিকা আৰু আফু গুটিৰ বৰ কাঁহীত সজাই দিলে।

ৰূপনাৰায়ণে কৃতজ্ঞতা প্ৰকাশ কৰিবলৈ চেষ্টা কৰিলে, কিন্তু এটা শব্দও উচ্চাৰণ কৰিব নোৱাৰিলে। ভাত খাবলৈ লওঁতে টপটপ কৰে চকুপানী সৰিবলৈ ধৰিলে।

"নাপায়। বীৰ পুৰুষে জানো চকুলো টোকে? খাওক।" গোঁসানীয়ে ওৰণিখন টানি তললৈ ক'লে। আপোনালোকে কৰিলে বহুত। জনাই তাৰ কথা কয়, নজনাই চেলবেলায়। ক'বই বা কি? ফলাফল আশা কৰা মতে পোৱা নাই, এই কথা সঁচা। সেই কাৰণে দেশ স্বাধীন হোৱাৰ পাছতো কেইবাটাও আন্দোলন হ'ল। এতিয়া হৈ থকাটো আটাইতকৈ ডাঙৰ।" হুমুনিয়াহ চাৰি তেওঁ আকৌ ক'লে, "বৰ্তমানৰ আন্দোলনবোৰেও মানুহক ভাল কৰাৰ উপায় দিব পৰা নাই।"

ভাত খাওঁতে অতিশয় কষ্ট হৈছিল ৰূপনাৰায়ণৰ। বাওঁহাতেৰে এপদ এপদকৈ বস্তু মুখত লৈ প্ৰত্যেক বাৰেই বহুত সময় চোবাব লগা হৈছিল। গোঁসানী আৰু মৃদুলে দেখা পাইছিল যন্ত্ৰণাৰ মাজতো ৰূপনাৰাণৰ অসীম ধৈৰ্য আৰু সহনৰ শক্তি।

সেইদিনা বহুত সময় ল'লে তেওঁ খাওঁতে। তথাপি কাঁহীৰ আধা ভাত থাকি গ'ল।

কাঁহী-বাটি সামৰি থৈ মৃদুলহঁত যাবলৈ ওলাল। গোঁসানীয়ে ক'লে "আপুনি বোবা হ'ল। কিন্তু গোটেই অসমীয়া মানুহখিনিয়েই বোবা। দেহ দুদিনীয়া। ঈশ্বৰ যাউতিযুগীয়া বুলি শুনিছোঁ, কিন্তু দেখা নাই। জাতিটো ধৰিব পৰা বস্তু। ই আমাৰ প্ৰত্যেকতকৈ সৰহ কাল জীয়াই থাকিব। এতিয়া জাতিটোৰহে চিন্তা দিনে-ৰাতি।"

বিদায় লৈ গোসানীহঁত যাবলৈ ওলাল। মৃদুলে আহাৰৰ পাত্ৰটো হাতত লৈছিল। অলপ পাছত কোঠা শূন্য হৈ গ'ল।

ৰূপনাৰায়ণ বিচনাত নিতাল মাৰি পৰি ৰ'ল। ইতিহাসো নিস্তব্ধ। ধমনীত ইতিহাস গঢ়া আন্দোলনৰ তেজ এতিয়াও বৈ আছে, কিন্তু কোনেও তেওঁৰ এই তেজৰ উত্তাপ অনুভৱ নকৰে। নতুন আন্দোলনে নতুন মানুহৰ ধমনী উতলা কৰিছে। সম্ভৱতঃ এই সলনিৰ দৰ্শনেই বিকাশৰ দৰ্শন। এতিয়া সামাজিক-অৰ্থনৈতিক বিকাশৰ যুগ। ভাৰতৰ আন আন জাতিবোৰৰ দৰে অসমীয়াসকলেও এই বিকাশ বিচাৰে। কিন্তু বৰ্তমানে যি অৰ্থনীতি গঢ়ি উঠিছে, সেই অৰ্থনীতিত যিবোৰ উদ্যোগ, ব্যৱসায় আৰু উন্নত খেতি হৈছে, সেইবোৰৰ প্ৰায়বিলাক কামেই উন্নত জাতিৰ লোকে পাইছে। এই অৰ্থনীতিৰ সুবিধাৰ পৰা অসমৰ থলুৱা লোকসকল বঞ্চিত বুলি ক'লেও সৰহ কোৱা নহয়। তদুপৰি তেওঁলোকৰ প্ৰজাতীয় বৈশিষ্ট্যও যেন অবাধ প্ৰব্ৰজনৰ ফলত লোপ পাব, এনে এটা ভয় উপজিছে। অসমীয়া থলুৱাসকলৰ সংখ্যা তুলনামূলকভাৱে কম, আৰু নিজৰ ৰাজ্যতে লাহে লাহে সংখ্যালঘু হৈ নিজৰ পৰিচয় হেৰুৱাম বুলি সিহঁতৰ ভয় হৈছে।

ভাৰতৰ সকলো জাতিৰে যাতে প্ৰজাতীয় বৈশিষ্ট্য ৰক্ষা পৰে আৰু আৰ্থসামাজিক উন্নতি ঘটে তাৰ বাবেই ৰূপনাৰায়ণহঁতে বৃটিছ চৰকাৰৰ বিৰুদ্ধে যুজিছিল। সমতা আৰু ন্যায়ৰ প্ৰকৃত অৰ্থ সেয়ে। অসমীয়াৰো উন্নতি হ'ব আৰু স্বকীয় বৈশিষ্ট্য ৰক্ষা পৰিব লাগিব; কিন্তু অসমীয়ায়ো অসমৰ আনবোৰ মানুহৰ প্ৰজাতীয় বৈশিষ্ট্য ৰক্ষা আৰু আৰ্থসামাজিক উন্নয়নত সাহায্য আগ বঢ়াব লাগিব। তাৰ বাবে যি লাগে তাকে আমি কৰিব লাগিব। এখন ভাল সংবিধান লাগে শোষণৰ অৰ্থনীতি নিৰ্মূল হ'ব লাগে, সামাজিক অসমতা নোহোৱা হ'ব লাগে। প্ৰজাতীয় বৈশিষ্ট্য ৰক্ষা কৰি পাৰস্পৰিক জাতীয় উন্নতিৰ দিহা কৰিবৰ বাবে আৱশ্যক ৰাইজৰ মাজত বুজাবুজি, ৰাইজৰ নিজা কৰ্মোদ্যোগ।

তেওঁ এটা কথাও ক'ব পৰা নাই। ক'ব নোৱৰাৰ বেদনাই তেওঁৰ অন্তৰ খুলি খুলি খাবলৈ ধৰিলে। তেওঁ ক'ব খুজিছিল, এই প্ৰজাতীয় আৰু আৰ্থসামাজিক সমস্যাৰ শান্তিপূৰ্ণ সমাধান উলিওৱা টান নহয়। কথা-বতৰা পাতি সমাধান উলিওৱাই শ্ৰেষ্ঠ পন্থা।

সেইদৰে পৰি থাকোঁতেই তেওঁৰ চকু টানি নিলে। অলপ পৰৰ পাছত এজনী নাৰ্ছ আহি লাইট নুমুৱাই দুৱাৰ বন্ধ কৰি দিলে।





OKDISCD

ৰাতি এডোখৰত তেওঁ হঠাতে বাহিৰত কিছুমান অস্বাভাৱিক কথা-বতৰা শুনি সাৰ পালে। প্ৰায় চিঞৰ-বাখৰৰ দৰেই। কিন্তু তেওঁৰ দুৱাৰ খোল নাখালে।

কি হ'ল তাক জানিবৰ বাবে তেওঁৰ মন উদগ্ৰীৱ হৈ উঠিল। কিন্তু কোনো নাহিল, তেওঁক জনাবলৈ। ৰাতিটো দুশ্চিন্তাতে গ'ল। অকাৰণ দুশ্চিন্তা।

আন দিনাৰ দৰে সেই দিনাও পুৱা আহিল, পুৱাৰ খবৰ-কাগজ আহিল। তেওঁৰ পুৱাৰ খবৰ কাগজ পঢ়ি দেখিলে, কেইদিন মান আগতে এজন ডাক্তৰক নিজ ঘৰত মৰা অৱস্থাত পোৱা গৈছে। ডাক্তৰজনৰ নাম দিয়া হৈছে। 'অমৰেশ মজুমদাৰ'। খবৰটো পলমকৈ ওলাইছে। ইতিমধ্যে পুলিছৰ কুকুৰো লগোৱা হৈছে। কিন্তু শুংসূত্ৰ একো ওলোৱা নাই হত্যাকাণ্ডৰ।

পুৱা মৃদুলে জলপান লৈ আহি তেওঁক কাগজখন চাই চিন্তিত হৈ থকা দেখিলে। মৃদুলক দেখি তেওঁ কাগজৰ খবৰটোলৈ আঙুলিয়াই দিলে।

মৃদুলে ক'লে, "মহাদেউ। সেই ডাক্তৰজনেই গ'ল। তেওঁ আপোনাৰ বেমাৰ ভাল হ'ব বুলি বিশ্বাস কৰিছিল। তেওঁক কিয় মাৰিলে, কোনে মাৰিলে, কোনেও ক'ব নোৱাৰে। ডাক্তৰজন অনা-অসমীয়া আছিল। সেইবাবে অনা-অসমীয়াসকলৰ মনত নানা সন্দেহ উপজিছে।"

ৰূপনাৰায়ণৰ মন গধুৰ হৈ গ'ল।

মৃদুলে সিজোৱা চুজি আৰু চাহ লৈ আহিছিল। কিন্তু ডাক্তৰজন মৰা শুনি তেওঁৰ ভোক হৰিল।

আজি কেইবাদিনো ধৰি সেই আশাবাদী ডেকা ডাক্তৰজনক দেখা নাই। তেওঁৰ যে মৃত্যু হ'ল, এই কথা তেওঁক কোনেও কোৱা নাই। আন কি মৃদুলেও। কোনে তেওঁক মাৰিলে ? ক'ব নোৱাৰি। যেয়ে মাৰক, ই বৰ বেয়া কাম। তেওঁ মৃদুলক বহুত কিবা কিবি ক'ব খুজিছিলে। কিন্তু একো ক'ব নোৱাৰিলে। এইবোৰ হত্যাকাণ্ডৰ জইন মৰা টান। মানৱতাই একমাত্ৰ গতি। মানৱতাৰ চূড়ান্ত ৰূপেই হ'ল অহিংসা।

মৃদুলে সেইদিনা জোৰ কৰিও ৰূপনাৰায়ণক একো খুৱাব নোৱাৰিলে।

মৃদুলে বুজালে, অনুনয় কৰিলে, একো ফল নধৰিলে। হঠাতে তাৰ মিটছেফৰ ওপৰত পৰি থকা কাগজৰ ওপৰত চকু পৰিল। আধা পৃষ্ঠা এটা শব্দই জুৰি আছে— "অহিংসাবাদ"।

মৃদুলে ক'লে, "মহা, ওৰে জীৱন যুঁজি ইয়াকে পালে নেকি ?"

কিবা ক'বৰ চেষ্টা কৰিলে ৰূপনাৰায়ণে, কিন্তু ক'ব নোৱাৰিলে। অন্তৰে কিন্তু মৃদুলৰ কথাত হয়ভৰ দিছিল।

---

৩০ পৃষ্ঠাৰ পিছৰ পৰা

দুৰৱাৰ কবি জীৱনৰ আৰম্ভণিতে এনে চিন্তা তেওঁৰ মনলৈকো আহিছিল. কিন্তু সি বিষাদৰ চকুপানীত বুৰ গ'ল।

জীৱনৰ বিষাদ-নিৰাশাৰ কথা শুনাবলৈকো আমাক কবি এজন লাগে। প্ৰকাশৰ গুণত অৰমণীয় বিষয়বস্তুৱেও পাঠকক অলৌকিক আহ্লাদ দিব পাৰে। দুৰৱাৰ অতীতক নাযাবা পাহৰি আৰু অতীতক যোৱাহে পাহৰি এই যুগ্ম কবিতা মানুহে বহুদিনলৈ মনত ৰাখিব। জেতুকাপাতৰ উপমাৰ বাহিৰে তেওঁৰ কবিতাত স্থানীয় চিন-চাব নাই ; কিন্তু ইয়াৰপৰা তেওঁৰ কবিতাৰ অলপো গুণ কম হোৱা নাই। তেওঁৰ যি নাই নাই ; কিন্তু যিখিনি আছে সেইখিনি উপভোগ কৰিবলৈ সমৰ্থ হ'ব লাগে।

নিজকে নিঃসংগ বিবেচনা কৰি বিষাদগ্ৰস্ত হৈ থকা কবি ভাৰতত সৰহ নাই ; এই ভাকৰীয়াসকলৰ মাজত দুৰৱাও এজন। তেওঁৰ বাক্যই তেওঁক জীয়াই ৰাখিব। স্মৰণীয় বাক্যই জগতলৈ কবিৰ অৱদান।

দুইটি জনপ্ৰিয় দিশৰ দুখনি মূল্যবান গ্ৰন্থ

## নাট্যশিল্প

ৰচনা : শ্ৰীহেমেন দাস

পৃথিৱীৰ শ্ৰেষ্ঠ শিল্পকলাৰ ওপৰত বৈজ্ঞানিক দৃষ্টিকোণৰ পৰা সহজ সৰল প্ৰাঞ্জল ভাষাৰে নাট্য শিল্প ব্যৱহাৰিক দিশবোৰ আমাৰ নাট্য-প্ৰেমী সকলৰ কাৰণে সৰ্বপ্ৰথম অসমীয়া ভাষাত ৰচিত প্ৰথম পুথি। বিভিন্ন দিশৰ বিভিন্ন ছবি আৰু নাট প্ৰযোজনাৰ দৃশ্যাৱলীৰ ছবিসমূহে পুথিখনৰ সৌষ্ঠৱ বঢ়াইছে। মনোৰম বেটু-পাত, ছপা বন্ধা সুন্দৰ।

বেচ খনে মাত্ৰ পোন্ধৰ টকা।

## বিশ্বক্ৰীড়াত এভুমুকি

ৰচনা : শ্ৰীলোকেশ্বৰ গগৈ

বিশ্বৰ সকলোবোৰ খেলৰ ইতিহাস, খেলৰ কৌশল বিশ্ববিখ্যাত খেলুৱৈ সকলৰ পৰিচয় আৰু ক্ৰীড়া নৈপুণ্যৰ লোমহৰ্ষক কাহিনী, বিশ্বৰ পৰা ভাৰতলৈ, ভাৰতৰ পৰা অসমলৈ সকলোবোৰ খেলুৱৈৰ কথা খৰচি মাৰি আলো-চনা কৰা আমাৰ ভাষাত একমাত্ৰ পুথি। অসংখ্য ছবি, মনোৰম বেটুপাত, পকা বন্ধা।

মূল্য মাত্ৰ পচিশ টকা।

অসমৰ সকলো কিতাপৰ দোকানত পাব।

নতুন অসম
৫ উদ্যোগ পাম
গুৱাহাটী-৭৮১০২১

## হিন্দী-অসমীয়া অভিধান

মহেশ্বৰ মহন্ত/ভিম্বেশ্বৰ বৰা সম্পাদিত—ছাত্ৰ-ছাত্ৰীসকলৰ ব্যৱহাৰৰ উপযোগীকৈ লিখা একমাত্ৰ নিৰ্ভৰযোগ্য হিন্দী-অসমীয়া অভিধান।

পকাবন্ধা : বেচ কুৰি টকা মাত্ৰ।

অসমৰ সকলো কিতাপৰ দোকানত পাব।

গণেশ প্ৰকাশন
৫ উদ্যোগ পাম
গুৱাহাটী—২১





## কৰম-ঠানি

**হীৰেন্দ্ৰনাথ দত্ত**

কৰম-ঠানি, কৰম-ঠানি, তুমি প্ৰেয়সৰ আদৰণি
চন্দনৰ ফোঁট, নতুন বস্ত্ৰ, গীতৰ বাৰতা আবাহনী,
দোষৰ ভুলৰ গেৰেকনিত কৰম পূজাৰ এডাল ঠানি
নিৰ্মল হৃদয় গঢ় লৈ উঠে বহু কুঠীয়াৰ বেদনা খানি
প্ৰাজ্ঞ চিত্তৰ মিহলি পোহৰ চিৰ অবাৰিত নশ্বৰতা
গীতৰ স্ফূৰ্তিৰে বয় আলফুলে কিন্নৰ প্ৰাণৰ তেজস্বিতা
কুঁৱলী-কাতিৰ গাখীৰতী ধান তাৰ ওপৰত আকাশবাতি
এজাক ভাটৌৰ ডেউকাৰ ঢৌ কাহিলি পুৱাৰ আকাশ ছাটি
জেঠী নেগুৰীয়া আঙঠিৰ শোভা ন-কইনাৰ আঙুলি চুমি
ৰেচমী কাপোৰ আতৰৰ গোন্ধ সুৰাৰ আমেজ সপোন গামী
—এই সকলোনে তাতোকৈও বেছি পাওঁ তোমাতেই কৰম-মূল
পুৰাকে জানো জুখিব পাৰি নদী সিপাৰৰ ধুৱঁলী কূল ?
তথাপি যিদৰে পুৱাৰ সাজটো দিনৰ শেষত লেতেৰা হয়
তোমাৰ ঠাৰ-লৰা-ঢপৰাৰি ধূলি মাকতিত লুকাই ৰয়
বাৰেভচহুৰ ভাঙুতি আঙুতি যেন লাগি পৰে সকলো কথা
ভগা আইনাৰ দ'মত বগোৱা গোটাদিয়েক পইতাচোৰা
খেৰ জুইকুৰা বেছিকে জ্বলিলে ফুট-ছাইবোৰো বেছিকে উৰে
আপোনপেটীয়া মকৰা হিচাপে সকলো কথাকে বেকাকে ধৰে :
সকলো শোকৰ শেষৰ যতি শীতল শিলৰ নিসংগতা
বুঢ়া পাহাৰত শেলুৱৈয়ে ঢকা ডাঙৰ পাথৰ একোচটা
ফেৰিঅলাই বিকি বিকি ফুৰা যম-নগৰৰ ত্ৰাসৰ পট
ফান্দত পৰা নিগনি এটাৰ পাকঘূৰণিৰ ওলোটা জট :
সেই ডুবি-দাঁতিত খেৰ-কুটা বুলি ইফালে সিফালে খেপিয়ালে
কৰম-ঠানি তোমাতেই চকু পুনৰ ৰয়হি পলে পলে
কুঁহি হৈ কঁপা এগছ চাকিৰ ঈশান-নৈঋত বিস্তৃতি
বুজা নুবুজাৰ জুমুৰিতে থকা ধীৰ আশ্বাসৰ প্ৰতীতি,
আকৌ তেতিয়া ফোপাই জোপাই তোমালৈকে হাত মেলি
আগলি দিশৰ পাওঁ ব'ঠা-বেগ উভতি উভতি পাছলৈ হালি।

[টোকা : চিকা মৰলীয়া গছক অসমীয়া চাহ সম্প্ৰদায়ৰ লোকসকলে কৰম গছ বুলি কয়।]

## মোক লৈ গ'লো

**অতনু ভট্টাচাৰ্য**

দেশকাল পাৰ হৈ মই মোক লৈ গলোঁ
এক নাৰীৰ বুকুলৈ। পাপৰ দৰে
তেওঁ লুকুৱাই থলে মোৰ নাম, মোৰ
তনু-অতনুৰ সকলো ঠিকনা। প্ৰেমৰ
বিনিময়ত তেওঁ মোক দিলে দুঃসহ
শব্দ যন্ত্ৰণা, হাতৰ তলুৱাত বাক্যৰ
শৰীৰ, অনুভূতিৰ সম্ভাষণেৰে
কবিতাৰ উজ্জ্বল তোৰণ…

## তোমাক আহি থকা দেখোঁ

**অনুভৱ তুলসী**

ৰাতিখন অকলে অকলে তোমাক আহি থকা দেখো
জানোচা এডিঙি এবুকু পানী ভাঙি আঁহা
কিবা এক শংকাত দুৱাৰ খুলি দিব নোৱাৰি
পাটীদৈ দলে ঢকা হৃদয়ৰ পাত লুটিয়াওঁ
আন্ধাৰতে বিচাৰোঁ দিহিঙে এৰা কূল



OKDISCD




অপস্য়মান জাহাজৰ ডেকত থিয় হৈ ৰঙীণ জাঙিয়া পিন্ধা নাৱিক কেইজনে এতিয়াও অৰুণাভহঁতৰ ফালে চাই এনেয়ে হাত জোকাৰি আছে। মাটিৰ স্পৰ্শ এৰি ঠিকনাবিহীন সমুদ্ৰৰ বুকুলৈ যাওঁতে নাৱিকসকলৰ মনবোৰ কেনেকুৱা হয়— সেই কথা অৰুণাভে এতিয়াও অনুমান কৰিব নোৱাৰে।

কৃত্ৰিমভাৱে সৃষ্টি কৰা সৰু লেগুনেৰে ধীৰে ধীৰে ভিক্টৰ আৰু ছিগল নামৰ জাহাজ দুখন পাৰদ্বীপ বন্দৰৰ পৰা ওলাই মুল সাগৰৰ মাজেৰে ৰাওনা হ'ল আন্দামান অভিমুখে। প'ৰ্টব্লেয়াৰ বন্দৰত হয়তো ডেনিছে উৎকণ্ঠাৰে অপেক্ষা কৰি আছে এই দুই জাহাজৰ বাবে।

এই জাহাজ ঘূৰি অহাৰ পাছতেই মেহৰা চাহাবে কোৱাৰ দৰে আৰম্ভ হ'ব সমুদ্ৰগৰ্ভত লুকাই থকা ৰহস্যৰ বিৰুদ্ধে মানুহৰ সংগ্ৰাম। অৰুণাভে মনতে ভাবিলে।

চাই থাকোঁতে-থাকোঁতে দিগন্তৰ ওচৰত দুটা ক'লা বিন্দুৰ দৰে দুয়োখন জাহাজ অদৃশ্যমান ; —ভাব হয় যেন কেইজনমান অচিনাকি বিদেশী নাৱিকক লৈ চিৰকালৰ বাবে অজান সমুদ্ৰত নিৰুদ্দেশ হৈ গ'ল দুখন জাহাজ। আন্দামানৰ উপকূল দৃষ্টিগোচৰ নোহোৱালৈকে সেই কেইজন নাৱিকে চৌদিশে দেখিব মাথো উত্তাল সমুদ্ৰ, মাজে মাজে পিছে পিছে নিঃসংগ সংগীৰ দৰে দৃষ্টিগোচৰ হ'ব সাগৰীয় চৰাই। এনেকুৱা সাগৰীয় চৰাইৰ কথা অৰুণাভে কৰবাত কিতাপত পঢ়িছিল। হঠাতে অৰুণাভৰ এনেকুৱা লাগিল— এই চিনাকি পৃথিৱী এৰি কোনো এক অজান দেশলৈ যেন সেই জাহাজৰ ডেকত উঠি অৰুণাভ নিজেই গৈ আছে। এক বিচিত্ৰ, নতুন অভিজ্ঞতাৰ সৈতে মুখামুখি হোৱাৰ সম্ভাৱনাই অৰুণাভক মুহূৰ্তৰ বাবে ৰোমাঞ্চিত কৰি তুলিলে।

—চৌধুৰী, বলক, যোৱা যাওক।

—ক'লৈ ?

নীৰেন দত্তৰ উপস্থিতি অৰুণাভে এতিয়াহে অনুমান কৰিলে। দত্তই ক'লে—

—এতিয়াতো আৰু একো কাম নাই। অন্ততঃ ৰিগ আহি নাপায় মানে অলপ শান্তি। বলক, ঘৰলৈ গৈ ব্ৰেকফাষ্ট কৰা যাওক।

ৰাতিপুৱা একো নোখোৱাকৈয়ে অৰুণাভহঁতৰ আজি বাৰ্থলৈ দৌৰিছে। শেষ ৰাতি চাৰি বজাত ভুবনেশ্বৰৰ পৰা মেহৰা চাহাবে অনাতাঁৰত মেছেজ পঠিয়াইছে, —যিমান সোনকালে পৰা যায় দুয়োখন জাহাজ খালী কৰি পাৰাদ্বীপৰ পৰা আন্দামানলৈ পঠিয়াব লাগে, ৰিগ আজি আহি প'ৰ্টব্লেয়াৰ পোৱাৰ কথা।

ৰাতিপুৱা মেছেজ পাই নীৰেন দত্ত বিৰক্ত হৈছিল —দিন নাই, ৰাতি নাই, খালী মেছেজ। চাকৰি কৰিলে বুলি মানুহে আৰু অকণমান শুবও নোৱাৰিবনে কি ?

অৰুণাভ বিৰক্ত নহ'ল।

মেহৰা চাহাবে হয়তো শেষ ৰাতি টোপনিৰ পৰা উঠি অফিছ পাইছেহি। আজিৰ যুগত কৰ্তব্যৰ প্ৰতি এই নিষ্ঠা অপ্ৰত্যাশিত। এনেকুৱা কৰ্তব্য-নিষ্ঠাই অৰুণাভক মুগ্ধ কৰে। কিহৰ তাড়নাত যে মানুহজনে এই বয়সতো এইদৰে কৰ্তব্যত মগ্ন হৈ থাকে সেই কথা অৰুণাভে এতিয়াও অনুমান কৰিব নোৱাৰিলে। মেহৰা চাহাবৰ দৰে সুদীৰ্ঘ দিন এইদৰে চাকৰি কৰা অকলশৰীয়া মানুহে ইচ্ছা কৰিলে চাকৰি ৰিজাইন দি ৰজাৰ দৰে জীৱনৰ বাকী কেইটা দিন আৰামত কটাই দিব পাৰে। অৰুণাভৰ অনুমান হয় মেহৰা চাহাবৰ জীৱনৰ ক'ৰবাত কিবা এক ৰহস্যঘন কাহিনী লুকাই আছে।

শিলৰ প্ৰাচীৰেৰে আবৃত বন্দৰৰ পৰা ওলাই অহাৰ পাছতে সোঁফালে সমুদ্ৰ ; প্ৰকাণ্ড পাথৰেৰে বান্ধি দিয়া পাৰত আহি সমুদ্ৰৰ ঢৌৱে বাৰে বাৰে ঠেকা খাই সৃষ্টি কৰিছে ছন্দময় গভীৰ গৰ্জন। ৰাস্তাৰ দাঁতিৰ পৰা সাগৰৰ পাৰলৈ পাতল ঝাউবন। তাতে দুই-এটা সৰু সৰু অস্থায়ী জুপুৰী ; হয়তো সমুদ্ৰৰ পাৰত বালি আৰু শিলেৰে স্পাৰ বন্ধা বনুৱাসকলে তাতে বাস কৰে পৰিয়াল লৈ। কালিও অৰুণাভে লক্ষ্য কৰিছে এইখিনি পথ অতিক্ৰম কৰাৰ সময়তে কিবা যেন অদ্ভুত কাৰণত নাৰায়ণৰ গাড়ীৰ বেগ গম নোপোৱাকৈয়ে মন্থৰ হ'ব খুজিছিল। আজিও অৰুণাভৰ একেই অনুমান হ'ল। অৰুণাভে নাৰায়ণৰ মুখলৈ চালে। নাৰায়ণে একো কাৰণ নোহোৱাকৈয়ে হঠাতে একোবাৰ ঝাউবনৰ মাজৰ জুপুৰীৰ ওপৰেৰে দৃষ্টি বগৰাই দিছে। দৃষ্টি অনুসৰণ কৰি অৰুণাভৰ চকুত পৰিল— মূৰত বালিৰ টুকুৰী লৈ কেইজনীমান আদিবাসী নাৰী, দুজন আদিবাসী যুৱকে কোৰেৰে টুকুৰীত বালি ভৰাই আছে।

কিয় জানো একো নোসোধাকৈয়ে নাৰায়ণে ক'লে; —এইচব উৰিষ্যাৰ আদিবাসী, দিনটো কাম কৰিব আৰু ৰাতি হ'লে মহুৱা খাব।

—তুমিও মহুৱা খোৱা নেকি ? অৰুণাভে নাৰায়ণক এনেয়ে সুধিলে।

সলজ্জ হাঁহি এটা মাৰি নাৰায়ণে ক'লে, নাই ছাৰ, কেতিয়াবা এনেয়ে।

—টেষ্ট ভাল নে ?

—আপোনালোকে ভাল নাপাব ছাৰ। গোন্ধ এটা আছে। নাকত ধৰে। কিন্তু বেচ কাঢ়া।

নাৰায়ণৰ অত্যধিক উৎসাহ দেখি অৰুণাভে আৰু বেছি প্ৰশ্ন নকৰিলে। দুজনী আদিবাসী ছোৱালীয়ে গাড়ী চলাই যোৱা নাৰায়ণক দেখি দূৰৈৰ পৰাই এক সম্ভ্ৰম মিহলি খোলা হাঁহি মাৰিলে। নাৰায়ণৰ হয়তো ইহঁতৰ লগত বেচ পৰিচয় আছে ; হয়তো ৰাতি হোৱাতেই ইহঁতৰ লগত একেলগে নাৰায়ণে মহুৱাৰ ৰস পান কৰে।

শিলত খোদাই কৰা মসৃণ মূৰ্তিৰ দৰে, সবল-সুঠাম পুৰুষ দুজনৰ কৃষ্ণকায় ঘৰ্মাক্ত শৰীৰ ৰাতিপুৱাৰ ৰ'দত জল-মলাই আছে।

মূৰত মাটিভৰা টুকুৰীলৈ, ছন্দময় গতিৰে ৰাস্তাৰ ওচৰলৈ মাটি কঢ়িয়াই অনা আদিবাসী তৰুণীৰ শৰীৰত মাথোঁ একোখন বস্ত্ৰ ; মসৃণ পাথৰৰ দৰে সেই যৌৱনোদ্ধত শৰীৰ ; নিঃসংকোচ, অনম্ৰ বক্ষ প্ৰতিটো পদক্ষেপত আন্দোলিত।

অৰুণাভৰ হঠাতে অনুভৱ হ'ল মুখেৰে কোনেও স্বীকাৰ নকৰিলেও, প্ৰতিজনে এইটো মুহূৰ্তত নীৰেন দত্ত, ড্ৰাইভাৰ নাৰায়ণ আৰু অৰুণাভে নিজে দৃষ্টি নিবদ্ধ কৰি সংগোপনে সেই অৰ্ধ উন্মুক্ত, আন্দোলিত বক্ষৰ ওপৰত। অৰুণাভৰ হাঁহি উঠি গ'ল।

কৈশোৰত এইদৰে অৰুণাভহঁতে নৈ বা পুখুৰীৰ পাৰত গা-ধোৱা গাঁৱলীয়া ছোৱালীৰ সিক্ত বসন ভেদি উদ্ভাসিত বুকু ৰ লাগি চাইছিল।

অৰুণাভে দত্তক ক'লে,— আপুনি উজনি অসমলৈ গৈছে নহয় ? উৰিষ্যাৰ পৰা যোৱা বহুতো আদিবাসী চাহ বাগানত দেখিব। একেই অৱস্থা। জেনেৰেছনৰ পিছত জেনেৰেছন অসমত আছে পুৰা অসমীয়া হৈ গ'ল। এতিয়া উৰিয়া বুলি ধৰিব নোৱাৰি।

দত্তই ক'লে— মানুহৰ আচলতে উৰিয়া-অসমীয়া নাথাকে। পেটৰ তাগিদাই যাৰ জীৱনৰ প্ৰতিটো মুহূৰ্ত নিয়ন্ত্ৰণ কৰে, তাৰ বাবে জাতি-ফাতি এইচব মিছা কথা।

আচৰিত হৈ অৰুণাভে নীৰেন দত্তৰ মুখলৈ চালে। নীৰেন দত্তক দেখিলে অনুমান কৰিব নোৱাৰি মানুহজনে এনেকুৱা ধৰণৰ কিবা কথা চিন্তা কৰে বুলি।

অৰুণাভৰ কিয় জানো মনলৈ এটা ভাব আহিল,— কেতিয়াবা পৃথিৱীলৈ এনেকুৱা এটা দিন আহিবনে যেতিয়া মানুহৰ পৰিচয় অকল মানুহেই হ'ব ? এনেকুৱা কথা চিন্তা কৰা মানুহক আগতে দাৰ্শনিক বুলি কোৱা হৈছিল; আজি কালি পোনে পোনে বলিয়া অথবা মতলবী বুলি কোৱা হয়।

সমুদ্ৰ উপকূলবৰ্তী বিল্ডিঙৰ সম্মুখত গাড়ী ৰাখিলে নাৰায়ণে। বিল্ডিঙৰ বাকী কেইটা ফ্লেটৰ মানুহ কেইজনৰ লগত অৰুণাভৰ এতিয়াও চিনাকি হোৱা নাই। নীৰেন দত্তই হয়তো কেইজনমানক চিনি পাব পাৰে। বেলকনিত, কোনোবা কোনোবা ফ্লেটত অৰুণাভে কালি মন কৰিছে ৰ'দত শুকাবলৈ মেলি দিয়া ৰঙীণ শাৰী, তিতা ব্লাউজেৰে ঢাকি ৰখা ব্ৰেছিয়াৰ, ছাৰ্ট পেণ্ট- আৰু বিভিন্ন ডিজাইনৰ ফ্ৰক।

গাড়ীৰপৰা নামি ওপৰলৈ চোৱাৰ সময়ত অৰুণাভে দেখিলে,— তিনি নম্বৰ ফ্লেটৰ বেলকনিত থিয় হৈ দুজনী ছোৱালীয়ে তললৈ চাই আছে; অৰুণাভহঁতৰ চকুৰে চকু পৰাত ফিচিক কৈ হাঁহি মাৰি সিহঁত ভিতৰলৈ সোমাই গ'ল।

তাত প'ৰ্টৰ অফিছাৰ এজন থাকে। মিষ্টাৰ মহাপাত্ৰ।

নীৰেন দত্তই ক'লে।

তেখেতৰ ছোৱালী নেকি ?

এজনী তেখেতৰ ; আৰু যে অলপ শকতকৈ বাওফাঁলে থিয় হৈ আছিল, সেই জনী দাসৰ। কেপ্টেইন দাসৰ।



OKDISCD

বৈল্লেগ ছোৱালী। দুদিন থাকক, গম পাই যাব।

কিয়, আপোনাক জ্বালাতন কৰিছে নেকি? সিহঁতৰ নো কি দোষ? সিহঁতেনো কেনেকৈ জানিব— দুদিন পাছতে আপুনি বিয়া কৰাবলৈ যাব বুলি?

চিৰিৰে ওপৰলৈ উঠি যাওঁতে তিনি নম্বৰ ফ্ল'ৰৰ ওচৰত অৰুণাভহঁতে কাষেৰাৰ খিক-খিক হাঁহিৰ শব্দ শুনিলে। অনুমান কৰিবলৈ অৰুণাভ-হঁতৰ কিঞ্চিতো অসুবিধা নহ'ল— এই হাঁহিৰ উৎস কোন হ'ব পাৰে। যি হওক; অৰুণাভৰ ভালেই লাগিছে। অন্ততঃ মন গ'লে ইয়াৰ কৈশোৰ এৰি যৌৱনত ভৰি দিয়া ছোৱালীয়েও সশব্দে হাঁহিব পাৰে। আজিকালিৰ গাভৰুৱে এই হাঁহি নাহাঁহে।

কালিও এই দুজনী ছোৱালী সমুদ্ৰৰ বালিচৰৰ ওচৰত অৰুণাভৰ চকুত পৰিছিল। সেই সময়ত নীৰেন দত্তই হয়তো মন কৰা নাছিল। প্ৰথম দৃষ্টিতে অৰুণাভৰ অনুভৱ হৈছিল শকত ছোৱালীজনীৰ সৰ্বাংগ কিবা এক অদ্ভুত আবেদন আছে। কোনো কোনো ছোৱালীয়ে হৃদয়ত প্ৰেমৰ উদ্ৰেক নকৰাকৈয়ে কামনাৰ উদ্ৰেক কৰে। প্ৰেমহীন কামনা পাপ নেকি অৰুণাভে নাজানে। যদিহে পাপ, তেনেহলে পৃথিৱীৰ প্ৰতিজন মানুহ হয়তো জীৱনৰ কোনো কোনো মুহূৰ্তত প্ৰকাশ্যে অথবা গোপনে, শাৰীৰিকভাৱে অথবা হৃদয়ৰ গভীৰত পাপী। যি মানবীয়, সেয়া কেনেকৈ পাপ হব পাৰে?

দুপৰীয়া অৰুণাভহঁত অফিছলৈ নগ'ল।

ৰেডিঅ' অপাৰেটৰ মহান্তিক নীৰেন দত্তই ঘৰৰ পৰাই ফোন কৰি ক'লে, —মহান্তি, আমি ঘৰতে আছোঁ, কিবা প্ৰয়োজন হ'লে বা ভুবনেশ্বৰৰ পৰা বিচাৰিলে ফোন কৰি জনাব।

সুকান্ত নামৰ লাজকুৰীয়া ৰান্ধনি ল'ৰাটোক অৰুণাভে সুধিলে এনেয়ে, —কি আছে খাবলৈ?

কথাষাৰ বুজি পাওঁতেই তাৰ কেইটামান মুহূৰ্ত লাগিল। তাৰ পাছত সি তলমূৰকৈ ক'লে —মাছ আছে ছাৰ।

কি মাছ?

পামফ্লেট।

সাগৰৰ?

হয় ছাৰ।

সাগৰৰ মাছৰ সোৱাদ থাকে নে?

পুখুৰীৰ মাছৰ সোৱাদ বেছি।

সুকান্তই ভালেই ৰান্ধিছে। ৰন্ধা-বঢ়াত উৰিয়া মানুহৰ এতিয়াও নাম আছে। ডাইনিং টেবুলত বহি অৰু-ণাভে মনে মনে এনেয়ে হিচাপ কৰি চালে—যোৱা কিমান বছৰ ধৰি এইদৰে ৰান্ধনি ল'ৰাৰ হাতৰ খানা খাই আছে। জীৱনৰ সৰু সৰু কথা, সৰু সৰু হিচাপে কেতিয়াবা মানুহক অবাক কৰি দিয়ে।

অভ্যাসৰ ব্যতিক্ৰম অস্বস্তিকৰ; সেইকাৰণেই কিজানি কাৰোবাৰ ঘৰত খাবলৈ হ'লে অৰুণাভে বৰ অস্বস্তি অনুভৱ কৰে; —আনকি অৰুণিমা বাইদেউৰ ঘৰত খাবলৈ হ'লেও। খোৱাৰ প্ৰতি অৰুণাভৰ লোভ নাই; কিন্তু এই জীৱনৰ প্ৰতি, এই পৃথিৱী, আকাশ, বতাহ, সকলোকে নিবিড়ভাৱে স্পৰ্শ কৰাৰ, ওচৰৰ পৰা আৰু বেছি অনুভৱ কৰাৰ উদগ্ৰ লোভ অৰুণাভৰ আছে। পৃথিৱীৰ যিখিনি সুন্দৰ, তাৰ প্ৰতি কোনো কোনো নাৰীয়ে মানুহক লালায়িত কৰে। অৰুণিমা বাইদেউ অৰুণাভৰ বাবে ঠিক তেনে এক নাৰী যাৰ মৌন চাৱনিয়েও হৃদয়ৰ ভিতৰৰ এখন ৰহস্যময় দুৱাৰৰ কপাট খুলি দি অৰুণাভক ধীৰে ধীৰে লৈ যায় এক সুঘ্ৰাণেৰে ভৰা অনুভূতিৰ পৃথি-ৱীলৈ। অৰুণাভ লোভী, সেই উপ-লব্ধিৰ বাবে।

প্ৰতুল দা ৰ'টেশ্যনত ভুবনেশ্বৰলৈ অহাৰ কথা আছে। অৰুণিমা বাইদেউ আহিবও পাৰে। নাহিবও পাৰে। যদি আহে! অৰুণিমা বাইদেউৰ ওচৰলৈ যাবলৈও অৰুণাভৰ ভয় লাগে। মানুহে জীৱনত তেতিয়াই ভুল কৰে, যেতিয়া পাহৰি যায় কিমানখিনি আগুৱাই গ'লে আৰু ওভতাৰ পথ নাথাকে।

অৰুণাভৰ এটা ভুলে অৰুণিমা বাইদেউৰ আবেলিৰ স্নিগ্ধতাৰে ভৰা মুখত সন্ধিয়াৰ বিষণ্ণ ছাঁয়া নমাই আনক, সেয়া অৰুণাভে জীৱনৰ দুৰ্বল-তম মুহূৰ্ততো কামনা নকৰে। অৰু-ণাভে মনে মনে ভাবিলে, —প্ৰতুল-দাহঁতলৈ আজি চিঠি এখন লিখিব; কলমৰ আগেৰে যিদৰে ওলায় ঠিক সেইদৰেই লিখিব। অনুভূতিৰ প্ৰকাশে শৰীৰত কলংক সানিব পাৰে, পাপ নাসানে; আৰু কোনো কলংকলৈ অৰুণাভে ভয় নকৰে, য'ত হৃদয়ৰ সন্মতি থাকে।

দুপৰীয়া শোৱাৰ অভ্যাস অৰুণাভৰ নাই।

বেলকনিত বহি অৰুণাভে ছিগাৰেট এটা জ্বলাই ল'লে।

সম্মুখত সমুদ্ৰৰ সশব্দ তৰংগই দুপৰৰ ৰ'দৰ সৈতে কথা পাতি আছে। কালি কোনোবাই কৈছে—উপকূলৰ কাষত কেতিয়াবা এইখিনিত ডলফিন দেখা যায়। আধাঘণ্টা বহাৰ পাছতো অৰুণাভে নেদেখিলে। বন্দৰৰ পৰা কিছু দূৰৈত মাজ সমুদ্ৰত মাথো দুখন জাহাজে লংগৰ পেলাই বাৰ্থৰ বাবে অপেক্ষা কৰি আছে, কোন দেশৰ নাৱিক বা তাত আছে!

স্কুলৰ শেষ পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত অৰুণাভে মেৰাইন ইঞ্জিনিয়াৰিং পঢ়াৰ কথা ভাবিছিল।

জাহাজৰ কেপ্টেইন হৈ সাগৰ-মহাসাগৰ ঘূৰি ফুৰিব, অনাৱিষ্কৃত দ্বীপ যদি এতিয়াও ক'ৰবাত আছে তেনে-হলে সেইবোৰ আৱিষ্কাৰ কৰিব— কলম্বাছৰ দৰে।

মাকে পঢ়িবলৈ নিদিলে। নালাগে দেশে-দেশে ঘূৰি ফুৰিব। পঢ়ি-শুনি ইয়াতেই কিবা এটা কৰ।

সেই মা এতিয়া আৰু নাই। স্পৰ্শৰ বাহিৰত। পৃথিৱীৰ যিকোনো দেশৰ যিকোনো প্ৰান্তৰলৈ গ'লেও অৰুণাভে আজি আৰু মাকৰ কোনো



কথা শুনিবলগীয়া নহয়। তথাপি, পৃথিৱীৰ য'লৈকে নাযাওক কিয়, অৰুণাভে জানে, মাজে মাজে অৰুণাভ হঠাতে মুহূৰ্তৰ বাবে এনেদৰে থমকি ৰব আৰু সেই মহিয়সী নাৰীৰ মমতাৰ ওচৰত নিৰৱে মূৰ দোঁৱাই অনুভৱ কৰিব সেই ত্যাগ আৰু মমতাৰ স্পৰ্শ, —যাৰ ঘ্ৰাণ এতিয়াও লাগি আছে অৰুণাভৰ শৰীৰত। হৃদয়ত।

বেলকনিৰ পৰা উঠি অৰুণাভ নীৰেন দত্তৰ কোঠাত সোমাল। নিবিষ্ট মনে বিচনাত পেট পেলাই চিঠি লিখি থকা নীৰেন দত্তই অৰুণাভক দেখি, হয়তো কাগজখন ফেনৰ বতাহত উৰি নাযাবৰ বাবেই, অথবা অন্য কাৰণতো হ'ব পাৰে, ৰাইটিং পেডৰ ওপৰত গাৰুটো থলে।

অৰুণাভে সুধিলে,—কিবা কিতাপ, আলোচনী আছে নেকি?

উহুঁ। ভুবনেশ্বৰৰ পৰা লৈ অহাও নহ'ল। ইয়াত এতিয়ালৈকে কিতাপৰ দোকান এখন আৱিষ্কাৰ কৰিব পৰা নাই। মানুহবোৰে একো নপঢ়ে নেকি! দত্তই ক'লে।

বিচনাৰপৰা উঠিবলৈ চেষ্টা কৰা দেখি অৰুণাভে ক'লে,— মই শোওঁগৈ। চিঠি লিখিছে নেকি?

মুখেৰে একো শব্দ নকৰাকৈয়ে দত্তই অৰুণাভলৈ চাই হাঁহি এটা মাৰিলে আৰু সেই হাঁহিৰ পৰাই অৰুণাভে অনুমান কৰি ল'লে দত্তই ৰূপালীলৈ চিঠি লিখি আছে। মুহূৰ্তৰ বাবে বুকুৰ কোনোবাখিনিত অৰুণাভে কিবা এটা অস্বস্তি অনুভৱ কৰিলে।

যোৱা দুদিন ধৰি অৰুণাভে মাজে মাজে এনেকুৱা অস্বস্তি অনুভৱ কৰিছে।

কিয় জানো পাৰাদ্বীপৰ সমুদ্ৰ উপকূলস্থিত এই ছমহলীয়া বিল্ডিঙৰ চতুৰ্থ ফ্ল'ৰৰ এই ফ্লেটত অৰুণাভ এতিয়াও পূৰ্ণৰূপে স্বাভাৱিক হোৱা নাই; যেন মাজে মাজে কেতিয়াবা ফ্লেটৰ ভিতৰত অৰুণাভে অনুভৱ কৰিছে আৰু মাত্ৰ কেইদিনমান পাছত আহিবলগীয়া ৰূপালীৰ উপস্থিতি। অহা মাহৰ পৰা হয়তো ঠিক ইমান সহজভাৱে অৰুণাভে এইটো ফ্লেটৰ এটা কোঠালিৰ পৰা আনটো কোঠালিলৈ যাব নোৱাৰিব; বাহিৰত নক কৰি ফ্লেটত সোমাব লাগিব; হয়তো অৰুণাভৰ সীমা হ'ব ড্ৰইং ৰুমলৈকে মাথোন। এজনী নাৰীয়ে এখন ঘৰলৈ যিদৰে সজীৱতা কঢ়িয়াই আনে, সেইদৰে সকলোকে জনায়ো দিয়ে তেওঁৰ উপস্থিতিৰ বাবে সচেতন হ'বলৈ।

নীৰেন দত্তক অৰুণাভে এতিয়াও ভালকৈ বুজি উঠিব পৰা নাই। আৰু দুদিনৰ পৰিচয়তে সকলো কথা মুকলি-ভাৱে সুধিবলৈ সংকোচো হয়। অৰুণাভৰ সুধিবলৈ মন যায়— কেনেকৈ ৰূপালীৰ লগত দত্তৰ প্ৰথম পৰিচয় হ'ল? ৰূপালীৰ সৈতে কিমান দূৰ অগ্ৰসৰ হৈছে নীৰেন দত্ত? অৰুণাভে স্পৰ্শ কৰা সেই তপ্ত শৰীৰ দত্তয়ো একেদৰে স্পৰ্শ কৰিছে নেকি? কি প্ৰতিক্ৰিয়া আছিল ৰূপালীৰ? আৱেশত মুদ খাই গৈছিল নে সলজ্জ, তৃপ্তিময় চকু— যিদৰে গৈছিল সেই অবিস্মৃত ৰাতি?

অৰুণাভে সেই কথা দত্তক কেতিয়াও নোসোধে। অৰুণাভে জানে দত্তয়ো সেই কথা কোনো দিনে নকব; তথাপি কিবা এক গোপন ব্যাকুলতাৰে অৰুণাভে অপেক্ষা কৰি ৰব—কিজানি কেতিয়াবা ৰূপালীৰ একান্ত মুহূৰ্ত-বোৰৰ প্ৰতিক্ৰিয়াৰ কথা নীৰেন দত্তই ধেমালিতে প্ৰকাশ কৰি দিয়ে!

কি ঠিক, জীৱনত ঘটি যোৱা তেনেকুৱা ঘটনা ছোৱালীবোৰে মনত ৰাখে নে নাৰাখে! প্ৰতিজনী নাৰীয়ে কিজানি জীৱনত দুজন পুৰুষ বিচাৰে; —এজনৰ পৰা বিচাৰে আশ্ৰয়, আৰু এজনৰ পৰা প্ৰেম। ৰূপালীয়ে অৰুণাভৰ পৰা কিবা বিচাৰিছিল নে? নে অৰুণাভে ৰূপালীৰ পৰা বিচাৰি-ছিল কিবা? এনেবোৰ কথা ভাবি মূৰ ঘমাই লাভ নাই।

তাতকৈ অৰুণাভে টেলিফোন এটা বুক কৰিলে ভুবনেশ্বৰলৈ। অনুৰাধাৰ অফিছৰ টেলিফোন নাম্বাৰ। বিচনাৰ পৰা শুই শুয়েই দত্তই সুধিলে,— কালৈ বুক কৰিছে? মেহৰা চাহাবলৈ?

—ওহোঁ। গাৰ্ল-ফ্ৰেণ্ড!

দত্তই কিঞ্চিত বিস্ময় মিহলোৱা দৃষ্টিৰে অৰুণাভলৈ চালে। এনেকুৱা এটা ভাব, —দুদিনতে এই অচিনাকি ঠাইত ক'ৰ গাৰ্লফ্ৰেণ্ডজনী ওলাল!

অৰুণাভে ক'লে,— একেখন বিশ্ব-বিদ্যালয়তে পঢ়া। ইনছিডেণ্টেলি ছি ইজ অৱ দি অপ'জিত ছেক্স।

এনেকুৱা অকাৰণ কৌতুহ'ল অৰুণাভৰ ভাল নালাগে। কোনো পাপ নকৰাকৈও যে এহাল ডেকা-গাভৰুৱে অকলশৰে, আনন্দৰে সময় পাৰ কৰি দিব পাৰে, সেই কথা চাগে পৃথিৱীৰ বেছি ভাগ লোকেই বিশ্বাস কৰিব নোৱাৰে। মানুহৰ শৰীৰো এক নিৰ্মল আনন্দৰ উৎস; —সেই উপলব্ধিৰ বাবে এটা নিৰ্মল মনৰ প্ৰয়োজন।

খোলা খিৰিকিৰ সেউজীয়া পৰ্দা দুপৰৰ বতাহত কঁপি আছে। সমুদ্ৰৰ বুকু চুই অহা বতাহত লুণীয়া গোন্ধ থাকে, আদিঅন্ত বিস্তৃত নিস্তৰংগ সমুদ্ৰপৃষ্ঠলৈ একমনে, একেথৰে কিছু সময় চাই থাকিলে মধুৰ লুণীয়া বতাহে চকুৰ পতা ধীৰে ধীৰে জপাই দিব খোজে ক'ব নোৱৰাকৈয়ে।

অৰুণাভে গম নাপালে কেতিয়া চকুৰ পতা জাপ খাই গ'ল।

অৰুণাভে শব্দটো একেবাৰে শুনা নাছিল। সুমন্তৰ চিঞৰত তেওঁ সাৰ পালে।

ভুবনেশ্বৰলৈ বুক কৰি থোৱা টেলিফোন কলটো পাব বুলি অৰুণাভে আশা কৰা নাছিল, কিন্তু পাই গ'ল।

অনুৰাধাৰ মাতত এনেকুৱা কিবা এটা আছে যেন টেলিফোনতেই ভাঁহি আহে অনুৰাধাৰ আনন্দোজ্জ্বল, উচ্ছ্বসিত মুখ।

বাঃ কি আচৰিত! তোমাৰ মাত শুনাই নাপায়। ডাঙৰকৈ কোৱা।

আৰু চিঞৰিব নোৱাৰোঁ।



OKDISCD

কি কৰিছা পাৰাদ্বীপত? কবিতা লিখিলা নে নাই? নে সাগৰৰ পানীত ডুব মাৰি তেল বিচাৰি আছা? চাবা পাৰাদ্বীপৰ সমুদ্ৰত জল-কুঁৱৰী থাকে। ...ইয়ালৈ কেতিয়া আহিবা?

জানো, তুমি নাথাকিলে চবতে ব'ৰ ব'ৰ লাগে। একদম বি· বি· ছি· যেন লাগিছে?

বি· বি· ছি?

বিৰহ বেদনাত ক্লান্ত! সংক্ষেপত বি· বি· ছি·।

তেলীয়া! আজি উৰিয়া কাগজত তোমালোকৰ কম্পেনিৰ খবৰ ওলাইছে।

কি?

একদম ফ্ৰণ্ট-পেজত। মইতো তোমাৰ কথা একদম বিশ্বাস কৰা নাছিলো। সঁচাকে পাৰাদ্বীপৰ সাগৰত তেল আছে নেকি?

তেলৰ খবৰ লব নালাগে দিয়া। এতিয়া তেলীয়াৰ খবৰেই লোৱাচোন।

স্বাৰ্থপৰ। তোমাৰ খবৰত নট্ ইনটাৰেষ্টেড। মোৰ কি দৰকাৰ পৰিছে? কেতিয়া আহিবা?

জানো!

মাই আজি কি সুধিছিল জানা? অসমৰ পৰা যে ল'ৰাটো আহিছিল, গ'ল নেকি? ভাল পতাইছা যেন পাইছোঁ তুমি?

ঘৰ জোঁৱাই কৰিব নেকি? ভালেই পাওঁ।

এইবাৰ আহিলে ভালকৈ সুধি লবা। একো ঠিক নাই। বাটেদি ল'ৰা এজন গলেও মাই পিটপিটকৈ চাব— জোঁৱাই হিচাপে উপযুক্ত হ'ব নে নহয়। এইফালে একমাত্ৰ পুত্ৰীয়ে যে সন্যাসিনীৰ ব্ৰত লৈ বহি আছে গমেই নাপায়। ... ... হেলো... ... শুনিছা নে নাই...

হেলো ... হেলো ... হেলো... । কাট খাই গ'ল।

লাইনটো পোৱা গৈছিল যে সেইখিনিয়েই বহুত। উচ্ছ্বল অনুৰাধাৰ এইখিনি কথাই আৰু বহুত সময়লৈ অৰুণাভৰ হৃদয় ভৰাই ৰাখিব। আজি আৰু অৰুণাভক পাৰাদ্বীপৰ নিঃসংগতা অথবা ৰূপালীৰ স্মৃতিয়ে আমনি নকৰে। অনাগতা ৰূপালীৰ উপস্থিতিয়ে অস্বস্তিকৰ কৰি তোলা পাৰাদ্বীপৰ এই নীৰেন দত্তৰ ফ্লেটত অৰুণাভে প্ৰথম বাৰৰ বাবে মনৰ বাবে মনৰ ভিতৰখন পাতল পাতল অনুভৱ কৰিলে।

সন্ধিয়া পৰত মহানদীৰ মোহনাৰ ফালে দত্ত আৰু অৰুণাভ এনেয়ে ফুৰিবলৈ গ'ল। সন্ধিয়াৰ সমুদ্ৰ কজলা বৰণৰ। বহুত দূৰৈৰ পৰা বাগৰি বাগৰি ঢৌবোৰ আহি থাকে বতাহত; পাৰত আচাৰ খাই পৰা তৰংগৰ বৈ বৈ উঠা শব্দই মনৰ ভিতৰৰ ক'ৰবাত ঠেকা খাই প্ৰতিধ্বনি তোলে সুদূৰৰ আহ্বানৰ।

ধীৰে ধীৰে ম্লান হোৱা সন্ধিয়াৰ পোহৰত সাগৰৰ পাৰত পেলোৱা শিলৰ ওপৰেৰে দেও দি দি যোৱা সেই ছোৱালী দুজনী অৰুণাভহঁতে দেখা পালে। সাগৰৰ বতাহে ধীৰে ধীৰে, অথচ ভয়ংকৰ ৰূপত কঁপাই আছে সিহঁতৰ স্কাৰ্ট। আকৌ এবাৰৰ বাবে অৰুণাভে অনুভৱ কৰিলে শকত ছোৱালীজনীৰ শৰীৰৰ প্ৰতিটো ভংগীত কিবা এটা আছে যি হৃদয় স্পৰ্শ নকৰাকৈয়ে শিহৰণ তোলে।

অদূৰৰ বালিচৰত চকুত পৰিল ছৰ্টছ আৰু স্পৰ্টিং গেঞ্জি পিন্ধি কেপ্টেইন দাসে জগিং কৰি আছে।

হেলো, ইয়ং মেন, গুড ইভিনিং।

জগিং কৰি কৰিয়েই কেপ্টেইন দাসে চিঞৰিলে। দাসৰ কপালত বিন্দু বিন্দু ঘাম; ম্লান আলোকতো গম পোৱা যায় তেজে ফুটো ফুটো কৰা গালে চিকচিক কৰি আছে।

আপোনালোক দুয়োজন আজি আহক। সন্ধিয়া বহা যাব। আজি কোৰিয়ান জাহাজৰ কেপ্টেইনৰপৰা এটা স্পেছিয়েল ড্ৰিংক পাইছোঁ। খাটি কোৰিয়ান ড্ৰিংক।

কেপ্টেইন দাস মানুহজন তেনেকুৱাই।

অকলে ড্ৰিংক কৰি মজা নাই। কওক কেইবজাত আহিব? সাত বজাত আহক। এতিয়া কেইবাজিল? মই ঘৰলৈ গৈ গাটো ধুই ফ্ৰে'ছ হৈ লওঁ। একদম ঘামি গৈছোঁ। ইয়াত সন্ধিয়া বা ৰাতিপুৱা জগিং কৰক। শৰীৰ একদম টাটকা হৈ থাকিব।

কথা পাতি কেপ্টেইন দাসৰ লগত অৰুণাভহঁত ঘূৰি আহিল। তেতিয়াও ছোৱালী দুজনী শিলৰ ওপৰেৰে লাহে লাহে গৈ আছে।

মুনমুন, কাম হিয়েৰ। এইজনী মোৰ ছোৱালী, আৰু এইজনী মহাপাত্ৰৰ। আপোনালোকৰ তলৰ ফ্লেটত থাকে। মুনমুন, এখেতসকল অলপ পাছত আহি আছে। ...ফ্ৰিজত আইছ, পানী... বুজিছ? ...গুড গাৰ্ল... ভাল ছোৱালী।

ওচৰৰপৰা অৰুণাভে ছোৱালী দুজনী চালে।

মুনমুন নামৰ কেপ্টেইন দাসৰ ছোৱালীজনীলৈ চালেই গম পোৱা যায় তাই অলপতে হঠাতে দ্ৰুতগতিত বাঢ়িছে। মুখত কৈশোৰৰ কমনীয়তা থাকিলেও সুপুষ্ট স্তনৰেখা আৰু খোজৰ লীলায়িত ছন্দই সচেতন যৌৱনৰ ইংগিত দিয়ে।

বুকুত পৰি থকা চুলিখিনি অদ্ভুত কায়দাৰে পিছলৈ দলিয়াই দি মুনমুনে মূৰটো ঈষৎ বেঁকা কৰি অৰুণাভ আৰু নীৰেন দত্তক ক'লে,— ঠিক সাত বজাত আহিব কিন্তু।

দুয়োজনে মুখত ভদ্ৰতাসূচক হাঁহি বিৰিঙাই তুলিলে। নীৰেন দত্তৰ মুখলৈ চাই অৰুণাভে অনুমান কৰিব নোৱাৰিলে যে মুনমুন নামৰ এই নতুন ছোৱালীজনীৰ বিষয়ে দত্তই ঠিক সেই দৰেই ভাবিছে— যিদৰে ইমান সময় ভাবিছে অৰুণাভে। এই ভাবে যে আৰু মাত্ৰ কিছুদিন পাছত, যেতিয়া নীৰেন দত্ত চুটি লৈ অসমলৈ ৰূপালীক আনিবলৈ যাব, সেই সময়তে অৰুণাভক এক সংকটপূৰ্ণ মুহূৰ্তত উপনীত কৰাব। সেই কথা অৰুণাভে ভাবিব নোৱাৰিলে।

ভাবিলে অকল আগ্ৰহেৰে মুনমুনে।

(আগলৈ)





# নাৰী অধিকাৰ আৰু নাৰী প্ৰগতি

**কুমাৰী কাব্যশ্ৰী মহন্ত**

প্ৰান্তিকৰ ১৬-৩০ মে'ৰ সংখ্যাত প্ৰকাশ হোৱা ড° অপৰ্ণা মহন্তৰ "মহিলাৰ ওপৰত নিৰ্যাতনঃ অসমত এই সামাজিক ব্যাধি সোমাইছেনে?" শিৰোনামাৰ প্ৰবন্ধটি আৰু তাৰ পাছত ধাৰাবাহিকভাৱে দুটা সংখ্যাত প্ৰকাশ হোৱা কুসুম হাজৰিকাৰ পৰ্যালোচনাটি পঢ়ি কিছু কথা মনত উদয় হ'লত সেইখিনি প্ৰকাশ কৰিলো।

ড° অপৰ্ণা মহন্তই তেখেতৰ প্ৰবন্ধৰ শেষৰ ফালে ক্ষীণকৈ হ'লেও এটি কথা উনুকিয়াইছিল যে মহিলাৰ ওপৰত চলা অত্যাচাৰ প্ৰকৃততে এটা গাইগুটীয়া বা পাৰিবাৰিক সমস্যা নহয়; ইয়াৰ লগত দেশৰ সমাজব্যৱস্থা, অৰ্থনৈতিক গাঁথনি, ৰাজনৈতিক পদ্ধতিৰ ওতপ্ৰোত সম্বন্ধ আছে। আৰু মহিলাৰ সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত আমি এই দিশবোৰৰ কথা ভাবি চাব লাগিব। ইয়াৰ পৰিবৰ্তে কুসুম হাজৰিকাই তেখেতৰ সমগ্ৰ পৰ্যালোচনাক গাইগুটীয়া আৰু পাৰিবাৰিক পৰ্যায়লৈ নমাই আনি সমস্যা সমস্যা সমাধানৰ ইতিবাচক দিশবোৰক মূল্যহীন কৰি তুলিছে বুলি আমাৰ ধাৰণা হয়।

মহিলাৰ ওপৰত অত্যাচাৰবোৰ প্ৰকৃততে কোনে কৰে, অসমত এই সমস্যাবোৰ কিমান দূৰলৈকে শিপাইছে, এই অত্যাচাৰবোৰ প্ৰকৃততে মহিলাৰ ওপৰত নিৰ্যাতন হয়নে নহয় এইবোৰ কিছু পাছৰ কথা। প্ৰকৃততে নাৰী-স্বাধীনতাৰ এনেকুৱা এটা তাত্ত্বিক দিশ আছে যে কেৱল অসমৰ মহিলাখিনি কেনেকৈ থাকে সেইকথা বিচাৰ কৰিলে সমস্যা সমাধানৰ প্ৰকৃত পথ পোৱা নাযায়।

"মহিলা নিৰ্যাতন" বা "মহিলাৰ ওপৰত অত্যাচাৰ" এই কথা দুটা হয়তো সকলোৱে মানি ল'ব নোখোজে। তাৰ ঠাইত যদি আমি "নাৰী স্বাধীনতা" বা "নাৰী প্ৰগতি'' ব্যৱহাৰ কৰোঁ, তেনেহলে আলোচনাৰ পৰিসৰ কিছু বহল হয়।

মানৱ জাতিৰ ইতিহাস হৈছে শ্ৰেণী সংগ্ৰামৰ ইতিহাস। সভ্যতাৰ একেবাৰে 'আদিতম স্তৰটো হৈছে আদিম সাম্যবাদ। এই যুগত মানুহে নিজৰ পৰিশ্ৰমৰ ফল নিজে ভোগ কৰিছিল। প্ৰতিজন মানুহেই জীৱন-ধাৰণৰ বাবে শ্ৰম কৰিব লগা হোৱা হেতুকে সেই যুগৰ সমাজত দুটা শ্ৰেণীৰ উদ্ভৱ হোৱা নাছিল। ইয়াৰ পাছতেই আহিল দাস প্ৰথা। এচামে সম্পত্তিৰ ৰক্ষণাবেক্ষণৰ অধিকাৰ হস্তগত কৰি প্ৰভু হ'ল আৰু আনচামে, গৰিষ্ঠসংখ্যক চামে, শ্ৰমৰ দায়িত্ব গ্ৰহণ কৰি দাসৰূপে স্বীকৃত হ'ল। শ্ৰম আৰু মূলধনৰ মাজত দ্বন্দ্ব আৰম্ভ হোৱাৰ লগে লগে সমাজত শ্ৰেণী সংঘৰ্ষৰ সূত্ৰপাত হ'ল। আৰু এইখিনিতেই নাৰী প্ৰগতিৰ ক্ষেত্ৰত হোৱা সামাজিক দ্বন্দ্বৰো আৰম্ভণি। সম্পত্তিৰ ৰক্ষণাবেক্ষণৰ প্ৰশ্ন অহাৰ লগে লগে শাৰীৰিক আৰু মানসিকভাৱে শক্তিবান পুৰুষৰ হাতত সেই অধিকাৰ ন্যস্ত হ'ল আৰু নাৰীয়ে পৰিয়ালৰ ভিতৰুৱা কাম-কাজৰ মাজত নিজকে ব্যস্ত ৰাখিব লগা ব্যৱস্থা স্বীকৃত হ'ল। সমাজৰ সুশৃংখল পৰিচালনাৰ কাৰণে এই ব্যৱস্থা অপৰিহাৰ্য আছিল। কিন্তু তাৰ লগে লগেই অন্য এটা ব্যৱস্থাও স্বীকৃত হ'ল। অৰ্থনৈতিক অধিকাৰৰ ক্ৰমানুগতভাৱেই পুৰুষে লাভ কৰিলে সামাজিক বিচাৰৰ অধিকাৰ, আৰু জীৱন-ধাৰণৰ বাবে পৰমুখাপেক্ষী হ'ব লগা হেতুকেই সময়বিশেষে নাৰীয়ে সামাজিক ক্ষেত্ৰত উচিত বিচাৰ পোৱাৰ পৰা বঞ্চিত হৈ ৰ'ল। আৰু এই এটা ধাৰা বিভিন্ন যুগত বিভিন্ন অৱস্থা পাৰ হৈও সমাজত বৰ্তমান হৈ ৰ'ল। কিন্তু এইখিনিতে এটা কথা মন কৰিব লগীয়া। সামাজিক বিচাৰৰ অধিকাৰ সকলো পুৰুষেই পোৱা নাছিল। সেইদৰে ইয়াৰ ত্ৰুটি-বিচ্যুতিসমূহৰ ভুক্তভোগীও কেৱল নাৰীয়েই নাছিল। দাস প্ৰথা প্ৰবৰ্তিত হৈ থকা কালত দাসসকল, সামন্ত ব্যৱস্থাত ভূমিহীন খেতিয়কসকল, আৰু পুঁজিবাদী অৰ্থ ব্যৱস্থাত শ্ৰমিকসকলেও ত্ৰুটিপূৰ্ণ সামাজিক বিচাৰৰ দ্বাৰা নিষ্পেষিত হৈছিল। সেয়েহে আমি এই ত্ৰুটিপূৰ্ণ সামাজিক বিচাৰ অৰ্থাৎ সমাজ ব্যৱস্থাক যদি প্ৰতিপক্ষ হিচাপে থিয় কৰাওঁ, তেতিয়া এই কথা স্পষ্টভাৱে ধৰা পৰে যে নাৰী-মুক্তি আন্দোলন প্ৰকৃততে সমাজ-মুক্তি আন্দোলনৰহে সমান্তৰাল। নাৰী মুক্তিৰ দ্বন্দ্বত নাৰী আৰু পুৰুষক উভয়পক্ষ বুলি ধৰি ল'লে ভুল কৰা হ'ব। উভয়পক্ষ হৈছেঃ (১) এনেকুৱা এটা সমাজ ব্যৱস্থা, যি পুৰুষক নাৰীৰ ওপৰত কৰ্তৃত্বশীল আৰু নাৰীক পুৰুষৰ ওপৰত নিৰ্ভৰশীল হ'বলৈ বাধ্য কৰাইছে; (২) এই ব্যৱস্থাৰ ভুক্তভোগী সমূহ নাৰী-পুৰুষ।

এতিয়া কুসুম হাজৰিকাৰ প্ৰবন্ধটিত আমাৰ আপত্তিৰ প্ৰধান কাৰণ এয়ে যে তেখেতে এই উভয়পক্ষৰ ধাৰণাত নাৰী আৰু পুৰুষক থিয় কৰাইছে। আকৌ নাৰী নিৰ্যাতনৰ বিষয়ে তেখেতে দাঙি ধৰা কিছুমান ধাৰণাকো আমি সমৰ্থন জনাব নোখোজোঁ। শাহু-বোৱাৰী, নবৌ-ননদৰ মাজত লগা খুটখাট সম্পৰ্কক নাৰী নিৰ্যাতনৰ পৰ্যায়লৈ আনিব নোৱাৰি। সেইবোৰ পাৰিবাৰিক অৱস্থা, সামাজিক সত্য নহয়। নাৰী-নিৰ্যাতন হৈছে নাৰীৰ স্বতন্ত্ৰ ব্যক্তি চেতনাৰ পথত থিয় কৰোৱা কিছুমান হেঙাৰ। যিবোৰৰ কাৰক হৈছে সমাজ; পুৰুষ নহয়।



OKDISCD

এটা কথা সঁচা যে উত্তৰ আৰু মধ্য ভাৰতৰ যৌতুক মৃত্যুৰ বাতৰি-সমূহ আজি কিছু বছৰৰ পৰাহে আমি বহুলভাৱে শুনিবলৈ পাইছোঁ। কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে বাতৰি-সমূহ প্ৰচাৰৰ লগে লগেই সমস্যাবোৰো বাঢ়ি আহিছে। মাত্ৰ বাঢ়িছে সমস্যা-বোৰক সমস্যা বুলি চালি-জাৰি চোৱা সচেতন মানসিকতা; অন্য কথাত এইবোৰৰ বিৰুদ্ধে প্ৰতিবাদ। এই সমস্যাবোৰৰ আলোচনা-সমালোচনাই বিভিন্ন ঠাইত এনেকুৱা সমস্যাৰ জন্ম নিদিয়ে, বৰং পূৰ্বৰপৰা চলি অহা কিছুমান সমস্যাক বিশ্লেষণাত্মক দৃষ্টিৰে বিচাৰ কৰিবলৈহে উদগাব।

এইদৰে আমি সামাজিক আৰু ঐতিহাসিক দুয়োটা দিশৰপৰা বিচাৰ কৰি চালে দেখিম যে বৰ্তমান আমাৰ দেশত (যদিও প্ৰকৃততে ই এটা সৰ্বা-ত্মক সত্য) পাৰিবাৰিক জীৱনত সৰ্ব-সাধাৰণ মহিলাৰ যিটো অৱস্থা "গধুলি গিৰিয়েকৰ কোব", "এজাক ল'ৰা-ছোৱালীৰ জঞ্জাল", "কামৰ গধুৰ বোজা", "শাহুৱেকৰ অত্যাচাৰ"— এই সকলোবোৰ এটা ব্যৱস্থাৰ অনু-সিদ্ধান্ত (corollary) মাথোন। আৰু সেই একে ব্যৱস্থাৰ অন্য কিছুমান অনুসিদ্ধান্ত হৈছে ধৰ্ষণ, যৌতুক-মৃত্যু ইত্যাদি। আৰু অশিক্ষা, নিবনুৱা সমস্যা, অনাহাৰত মৃত্যু এইবোৰকো একেটা ব্যৱস্থাৰ অনুসিদ্ধান্ত বুলি ধৰিব পাৰি। সেয়ে ব্যৱস্থা সলনি নকৰাকৈ সমস্যা সমাধানৰ কথা ভাবিব নোৱাৰি। আৰু সামাজিক তথা ৰাজনৈতিক প্ৰেক্ষাপটৰপৰা আঁতৰাই সমস্যাবোৰক গাইগুটীয়াকৈ বিচাৰো কৰিব নোৱাৰি।

আকৌ কুসুম হাজৰিকাই তেখেতৰ প্ৰবন্ধত যি "পুৰুষ নিৰ্যাতন"ৰ কথা কৈছে, তাতো আমি একমত নহওঁ। বিচাৰটো কিছু স্থূল হৈছে, আৰু ইয়াৰ উত্তৰ দিবলৈ যাওঁতেও কিছু স্থূল হৈ ল'ব লাগিব। গাইগুটীয়া কে'ছসমূহৰ পৰা যে এইবোৰ বিচাৰ কৰা অনুচিত সেই কথা আগতেই কৈ অহা হৈছে। তথাপি এটা কথা ক'ব পাৰি তেতিয়াহে, যদি কোনো শহু-ৰেক-শাহুৱেকে জোঁৱায়েকক "মোৰ ছোৱালীক কেইতোলা সোণ দিলা" বুলি অভিযুক্ত কৰি গাত কেৰাছিন ঢালিলেহেঁতেন।

সেইদৰে আমি বনকৰা ছোৱালী-জনীৰ প্ৰতি কাৰ মৰম বেছি, সেইটো বিচাৰ কৰা উচিত নহয়। আমাৰ বাবে সমস্যা হৈছে তাই কিয় বনকৰা ছোৱালী সেইটোহে। কাৰণ শিক্ষা-দীক্ষা, সামাজিক মৰ্যাদাৰ ক্ষেত্ৰত তাই যিমান দূৰ বঞ্চিত হৈ আছে, তাক গৃহিণীগৰাকীতকৈ বেছি হৈ থকা গৃহস্থৰ মৰমৰ ডিগ্ৰীকণে পূৰাব নোৱাৰে। এগৰাকী মহিলাই হাড়ভগা খাটনিৰে ঘৰুৱা জঞ্জাল, সন্তানৰ লালন-পালন, চাকৰি ইত্যাদি সকলো সামৰিব লগা হ'লেই তেওঁক আমি নিৰ্যাতিতা বুলি ক'ব নোৱাৰোঁ। সেইদৰে অন্য এগ-ৰাকীক দুই-তিনিটা সোণৰ ছে'ট দি বিয়া কৰাই আনি শাহুৱেক-শহুৰেকে সাংঘাতিক মৰমত কুটা এগছ কৰিবলৈ নিদিয়াকৈ ৰাখিলেও আমি তেওঁক সামাজিক বিচাৰৰ উৰ্ধ্বত বুলি ক'ব নোৱাৰোঁ,— যদি তেওঁ নিজৰ সামা-জিক মৰ্যাদা সম্পৰ্কে সচেতন হৈ থকাৰ অধিকাৰ নাপায়।

নাৰী মুক্তি আন্দোলনৰ লক্ষ্য আৰু উদ্দেশ্য কি হোৱা উচিত, সেয়া সমাজতান্ত্ৰিক দেশসমূহত নাৰীৰ অৱস্থালৈ পৰ্যবেক্ষণ কৰিলে ভালদৰে উপলব্ধি কৰিব পাৰি। য'ত সম্পত্তিৰ ব্যক্তিগত ৰক্ষণাবেক্ষণৰ ব্যৱস্থা নাই, তাত নাৰীৰ সামাজিক, ৰাজনৈতিক মৰ্যাদাও অটুট থাকে। নাৰী মুক্তি আন্দোলন আৰু সমাজ-মুক্তি আন্দো-লন প্ৰকৃততে একেটা মুদ্ৰাৰে দুই পিঠি। আৰু ই এটা জাতিৰ সমস্যাও নহয়; বৰং এটা সাৰ্বজনীন সত্য।




*টংলা মহাবিদ্যালয়ৰ ইংৰাজীৰ অধ্যাপিকা, কথা-সাহিত্যিকা শ্ৰীমতী অৰূপা পটংগীয়া কলিতাৰ অভিনৱতম বাণী-অৰ্ঘ্য ঃ*

**মৃগনাভি**

অধ্যাপিকা অৰূপা পটংগীয়া কলিতাই সম্ভাৱনাপূৰ্ণ কথা-সাহিত্যিকা ৰূপে অসমীয়া সাহিত্যৰ মঞ্চত ইতিমধ্যে অৰ্থপূৰ্ণ ভূমিকা গ্ৰহণ কৰিবলৈ সক্ষম হৈছে। তেওঁৰ সদ্য প্ৰকাশিত 'মৃগনাভি' মৃগমদ 'কস্তুৰী'ৰ দৰেই সাৰ্থক সৃষ্টিৰ স্বাক্ষৰ। আংগিকৰ ফালৰপৰা 'মৃগনাভি' নিঃসন্দেহে সফল উপন্যাস। সংবেদনশীলা নাৰী এগৰাকীৰ অলিখিত বেদনাবাঞ্জিক কেন্দ্ৰ কৰি ঘূৰ্ণায়মান 'মৃগনাভি'ৰ কথাবৃত্ত। সংঘাত বহুল জীৱনত সংঘটিত দুৰ্বাৰ অন্তৰ্দ্বন্দ্ব আৰু তাৰ ফলশ্ৰুতিত সামন্ত-যুগীয় মূল্যবোধৰ বিপৰীত বিন্দুত থিয় দি প্ৰগতিবাদী মূল্যবোধৰ অনুকূলে বলিষ্ঠ পদ-নিক্ষেপ কৰিবলৈ সক্ষমা এগৰাকী নাৰীৰ জীৱনযুদ্ধৰ বাস্তৱ কাহিনীয়ে 'মৃগনাভি'ত বাংময় ৰূপ লাভ কৰিছে—প্ৰতীকী ভাষা আৰু বৰ্ণনাৰ সংযোগত। ব্যঞ্জনা প্ৰধান ভাষাৰ সহায়ত পৰিবেশন কৰা পৰিস্থিতি বিশেষৰ চিত্ৰণ-নিশ্চিতভাৱে বৈখিক চিত্ৰ (graphic) ধৰ্মী।

কাহিনীৰ বিচিত্ৰতা, চৰিত্ৰৰ গতিশীলতা, কথোপকথনৰ সজীৱতা, বৰ্ণনাৰ তীব্ৰতা আৰু ঘনতা আদি বৈশিষ্ট্যৰে সমৃদ্ধ 'মৃগনাভি' ঔপন্যাসিকাৰ উৎকৃষ্ট অৱদান।

ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্যৰ মনোমোহা অংগ-সজ্জাৰে সমৃদ্ধ। *বেচ দহ টকা*

বাণী প্ৰকাশ
পাণবজাৰ গুৱাহাটী - ১

TULI-KALAM




# কেঁচুৱাৰ আপডাল ঃ পাছৰ শৃংখলাবদ্ধ জীৱনৰ বাবে

মায়া বৰুৱা

শিশু এটিৰ জন্মৰ পাছত ল'ব লগা যত্নৰ বিষয়ে প্ৰথমবাৰ মাতৃ হোৱা তিৰোতাগৰাকীক নানা জনে নানা ধৰণে উপদেশ দিয়ে। এজনৰ লগত আনজনৰ কথাখিনিৰ মিল নেদেখিলেই নতুন মাতৃ গৰাকীৰ মনত খোকোজা লাগে। কাৰ কথা ধৰোঁ। কাৰ কথা এৰোঁ— এনে এটা অৱস্থা হয়। পিছে ডাঙৰ কথা হ'ল,— প্ৰথম অৱস্থাৰ পৰাই কিছুমান কথা শৃংখলাবদ্ধভাৱে পালন কৰি নগলে বিভিন্ন পৰ্যায়ত শিশু ডাঙৰ কৰাৰ ক্ষেত্ৰত কিছুমান কেৰোণ সোমাই যায়। সেইবোৰৰ ফলতেই যদি এদিন পিতৃ-মাতৃয়ে— "আজিকালি ল'ৰা-ছোৱালী চম্ভালিব নোৱৰা হ'ল"— বুলি আক্ষেপ কৰিব-লগীয়া হয়, তেন্তে আচৰিত হ'ব-লগীয়া একো নাই।

প্ৰথমেই চোৱা যাওক খোৱা-বোৱাৰ কথাটোলৈ। একেবাৰে সৰু অৱস্থাত শিশুক সময় ৰাখি খুওৱাটো অতি অসুবিধাজনক। কিয়নো প্ৰথম এমাহ-দুমাহ কেঁচুৱা শুয়েই থাকে আৰু সিহঁতে বেছিকৈ খাব নোৱাৰে। কিন্তু দুমাহমান হোৱাৰ লগে লগে সিহঁতক নিৰ্দিষ্ট সময়তহে খাবলৈ দিব লাগে। সকলো শিশুৱে সমান পৰিমাণৰ বস্তু খাব নোৱাৰিবও পাৰে। কেতিয়াবা শিশুৱে নাখালে বা খাওঁতে দিগদাৰ কৰিলে জোৰ কৰিব নালাগে; কিয়নো সিহঁতৰো পেট-মূৰ বেয়া লাগিব পাৰে বা খাবৰ মন নাযাব পাৰে। প্ৰথম অৱস্থাত শিশুক মাকৰ গাখীৰ খুওৱাই অতি ভাল ব্যৱস্থা। মাকৰ গাখীৰনথকা বা চাকৰি কৰা মাতৃৰ শিশুকহে বটলত গাখীৰ খুৱাব লাগে। সুবিধা-মতে বটল আৰু শিশুৰ আন বাচন ভালকৈ ধুই ডাঙৰ ছছপেন এটাত পানীত তল যোৱাকৈ থৈ ভালদৰে উতলিবলৈ দিব লাগে। গোটাই হওক বা পনীয়াই হওক, আহাৰ খুওৱাৰ পাছত কেঁচুৱাক কান্ধত পেলাই লৈ পিঠি মোহাৰি গেছ উলিয়াবলৈ পাহৰিব নালাগে। তেতিয়া শিশুটিয়ে বৰ আৰাম পায়। গৰুৰ গাখীৰ দিবলৈ হ'লে প্ৰথমতে আধাতকৈও বেছি পানী দিহে খুৱাব লাগে। টেমাৰ গাখীৰ দিবলৈ হ'লে জনা-শুনা লোকক নোসোধাকৈ দিব নালাগে। পানী খুওৱাৰ অভ্যাস প্ৰথমৰে পৰা কৰিব লাগে। দিনটোত দুই-তিনিবাৰকৈ গৰম কৰি চেঁচা কৰা পানী বটলত ভৰাই খুৱাব লাগে।

শিশুক জন্মৰেপৰা বেলেগে শুৱাব লাগে। তেতিয়া মাকৰ কষ্টও কম হয় আৰু কেঁচুৱাৰো ভালকৈ টোপনি অহাত সহায় হয়। বতাহৰ চলাচল হ'ব পৰা, জেকা ভাব নোহোৱা কোঠাত শিশুক থব লাগে। প্ৰথম অৱস্থাত কেঁচুৱাই বেছি সময় শুয়েই থাকে। পাছলৈও তাক নিজে নিজে শোৱাৰ অভ্যাস কৰাব লাগে। কান্ধত লৈ জোকাৰি, গান গাই বা বিচনাত থৈ পিঠি বা টিকাত থপৰিয়াই শুৱা-বলৈ এবাৰ অভ্যাস কৰিলে সেই অভ্যাস পাছত এৰুৱাব নোৱাৰি। আনকি ডাঙৰ হ'লেও, অৰ্থাৎ নিজে খেলা-ধূলা কৰি ফুৰিব পৰা অৱস্থাতো শিশুৰ এটা সময়তে শোৱাৰ অভ্যাস থাকিব লাগে। তাৰ কাৰণে জোৰ-জবৰদস্তি নকৰি ল'ৰা-ছোৱালীক মানসিকভাৱে প্ৰস্তুত কৰিব লাগে। মনত দুখ নোপোৱাকৈ সিহঁতৰ দৈনিক অভ্যাস ঠিকে ৰখাৰ চেষ্টা কৰিব লাগে। সময় যে ৰাখিব লাগিব সেইটো সিহঁতক বুজিবলৈ দিব লাগে। এই বয়সতে হোৱা সময়ৰ জ্ঞানে সিহঁতক পাছৰ জীৱনতো শৃংখলাবদ্ধ আৰু নিয়মানুবৰ্তী হ'বলৈ কিছু পৰি-মাণে হলেও সহায় কৰিব।

শিশুৰ পিন্ধা-উৰাৰ ক্ষেত্ৰতো সাৱধানতা লব লাগে। সিহঁতৰ কাপোৰ ঢিলা, কোমল হ'ব লাগে। ৰ'দত বহুত সময় থকা কাপোৰ ইস্ত্ৰি কৰিহে পিন্ধাব লাগে; কিয়নো— সিহঁতৰ কোমল গাত টানকৈ শুকোৱা কাপোৰে অস্বস্তিৰ সৃষ্টি কৰিব পাৰে। শিশুৰ কাপোৰ ৰ'দৰ পৰা আনি জোকাৰিহে জাপিব লাগে; কিয়নো মেলি থোৱা অৱস্থাত সেইবোৰত পোক-পৰুৱা উঠি থাকিব পাৰে। সেইদৰে ডাঠ বা টান হোৱা কাপোৰো পিন্ধাব নালাগে। কাপোৰ সলালেই কেঁচুৱাৰ গাঁত পাউডাৰ দিব লাগে। কেঁচুৱাৰ কাপোৰ সদায় এক ছাইজ ডাঙৰ হোৱাই ভাল। সিহঁতক উদং গাৰে কোনো সময়তে ৰাখিব নালাগে। অৱশ্যে ঠাণ্ডা দিনতো বহুত কাপোৰ পিন্ধাব নালাগে, প্ৰথমৰে পৰা সকলো কথাতে বেছি একো নকৰিলে পাছত ডাঙৰতো সিহঁতে অলপতে কষ্ট নাপায়।

শুৱাবৰ বাবেও কম পোহৰ থকা কোঠাত কোমল ঢিলা কাপোৰ পিন্ধাই শুৱাব লাগে। বহুতে কেঁচুৱাক গাৰু দিয়া বেয়া বুলি কয়; কিন্তু পাতল গাৰু এটা দিলে কেঁচুৱাই শুই আৰাম পায়। বেছি সময় বিচনাত থলে সিহঁতে ভৰি-হাত মাৰি ভাল পায়। তেনে কামে সিহঁতক বঢ়াত সহায় কৰে। কেঁচুৱা শুইছে বুলিলেই একেবাৰে নিজান হবও নালাগে; কিন্তু বেছি ডাঙৰ শব্দ বা বেছি পোহৰো কেঁচুৱাৰ কাৰণে ভাল নহয়।

কেঁচুৱাৰ কাম কৰাৰ আগতে যিকোনো মানুহেই হাত ভালদৰে ধুব লাগে। কেঁচুৱাক মুখত চুমা খোৱা অভ্যাস বেয়া। খুওৱা, ধুওৱা, শুওৱা বা প্ৰস্ৰাৱ-পায়খানা কৰোৱা সকলো কাম সময় মতে কৰালে পাছলৈ সিয়েই অভ্যাসত পৰিণত হয়, আৰু পাছৰ জীৱনত তাৰপৰা বৰ উপকাৰ পোৱা যায়। তদুপৰি তেনে কৰিলে মাকৰ বা ঘৰখনত থকা আন মানুহৰো সময়ৰ জ্ঞান হয় আৰু আহৰিও ওলায়।

# কাৰবি ৰামায়ণ

# চাবি আলুন

বীৰেন্দ্ৰ কুমাৰ গোঁহাই

অসমৰ কাৰবিসকলৰ মাজত বহু যুগ ধৰি চাবি আলুন নামেৰে অভিহিত ৰামায়ণৰ গীতি-কাহিনী মুখে মুখে চলি আহিছে। এই গীতি-কাহিনীৰ স্বকীয় বৈশিষ্ট্য আৰু মাধুৰ্য আছে। এই চাবি আলুন বা ৰাম লক্ষ্মণৰ গীত কোনে সৃষ্টি কৰিছিল সেইটো সঠিককৈ কোৱা কঠিন। কাৰবিসকলৰ পৰম্পৰাগত কাহিনীত পোৱা যায় যে ৰুকাচেন ককাৰ ঘৰত এই গীতি-কাহিনী গোৱা হৈছিল। হামৰেণ মহকুমাৰ কোনো কোনো জ্ঞানী লোকৰ মতে কাৰবি ৰামায়ণৰ স্ৰষ্টা হ'ল লুঞ্চে বে নামৰ 'বে' বংশৰ এজন লোক। মুখে মুখে চলি অহা কাৰণে ইয়াক জিলাখনত বহুতো ৰূপত পোৱা যায়। এজনে অতি সংক্ষিপ্তভাৱে কাৰবি ৰামায়ণখন গাই শুনাইছিল; আনহাতে এজনে ছুদিন ছুৰাতি ধৰি গাইহে ইয়াক শেষ কৰিব পাৰিছিল।

সম্পূৰ্ণকৈ ৰামায়ণ গোৱাৰ আগতে গায়কজনে হেমফু দেৱতাক পূজা কৰাৰ দৰে শ্ৰীৰাম আৰু লক্ষ্মণৰ পূজা কৰি ল'ব লাগে। এই বিষয়ে বহল বাখ্যা মোৰ "ডি হিল্ কাৰবিজ" নামৰ কিতাপখনত দিয়া আছে। কোনো কোনো গায়কে ৰাম-ৰাৱণৰ যুদ্ধৰ কাহিনীভাগ নোগোৱাকৈয়ে ৰামায়ণগীত শেষ কৰে; তেতিয়া সেই গায়কে পূজা দিব নালাগে। যদি যুদ্ধৰ কথা গোৱা হয়, তেনেহলে, কাৰবিসকলৰ বিশ্বাসমতে, পূজা পাতল নকৰিলে সেই গায়কৰ গাঁৱত কাজিয়া-কন্দল হয়।

কাৰবিসকল স্বভাৱকবি আৰু তেওঁলোকৰ এনে কোনো উৎসৱ অনুষ্ঠান নাই য'ত তেওঁলোকে গীত নাগায়। সেই গীত-প্ৰেমৰ বাবেই ৰামায়ণৰ দৰে দীঘল কাব্য মুখে মুখে ইমান দিন চলি আহিছে আৰু ই লুপ্ত হৈ যোৱা নাই।

চাবি আলুনৰ কাহিনী কোনো কোনো ক্ষেত্ৰত বাল্মিকী ৰামায়ণৰ কাহিনীভাগৰ পৰা আঁতৰি গৈছে।

শ্ৰীৰামৰ চৰিত্ৰ ইয়াত কাৰবি ঠাঁচত গঢ় দিয়া হৈছে। বিয়াৰ পাছত এবছৰ শহুৰেক জনক ৰজাৰ ঘৰত গভীয়া খটা, এবছৰ ধৰি খেতি-বাতি কৰি ঘৰৰ ল'ৰাৰ দৰে থকা। ৰাম-ৰাম-লক্ষ্মণৰ ভ্ৰাতৃ-প্ৰেম ইত্যাদি কথাত কাৰবি জীৱনৰ চাৰিত্ৰিক বৈশিষ্ট্য ফুটি উঠিছে। ৰাম-সীতাৰ বিবাহ-বৰ্ণনাত দেখা যায় যে অতিথি সৎকাৰ, খোৱা-লোৱাৰ ওপৰতহে বেছি গুৰুত্ব দিয়া হৈছে। কাৰণ অতিথি পৰায়ণতা কাৰবিসকলৰ বৈশিষ্ট্য।

কাৰবি ৰামায়ণত জনকৰজাৰ ধনুখন বাৰদিন ধৰি কমাৰে গঢ়িছিল বুলি উল্লেখ আছে। হৰধনুৰ উল্লেখ ইয়াত নাই। মোৰ মতে, কাৰবিসকলৰ ধৰ্ম বিশ্বাসত শিৱৰ স্থান নোহোৱাৰ বাবেই ধনুখন মহাদেৱে জনকৰজাক দান কৰাৰ আখ্যান কাৰবি ৰামায়ণত নাই। আৰু ভালেমান সৰুসুৰা পাৰ্থক্য দেখা যায়। সীতাৰ শাৰীৰিক বলৰ পৰিচয় দিবলৈ কোৱা হৈছে যে সীতাই জনকৰজাৰ উপাসনা-গৃহত ৰখা ধনুখন বাঁওহাতেৰে দাঙি ঠাই সাৰিছিল। তদুপৰি কৈকেয়ীৰ পিতৃ কৈকেয়ৰ চৰিত্ৰ সম্পূৰ্ণ কাল্পনিক। ৰাৱণে হৰণ কৰি নিওঁতে সীতাই ৰামক ভাগ্যৰ লিখনৰ কথা কৈছিল। কাৰবিসকলৰ ভাগ্যৰ ওপৰত থকা বিশ্বাসৰ কথা এই ঘটনাত প্ৰকাশ পাইছে।

হনুমানক কাৰবিসকলে হলি নামেৰে জানে আৰু যাভা আদি দ্বীপত যেনেদৰে হনুমানৰ বীৰত্বত প্ৰাধান্য দিয়া হয়, তেনেদৰে কাৰবি ৰামায়ণতো হলিৰ কাৰ্যকলাপে প্ৰাধান্য লভিছে। কাৰবিসকলে হনুমানক বীৰ, যোদ্ধা, নকৰিব লগা কাম কৰা, ভীমৰ দৰে গুৰুভোজনকাৰী বুলি বৰ্ণনা কৰিছে আৰু সৰু ল'ৰাৰ অতি প্ৰিয় চৰিত্ৰ হিচাপে ৰূপায়িত কৰিছে। কাৰবিসকলে নিজকে বালিৰ বংশধৰ বুলি ভাবে; গতিকে কাৰবি ৰামায়ণত বালিক বীৰৰূপে দেখুৱাইছে। বালিৰ ভ্ৰাতৃ সুগ্ৰীৱক বালিৰ জীৱিত কালতেই অনুশোচনাত ভোগা ভ্ৰাতৃৰূপে দেখুৱাইছে। বালি আৰু সুগ্ৰীৱৰ যুদ্ধ ডাঙৰ গছৰ ডালত হোৱা বুলি দেখুৱাইছে আৰু এই বৰ্ণনাত বান্দৰে গছতহে যুদ্ধ কৰিব পাৰে বুলি কাৰবিসকলৰ সহজাত ধাৰণা ব্যক্ত হৈছে।

হনুমানে প্ৰথমবাৰ স্বৰ্ণলংকালৈ গৈয়েই ৰাৱণক দেখা কৰিবলৈ যায় বুলি কাৰবি ৰামায়ণত বৰ্ণনা কৰা হৈছে। ৰাৱণৰ ওচৰলৈ গৈ আসন বিচাৰিলত ৰাৱণে ক'ৰ বান্দৰ এটাক আসন দিম বুলি ইতিকিং কৰিলত হনুমানে নেজডালকে পাৰি বহি ৰাৱণক ক'লে যে ৰাৱণৰ কোনো বীৰেই তেওঁক তুলিব নোৱাৰিব। সঁচাকৈ সেয়েই ঘটিল। বাল্মিকীৰ ৰামায়ণত এনে বৰ্ণনা নাই। তদুপৰি শ্ৰীৰামৰ জন্ম হওঁতে ৰাৱণৰ ৰাজ-মুকুট সৰি পৰা বৰ্ণনাও মূল ৰামায়ণত নাই।

কাৰবিসকলে ৰজাৰ নগৰীৰ কথা কল্পনা নকৰি ৰজাৰ গাঁৱৰ কথাহে কল্পনা কৰে। বোধকৰোঁ কাৰবিসকলৰ নিজৰ ৰজাই গাঁৱত বাস কৰা কথাই এই কল্পনাক সহায় কৰিছে। গতিকে কাৰবি ৰামায়ণত জনকৰজাৰ গাঁৱৰ কথা পোৱা যায়; অসুৰ ৰজাৰ গাঁৱৰ কথা পোৱা যায়। তদুপৰি কৃষিজীৱী কাৰবিসকলৰ মানসত শ্ৰীৰামেও জনক-ৰজাৰ ঘৰত গভীয়া খাঁটোতে ধান খেতি কৰিছিল বুলি বিশ্বাস প্ৰকট হৈ আছে আৰু কাৰবি ৰামায়ণত তাৰ বিশদ বৰ্ণনা আছে। কাৰবি ৰামায়ণত জনকৰজাই সীতাক নাঙলৰ আগত পোৱাৰ কথা উল্লেখ নাই; বৰঞ্চ জনকৰজাৰ অনুপস্থিতিত ৰজাৰ হালোৱাই পথাৰত কোৰ মাৰোঁতে বিৰাট ডাঙৰ কণী এটা পোৱাৰ কথাহে আছে। জনক পত্নীয়ে যেতিয়া সেই কণীটোৰ ঠাইত অতি সুন্দৰী ছোৱালী এজনী দেখিলে, তেতিয়া তেওঁৰ প্ৰথম চিন্তা হ'ল যে জনক-ৰজাই এই সুন্দৰীক দেখি তেওঁক ত্যাগ কৰিবও পাৰে। গতিকে জনক-ৰজা ঘূৰি অহাৰ পাছত, তেওঁ ৰাণীক কেতিয়াও ত্যাগ নকৰোঁ বুলি প্ৰতিজ্ঞা কৰাতহে, ৰাণীয়ে সীতাক ৰজাৰ ওচৰলৈ আনিলে।

এই সকলো বৈশিষ্ট্য লৈয়েই ৰামায়ণ কাৰবিসকলৰ মাজত প্ৰচলিত হৈ আছে। এই কথাই কাৰবিসকলৰ প্ৰাচীনত্ব প্ৰমাণ কৰাৰ উপৰিও একালত কাৰবিজনগোষ্ঠীৰ মাজত আৰ্য প্ৰভাৱৰ কথাৰো সম্ভেদ দিয়ে। 'বে' গোষ্ঠীত যে বাহিৰৰ পৰা অহা এক জনগোষ্ঠী সোমাই আছে সেই কথা সেই গোষ্ঠীৰ বংশ-পৰম্পৰাৰ পৰা বুজা যায়। 'বে' গোষ্ঠীৰ লোকে এতিয়াও নিজকে মাছমৰীয়া বুলি পৰিচয় দিয়ে। এই লোকসকলে নিশ্চয় আদিতে কোনো ডাঙৰ নদীৰ পাৰত বাস কৰিছিল। কাৰবিৰ অন্যান্য গোষ্ঠীৰ লোকসকলৰ পাহাৰৰ বাসিন্দাৰ পৰম্পৰা আছে। গতিকে কাৰবিসকলৰ মাজত মিলিত হৈ বাহিৰৰ এক জন-গোষ্ঠীয়ে কাৰবি ভাষা সমৃদ্ধ কৰিলে—বুলি ভবাৰ থল আছে।

কাৰবি ৰামায়ণখন "লৰি" নামৰ ছন্দত ৰচা। প্ৰতিফাকি গীত "অবং ৰূপ চাবি লৰি" বুলি আৰম্ভ কৰি "তাং বং ৰূপ চাবি লৰি" ৰে শেষ কৰা হয়। কাৰবি ৰামায়ণত জনা-লোকে কাব্যৰ বৈশিষ্ট্য দেখা পাব। আশাকৰোঁ সাহিত্য প্ৰেমীসকলে কাৰবি কাব্যজগতৰ দ্বাৰ মুকলি কৰি আজিলৈকে অপ্ৰকাশ হৈ থকা সম্পদৰ মূল্য নিৰূপণ কৰিব।

অযোধ্যাৰ ৰজা দশৰথৰ তিনি-গৰাকী ৰাণী আছিল। তেওঁলোকৰ কোনো সন্তান জন্ম হোৱা নাছিল। এদিন ৰজা দশৰথে মনৰ দুখত বাটে বাটে গৈ থাকোঁতে বাটতে এজন বৃদ্ধ ঋষিক লগ পালে আৰু তেওঁৰ উপদেশমতে অসুৰৰ ৰজাৰ ওচৰলৈ গৈ তিনিটা সুমথিৰা টেঙা আনিলে। বাটতে দুটা সুমথিৰা কাউৰীয়ে থপিয়াই নিয়াত ৰজাই গৈ বাকী থকা সুমথিৰাটো আটাইকেইজনী ৰাণীকে সমানে ভগাই খাবলৈ ক'লে। ৰাণী সুমিত্ৰাৰ ভাগত এফুটা সুমথিৰা বেছিকৈ পৰিল। এদিন ৰজা দশৰথে মৃগয়ালৈ গৈ হাবিৰ মাজৰ পৰা নৈৰ ঘাটত পানী খোৱাৰ শব্দ শুনি শব্দভেদী বাণ মাৰি ঋষিপুত্ৰ শ্ৰৱণ কুমাৰৰ মৃত্যু ঘটালে। অন্ধ মুনিৰ ওচৰলৈ তেওঁক লৈ যোৱাত মুনিয়ে দশৰথৰো পুত্ৰ শোকত মৃত্যু হ'ব বুলি অভিশাপ দিলে। তাৰ পাছত মুনি আৰু মুনিৰ ভাৰ্যাই পুত্ৰৰ শোকত প্ৰাণ ত্যাগ কৰিলে। ইতিমধ্যে ভগবানে ৰাণী কৌশল্যাৰ গৰ্ভত শ্ৰীৰামৰূপে স্থিতি লোৱাত ৰাজ্যত অনাবৃষ্টি হ'ল। ৰজাই ভগবানক প্ৰাৰ্থনা কৰি জানিবলৈ পালে যে ভগবানে তেওঁৰ ঘৰত স্থিতি লোৱাৰ কাৰণেই এই অনাবৃষ্টি হৈছে। ভগবানৰ আদেশ অনুযায়ী ৰজাই শনি দেৱতাক পূজা কৰিলে। তেতিয়া ৰাজ্যত পুনৰ বৃষ্টি হ'ল আৰু কালক্ৰমত ভগবানে শ্ৰীৰামৰূপে জন্মগ্ৰহণ কৰিলে। ভৰত, লক্ষ্মণ আৰু শত্ৰুঘ্নৰো জন্ম হ'ল। ইফালে ৰজা জনকৰ ঘৰত খেতি কৰোঁতে মাটিত ডাঙৰ কণী এটা পাই কামকৰা মানুহে জনকৰজাৰ ৰাণীক দিলেগৈ। ৰজা তেতিয়া বিদেশত আছিল। কেইদিনমানৰ পাছত ৰাণীয়ে কণীটো চাবলৈ গৈ দেখে যে এজনী ধুনীয়া ছোৱালীয়ে মুকুতাৰ দৰে দাঁত জিলিকাই তেওঁলৈ চাই হাঁহি নিজকে তেওঁৰ জী আৰু সীতা বুলি পৰিচয় দিছে। ছোৱালীজনীয়ে এদিন কণীৰ পৰা ওলাই দীঘল বাঢ়নী এডালেৰে ৰজাৰ ঘৰৰ আশে-পাশে থকা গছনিবোৰ সাৰি আঁতৰাই পেলালে। ৰাণীয়ে কথা বিষম দেখি ছোৱালী-জনীক এটা কোঠালিত বন্ধ কৰি থলে। জনক ৰজা ঘূৰি আহিলত ৰাণীয়ে সীতাৰ চিনাকি দিলে। জনকে সীতাক নিজ-কন্যা বুলি গ্ৰহণ কৰি, নিজৰ ঘৰত থকা লোহাৰ ধনুখন যেয়ে দাঙি শৰ মাৰিব পাৰিব, তেওঁলৈকে সীতাক বিবাহ দিব বুলি প্ৰতিজ্ঞা কৰিলে। সীতা কালক্ৰমত এজনী অতি ৰূপৱতী আৰু গুণৱতী ছোৱালী হ'ল। ৰজা জনকে প্ৰজাসকলৰ লগত পৰামৰ্শ কৰি স্বৰ্ণলংকাৰ অধিপতি ৰাৱণক ধনু ভংগ কৰিবলৈ মাতিলে। ৰাৱণে আকাশ মাৰ্গেদি ৰথত আহি জনক ৰজাৰ ঘৰ পালেহি; কিন্তু অশেষ চেষ্টা কৰিও তেওঁ ধনুখন দাঙিব নোৱাৰি লাজ পাই ঘূৰি গ'ল। এদিন পানবিছী নামৰ অঘৰী এজনে ৰাম-লক্ষ্মণৰ সম্ভেদ দিয়াত দুয়োকো ৰজা জনকে নিমন্ত্ৰণ জনালে। তেওঁলোক আহি ৰজা জনকৰ ওচৰত উপস্থিত হ'ল আৰু তেওঁৰ নিৰ্দেশমতে শ্ৰীৰামে ধনুখনত শৰ জুৰিলে। এই অসাধ্য-সাধনৰ পাছত জনকে ৰজা দশৰথ আৰু ৰাজ-ৰাণীসকলক মতাই পঠালে। তাৰ পাছত অতি ধুমধামেৰে শ্ৰীৰাম-সীতাৰ বিবাহ সম্পন্ন হ'ল।

স্বৰ্ণলংকাৰ ৰাৱণে এই বাৰ্তা পাই দশৰথৰ ৰাণী কৈকেয়ীৰ পিতৃ কৈকেয়ৰ ওচৰলৈ গ'ল। পুৰণি বন্ধুত্বৰ কথা কোৱাৰ বাৰণে কৈকেয়ক দুহিতা কৈকেয়ীক মাতি আনিবলৈ বুদ্ধি দিলে। সেইমতে মাতি পঠালত কৈকেয়ী আহিল আৰু ৰজা কৈকেয়ই দশৰথ ৰজাৰ পৰা দুটা বৰ মাগি প্ৰথম বৰত ৰামৰ বাৰবছৰ বনবাস আৰু দ্বিতীয় বৰত নিজপুত্ৰ ভৰতক ৰজা পাতিবলৈ প্ৰতিজ্ঞাবদ্ধ কৰাবলৈ কৈকেয়ীক উপদেশ দি মাতি কৰালে। কৈকেয়ীয়ে ৰামৰ ৰাজ অভিষেকৰ দিনা এনেদৰে দুটা বৰ মাগিলত দশৰথ ৰজা শোকত ম্ৰিয়মান হ'ল। তেতিয়া শ্ৰীৰামে নিজেই উপযাচি বনবাসলৈ গ'ল। ভ্ৰাতৃ লক্ষ্মণ আৰু পত্নী সীতায়ো ৰামৰ পিছে পিছে যাত্ৰা কৰিলে। দশৰথ ৰজাৰ পুত্ৰ শোকত মৃত্যু হ'ল।

স্বৰ্ণলংকাৰ অধিপতি ৰাৱণে নিজৰ ভগ্নী থেচোমাহিডিক (সূৰ্পণখাক) লক্ষ্মণক বিয়া কৰি শ্ৰীৰামৰ সৈতে বন্ধুত্ব কৰিবলৈ বনলৈ পঠাই দিলে। সূৰ্পণখাই নিজকে সীতাৰ মাহীয়েকৰ জীয়েক বুলি পৰিচয় দি সীতাৰ প্ৰিয়পাত্ৰী হৈ ৰামলক্ষ্মণৰ কুটীৰতে থাকিল। শ্ৰীৰামে অবিবাহিত লক্ষ্মণক সীতাৰ কথামতে সূৰ্পণখাক বিয়া কৰিবলৈ কোৱাত লক্ষ্মণে ৰাক্ষসৰ মায়া বুজি অমান্তি হ'ল। এদিন ৰাতিপুৱা সীতাৰ বুদ্ধি-মতে সূৰ্পণখাই নদীৰ ঘাটত লক্ষ্মণক জোৰ কৰি গা ধুৱাই দিবলৈ চেষ্টা কৰাত লক্ষ্মণে খণ্ডতে সূৰ্পণখাক নাক-কাণ কাটি খেদি পঠালে। সূৰ্পণখাই পোনে পোনে গৈ ৰাৱণক নিচৰ দুৰ্দশাৰ কথা কোৱাত ৰাৱণে মাৰিচক সোণৰ হৰিণ ৰূপে আগবঢ়াই নি, বুদ্ধি কৰি সীতাক হৰণ কৰি, নিজৰ ৰথত উঠাই আকাশ মাৰ্গেদি গমন কৰিলে। তলৰ পৰা শ্ৰীৰামে সীতাক ৰথত দেখি ৰাৱণক মাৰিবলৈ শৰ জুৰি লোৱাত সীতাই চিঞৰি-চিঞৰি ক'লে, "শৰ নামাৰিবা। মোক দুষ্ট ৰাৱণে হৰণ কৰিব বুলি মোৰ ভাগ্যত লিখা আছে। কোনেও জোৰ কৰি নিজৰ ভাগ্যৰ পৰিবৰ্তন কৰিব নোৱাৰে। ...। মোৰ বাবে দুখ নকৰিবা। কোনেও মোক স্পৰ্শ কৰিব নোৱাৰে। কোনোবাই কৰিলে সি জহি-খহি মৰিব।"

সীতাৰ সন্ধানত ঘূৰি ফুৰোঁতে ৰাম-লক্ষ্মণক সুগ্ৰীৱে দেখা পালে আৰু ৰামৰ সহায়ত ভ্ৰাতৃ ৰজা বালিক বধ কৰি তেওঁ কিষ্কিন্ধ্যাৰ ৰজা হ'ল। হনুমানে (হলি) স্বৰ্ণলংকালৈ গৈ বন্দীনী সীতাক এখন হাবিত পাই ৰামৰ আঙঠি দেখুৱাই গোটেই কাহিনীটো ক'লে। তাৰপাছত ৰাৱণৰ সভালৈ গৈ আসন নিদিয়াত নিজৰ নেজ পাৰি বহি লৈ ৰাৱণক ৰাক্ষসৰ পৰাক্ৰম দেখুৱাবলৈ আহ্বান কৰিলে। ৰাৱণৰ সকলো বীৰে হলিক বহি থকা ঠাইৰপৰা লৰ-চৰ কৰিব নোৱাৰি লজ্জিত হ'ল। হলিয়ে ৰাৱণৰ ৰাজ্য ঘূৰি-পকি চাই ৰামৰ ওচৰ পালেগৈ। ইতিমধ্যে ৰাৱণ-ভ্ৰাতৃ বিভীষণ আহি ৰামৰ লগ লাগিলহি। বিভীষণৰ বুদ্ধিমতে আৰু সাগৰ দেৱীৰ কথামতে সাগৰৰ পানীত ৰাম নাম লৈ শিলবোৰ থোৱাত শিলবোৰ ওপঙিল আৰু সেই শিলৰ সেতুয়েদি পাৰহৈ ৰাম, লক্ষ্মণ সুগ্ৰীৱ, হনুমান আৰু অন্যান্য বান্দৰ সৈন্য স্বৰ্ণলংকা পালেগৈ। ৰাম প্ৰথমতে লক্ষ্মণ আৰু হলিক পঠাই সীতাক বিনাযুদ্ধে ঘূৰাই দিবলৈ ৰাৱণক কোৱালে; কিন্তু ৰাৱণ অমান্তি হোৱাত ৰামে ৰাৱণৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে! যুদ্ধত এজন এজনকৈ ৰাক্ষস বীৰসকলৰ পতন ঘটিল আৰু শেষত ৰাৱণৰ মৃত্যুৰ লগে লগে যুদ্ধৰ অৱসান ঘটিল। সীতাক উদ্ধাৰ কৰি ৰাম অযোধ্যালৈ আহিল আৰু অযোধ্যাৰ ৰজা হ'ল। এদিন প্ৰজাসকলে ৰাণী সীতাৰ সতীত্বৰ প্ৰতি তিৰ্যক মন্তব্য কৰা শুনি শ্ৰীৰামে লক্ষ্মণক সীতাক বনত এৰি থৈ আহিবলৈ ক'লে লক্ষ্মণে ৰামৰ আদেশ পালন কৰিলে। গৰ্ভৱতী সীতাই এজন ঋষিৰ আশ্ৰমত আশ্ৰয় পালে আৰু কালক্ৰমত তাতে লৱ আৰু কুশ নামৰ দুটি সন্তানৰ জন্ম দিলে। এদিন লৱ-কুশই ৰামৰ ঘোঁৰা বান্ধি থলত হনুমানে বিচাৰি আহি বনত সীতাক দেখা পাই লৱ-কুশ যে ৰামৰেই সন্তান এই কথা জানিলে। পাছত ৰাম-লক্ষ্মণক অহা দেখি সীতাই বসুমতীৰ গৰ্ভত বিলীন হ'ল। লৱ-কুশক অযোধ্যালৈ নিয়া হ'ল। কিছু-কালৰ পাছত ৰাম-লক্ষ্মণে সাগৰৰ গৰ্ভত প্ৰৱেশ কৰি নৰ লীলা সম্বৰণ কৰিলে আৰু হনুমানো সাগৰৰ বুকুত বিলীন হ'ল।

এয়েই কাৰবি ৰামায়ণৰ সংক্ষিপ্ত কাহিনী।

OKDISCD

# হাইজাম্পত বিশ্ব অভিলেখ

চলিত বছৰৰ আৰম্ভণিতে বিশ্ব বিখ্যাত মহিলা ক্ৰীড়াবিদ মাৰিটা ক'চৰ (জাৰ্মান গণ প্ৰজাতন্ত্ৰৰ) অৱসৰ ঘোষণাই বিশ্ব ক্ৰীড়াংগনত আলোড়নৰ সৃষ্টি কৰিলে; আনহাতে ছুইডেনৰ ২২ বছৰ বয়সীয়া ইনড'ৰ বিশ্ব চেম্পিয়ন পেট্ৰিক য়ৰবাৰ্গে ২'৪১ মিটাৰ (৭ ফুট ১১ ইঞ্চি) হাইজাম্প মাৰি নতুন ইনড'ৰ বিশ্বৰেকৰ্ড প্ৰতিষ্ঠা কৰি বিশ্ববাসীক বিস্ময়ভিভূত কৰিলে।

হাইজাম্পত ফছবাৰি ফ্লপ টেকনিকৰ ব্যৱহাৰ হোৱাৰ পাছৰে পৰা দেখা যায়,— এই ইভেণ্টত ৰেকৰ্ড প্ৰতিষ্ঠাৰ অগ্ৰগতি যেন কিছু দ্ৰুত হ'বলৈ ধৰিছে। যেনেদৰে ফছবাৰি ফ্লপৰ আবিষ্কাৰক দিক ফছবাৰিৰ একান্ত শিষ্য ডুইট ষ্টনছে ১৯৭২ আৰু ১৯৭৬ চনৰ অলিম্পিক ক্ৰীড়াত দুটা ব্ৰঞ্জপদক লাভ কৰাৰ উপৰিও (১৯৮০ চনত মাৰ্কিন যুক্তৰাষ্ট্ৰই অলিম্পিক বয়কট কৰিছিল) তিনিটা বিশ্বৰেকৰ্ড প্ৰতিষ্ঠা কৰি বিশ্বহাইজাম্পৰ অন্যতম তাৰকাৰূপে নিজকে প্ৰতিষ্ঠা কৰিছিল। ১৯৮৪ চনৰ লছ এঞ্জেলছ অলিম্পিকত যোগদান কৰোঁতে মানৰ তুংগত থকা ষ্ট'নছে ২·৩১ মিটাৰ অতিক্ৰম কৰি চতুৰ্থস্থান দখল কৰে। বোধকৰোঁ বিশ্ব তথা অলিম্পিক হাইজাম্পত এনে ধৰণৰ দীৰ্ঘদিনীয়া দক্ষতা ষ্ট'নছৰ বাহিৰে দ্বিতীয় কোনেও প্ৰদৰ্শন কৰা নাই।

ডুইট ষ্ট'নছৰ লগে লগে কেইবাগৰাকীও বিশ্ব-বিশ্ৰুত হাইজাম্পাৰৰ অভ্যুদয় হয়। তেওঁলোক হ'ল: ভল্‌াডিৰ্মিৰ য়াচেনকো (ছোভিয়েট ইউনিয়ন), জাছেক জোলা (পোলেণ্ড), ডাইটাৰ ম'গেনবাৰ্গ আৰু কাৰ্লো আন'হাৰ্ট (পশ্চিম জাৰ্মেনি), গাৰ্ড ৱেছিগ (জাৰ্মান গণ প্ৰজাতন্ত্ৰ) আৰু ঝ' জিয়ান হুৱা (চীন গণ প্ৰজাতন্ত্ৰ) আদি। এওঁলোকৰ ভিতৰত য়াচেনকো হ'ল ষ্ট্ৰেডল জাম্পাৰ মস্কো অলিম্পিকত ৩৬ খন ৰাষ্ট্ৰৰ বয়কটৰ ফলত ডুইট ষ্ট'নছ আৰু ডাইটাৰ ম'গেনবাৰ্গ অনুপস্থিত থাকিলেও গাৰ্ড ৱেছিগে ২.৩৬ মিটাৰ জঁপিয়াই নতুন বিশ্ব-ৰেকৰ্ডসহ স্বৰ্ণপদক জয় কৰে। ইয়াৰ পাছতে ঝ' জিয়ানহুৱাই ২·৩৭, ২'৩৮ আৰু ২·৩৯ মিটাৰ জঁপিয়াই একাদিক্ৰমে তিনিবাৰ বিশ্বৰেকৰ্ড প্ৰতিষ্ঠা কৰে। তেওঁৰ শেষৰটো বিশ্বৰেকৰ্ড লছ এঞ্জেলছ অলিম্পিকৰ পুৰ্বে ১১ জুন তাৰিখে প্ৰতিষ্ঠা কৰিছিল। লছ এঞ্জেলছত ঝ' জিয়ানহুৱাই ২'৪০ মিটাৰ জঁপিয়াই ইতিহাস ৰচনা কৰাৰ যি পৰিকল্পনা কৰিছিল সি বাস্তৱৰূপ নাপালে। মাত্ৰ ২'৩১ মিটাৰ অতিক্ৰম কৰি তেওঁ ব্ৰঞ্জ পদক জয় কৰে। ডাইটাৰ ম'গেনবাৰ্গে ২'৩৫ মিটাৰ জঁপিয়াই স্বৰ্ণপদক আৰু আৰু চুইডেনৰ পেট্ৰিক য়ৰবাৰ্গে ২'৩৩ মিটাৰ অতিক্ৰম কৰি ৰূপৰ পদক পায়। আঘাত পোৱা হেতুকে কাৰ্লো আন'হাৰ্টে লছ এঞ্জেলছ অলিম্পিকত প্ৰতিদ্বন্দ্বিতা কৰিব নোৱাৰিলে; কিন্তু তেওঁ অলিম্পিকৰ পূৰ্বে এপ্ৰিল মাহত ২'৩৭ মিটাৰ জঁপিয়াই নতুন ইনড'ৰ বিশ্বৰেকৰ্ড প্ৰতিষ্ঠা কৰিছিল।

১৯৮৫ চনৰ আৰম্ভণিতে লছ এঞ্জেলছ অলিম্পিক চেম্পিয়ন ডাইটাৰ ম'গেনবাৰ্গে ২'৩৯ মিটাৰ জঁপিয়াই নতুন ইনড'ৰ বিশ্বৰেকৰ্ড প্ৰতিষ্ঠা কৰে। সেই বছৰৰে ১১ আগষ্ট তাৰিখে দনেস্কত ছোভিয়েট কাপৰ ছেমি ফাইনেলত ৰুডলফ পুভাৰিনট্‌ছিলে ২'৪০ মিটাৰ (৭ ফুট ১০½ ইঞ্চি) জপিয়াই নতুন বিশ্ব ৰেকৰ্ড প্ৰতিষ্ঠা কৰে। তাৰ ২৪ দিনৰ পাছতে কুবে বিশ্ব ইউনিভাৰ্ছিটি ক্ৰীড়াত অন্য এগৰাকী ছোভিয়েট ক্ৰীড়াবিদ ইগৰ পাকলিনে ২'৪১ মিটাৰ (৭ ফুট ১১ ইঞ্চি) জঁপিয়াই ৰুডলফ পুভাৰিনট্‌ছিনৰ বিশ্বৰেকৰ্ড ভংগ কৰে। ইনড'ৰ বিশ্বৰেকৰ্ডৰ অগ্ৰগতিৰ ক্ষেত্ৰত অলিম্পিকৰ ৰূপৰ পদক বিজয়ী আৰু ইনড'ৰ বিশ্বচেম্পিয়ন পেট্ৰিক য়ৰবাৰ্গে এথেন্সত ১৯৮৭ চনৰ ২ ফেব্ৰুৱাৰী তাৰিখে ২'৪১ মিটাৰ জপিয়াই নতুন ইনড'ৰ বিশ্বৰেকৰ্ড প্ৰতিষ্ঠা কৰোঁতে মাত্ৰ— ১৬ দিনৰ পূৰ্বে প্ৰতিষ্ঠিত কাৰ্লো আন'হাটৰ বিশ্বৰেকৰ্ড (২'৪০ মিটাৰ) তল পৰে।

বৰ্তমান ইগৰ পাকলিন আৰু পেট্ৰিক য়ৰবাৰ্গ উভয়ে ২'৪১ মিটাৰ জঁপিয়াই আউটড'ৰ আৰু ইনড'ৰ বিশ্ব অভিলেখৰ অধিকাৰী হৈছে। ইয়াৰ লগে লগে সমগ্ৰ বিশ্ব ক্ৰীড়ামোদীৰ দৃষ্টি নিবদ্ধ হৈছে কোনে পোন প্ৰথমে ২'৪৪ মিটাৰ অৰ্থাৎ ৮ ফুট জঁপিয়াব, আৰু এই কীৰ্তি পোনতে আউটড'ৰ নে ইনড'ৰ ৰণক্ষেত্ৰত প্ৰতিষ্ঠা হ'ব?

## জুনিয়ৰ দবাত আনন্দ বিশ্ববিজয়ী

অলপতে ফিলিপিনছৰ বাগুইৰ চহৰত অনুষ্ঠিত বিশ্ব-জুনিয়ৰ দবা চেম্পিয়নশ্বিপত বিজয়ীৰ সন্মান লাভ



কৰে ভাৰতৰ ১৭ বছৰ বয়সীয়া তামিল তৰুণ বিশ্বনাথ আনন্দে। এছিয়াবাসীৰ ভিতৰত আনন্দেই হ'ল এই খিতাপ লাভ কৰা প্ৰথম লোক। ইয়াৰ লগে লগে তেওঁ গ্ৰেণ্ড মাষ্টাৰ খিতাপ জয়ৰ লক্ষ্যৰ ফালে আৰু এখোজ আগুৱাই গ'ল। প্ৰতিযোগিতাৰ শেষ ৰাউণ্ডত আনন্দে ড্ৰ কৰিলে ইজৰাইলৰ গাডৰেছ লিছোৰ সৈতে। ১৩ ৰাউণ্ডৰ এই প্ৰতিযোগিতা তেওঁ শেষ কৰিলে ১০ পইণ্টত। দ্বিতীয় স্থান অধিকাৰী ছোভিয়েট ইউনিয়নৰ ভাছিলি ইভানছুকতকৈ তেওঁ আধা পইণ্টত আগবাঢ়ি থাকিল। এইবাৰৰ এই প্ৰতিযোগিতাত গোটেই বিশ্বৰ ৫২ জন প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰিছিল। তেওঁলোকৰ বয়স ২০ বছৰৰ তলত আছিল।

আনন্দৰ এই জয়ে ইউৰোপ আৰু আমেৰিকাৰ দবা খেলুৱৈসকলৰ আধিপত্যত ব্যাঘাত জন্মালে। ইজৰাইলৰ প্ৰতিদ্বন্দ্বীজনৰ হাতত ত্ৰয়োদশ ৰাউণ্ডত আনন্দ পৰাজিত হোৱাহেঁতেন তেওঁ তৃতীয় স্থানহে পালেহেঁতেন। ৪৯ তম চালত যেতিয়া খেলখন ড্ৰ হয়, তেতিয়া আনন্দে স্বস্তিৰ নিঃশ্বাস পেলায়। এই খেলখনৰ বিষয়ে আনন্দে কৈছে, "মোৰ ধাৰণা আছিল তৃতীয় স্থানতকৈ বেছি আগুৱাব নোৱাৰিম। টুৰ্ণামেণ্টৰ কঠিনতম মেচখনত তীব্ৰ সংগ্ৰামৰ পাছতহে জয় লাভ কৰিলো।" তেওঁৰ প্ৰতিদ্বন্দ্বী গাডৰেছ বিছে কয়, "খেলাখন মোৰহে হাতৰ মুঠিত আছিল; কিন্তু ৪৭ তম চালত মই এটা সুযোগ হেৰুৱালো।" আনন্দক সাংবাদিকসকলে প্ৰশ্ন কৰিছিল,— কোনো এছীয় দবা খেলুৱৈয়ে বিশ্বৰ ছিনিয়ৰ দবাত বিজয়ীৰ সন্মান লাভ কৰিব পাৰিবনে? আনন্দে উত্তৰ দিছিল, "পাৰিব বুলি একে আষাৰে কব নোৱাৰি; কিন্তু সম্ভাৱনা নিশ্চয় আছে।" টুৰ্ণামেণ্টৰ অন্যতম সংগঠক এৰলিটো লুছৰ মতে এইবাৰৰ প্ৰতিযোগিতাত দুজন গ্ৰেণ্ড মাষ্টাৰ আৰু ১২ জন আন্তঃৰাষ্ট্ৰীয় মাষ্টাৰে অংশ লোৱাত প্ৰতিযোগিতাৰ মান বেচ উচ্চমানৰ হৈছিল। আনন্দ সম্বন্ধে তেওঁৰ মন্তব্য হৈছে, উচ্চমানৰ তিনি চাৰিজন খেলুৱৈয়ে অংশ গ্ৰহণ কৰা আৰু এখন আন্তঃৰাষ্ট্ৰীয় টুৰ্ণামেণ্টত ভাল ফল দেখুৱাব পাৰিলেই আনন্দ গ্ৰেণ্ড মাষ্টাৰ হ'ব পাৰিব।

## ব্ৰেডমেনে আকৌ সাক্ষাৎকাৰ দিছে

যোৱা ৪০ বছৰে ডন ব্ৰেডমেনে কোনো সাক্ষাৎকাৰ দিয়া নাছিল। অলপতে অষ্ট্ৰেলিয়ান ব্ৰডকাষ্টিং 'কৰপৰেশ্যনৰ দ্বাৰা প্ৰযোজিত 'ব্ৰেডমেন —দি ডন ডিক্লেয়াৰ্ছ' অনুষ্ঠানত ছাৰ ডনে মৌনতা ভংগ কৰিছে। ইয়াৰ ফলত অষ্ট্ৰেলিয়াই যেন আকৌ নতুনকৈ আবিষ্কাৰ কৰিছে নিজৰ ৰাষ্ট্ৰীয় সম্পদক। এই অনুষ্ঠানত তেওঁ কৈছে, তেওঁ দেখা শ্ৰেষ্ঠ বেছটমেনগৰাকী হৈছে ষ্টান মেকেব। ১৯৩৮ চনত ইংলণ্ডৰ বিৰুদ্ধে টেণ্টব্ৰিজ টেষ্টত মেকেবে ২৩২ ৰান কৰিছিল। ছাৰ ডনে কৈছে, "ইয়াতকৈ ভাল ইনিংছ দেখাৰ আশা কৰিব নোৱাৰি। খেলৰ পাছত ষ্টান যেতিয়া পেভেলিয়নলৈ আহিছিল, মই তেতিয়া আগবাঢ়ি গৈ তেওঁক অভিনন্দন জনাইছিলো। বতাহত যেনেকৈ গছৰ পাত কঁপে মেকেব তেনেকৈ কঁপিছিল। দীৰ্ঘ ইনিংছ খেলি তেওঁ ক্লান্ত হৈ পৰিছিল। মই কৈছিলোঁ, —অভিনন্দন ষ্টান। মই যদি তোমাৰ নিচিনাকৈ এনেকুৱা ইনিংছ এটা খেলিব পাৰিলোহেঁতেন!" ব্ৰেডমেনৰ মতে জেক হবছ আৰু লেন হাটন হৈছে ইংলিছ ক্ৰিকেটৰ ইতিহাসৰ দুগৰাকী শ্ৰেষ্ঠ বেটছমেন।

অলপতে ছিডনিৰ এগৰাকী প্ৰকাশকে ডনৰ সচিত্ৰ জীৱনী প্ৰকাশ কৰিব। প্ৰথম সংস্কৰণৰ ৫০ হাজাৰ কপিৰ বাবে ইতিমধ্যে অগ্ৰিম অৰ্ডাৰ পোৱা গৈছে। ইমানদিনে সকলোৱে জানিছিল যে, জীৱনৰ শেষ টেষ্ট ইনিংছ খেলিবলৈ যাওঁতে ডন ইমান আবেগপ্ৰৱণ হৈ পৰিছিল যে তেওঁৰ চকুলো বৈ গৈছিল আৰু ইয়াৰ ফলত দৃষ্টিশক্তি বাধা প্ৰাপ্ত হোৱা বাবে তেওঁ শূন্য ৰানতে ব'ল আউট হৈছিল। আৰু মাত্ৰ চাৰিটা ৰান কৰিলেই তেওঁৰ গড় ১০০ হ'লহেঁতেন। স্বয়ং ব্ৰেডমেনে এই বিষয়ে কৈছে, "চকুলো বৈ অহা বাবে মই আউট হৈছিলো, —এইটো সম্পূৰ্ণ মিছা কথা—। এনে ধৰণৰ কথা কোৱাৰ অৰ্থ হৈছে মোক যিজনে ব'ল্ড কৰিছিল সেই এৰিক হোলিছৰ কৃতিত্বক স্বীকাৰ নকৰা। এইটো কথা মনত ৰখা উচিত যে, যেতিয়া মই বেট কৰিবলৈ গৈছিলো, তেতিয়া নিশ্চিতভাৱে জনাৰ উপায় নাছিল যে, সেইটোৱেই হব মোৰ শেষ টেষ্ট ইনিংছ;—কাৰণ অষ্ট্ৰেলিয়াৰ দ্বিতীয়বাৰ বেট কৰাৰ সম্ভাৱনা আছিল।"

## মেকেনৰোৰ মতে এতিয়াৰ টেনিছত শিল্প নাই

জন মেকেনৰোৱে জনাইছে যে, এইবাৰ তেওঁ আকৌ ভালকৈ টেনিছ খেলিব। খেলৰ শিল্পসুলভ গুণটো এতিয়া হ্ৰাস পাইছে বুলি তেওঁ সমালোচনা কৰিছে। এটা সাক্ষাৎকাৰত তেওঁ কয়, "মই নিশ্চিত,—মোৰ টেনিছ জীৱন শেষ হৈ যোৱা নাই। এতিয়া মই যথেষ্ট স্বচ্ছন্দ বোধ কৰিছোঁ। এন্ধাৰ সুৰংগৰ শেষত আকৌ পোহৰ দেখা পাইছোঁ।"

টেনিছত মেকেনৰোৰ সাফল্যৰ ভিতৰত আছে তিনিবাৰ উইম্বলডন বিজয়, চাৰিটা যুক্তৰাষ্ট্ৰৰ খিতাপ আৰু ৭০ খন ছিংগলছ খেলৰ চেম্পিয়নশ্বিপ। ক্ৰীড়া জীৱনত তেওঁ ১১ কোটিতকৈও অধিক টকা উপাৰ্জন কৰিছে। তেওঁ কয়, "বৰ্তমান ৰেংকিং (১০ নম্বৰ) অনুযায়ী মই ভাল স্থানত নাই। এসময়ত আছিলো এক নম্বৰত। বৰ বেয়া লাগে। নিজৰ আসন ঘূৰাই পাবলৈ হলে এতিয়া মই কঠোৰ পৰিশ্ৰম কৰিব লাগিব।" টেনিছ সম্পৰ্কে তেওঁ কয়, "মই ভাবোঁ টেনিছ এতিয়া নিশ্চল অৱস্থাত উপনীত হৈছে। দৰ্শকে খেলৰ নিয়ম-কানুন নাজানে। এতিয়া আমি প্ৰবেশ কৰিছোঁ পাৱাৰ টেনিছৰ যুগত, য'ত কোনো শিল্প নাই। টেনিছলৈ আকৌ শিল্প ঘূৰাই আনিব লাগিব।"

পুলক লাহিড়ী

# মাৰ্কশ্বিট

কিমান নম্বৰ পাই এম. এ., এম-এছ. ছি., এম. কম. আদি ডিগ্ৰীৰ বাবে হোৱা পৰীক্ষা পাছ কৰিলে এজন প্ৰাৰ্থী কলেজৰ শিক্ষক হ'ব পাৰে? এই প্ৰশ্নৰ লগত যিসকল জড়িত হৈছে, তেখেতসকলে বোধকৰোঁ উপলব্ধি কৰে,— ইয়াৰ উত্তৰৰ বাবে হোৱা আলোচনা-তৰ্ক-বিতৰ্ক বৰ দীঘলীয়া। আলোচনা-তৰ্ক-বিতৰ্কৰ ঘাই যুক্তিবোৰৰ ডাল-পাত কাটি লঠঙা কৰি পেলালে সেইবোৰ প্ৰায় এনেকুৱা হয়: পৰীক্ষাত পোৱা নম্বৰৰ লগত মানুহজন ভাল শিক্ষক হ'ব নে নহয় তাৰ কি সম্পৰ্ক? পৰীক্ষাঘৰত বহি প্ৰশ্নৰ উত্তৰ লিখি থকা সময়খিনিত কম নম্বৰ পোৱা প্ৰাৰ্থীজনৰ কিবা অসুবিধা (পঢ়াশুনা, বুদ্ধি-বৃত্তিৰ লগত সম্পৰ্ক নথকা) হৈছিল! তেওঁৰ গোটেই ছাত্ৰ-জীৱনৰ (শিক্ষা-জীৱনৰ?) সুদীৰ্ঘ সময়ৰ তুলনাত পৰীক্ষাঘৰৰ সেই ঘণ্টা কেইটাহে বেছি মূল্যবান নে? তেওঁ বহুত কথা জানে, কিন্তু দুৰ্ভাগ্যক্ৰমে তেওঁ যিকেইটা কথা অলপ কম জানে, সেই কেইটায়েই যে প্ৰশ্ন-কাকতৰ বেছি ঠাই আগুৰি আছিল! যোৱা বছৰৰ আগৰ বছৰৰ প্ৰশ্ন-কাকতখন পোৱা হ'লে তেওঁতো শতকৰা আশীভাগ নম্বৰ পালেহেঁতেন! তদুপৰি, তেওঁযে ইমান কম নম্বৰ পালে, সেই নম্বৰ তেওঁক দিলে কোনে? যিজনে বহী চাইছিল, তেখেতৰ বিচাৰ-বুদ্ধি কেনে? এজন প্ৰাৰ্থীৰ ভৱিষ্যত নিৰ্ণয় কৰিব পৰাকৈ তেখেতৰ বিচাৰ-বুদ্ধি নিৰ্ভৰযোগ্য হয়নে? আমাৰ ইয়াত কিছুমান বিষয়ত শিক্ষকতা কৰিবলৈ প্ৰয়োজনীয়-সংখ্যক প্ৰাৰ্থীৰ অভাৱ; তেনেক্ষেত্ৰত মাৰ্কশ্বিটৰ সীমাটো ওপৰত বান্ধি থলে শিক্ষক ক'ৰ পৰা আহিব? বিহাৰ-কেৰালা সেইফালৰ ক'ৰবাৰপৰা আহিব। কিন্তু সেইবোৰ ঠাইত কিজানি এনেয়ে সোপাসোপে নম্বৰ দি মাৰ্কশ্বিটবোৰ ভাল কৰা হয়! তদুপৰি, ফাৰ্ষ্ট ক্লাছ পালে বুলিলেই প্ৰাৰ্থীজনে শ্ৰেণীত পঢ়াব পাৰিবনে? কত ফাৰ্ষ্ট ক্লাছ-ফাৰ্ষ্ট প্ৰাৰ্থীয়ে কথা এষাৰ ভালকৈ কব নোৱাৰে! স্নাতকোত্তৰ মহলাৰ ডাঙৰ-ডাঙৰ কথাবোৰ জানিলেই নহ'ব নহয়, প্ৰাক-বিশ্ববিদ্যালয় মহলাৰ সৰু-সৰু কথাবোৰ ছাত্ৰ-ছাত্ৰীক বুজাব পাৰিব লাগিব, তেহে!

কিন্তু; —ইপক্ষৰ কথা; —পৰীক্ষা বোলা ব্যৱস্থা এটা আছে যেতিয়া, মাৰ্কশ্বিট বোলা বস্তু এটা আছে যেতিয়া, এই ব্যৱস্থা, এই বস্তুৰ ওপৰতে ছিষ্টেমটো চলি আছে যেতিয়া, নম্বৰ মতে চলাৰ বাহিৰে উপায় কি? যিটো প্ৰক্ৰিয়াৰ মাজেৰে এওঁ ফাৰ্ষ্ট ক্লাছ পাইছে, সেইটো প্ৰক্ৰিয়াৰ মাজেৰেই তেওঁ ছেকেণ্ড ক্লাছ পাইছে; এওঁ যদি নকল কৰি হায়াৰ ছেকেণ্ড ক্লাছ পাইছে, তেনেহলে তেৱোঁ নকল কৰি ল'ৱাৰ ছেকেণ্ড ক্লাছ পাইছে। ইংৰাজীৰ নিচিনা দুটামান বিষয়ৰ কাৰণে শিক্ষক-প্ৰাৰ্থী পোৱা অলপ টান, কিন্তু পলিটিকেল ছায়েন্স, এডুকেশ্যন আদি কিছুমান বিষয়ৰ ক্ষেত্ৰততো অভাৱটো তেনেকুৱা নহয়! তেনেহলে সকলো-বিষয়ৰ বেলিকাই নম্বৰৰ নিয়মটো সমানে ঢিলাই দিব কিয়? ইয়াৰ দ্বাৰা কলেজৰ শিক্ষকৰ চাকৰি দিয়া প্ৰক্ৰিয়াটোক লেতেৰা কৰা হ'ব। শান্ত-শিষ্টভাৱে পঢ়া-শুনা কৰি ভাল নম্বৰ পোৱা নিজুঁ প্ৰাৰ্থীসকল এনে এক শ্ৰেণীৰ প্ৰাৰ্থীৰ হেঁচাত পৰিব—যিটো শ্ৰেণীয়ে পঢ়া-শুনাৰ বাহিৰে অন্য কামৰ জৰিয়তে গা-কৰি আছে। শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীৰ সম্মুখত পাঠ্য-বিষয়ৰ বক্তৃতা দিয়াৰ লগত অন্যান্য বক্তৃতাৰ পাৰ্থক্য আছে। —ইত্যাদি।

সঁচাকৈয়ে, —এই বিষয়টোৰ আলোচনা-তৰ্ক-বিতৰ্কৰ ৰূপ, বিশেষকৈ বৰ্তমানৰ ভাৰতবৰ্ষৰ পটভূমিত, বৰ জটিল। বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগে শিক্ষকৰ দৰমহা বৃদ্ধিৰ লগত অৰ্হতাৰ (পৰীক্ষাত প্ৰাৰ্থীয়ে পোৱা নম্বৰৰ) যি সম্পৰ্ক ৰাখিব খুজিছে, সিও জটিলতাৰ মাজত সোমোৱাৰ আশংকা আছে।

কিন্তু এই সকলো তৰ্ক-বিতৰ্ক, নিয়ম-কানুনৰ উৰ্ধ্বত কিছুমান "পুৰণি" কথা আছে, আৰু সেইবোৰ কথা আমি মাজে-মাজে মনত পেলাব লাগে। আমাৰ ইয়াত মাৰ্কশ্বিট, ইণ্টাৰভিউ ব'ৰ্ড আদিৰ বাহিৰে শিক্ষকৰ অৰ্হতা বিচাৰ কৰাৰ অইন বিশেষ একো নাই বুলি ভবা হয়; কিন্তু সঁচাকৈয়ে নাই নে? আমি ছাত্ৰ আছিলো; আমি শিক্ষকক অৰ্হতা-যোগ্যতা-দক্ষতা-সামৰ্থ্যৰ নম্বৰ দিয়া নাছিলো; কিন্তু প্ৰত্যেকজন শিক্ষক সম্পৰ্কে ছাত্ৰ-সমাজৰ একোটা মতামত আছিল, আৰু সেই মতামত শিক্ষকজনৰ কাৰণে মূল্যবান সম্পদ বা ক্ষতিকৰ উপাদান আছিল। সেই অৱস্থা আজিও আছে; বৰং সময়ৰ সোঁতত ছাত্ৰ শিক্ষক-অভিভাৱকৰ চৰিত্ৰ সলনি হোৱাৰ কাৰণে সেই অৱস্থা আজি অধিক প্ৰকট হৈছে। "অমুক ছাৰৰ ক্লাছটো কোনোমতে মিছ কৰিব নোৱাৰি ভাই।"—এই কথাষাৰ হাজাৰ-হাজাৰ ছাত্ৰ-ছাত্ৰীৰ (প্ৰথম বেঞ্চৰ, মাজৰ বেঞ্চৰ, শেষৰ বেঞ্চৰ) মুখত আজিও শুনা যায়। "ক্লাছ নকৰ?"— "কাৰ ক্লাছ?"— "অমুকৰ।"— "এ নকৰোঁ দে। ব'ৰ!"— এই সংলাপ হাজাৰ-হাজাৰ ছাত্ৰ-ছাত্ৰীৰ মুখত আজিও (আজি-কালিহে?) শুনা যায়। যাৰ বিষয়ে এইবোৰ কথা কোৱা হয়, তেওঁ এই শব্দবোৰ শুনিব পাৰে, কিন্তু তেওঁৰ অন্তৰে উপলব্ধি নকৰে নে ছাত্ৰ-ছাত্ৰীৰ মাজত শিক্ষক হিচাপে তেওঁৰ অৱস্থান কেনেকুৱা? পঢ়াখিনি বুজাব পাৰিলোনে, ল'ৰা-ছোৱালীবোৰে মন দিয়া যেন লাগিল নে, ক্লাছটো কেতিয়া শেষ হয় তাৰ বাবে কিছুমানে উচপিচাই আছিল নে, প্ৰশ্নকেইটাৰ সন্তোষজনক উত্তৰ দিব পাৰিলোনে,— এইবোৰ প্ৰশ্ন এজন শিক্ষকৰ মনলৈ সদায় আহে নে নাহে? (তাৰ উত্তৰবোৰ কিন্তু ছাত্ৰ-ছাত্ৰীসকলে জানে।) প্ৰত্যেক বুদ্ধিমান শিক্ষকে জানে,— এইবোৰ প্ৰশ্নৰ উত্তৰেহে তিলতিলকৈ এখন নতুন মাৰ্কশ্বিটৰ সৃষ্টি কৰে।

গতিকে, ঘূৰি-ঘূৰি আমি আকৌ সেই পুৰণিকলীয়া কথা কিছুমানলৈ উভতি যাব লগীয়াত পৰোঁ। মই পাছ কৰি ওলালো; ব্যৱসায়-বাণিজ্য বা উপাৰ্জনৰ অইন বাট, বা জীৱন নিৰ্বাহৰ অইন বাট মোৰ ভাল নালাগে। গতিকে মোক এটা চাকৰি লাগে। কিহৰ চাকৰি? পুলিছৰ চাকৰি? সেইটো চাকৰিৰ কাৰণে মই যোগ্য নে? মোটামুটি যোগ্য, পিছে ওপৰৱালা, পাব্লিক, চোৰ-ডকাইত, প্ৰেছেছন, হৰতাল,— বৰ অশান্তি হ'ব হ'বলা!

আৰু শিক্ষকৰ চাকৰি? মই যোগ্য নে? যোগ্য হওঁ-নহওঁ, এইটো চাকৰিত মোৰ ওপৰত চকু ৰখা মানুহ আৰু বাহিৰা অশান্তি নাই হ'বলা; গতিকে—

নহয়; এইটো চাকৰিৰ ওপৰত সমগ্ৰ জাতিৰ উত্থান-পতনৰ ইতিহাসৰ চকু আছে; এইটো চাকৰিত বিবেকৰ তীব্ৰ অশান্তিৰ প্ৰশ্ন আছে। এই কথা মনত ৰাখি দৰখাস্ত কৰা প্ৰাৰ্থীৰ এখন অতিৰিক্ত মাৰ্কশ্বিট থাকে।

১১।৮।৮৭



